# ডিগবৈ মহাবিদ্যালয় আলোচনী

২য় সংখ্যা

ডিগবৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বছৰেকীয়া প্ৰকাশ

১৯৭৫-৭৬ চন।

সম্পাদক :

শিৱদাস তালুকদাৰ

# Editorial Board

## Digboi College Magazine

## 1975–76

**Patron :**

*Principal P. K. Bhuyan.*

**Chairman :**

*Prof. M. K. Bordoloi.*

**Staff-Member :**

*Vice-Principal (Mrs.) S. L. Gogoi.*
*Prof. T. C. Hazarika.*
*Prof J. C. Sharma.*

**Editor :** *Sivadas Talukdar.*

**Student Member :**

*Sri Mamoni Gohain*
*Sri Dikshit Bhattacharyya.*

**Cover Page :** *Sri Kalyan Das.*

*Block of Dr. S. Radhakrishnan is donated by Print Craft (P) Ltd, Digboi, Assam.*

# *Message*

**J. N. Das,**
Vice-chancellor.

No. DU-VC-92-76-238

Dibrugarh University
Dibrugarh Assam.

Date 5.3.76

**Dear Shri Talukdar,**

**I am happy to learn from your letter of 3rd January '76 that your Annual College Magazine will come out very soon.**

**A college Magazine is a very good vehicle for conveying the thoughts and ideas of the students on different subjects. It enhances the students' ability for creative function in literature. It is a useful instrument for building up the power of expression and for training the thinking process of mind. The emotional energies of youth are sublimated through it and manifested in noble expressions.**

**I hope the journal will be the best of its kind. I send my sincere wishes for its thorough success.**

Yours sincerely,

(J. N. DAS)

To
Shri Sivadas Talukdar,
Editor
Digboi College Magazine
DIGBOI.

অসমীয়া বিভাগ

# সূচীপত্ৰ

সম্পাদকীয়

## প্ৰবন্ধ


॥ ১ ॥ ঘাটি বাজেট অ ৰু ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰক
॥ ৭ ॥ সুখী সমাজ গঠনৰ ক্ষেত্ৰত জননিয়ন্ত্ৰণ
॥ ২১ ॥ অসমীয়া সাহিত্য সংস্কৃতিলৈ জ্যোতিপ্ৰসাদৰ অৱদান
॥ ৩১ ॥ নেপালী কবিতা সাহিত্যত এভুমুকি
॥ ৪৪ ॥ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত নাৰীৰ ভূমিকা
॥ ৪৮ ॥ চীনৰ অৰ্থনৈতিক উন্নয়ন
॥ ৬৩ ॥ নাটক আৰু চিনেমা ঃ একৰাশি বিক্ষিপ্ত চিন্তা


## কবিতা


॥ ১১ ॥ সংগীহাৰাৰ সংগী
॥ ৩৩ ॥ প্ৰতিবিন্দু
॥ ৪৩ ॥ চহৰৰ সেই নিষিদ্ধ গলিত
॥ ৪৭ ॥ এটি গীত
॥ ৫৮ ॥ ঋতু শেষৰ বাবে
॥ ৫৮ ॥ নতুন জ্যোতি
॥ ৬২ ॥ গোৰোহাত উৰিছে ৰঙামাটিৰ ধূলি
॥ ৬৮ ॥ শতপত্ৰৰ সমাধিত মাত তুমি গান্ধাৰী

গল্প

॥ ১৩ ॥ অভিশপ্তা
॥ ৪০ ॥ ভগ্নস্বপ্ন
॥ ৫৫ ॥ অৰূপ চলিহাৰ ডায়েৰীৰ এটুকুৰা
॥ ৫৯ ॥ তেজ

উপন্যাসিকা

॥ ৬৯ ॥ হেজাৰ তৰাৰ মিছিল য'ত

আন্তৰ্জাতিক মহিলা বৰ্ষ শিতান (International Women Year)

॥ ৮০ ॥ 'গ্ৰীন অন গো'
॥ ৮৩ ॥ 'ভোৰালী'ত হোৱা গ্ৰীষ্মকালিন শিবিৰটো

# সম্পাদকীয়

## শিক্ষা ঃ অৰ্থনৈতিক উন্নয়ন ঃ জৰুৰীকালীন অৱস্থা ঃ

স্বামী বিবেকানন্দই কৈছিল— "আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়, মানসিক বল বৃদ্ধি পায়, আমাৰ বুদ্ধি সত্তাৰ বিস্ফোৰণ ঘটে আৰু যাৰ অৱলম্বনত আমি আত্মনিৰ্ভৰশীল হব পাৰোঁ।"

অৰ্থনৈতিক উন্নয়নৰ লগত শিক্ষাৰ অগ্ৰগতিৰ ওতঃপ্ৰোত সম্বন্ধ আছে, কিয়নো, শিক্ষাৰ অগ্ৰগতি যিমান দ্ৰুত হব, অৰ্থনৈতিক উন্নয়নো সিমানেই দ্ৰুততৰ হব। ইয়াৰ বাবে দেশ বিদেশত নজীৰৰ অভাৱ নাই। ১৯৫২-৫৪ চনত অষ্ট্ৰেলিয়াৰ জনমূৰী বাৰ্ষিক আয় প্ৰায় ৫৬০০ টকা, নিউজিলেণ্ডৰ ৭৫০০ টকা, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ১২,০০০ টকা, ইংলেণ্ডৰ ৬০০০ টকা। এই সময় ছোৱাত এই দেশ কেইখনৰ ১০ বছৰৰ ওপৰত লিখা-পঢ়া নজনা লোক নাছিল। একে-বছৰতে ভাৰতৰ জনমূৰী আয় ৪০০ টকা (বাৰ্ষিক) আৰু নিৰক্ষৰ লোকৰ সংখ্যা শতকৰা ৮০ জন।

১৯৭৫ চনৰ ২৫ জুন তাৰিখে জৰুৰীকালীন অৱস্থা ঘোষণা কৰি চৰকাৰে অৰ্থনৈতিক উন্নয়নৰ বাবে যি কুৰিদফীয়া আঁচনি হাতত ললে, তাত শিক্ষা বিস্তাৰৰ ক্ষেত্ৰটো যথেষ্ট গুৰুত্ব দিয়া হৈছে। স্কুল-কলেজত প্ৰদান কৰা শিক্ষাৰ মানদণ্ড যাতে উন্নত হয় তাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। দাৰিদ্ৰতাৰ নিষ্পেষণত জুৰুলা অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে যাতে শিক্ষা গ্ৰহণৰ বাবে নূন্যতম সুবিধাকণো

গ্ৰহণ কৰিব পাৰে চৰকাৰে তাৰ প্ৰতি চোকা নজৰ ৰাখিছে। এইটো নিৰ্ঘাট সত্য যে শিক্ষা সম্প্ৰসাৰণৰ খৰতকীয়া গতিয়ে অৰ্থনীতিকো দ্ৰুত ৰূপায়নত সহায় কৰে। গতিকে জৰুৰীকালীন অৱস্থাত চৰকাৰে ঘোষণা কৰা অৰ্থনৈতিক আঁচনিৰ আশু আৰু ফলপ্ৰদ ৰূপায়ণত শিক্ষক, ছাত্ৰ-ছাত্ৰী তথা শিক্ষা বিভাগত জড়িত কৰ্মচাৰী সকলৰো সমান দায়িত্ব। আমি ছাত্ৰসকলে এনে শিক্ষা পাব লাগিব যাতে নিয়োজিত ধনৰেই জাতীয় স্বাৰ্থৰ দিশত উপকাৰ সাধিব পাৰোঁ, নৈতিক চৰিত্ৰই পোখামেলি উঠে, অন্তৰৰ সূক্ষ্ম অনুভূতি বিলাকৰ স্ফীতি ঘটি বিশাল ব্যক্তিত্বৰ প্ৰকাশ হয়— সৰ্বাতোপৰি মানৱতাৰ স্বৰূপ উপলব্ধি কৰিব পাৰোঁ।

## অসমীয়া সাহিত্য আৰু সংস্কৃতি ঃ

সাহিত্য আৰু সংস্কৃতি জাতিৰ প্ৰতিমূৰ্ত্তি। সাহিত্য আৰু সংস্কৃতি বিহীন জাতি খোৰা আৰু অন্ধ মানুহৰ তুল্য।

অসমৰ সংস্কৃতি জীৱন্ত সংস্কৃতি। বিভিন্ন জাতি আৰু উপজাতিৰ সংমিশ্ৰণে অসমীয়া সংস্কৃতিক এটি নিটোল ৰূপ দিয়াত সদায় সহায় কৰি আহিছে। বিভিন্ন অসম আক্ৰমণ কাৰীদল অসমলৈ আহি অসমীয়া সংস্কৃতিক ধ্বংস কৰাৰ পৰিৱৰ্ত্তে অসমীয়া সংস্কৃতিৰ লগত আপোনহৈ মিলি গৈছে। ই অসমীয়া সংস্কৃতিৰ সবলতাৰ প্ৰমাণ মাথোন।

মান আৰু ইংৰাজৰ যি আক্ৰমণ আৰু অত্যাচাৰ, তাৰ পিচত তেনেধৰণৰ কোনো আক্ৰমণ আৰু অত্যাচাৰ জাতিৰ ওপৰত বাহ্যিক ভাবে নহলেও পৰোক্ষভাবে অসমীয়া ভাষা আৰু জাতিৰ ওপৰত বিভিন্ন ধৰনেৰে আক্ৰমণ আৰু অত্যাচাৰ চলি আছে। ধৈৰ্য্য আৰু সহিষ্ণুতাৰে অসমীয়া জাতিয়ে সেই আক্ৰমণৰ প্ৰত্যাহ্বান দি আহিছে।

মানৰ আক্ৰমণে অসমীয়া সংস্কৃতিক এযুগ পিচহোঁহকাই আনিলে। সংস্কৃতিক জীয়াই ৰখাৰ পৰিবৰ্ত্তে জাতি জীয়াই থকাটোহে অসমীয়াৰ তোতয়া প্ৰধান কাম হৈ উঠিল। মানৰ অমানৱীয় অত্যাচাৰত অসমীয়াই অসমীয়াৰ সাহিত্য আৰু সংস্কৃতিৰ মৃত্যু হবলৈ নিদিলে। পূৰ্ব্ব পুৰুষৰ অমূল্য সাহিত্য নিজৰ জীৱনতকৈও

মূল্যৱান বুলি ভাৱি নষ্ট নোহোৱাকৈ লুকুৱাই ৰাখিলে। অত্যাচাৰৰ পৰা মুক্ত হোৱাৰ লগে লগে নিজৰ সংস্কৃতিকো ঘুৰাই আনিলে। তাৰ পিচত যি ইংৰাজ জাতি আহিল— তেওঁলোকৰ ৰাজ্য বিস্তাৰ মুখ্য উদ্দেশ্য হোৱাত জাতীয় সংস্কৃতিৰ মৃত্যু নঘটিল। দ্বিতীয়তে, সকলো জাতিৰ সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা ইংৰাজ জাতিৰ বৈশিষ্ট্য। ফলত, পুৰনি সাহিত্য উদ্ধাৰ হল— অসমীয়া সাহিত্যই সঞ্জীৱনী শক্তিলৈ নতুন পথত আগবাঢ়িবলৈ সুবিধা পালে। যি প্ৰাক্‌বৈষ্ণৱ সাহিত্য, বৈষ্ণৱ সাহিত্য কথমপি প্ৰাণ লৈ জীয়াই আছিল সেই সাহিত্যইও ১৮শ শতিকাৰ শেষৰ ফালৰ পৰা পুনৰ প্ৰাণ পাই উঠিল। শিক্ষিত লোকৰ সংখ্যা বাঢ়িবলৈ ধৰিলে আৰু লগে লগে পাশ্চাত্য সাহিত্যৰ প্ৰভাৱ পৰাত অসমীয়া জাতিৰ জ্ঞানচক্ষু অসম তথা ভাৰতবৰ্ষ তথা এচিয়াতে সীমাবদ্ধ হৈ নাথাকি পশ্চিমীয়া সাহিত্যৰো সন্মুখীন হল। অসমীয়া জাতিৰ ভাৱ-জগত সীমাহীন হ'ল— অসমীয়া সাহিত্য প্ৰাণমুক্ত হল। যোল্ল-সোতৰ বছৰীয়া অসমীয়া লৰাই কলিকতা চহৰত পঢ়িবলৈ গৈ অসমীয়া ভাষাৰ উন্নতিৰ কাৰণে জীৱনত্যাগ কৰিবলৈ ও আগবাঢ়ি আহিল। জাতীয় সাহিত্য আৰু জাতীয় সংস্কৃতি জীয়াই ৰখাৰ কাৰণে অসমীয়া জাতিয়ে ইয়াতকৈ কি কৰিব পাৰে?

কিন্তু, আজি কিছু দিনৰ পৰা দেখা গৈছে— অসমীয়া জাতীয় সংস্কৃতি জীয়াই ৰখাৰ প্ৰচেষ্টা থাকিলেও জাতীয় সাহিত্যত এক উদাস আৰু অলসতাই দেখা দিছে। লিখক, প্ৰকাশক আৰু পাঠক— তিনিওৰে অৱস্থাৰ ভাৰসাম্যৰ ব্যতিক্ৰম ঘটা পৰিলক্ষিত হৈছে। মাহেকীয়া আলোচনী আদিৰ কিছুমান মাহেকীয়া বয়স অতিক্ৰম কৰিয়েই মৃত্যু বৰণ কৰিছে। 'ৰামধেনু'ৰ পিচত নিয়মিত ভাবে প্ৰকাশ হোৱা আলোচনী নাই বুলি কলেও বঢ়াই কোৱা নহয়। পূজা সংখ্যা, বিহু সংখ্যা আলোচনী কেইখনলৈ আশাৰে বাট চাই থাকি ভাতো ৰছতো অভাৱ অনুভৱ কৰা অসমীয়া পাঠকৰ মাজত দেখা যায়। বৰ্ত্তমান অৱস্থাত 'সংজ্ঞা', 'প্ৰকাশ'ৰ জন্মই একশ্ৰেণী পাঠকক্ষহে সন্তুষ্ট কৰিব পাৰিছে। কিছুমান আলোচনী শ্ৰেণীবদ্ধ হোৱাৰ কাৰণে জনসাধাৰণক সন্তুষ্ট কৰিব পৰা নাই।

আমি আশাকৰো, অসমীয়া লিখক সমাজে শ্ৰেণীবদ্ধ সাহিত্যৰ লগতে জনসাধাৰণৰ সাহিত্যৰ জন্মদি অসমীয়া সাহিত্যৰ প্ৰসাৰতা বঢ়াত সহায় কৰিব।

## কৃতজ্ঞতা স্বীকাৰ ঃ

আলোচনীৰ সম্পাদনা কাৰ্য্যৰ বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱাৰ বাবে সম্পাদনা সমিতিৰ সদস্যসকল, ডঃ মহেন্দ্ৰ গগৈ, শ্ৰীকল্যান দাস, অধ্যাপক মনেশ্বৰ বৰ্ম্মণ, অধ্যাপক উপেন কোঁৱৰ, অধ্যাপিকা ৰঞ্জুমনি বৰা আৰু বন্ধু-বান্ধৱী ক্ৰমে, বুবুল— দীপ্তি— অৰুনিমা— উজ্জ্বল, প্ৰিণ্টক্ৰেফট প্ৰাইভেট লিমিটেডৰ কৰ্ম্মচাৰী বৃন্দ আৰু এই সংখ্যাৰ অৰিহণা যোগাওঁতা সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই 'ডিগবৈ মহাবিদ্যালয় আলোচনী'ৰ দীৰ্ঘায়ু কামনা কৰিলো।

শিৱদাস তালুকদাৰ

# ঘাটি বাজেট আৰু ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰক

শ্ৰীপ্ৰফুল্ল কুমাৰ ভুঞা, অধ্যক্ষ

এটা চৰকাৰৰ খৰচ আৰু উপাৰ্জনৰ খটিয়ানকে সেই চৰকাৰৰ এটা নিৰ্দ্দিষ্ট বছৰৰ বাজেট বোলে। এনে বাজেট দুই ধৰণৰ হ'ব পাৰে। ভাৰসাম্য বাজেট (balanced budget) আৰু ভাৰসাম্যহীন বাজেট (unbalanced budget)। যেতিয়া চৰকাৰৰ উপাৰ্জন চৰকাৰৰ খৰচৰ সমান হয়, তেতিয়া বাজেট ভাৰসাম্য হয়; যেতিয়া চৰকাৰৰ উপাৰ্জন চৰকাৰৰ খৰচতকৈ বেছি হয়, তেতিয়া বাজেটক ৰাহি বাজেট বোলে; আৰু যেতিয়া চৰকাৰৰ উপাৰ্জন চৰকাৰৰ খৰচতকৈ কম হয় বাজেটক তেতিয়া ঘাটি বাজেট বোলে। বাজেট ৰাহি বা ঘাটি হ'লেই ভাৰসাম্যহীন হয়।

ঘাটি বাজেটে চৰকাৰৰ উপাৰ্জনতকৈ ব্যয় বেছি কৰি দেশত মুঠ ব্যয় বেছি কৰে। মানুহৰ উপাৰ্জন বঢ়ায়, কৰ্ম সংস্থান বৃদ্ধি কৰে, লাভ বেছি হয়, অৰ্থ নৈতিক কাৰ্য্যাৱলীৰ পৰিসৰ বাঢ়ে, বস্তু-বাহানিৰ দাম চৰে আৰু অৱশেষত মুদ্ৰাস্ফীতি হয়। এই ঘাটি বাজেট চৰকাৰে বেছিকৈ ধন ধাৰে লৈও কৰিব পাৰে অথবা বেছিকৈ নোট চপা কৰিও কৰিব পাৰে। যুক্ত ৰাজ্যিক চৰকাৰৰ স্থানীয় চৰকাৰবোৰে যেনে অসম, পশ্চিমবঙ্গ আদি চৰকাৰে কেৱল ধাৰ কৰিহে এনে ঘাটি পূৰণ কৰিব লাগে। কিয়নো তেনে চৰকাৰৰ নোট চপা কৰিবৰ ক্ষমতা নাথাকে। গতিকে এনেবোৰ চৰকাৰে ৰাজহ বাজেটত ঘাটি লাগিলে মূলধনী বাজেটত ৰাহি কৰি সেই ঘাটি পূৰণ কৰে অথবা ৰাজহ আৰু মূলধনী দুইখন বাজেটটো ঘাটি কৰি নতুন বছৰলৈ ধাৰৰ বোজাটো আৰু সম্পদৰ টোপোলাটো থেলি দিব পাৰে অথবা পূৰণা জমাৰ পৰা খৰচ কৰিব পাৰে।

এই ঘাটি বাজেটক লৈ সৰ্বসাধাৰণৰ মনত বহুত ভুল ধাৰণা আছে। এই ভুল ধাৰণা আঁতৰোৱা নিতান্তই আৱশ্যক। অতীজত আৰু এতিয়াও সংৰক্ষণশীল লোকৰ মাজত ঘাটি বাজেট এটা ধোৱাঁখুলীয়া ব্যৱস্থা। যিটো চৰকাৰে এনে ঘাটি বাজেটৰ ব্যৱস্থা লয় সেইটো চৰকাৰেই বেয়া। কিন্তু লাহে লাহে মানুহৰ ধাৰণাৰ সলনি হ'ল। কিয়নো প্ৰত্যেক বছৰিয়েই ৰাহি হোৱাৰ বা ঘাটি হোৱাৰ কোনো বিশেষ আৱশ্যকতা নাই। ৫/১০ বছৰ মানৰ

ভিতৰত সমুহীয়াকৈ বাজেটখন ভাৰসাম্য হ'লেও আমাৰ আৱশ্যকতা পৰিপূৰ্ণ হয়। এই ধাৰণা-টোও কিছু কাল চলিল। তাৰ পাচত বহুত দেশত ঘাটি বাজেটৰ অনুপযুক্ত ব্যৱহাৰৰ ফলত ভাৰতত, আনকি পৃথিবীতে, মুদ্ৰাস্ফীতিয়ে সংক্ৰামক ৰূপ ধাৰণ কৰি মানুহক ব্যতিব্যস্ত কৰিলে। এতিয়া চৰকাৰ বিলাক সচেষ্ট হৈ ঘাটি বাজেটৰ পৰিসৰ কমাই মুদ্ৰাস্ফীতিৰ ওপ-ৰত অলপ নহয় অলপ সীমা বান্ধিবলৈ প্ৰচেষ্টা কৰিছে। ভাৰতত বিশেষকৈ এই ব্যৱস্থা আংশিকৰূপে কৃতকাৰ্য্য হৈছে। ফলত টকাৰ মূল্য নিচেই কম পৰিমাণে হ'লেও বাঢ়িছে।

অসম চৰকাৰৰ অভিজ্ঞতাৰে এই সম-স্যাটো পৰীক্ষা কৰি চালে আমাৰ বাস্তৱ জ্ঞান বাঢ়িব। ঘাটি বাজেট কিছুকাল একে লেঠে-ৰীয়ে হোৱাৰ পাচত যোৱা বছৰ অৰ্থাৎ ১৯৭৫-৭৬ চনত মুখ্য আৰু অৰ্থমন্ত্ৰী শ্ৰীযুত শৰৎ চন্দ্ৰ সিংহই ৰাজহ আৰু মূলধনী বাজেট মিলাই মুঠ বাজেটত নিচেই তাকৰীয়াকৈ হ'লেও এটা ৰাহিৰ সৃষ্টি কৰিলে। গতিকে ঘাটি বাজেটক আমি দৰাচলতে বেয়া চকুৰে চাও। ১৯৭৬-৭৭ চনৰ বাজেটটো এটা সৰু ঘাটিৰ সম্ভাৱনা প্ৰস্ফুটিত হৈছে। এই সৰু ঘাটিটো ১৯৭৫-৭৬ চনত হোৱা ৰাহিৰ ভিতৰতে নিহিত কৰি ৰাখিব খুজিছে। গতিকে ১৯৭৫-৭৬ আৰু ১৯৭৬-৭৭ চনক গোটাই ধৰিলে আমাৰ দুই বছৰতে ৰাহি বাজেটৰ অৱতাৰণা কৰিছে বুলিহে কব লাগিব। কিয়নো ১৯৭৫-৭৬ চনৰ ৰাহি ৪.০৭ কোটি টকা আৰু ১৯৭৬-৭৭ চনৰ ঘাটি ৩.৮৭ কোটি টকা। গতিকে দুই বছৰ গোটাই ধৰিলে ১৯.৭০ লাখ টকা ৰাহি থাকিব। কিন্তু ঘাটি বাজেট সচাঁকৈয়ে বেয়া চকুৰে চাবৰ পাত্ৰনেকী? ঘাটি বাজেটে মুদ্ৰাস্ফীতি কৰাৰ কাৰণেই মানুহৰ ঘাটি বাজেটৰ প্ৰতি এই কটাক্ষ দৃষ্টি। গতিকে ঘাটি বাজেট যিমানেই বেছি পৰিসৰৰ হয় সিমানেই ইয়াক বেয়া চকুৰে চোৱা হয়। সেয়েহে যোৱা বছৰ আৰু এই বছৰ মিলি এই ৰাহি বাজেটৰ অৱতাৰণা। কিন্তু ঘাটি বাজেট নিজে নিজে বেয়া বস্তু নহয়। বস্তুৰ দাম হ্ৰাস হোৱা, অৰ্থ নৈতিক কাৰ্য্যাৱলী হ্ৰাস পোৱা আৰু কৰ্মসংস্থান কমি যোৱা কালত ঘাটি বাজেট এখন দেশৰ অশীষ স্বৰূপ। আন সময়তো ঘাটি বাজেট অশীষ স্বৰূপ হব যদি আমি সেই ঘাটি বাজেট কেনে কামত খৰচ কৰাৰ কাৰণে কৰা হৈছে তালৈ লক্ষ্য ৰাখো। যদি ঘাটি বাজেট হোৱাৰ ঘাই কাৰণ এনে কিছু চৰকাৰী ব্যয়, যিবোৰ কম সময়ৰ ভিতৰত উৎপাদন কৰিব পৰা আৰু ভাল চাহিদা থকা কিছুমান সেৱা বা বস্তুৰ মূলধনী ব্যয়, তেতিয়া ঘাটি বাজেট এখন উন্নতিকামী ৰাষ্ট্ৰ বা ৰাজ্যৰ পক্ষে বেয়া হ'ব নোৱাৰে, বৰঞ্চ বৰ উপকাৰী ব্যয়হে হ'ব। গতিকে বেয়া চকুৰে চাব লগা পাত্ৰ ঘাটি বাজেট নহয়। ঘাটি বাজেট কৰিব লগা হোৱা ব্যয় বিলাকৰ উপযুক্ততা বা অনু-পযুক্ততা পৰীক্ষা কৰি চাইহে আমি ঘাটি বাজেটক বেয়া চকুৰে চাব লাগে। নিচেই কম সময়তে ফলৱতী হোৱা আৰু ভাল চাহিদা থকা সেৱা বা বস্তুৰ উৎপাদনত ব্যৱহাৰ কৰিব পৰা চৰকাৰী ব্যয়ৰ যোগেদি হোৱা অসম চৰ-কাৰৰ ঘাটি বাজেট দেশৰ কাৰণেই কাম্য। এনে কৰিবলৈ চৰকাৰে বেছি পৰিমাণে ধাৰ ললেও কোনো ক্ষতি নাই। কিন্তু কিছুমান অদৰকাৰী বিভাগ খুলিবলৈ বা বহুত দিন

লগা উৎপাদনচক্র খুলিবলৈ অসম চৰকাৰে এতিয়া ঘাটি বাজেট কৰিলে দেশৰ ক্ষতিকাৰক হ'ব। অসমত চাহিদা থকা আৰু অতি কম সময়তে ফলৱতী হোৱা বহুত প্ৰকল্পই ওলাব য'ত এনেদৰে ধন খটালে অসম চৰকাৰৰ অৰ্থ-নৈতিক কাৰ্য্যাৱলীৰ পৰিসৰ বাঢ়িব আৰু তেনে কাৰ্য্যাৱলীৰ পৰা আনহাতে ৰাজহ ওলাব, যি ৰাজহৰ পৰা পূৰণা ঋণ আৰু তাৰ সুদ পৰি-শোধ কৰিও হয়তো কিছু ৰাজহ আন কামত লগাবলৈ থাকি যাব।

এইখিনিতে বিষয়বস্তুৰ বাহিৰলৈ গৈও এটা কথা উনুকিয়াই থওঁ যে, অসমত কৰ আৰু অনাকৰ ৰাজহ বঢ়াই তুলিবলৈ বহুত সুবিধাই আছে, যিবোৰ সুবিধাৰ সহায় ল'লে জনসাধাৰণও কোনো গুণে কষ্টত নপৰে, অথচ দেশৰ ৰাজহৰ পূজিও টনকিয়াল হয়। আনহাতে অসম চৰকাৰৰ ব্যয় ব্যৱস্থাৰ এটা আমূল পৰিবৰ্ত্তনৰ আৱশ্যকতা আছে। যাৰ যোগেদি জনসাধাৰণ আৰু অসমৰ অৰ্থনৈতিক উন্নতি বহুত দূৰ আগুৱাই নিব পাৰি। কিন্তু আজি আমাৰ আলোচনাৰ বিষয়বস্তু বেলেগ কাৰণে এই বিষয়ে বঢ়াই লিখা অবান্তৰ হব।

বাজেট ভাৰসাম্যই হওঁক অথবা ঘাটি হওঁক, যদি বাজেটৰ ব্যয় আগৰ বছৰতকৈ বেছি হয় তেনে ব্যয়ৰ সংখ্যা বৃদ্ধিকৰণৰ ক্ষমতা কৰ বেছি তুলি কৰা সংকোচনতকৈ বেছি। তাকে অৰ্থনীতিত ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰক সূত্ৰ ( Balanced Budget Multiplier theory ) বোলে। চৰকাৰী ব্যয় আৰু কৰ সমানে বৃদ্ধি কৰিলেও কৰৰ সংকোচন-মুখী ফলতকৈ চৰকাৰী ব্যয়ৰ প্ৰসাৰমুখী ফল বেছি ধৰণৰ হয়, যদি অৱশ্যে এই অতিৰিক্ত কৰবোৰ কেৱল ধন খটুওৱা উৎপাদনকাৰী আৰু ব্যৱসায়ীৰ পৰাই তোলা নহয়। আন-হাতে এখন বাজেট ভাৰসাম্য হ'লেই সন্তুষ্টিৰ চকুৰে চাব নোৱাৰি। যদি চৰকাৰৰ কৰ সংগ্ৰহ কমি যায় তাৰ লগতে চৰকাৰী ব্যয়ও কমাই এখন ভাৰসাম্য বাজেট কৰিব পাৰি তেতিয়া অৰ্থব্যৱস্থাত স্থিৰতাৰ সৃষ্টি নহয় বৰঞ্চ অৰ্থ-নৈতিক অৱস্থাই এটা নিম্নগতিত যাবলৈ আৰম্ভ কৰে। আনহাতে মুদ্ৰাস্ফীতিৰ সময়ত অথবা অৰ্থনৈতিক কাৰ্য্যাৱলীৰ নিম্নগতিৰ সময়ত ভাৰসাম্য বাজেটে স্থিৰতা নানে। তেতিয়া ৰাহি বাজেটেহে স্থিৰতা আনিবলৈ প্ৰয়াস কৰিব পাৰে। গতিকে ঘাটি বাজেট কটাক্ষ দৃষ্টিৰ পাত্ৰ নহয়। কি কি অতিৰিক্ত চৰকাৰী ব্যয়ে ঘাটি বাজেট কৰিলে, অথবা কি কি ৰাজ-হৰ সংকোচনে ঘাটি বাজেট কৰিলে, সেই-বিলাকহে পৰীক্ষণীয়। ভাৰসাম্য বাজেটৰ বৃদ্ধি হ'লে অৰ্থনৈতিক কাৰ্য্যাৱলীৰ প্ৰসাৰ হয় যেতিয়া, ঘাটি বাজেটে অৰ্থনৈতিক কাৰ্য্যাৱলীৰ প্ৰসাৰতা বহুগুনে বৃদ্ধি কৰে। ঘাটি বাজেটৰ অৰ্থনৈতিক কাৰ্য্যাৱলীৰ ওপৰত কৰা প্ৰসাৰমুখী প্ৰভাৱৰ মাত্ৰা নিৰ্ভৰ কৰিব অৰ্থনৈতিক কাৰ্য্যা-ৱলীৰ গতিৰ ওপৰত। অৰ্থনৈতিক কাৰ্য্যাৱলী নিম্নগতিত যাত্ৰা কৰিলে ঘাটি বাজেটৰ প্ৰসাৰ-মুখী প্ৰভাৱ কম পৰিমাণৰ হ'ব। অৰ্থনৈতিক কাৰ্য্যাৱলী উৰ্দ্ধগতিত লাহে লাহে যাত্ৰা কৰিলে ঘাটি বাজেটৰ প্ৰসাৰমুখী প্ৰভাৱ অলপ বেগী হ'ব আৰু অৰ্থনৈতিক কাৰ্য্যাৱলীয়ে বেগী গতিত উৰ্দ্ধমুখী যাত্ৰা কৰিলে ঘাটি বাজেটৰ প্ৰসাৰ-মুখী প্ৰভাৱ অতি বেগী আৰু প্ৰকট হ'ব।

গতিকে ঘাটি বাজেট কৰিবলৈ গ'লে এনেবোৰ কথালৈ লক্ষ নেৰাখিলে বিপদৰ সন্মুখীন হ'ব লাগে।

ঘাটি বাজেটৰ সংখ্যা বৃদ্ধিকৰণৰ ক্ষমতাৰ বুজ ল'বলৈ আমি ভাৰসাম্য বাজেটৰ সংখ্যা বৃদ্ধিকৰণৰ সূত্ৰটোকে পৰীক্ষা কৰি চাওঁ।

ভাৰসাম্য বাজেটৰ সংখ্যাবৃদ্ধিকাৰক (Balanced budget multiplier) :—

ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰক সূত্ৰৰ আন এটা নাম 'একক' সংখ্যা বৃদ্ধিকাৰক সূত্ৰ (unit multiplier theory)। দুজন বিখ্যাত অৰ্থনীতিবিদৰ ভাষাত * "এই সূত্ৰই প্ৰতিপন্ন কৰে যে, চৰকাৰী ক্ৰয় বা ব্যয় আৰু কৰৰ বৃদ্ধিৰ ঠিক সমান পৰিমাণৰ উপাৰ্জনৰ মাত্ৰা বৃদ্ধি কৰে। ইয়াৰ অৰ্থ এইয়ে যে, কৰৰ হাৰ বৃদ্ধি কৰিও চৰকাৰে যদি চৰকাৰী ক্ৰয় বা ব্যয় বৃদ্ধি কৰে, তাৰ প্ৰতিফল সংখ্যাবৃদ্ধিকাৰকৰ ওপৰত নপৰে বুলি ক'ব নোৱাৰি। এটা অৰ্থ ব্যৱস্থাত যেই কোনো ব্যয় বৃদ্ধিৰ প্ৰতিফল প্ৰথমবাৰ ব্যয় বৃদ্ধিতেই শেষহৈ নাযায়। ই বহুতবাৰ কম হাৰত হলেও, ব্যয় বৃদ্ধি কৰি গৈ থাকিহে অৱশেষত ইয়াৰ বৃদ্ধিৰূপী ফলাফলৰ ঢৌ মাৰ যায়। গতিকে চৰকাৰে কৰ বেছিকৈ তুলি চৰকাৰী ব্যয় বেছি কৰিলে কৰৰ সংকোচনমুখী প্ৰতিফলতকৈ চৰকাৰী ব্যয়ৰ প্ৰসাৰমুখী ব্যয় বেছি ফলপ্ৰসু হয়—যদি অৰ্থ ব্যৱস্থাত উপাৰ্জন ব্যয় আৰু সঞ্চয়ে উৰ্দ্ধতম গতিত অগ্ৰসৰ হয়। গতিকে অৰ্থব্যৱস্থাই কি গতিত গৈ আছে তাৰ বিশ্লেষণ নকৰাকৈ অকল বাজেটখন ভাৰসাম্য কৰিলেই স্থিৰতা আনিব পাৰি বুলি ন-দি কব নোৱাৰি। যদি উপাৰ্জন, ব্যয় আৰু সঞ্চয়ে নিম্ন গতিত অগ্ৰসৰ হৈছে তেতিয়া চৰকাৰৰ কৰ বৃদ্ধিৰ সংকোচনমুখী প্ৰভাৱ সমান পৰিমাণৰ চৰকাৰী ব্যয় বৃদ্ধিৰ প্ৰসাৰমুখী প্ৰভাবতকৈ বলবান হ'ব। তাকেই দাৰ্নবৰ্গ আৰু মেকডুগালে লেখিছে "বাজেট সমন্ধীয় ভাৰসাম্যতাই যথেষ্ট নহয়। এইটো বিবেচনা কৰা আৱশ্যকীয় কোন মাত্ৰাত (বা গতিত) বাজেটখন ভাৰসাম্য হৈছে।"

গতিকে চৰকাৰী ব্যয় বৃদ্ধিৰ লগত জাতীয় উপাৰ্জনৰ বৃদ্ধিৰ অনুপাতেই হৈছে 'চৰকাৰী সংখ্যাবৃদ্ধি কাৰক (Government multiplier)। এটা সহজ উদাহৰণ হিচাবে ধৰা হওঁক, ধন প্ৰয়োগ স্থিৰ আছে আৰু উপাৰ্জন বৃদ্ধিয়ে এটা অনুপাতত উপাৰ্জনৰ ওপৰত প্ৰতিক্ৰিয়া কৰিছে। অৰ্থাৎ উপাৰ্জন বৃদ্ধিয়ে উপভোগত ব্যয় বৃদ্ধি কৰিছে, যিটোৱে অলপ কম পৰিমাণত আকৌ উপাৰ্জন বৃদ্ধি কৰিছে, যাৰ আকৌ কিয়দংশ উপভোগত ব্যয় বৃদ্ধি হিচাবে ব্যৱহৃত হৈছে; এনেদৰে ক্ৰিয়া প্ৰতিক্ৰিয়া হৈ শেষত সেই ব্যয় বৃদ্ধিটোৰ প্ৰতিক্ৰিয়া নাইকীয়া হৈছেগৈ। এনেকৈ বিনা প্ৰমাণে কিছু ধাৰণা গ্ৰহণৰ পৰিপ্ৰেক্ষিতত, বৃদ্ধিৰ সংখ্যাৰে হৰণ কৰিলে সংখ্যাবৃদ্ধিকাৰক একৰ সমান হয় অৰ্থাৎ এক বিয়োগ 'প্ৰান্তীয় উপভোগ অনুপাত'। প্ৰান্তীয় উপভোগ অনুপাত মানে অতিৰিক্ত উপাৰ্জনৰ লগত অতিৰিক্ত উপভোগৰ অনুপাত। যদি প্ৰান্তীয় উপভোগ অনুপাত $\frac{1}{2}$ অংশ হয় চৰকাৰী অতিৰিক্ত ব্যয়ৰ অৰ্দ্ধেক অংশ উপভোগত আকৌ ব্যয় কৰিব আৰু তাৰ আধা অংশ আকৌ উপভোগত ব্যয় কৰিব। এনেদৰে প্ৰতিক্ৰয়াটো হৈ গৈ শেষত শূন্য হবগৈ। গতিকে

* থমাচ এফ ডাৰ্ণবাৰ্গ আৰু ডানকান এম মেকডুগেল

প্ৰান্তীয় উপভোগ অনুপাত যদি $\frac{১}{২}$ অংশ হয় সংখ্যাবৃদ্ধিকাৰক ২ হব, যেনে— $১+\frac{১}{২}+\frac{১}{৪}+\frac{১}{৮}+\frac{১}{১৬}+\frac{১}{৩২}+\frac{১}{৬৪}$.........=২ গতিকে যদি চৰকাৰী ব্যয়ৰ ১ পৰিমাণৰ সংখ্যাটো কৰৰ যোগেদি আহৰণ কৰা হৈছিল। তেতিয়া মুঠ বৃদ্ধিটো হ'ব ২−১=১ সেয়েহে এই সূত্ৰক একক সংখ্যাৰ বৃদ্ধিকাৰক সূত্ৰ বোলে। তাকেই বিত্তবিদ ছাৰমেনে * লিখিছে "কৰ সলনিৰ সংখ্যাবৃদ্ধিকাৰক, চৰকাৰী ব্যয় সলনিৰ সংখ্যাবৃদ্ধিকাৰতকৈ সদায়েই থিক এক বেছি।" অৰ্থাৎ জাতীয় উপাৰ্জনৰ বৃদ্ধি নতুন চৰকাৰী ব্যয়ৰ ঠিক সমান কিয়নো এই কৰ বৃদ্ধিৰ কাৰণে ব্যক্তিগত ব্যয়ত কোনো গৌণ ফলাফল নহয়। ইয়াকেই ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰক সূত্ৰ * বোলে।

ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰক সূত্ৰত ভালেমান কেইটা অবাস্তৱ বিনা প্ৰমাণে গ্ৰহণ কৰা ধাৰণা আছে। সেইবোৰ হ,ল (১) ব্যক্তিগত ধন প্ৰয়োগ স্থিৰ হৈ আছে, (২) উপভোক্তাৰ ব্যয়বোৰ একেলগে হয়, (৩) প্ৰান্তীয় উপভোগ অনুপাত স্থিৰহৈ থাকে, (৪) প্ৰান্তীয় উপভোগ অনুপাত চৰকাৰী ব্যয়ৰ পৰা পোৱা উপাৰ্জন আৰু কৰে কম কৰা উপাৰ্জন, দুয়োটালৈকে সমান, (৫) কৰৰ যোগেদি চৰকাৰী আয় আৰু চৰকাৰী ব্যয়ৰ ব্যৱধান (time lag) সমান, আৰু (৬) গোটেই যুক্তিটোৰ ভিত্তি হৈছে যে, অৰ্থব্যৱস্থাটোত যথেষ্ট পৰিমাণৰ অনিয়োজিত সম্পদ আছে, যাৰ কাৰণে ব্যয় বৃদ্ধিয়ে বেছি উৎপন্ন বস্তুৰ সৃষ্টি কৰিব পাৰে। কিন্তু যদি চৰকাৰী ব্যয় বৃদ্ধি ঘাটিৰ যোগেদি কৰা হয়, অৰ্থাৎ বন্দ পত্ৰ বিক্ৰী কৰি কৰা হয়, তেতিয়া অৰ্থব্যৱস্থাৰ অৰাষ্ট্ৰীয় খণ্ডত তাৰ ফলাফল কি হব সেইটো নিৰ্ভৰ কৰিব এটা প্ৰশ্নৰ ওপৰত। প্ৰশ্নটো-হৈছে বন্দ পত্ৰ কিনা মানুহে বন্দ পত্ৰ নিকিনা হ'লে সেই ধনেৰে কি কৰিলেহেতেন? যদি সেইধন উপভোগ আৰু ধন প্ৰয়োগ কাৰ্য্যত সম্পূৰ্ণকৈ খৰছ কৰিলেহেতেন, তেতিয়া হ'লে চৰকাৰৰ ঘাটি ব্যয়ৰ পৰা কোনো নতুন ফল নধৰে। কিন্তু যদি সেই ধনৰ কিয়দংশহে উপভোগ আৰু ধন প্ৰয়োগত খৰছ কৰে, তেতিয়া হলে চৰকাৰৰ ঘাটি ব্যয়ে অৰ্থব্যৱস্থাত শক্তিশালী সংখ্যাবৃদ্ধিকাৰকৰ কাম কৰিব। নোট ছপা কৰি কৰা ঘাটি ব্যয়েই বা ঘাটি বাজেটেই উচ্চতম মুদ্ৰাস্ফীতিকাৰক ব্যৱস্থা। কিয়নো তেনে কৰিলে অৰাষ্ট্ৰীয় খণ্ডৰ পৰা একো ধন সংগ্ৰহ কৰা নহয়। গতিকে অৰ্থ-নৈতিক সংকোচনৰ নিম্নতম স্তৰত নোট ছপা বৃদ্ধি কৰি ঘাটি বাজেট কৰিলে অৰ্থব্যৱস্থালৈ সজীৱতা আৰু স্বয়ংক্ৰিয়তা আহে আৰু পূৰ্ণ নিযুক্তি আৰু বেছি ধৰণৰ মূল্য বৃদ্ধিৰ সময়ত প্ৰায় সকলো চৰকাৰী ব্যয়ৰ কাৰণে লগা খৰছ কৰৰ যোগেদিহে সংগ্ৰহ কৰিব লাগে।

ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰকৰ বীজগনিতিক প্ৰকাশ:— উপাৰ্জন = y = উপভোগৰ বস্তুত খৰচ (c) আৰু প্ৰবৃত্তি জন্মোৱা ধন প্ৰয়োগত হোৱা দ্ৰব্যমূলক মূলধনত ব্যয় (I) যিবিলাক উপভোগৰ বস্তুৰ চাহিদা পূৰণৰ অৰ্থে লাগে। প্ৰবৃত্তি জন্মোৱা ধন প্ৰয়োগ (induced investment) উপাৰ্জনৰ ধন প্ৰয়োগৰ

* হৰাৰ্দ জে', চাৰমেন, মেক্ৰদাইনেমি ইকনমিক্ৰ

* এই সূত্ৰৰ বিশদ আলোচনা লেৰ্ৰিচ এইচ কিয়েলৰ গ্ৰন্থ ফেগু ফিচকেল পলিচিত পাব

লগত উঠা নমা কৰে আৰু প্ৰথমটো দ্বিতীয়টোৰ প্ৰতিক্ৰিয়া মাথোন। কিন্তু আমাৰ সুবিধাৰ অৰ্থে দ্ৰব্যমূলক মূলধনত কৰা ব্যয়ক (I) স্থিৰ সংখ্যা বুলি ধৰি লোৱা হৈছে। উপভোগৰ বস্তুত ব্যয় উপাৰ্জনৰ উঠা নমাৰ লগত উঠা নমা কৰে আৰু ইয়াৰ এটা নিজস্ব উপাদান আছে। তলৰ সমীকৰণে ইহঁতৰ সম্বন্ধটো প্ৰকাশ কৰিছে।

$$Y = C + I$$
$$C = CY + a$$

এই বিলাক সমীকৰণৰ পৰা আমি Y ৰ মূল্য পাওঁ $(I+a)\,(I-c)$। এনেতে চৰকাৰে t ৰ সমান কৰ সংগ্ৰহ কৰিব পৰা এটা কৰ লগালে আৰু সেই কৰ ৰাজহ প্ৰয়োগ কৰিলে তেতিয়া উপভোগ হব :— $c = c(y-t)+a$

আৰু ধন প্ৰয়োগ হয় $I+t$

জাতীয় উপাৰ্জন $y_t = (a+I+t-ct)(\ -c)$

সেই কাৰণে জাতীয় উপাৰ্জনৰ বৃদ্ধি $= \frac{t-ct}{1-c}$

অৰ্থাৎ সংখ্যাবৃদ্ধিকাৰক $= 1$

এনেকৈয়ে ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰকে ১ মূল্য পায়গৈ। কিন্তু ধন প্ৰয়োগ স্থিৰ নহয় আৰু উপাৰ্জনৰ উঠা নমাৰ লগত সিও উঠা নমা কৰে বুলি ধৰিলে ভাৰসাম্য বাজেট সংখ্যাবৃদ্ধিকাৰক ১তকৈ বেছি হ'ব। "যদি উদাহৰণ স্বৰূপে সঞ্চয়ৰ ইচ্ছা ⅕ অংশ আৰু ধন প্ৰয়োগ সংখ্যাৰ গুণক $\frac{1}{10}$, উপাৰ্জন বৃদ্ধিটো ২ হবগৈ। সংখ্যাবৃদ্ধিকাৰক হয় ২ *।

---

* জে, কে, মেহটা,

# সুখী সমাজ গঠনৰ ক্ষেত্ৰত জননিয়ন্ত্ৰণ

শ্ৰীকিৰণ কুমাৰী দাস
স্নাতক, প্ৰথম বাৰ্ষিক (কলা)

এখন সুখী সমাজ গঠনৰ বাবে আজি প্ৰতিজন ব্যক্তিয়েই চিন্তান্বিত হৈ পৰিছে। কেনেকৈ সমাজৰ প্ৰতিটো কামত শৃঙ্খলা, নিয়মানুৱৰ্ত্তিতা আৰু স্বাৱলম্বীতা বজাই ৰাখি এখন সুখী সমাজ গঠন কৰিব পাৰি তাৰেই চেষ্টাত সকলো ব্যতিব্যস্ত। আমি প্ৰত্যেকেই আজি অনুভব কৰিছো যে— জননিয়ন্ত্ৰণেই বৰ্ত্তমান সমাজৰ মুখ্য কৰ্ম্ম। শিক্ষাৰ অভাৱ স্বাস্থ্যহীনতা, খাদ্য দ্ৰব্যৰ নাটনি আদিয়ে আজি উগ্ৰ মূৰ্ত্তি ধৰি দেখা দিছে; আমি কেনেকৈ এই সমাজত জীয়াই থাকিব পাৰিম? কুৰি শতিকাৰ এই সমাজখনত জীৱন ধাৰণৰ প্ৰয়োজনীয়তা পুৰাবৰ কাৰণে কিমান সংগ্ৰাম কৰিব লগীয়া হৈছে, সেয়া কাৰো অবিদিত নহয়। জনসংখ্যা বৃদ্ধিক প্ৰতিৰোধ কৰাৰ সময় আহি পৰিছে। সেয়েহে আমি চাব লাগিব এজন শিশু, জন্মৰ পৰা বৃদ্ধ হোৱালৈকে কেনেকৈ লালিত পালিত হৈছে। এই ক্ষেত্ৰত ইটালিৰ National association of adoptive familiesৰ পৰা Giusoppe Cicorellaই লিখিছে যে "Each human being from the moment he is born, requires from those who called him to love and from society of which he becomes a part, all that his existence and his particular dignity as a human being needs"

comes a part all that, his existence and his particulars dignity as a human being needs"

১৯৭১ চনত কৰা পিয়লৰ তথ্যপাতিৰ পৰা বুজা গৈছে যে বৰ্ত্তমান ভাৰতৰ মুঠ জন সংখ্যা ৫৪৭ নিযুতৰো অধিক হৈছে আৰু বৃদ্ধিৰ হাৰো পূৰ্বৰ দশকৰ তুলনাত বাঢ়িছে। এনে দৰে জনসংখ্যা বাঢ়ি গৈ থাকিলে ভাৰতৰ অৰ্থনৈতিক, সামাজিক আৰু জাতীয় জীৱনৰ ক্ষেত্ৰত কি ভীষণ ৰূপ গ্ৰহন কৰিব পাৰে সেয়া এতিয়াই অনুমান কৰিব পাৰি। গতিকে জনসংখ্যা নিয়ন্ত্ৰণ কৰি সুখী সমাজ গঠন কৰাৰ ক্ষেত্ৰত দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিব লাগে। বৰ্ত্তমান ভাৰত চৰকাৰে শিশু আৰু দেশবাসীৰ উন্নতিৰ কাৰণে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। জনসংখ্যা সীমিত কৰাৰ ক্ষেত্ৰত ভাৰতেই প্ৰথমে পৃথিবীৰ ভিতৰত পৰিয়াল পৰিকল্পনা নীতি ১৯৭১ চনৰ ২ আগষ্টত লোক-সভাত উৎথাপিত কৰে। এই নীতি অনুসৰি ভাৰতীয় স্বাস্থ্য আৰু পৰিয়াল পৰিকল্পনা কেন্দ্ৰই ভাৰতৰ বিভিন্ন প্ৰদেশবোৰত একোখনকৈ কেন্দ্ৰীয় পৰিয়াল পৰিকল্পনাৰ শিৱিৰ প্ৰতি-স্থাপিত কৰিছে। ইয়াৰ উপৰি, জনতাক পৰি-য়াল পৰিকল্পনাৰ শিক্ষা আদি দিবলৈ Hon-

orary Family Planning Education Leaders প্ৰতি ৰাজ্যতে পাতি দিছে। ভাৰতৰ ৰাজ্যবোৰত কেন্দ্ৰীয় শিৰিৰ থকাৰ উপৰিও ভাৰতৰ ভিতৰত মুখ্য ৫খন কেন্দ্ৰীয় পৰিয়াল পৰিকল্পনাৰ শিবিৰ আছে। এইবোৰত জনতাই স্বাস্থ্য আৰু জন্ম নিয়ন্ত্ৰণ সম্পৰ্কে শিক্ষা আহৰণ কৰি এখন সুখী সমাজ গঠন কৰিব পাৰিছে। এতিয়ালৈকে ভাৰতত ৪৬ খন পৰিয়াল পৰিয়াল পৰিকল্পনা শিবিৰ কেন্দ্ৰই তৈয়াৰ কৰি দিছে। তাৰোপৰি বিভিন্ন স্বাস্থ্য কেন্দ্ৰ, চিকিৎসালয় আদিৰ যোগেদিও জনতাক শিক্ষা দিয়াৰ ব্যৱস্থা কৰি দিছে। বিভিন্ন যন্ত্ৰপাতি, ঔষধ আৰু আইন কানুনৰ যোগেদিও পৰিয়াল পৰিকল্পনা কৰি ভাৰতবৰ্ষক শৃঙ্খলাবদ্ধ কৰিব বিচাৰিছে। পৰিয়াল পৰিকল্পনাৰ যোগেদি জনসংখ্যা নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰয়োগ কৰা নীতিবোৰ হৈছে মুঠতে ৫টা। যেনে—(a) Mechanical (b) Chemical (c) Hormonal (d) Surgical আৰু (e) Biological. এইবোৰৰ বিষয়ে পাঠকৰ বুজাত সহায় হব ইংৰাজী ভাষাৰে ব্যাখ্যা কৰিলেহে।

a) Mechanical :— Namely, the use of rubber sheaths, cervical and pessaries, Licences for the manufacture of rubber contraceptives have been issued to 8 firms with licenced capacity of 361·97 million pieces. 4 additional firms in small scale sectors have been given licences for the manufacture of 1·9 million pieces.

b) Chemical :— Use of super medical drugs and foam tablets by women.

c) Hormonal :— Use of hormons taken orally by women regularly.

d) Surgical :— Involving sterilization, both men and women and abortion of conception. High priority is given to the voluntary sterlization scheme.

e) Biological :— Including such measures as prohibition of marriage upto a certain period, so the girls' at the most fertile period of their lives have no chance of becoming pregnent.

বৰ্ত্তমানলৈকে ভাৰতত পৰিয়াল পৰিকল্পনা নীতি কিমান দূৰ কৃতকাৰ্য্য হৈছে সেয়া কোনেও ঠাৱৰ কৰিব নোৱাৰে। আজি ভাৰতবৰ্ষত ইমান প্ৰচেষ্টা চলোৱাৰ পাচতো যদি ভাৰতে এখন সুখী সমাজ গঠন কৰিব নোৱাৰে তেতিয়া দোষ কাৰ ? ইমানবোৰ পৰিকল্পনা কৰাৰ পাছতো আমি কিয় সুখী হব পৰা নাই ?

মোৰ বিশ্বাস ভাৰতীয় মানুহৰ দৰ্শন, ধৰ্ম্মান্ধতা আৰু পুৰাতন কালৰ পৰা চলি অহা নীতিবোধৰ ভিত্তিত আজিৰ মানুহ চলা বাবে এই অৱস্থা। পৃথিবীৰ ভিতৰত নিশ্চয় ভাৰততে শিক্ষিতৰ হাৰ আটাইতকৈ কম। কাৰণ ভাৰতত শিক্ষিতৰ অনুপাত সম্প্ৰতি শতকৰা ২৯·৩৫ ভাগ। শিক্ষিতৰ হাৰ অনুসৰি অশিক্ষিতৰ হাৰ ইমান বেচি যে পৰিয়াল পৰিকল্পনাৰ নীতিবোৰ তেওঁলোকে মানিব নিবিচাৰে। ভাৰতবৰ্ষৰ অন্ধৰজা ধৃতৰাষ্ট্ৰৰ ১০০ পুত্ৰ জন্মৰ তুলনাত অন্য ভাৰতীয়ই ১০ জনতকৈ বেচি পুত্ৰৰ কামনা নকৰি থাকিব পাৰেনে ? প্ৰাচীনকালত ৰজা মহাৰজাই ইমান সন্তান জন্ম দিছিল তেনেক্ষেত্ৰত অধিক সন্তানৰ প্ৰতি ভাৰতীয় মানুহৰ অন্ধ অনুকৰণ থকা স্বাভাৱিক। ভাৰতীয় মানুহৰ বেচি ভাগৰে এনে নিকৃষ্ট ধাৰণা আছে যে বিয়া মাত্ৰ সন্তান জন্ম দিয়াৰ বাবেহে

পাতে। পাচত অৱস্থা কেনে হয় সেয়া কোনেও নাভাৱে। এই মানুহবোৰে যৌৱনৰ উত্তেজনাত পৰি বিয়া পাতি, সন্তান-সন্ততি জন্ম দি, পাচত হা-হুতাশ কাঢ়ি হা-ভাত হা-কাপোৰ কৰি, পগলা হৈ, পিচত আনক উপদেশ দিয়া দেখা যায়। নৱদম্পতীয়ে সদায় ভাবিব লাগে— তেওঁলোকেই দেশৰ ধৰণী, তেওঁলোকেই এখন সুখৰ সমাজ গঢ়িব আৰু তেওঁলোকৰ সন্তানক উপযুক্ত কৰিব পাৰিলেহে সন্তানৰ আনন্দই তেওঁলোকক আনন্দিত কৰাৰ লগে লগে সকলোকে আনন্দিত কৰিব।

এক কথাত কবলৈ গলে শিশুৰ প্ৰতি-পালনৰ ক্ষেত্ৰত সুস্থ পাৰিবাৰিক পৰিবেশ সম্পূৰ্ণৰূপে প্ৰয়োজনীয়। সেয়েহে আমাৰ বৰ্ত্তমান অৱস্থাৰ আমূল পৰিবৰ্ত্তন নিশ্চিত হৈ পৰিছে। "It has been scientifically proved that the unique enviornment able to meet all these need, is the family" বুলি আমিও মন্তব্য দিও। এই সন্তান সকলেই ভবিষ্যত সুখী কৰ্ণধাৰ স্বৰূপ। সেয়েহে এই সুখী সমাজৰ সৃষ্টিৰ আদি মূল শিশু। বৰ্ত্তমান চৰকাৰে সুখী সমাজ গঠনৰ ক্ষেত্ৰত শিশুৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে পাৰ্য্যমানে অৰিহনা যোগাইছে। ভাৰতীয় সমাজ কল্যাণ পৰিষদৰ নীতি অনুসৰি এজন শিশুক পূৰ্ণাঙ্গ কৰি তোলাৰ ক্ষেত্ৰত এইদৰে কব পাৰি—"Nature does not forgive the up bringing of children is a strictly familier and personal obligation, it is in a certain way a continuous generation by which the parent, after shaping the body, from the most enthusiastic and beautiful expressions of the person, emotional, balance clarity, spoutancity, religion, socialbleness in a short word, the personality."

এইয়ে সুখী সমাজ গঠন কৰাৰ ক্ষেত্ৰত শিশুৰ প্ৰতি লব লগীয়া কৰ্ত্তব্য। ভাৰতীয় Administrative Serviceৰ Registar general and Census Commissoner শ্ৰী এ, চন্দ্ৰশেখৰৰ ১৯৭১ চনৰ গণনা অনুসৰি কেচুৱাৰ পৰা ১৪ বছৰ বয়সলৈকে মুঠ ভাৰতীয় শিশু আছে প্ৰায় ২,৩০,২৫৩৯৮৭ জন আৰু অৱহেলিত পঙ্গু, কণা, খোৰা, কলা, বোবা শিশু আছে প্ৰায় ১৮৭৬৭৮০২৬ জন। এইবোৰক চিকিৎসা, শিক্ষা-দীক্ষা দি উপযুক্ত কৰি তুলি সমাজ পৰিবৰ্ত্তনৰ বাবে বিভিন্ন স্বাস্থ্যকেন্দ্ৰ আছে। সেইবোৰ হৈছে—Maternity ward in general hospital, state Maternity hospitals, Fami y welfare planning centres আৰু Family Planning Centre বোৰ। এই পৰিকল্পনাৰ কেন্দ্ৰবোৰত Doctor-7506 জন। Extension educcators-5145 জন। Lady health visitor-8305 জনী, Auxiliary nurse midwives-34852 জনী আৰু Family planning health assistance-14132 জন নিয়োজিত হৈছে। এই অনুস্থান সমূহৰ দ্বাৰা যদি ভাৰতীয় লোকসকলে সঁচা সেৱা আৰু সাহায্য পায়, তেনেহলে কিয় জনসংখ্যা নিয়ন্ত্ৰণ কৰি আমি এখন সুখী সমাজ গঠন কৰাৰ ক্ষেত্ৰত আগবাঢ়ি যাব নোৱাৰিম?

সামাজিক পৰম্পৰা প্ৰতিকূল কৰাৰ ক্ষেত্ৰত ভাৰতেই নহয় সমগ্ৰ পৃথিবী জুৰি ইয়াৰ আলোড়ন উঠিছে। কাৰণ জন্ম নিয়ন্ত্ৰণ নহলে দেশৰ বৰ্ত্তমান অৱস্থা অতি জটিলতৰ হৈ পৰাতো স্বাভাৱিক। ভাৰতীয় অৱহেলিত শিশুবোৰক আমি প্ৰত্যেকেই নিজৰ শিশুৰ দৰে লালন-পালন কৰি শিশুৰ কেন্দ্ৰ সমুহত উপযুক্ত শিক্ষা দিলেই তেওঁলোকে ভবিষ্যতে ভাৰতৰ গৌৰৱৰ বস্তু হব পাৰিব।

এতিয়া কথা হৈছে— আমি আমাৰ সমাজখন কিয় সুখী কৰিব পৰা নাই ? আজি ভাৰতবৰ্ষত প্ৰায় ৭০%জন দুখীয়া নিচলা লোক আছে, এই নিচলা লোক প্ৰতিজনৰ অৱস্থা ইমান দুখ লগা যে আমি সেয়া কেতিয়াও অনুভৱ কৰিব নোৱাৰো। সাধাৰণ হিচাপে চালে আমি দেখিবলৈ পাওঁ ৰেলষ্টেচন, বাচষ্টেচন, হোটেল, ফুটপাথ, দোকানৰ বাৰান্দা আৰু গছৰ তলত কিমান শিশু থাকে, তাৰ হিচাপ বোধহয় এতিয়ালৈকে কোনেও কৰা নাই। ফটা-চিটা কাপোৰেৰে ইহঁতে লজ্জা নিবাৰণ কৰে, খাদ্যৰ কাৰণে কুকুৰক দিয়া ভাত ৰুটিৰ লগত আজৰা আজুৰি কৰে। বাটৰুৱাৰ হাতৰ পৰা পৰি যোৱা চানা জাতীয় বস্তু তুলি খায়। ইহঁতৰ বেমাৰ হলে গাত পোক লাগি গেলি পচি অৱহেলাত মৰে। জনসাধাৰণে এইবোৰ শিশুৰ যদি প্ৰথমে সংস্কাৰ কৰিব নোৱাৰে তেনেহ'লে কেনেকৈ আমি এখন সুখী সমাজৰ আশা কৰিব পাৰিম ? শিশুক লগা প্ৰধান বস্তুবোৰ হৈছে "All children every where have the same needs, they needs love, food, shelter, health, care, education and hope." এনেবোৰ পৰিপূৰকতা আমি দিব পাৰিলেহে সমাজ খন জাক-জমকীয়া আৰু সুখী কৰিব পাৰিম। এইটো সকলোৱে জানে যে শিশুৰ শিক্ষাই হ'ল জীৱনৰ মূল ভেটি "Good education is the essential way to a good and useful future. Every child in village is essential to this"

ফুলনিখন যিদৰে আমি বেৰি কুৰি ধুনীয়াকৈ ফুলবোৰ নষ্ট নোহোৱাকৈ আৰু জীৱ জন্তুৱে খাব নোৱাৰাকৈ ৰাখি গুৰিত সাৰ-পানী দি খুচৰি মেলি ঠিক কৰি ৰাখোঁ। যেতিয়া তাত ধুনীয়া ধুনীয়া ফুল ফুলে, তেতিয়া সেই সযত্ন পালিত ফুলনিৰ ধুনীয়া ফুলবোৰ দেখি আমাৰ নিজৰেই ভাল লাগে। মানুহো ঠিক ফুলৰ দৰেই। মানুহকো ৰক্ষণাবেক্ষণ লাগে ভাল আহাৰ পানী লাগে, তাৰ বাবেই লাগে জন্ম নিয়ন্ত্ৰণ। জন্ম নিয়ন্ত্ৰণে খাদ্যাভাৱ দূৰ কৰিব। সমাজ সুষ্ঠ আৰু সবল কৰিবলৈ সুচল দিব। পঢ়াশালি, ফলি পুথি, কাগজ-কলম কিতাপ-ফিজ, কাপোৰ-কানি, ঘৰ, আহাৰ, আনন্দ-বিলাস এই সকলো সা-সুবিধা যি শিশুৱে সুচাৰু ৰূপে পাব বা পাই আহিছে সিয়েই সমাজৰ সুখী শিশু আৰু ভবিষ্যতৰ সুখী সমাজৰ গৰাকী। সেই হেতুকে শিশুক আমি প্ৰথমে প্ৰতি-পালন কৰিব পাৰিব লাগিব কাৰণ শিশুৰ গঠন আকাৰ দেখিয়েই সমাজৰ আকাৰ, অৱস্থা নিৰূপণ কৰিব পাৰি। আমি এতিয়াই শিশু আৰু মাতৃক আৰু সমগ্ৰ জনতাক নিয়ন্ত্ৰণ নকৰিলে ভৱিষ্যতে এখন সুখী সমাজৰ গৰাকী হব নোৱাৰিম। অন্যহাতে শিশুৰ ভৱিষ্যত নিৰ্ভৰ কৰে মাতৃৰ ওপৰত। শিশুকেইটিক মানুহ কৰাৰ, দেশৰ উপযুক্ত নাগৰিক কৰি গঢ়ি তোলাৰ প্ৰধান কৰ্ত্তব্য হৈছে মাতৃৰ। "The hand that rocks the cradle rules the world" —এই কথাষাৰৰ ওপৰত লক্ষ্য ৰাখি ল'ৰাছোৱালীক সু-নাগৰিক হিচাপে গঢ় দিয়াত মাতৃয়ে গুৰু-দায়িত্ব বহন কৰিব লাগে।

# সংগীহাৰাৰ সংগী

**অনুজিতা বৰদলৈ**
স্নাতক, প্ৰথম বাৰ্ষিক (কলা)

নিঃসংগতাৰ নিঃছিদ্ৰ অন্ধকাৰবোৰে মোক
এক পুতিগন্ধময় ত্যক্ত প্ৰকোষ্ঠত
বহুদিন বন্দী কৰি থলে,
কোনোবাই যেন পেশীবহুল কঠিন হাতৰ
দুৰ্দ্দান্ত চেপাৰে মোৰ কণ্ঠ ৰুদ্ধ কৰি পেলাব খুজিছে
আৰু মই সাপৰ মুখৰ ভেকুলীৰ দৰে
এক বিকৃত আৰ্ত্তনাদ কৰি চট্‌ফটাই আছোঁ।

কিমান বসন্তই পৃথিবীত ৰং চটিয়াই গ'ল—
মই কব নোৱাৰিলোঁ, কিমান বৰষাই পৃথিৱীক
নিকা কৰি থৈ গ'ল, তাৰো মই গম নাপালোঁ।
মই মাথো এক দুৰ্ব্বিসহ যান্ত্ৰনাত চকুৰ পানীৰে ধুই
নিঃসংগতাৰে প্ৰহৰ গণিলোঁ।

প্ৰভাতী সূৰ্য্যৰ পদধ্বনি মোৰ কোঠাৰ বাহিৰত
মই সদায়ে শুনো। ঋতু পৰিবৰ্ত্তনৰ ঘণ্টাধ্বনি বৈ বৈ
বতাহে নিতৌ কঢ়িয়াই আনে। কিন্তু এক অন্ধ বধিৰ
পংগুৰ দৰে, সকলো মোৰ স্পৰ্শ আৰু অনুভৱৰ বাহিৰত বৈ যায়।
এক নিস্পেষিত অস্ফুট ক্ৰন্দন মাথোন হৃদয় জুৰি
একম্পি ৰয় অহৰ্নিশ। মনৰ গবাক্ষেৰে এৰি অহা পথৰ
পদচিহ্নবোৰ জুমি চাবলৈ ভয় লাগে; জানোচা নিঃসংগতাৰ
শেষতো আকৌ নিঃসংগতাকে পাওঁ।

এবুকু পানীত সোমাই চকু মুদি মালাৰ ৰুদ্ৰাক্ষ গণাৰ দৰে
কোনো সন্নাসীয়ে, অন্ধকাৰ প্ৰকোষ্ঠত নিশ্চুপে মাথো গণিছিলোঁ
নিঃসংগতাৰ প্ৰহৰ। সন্মুখত সাপ দেখি উচপ খোৱা

ভীতু মানুহৰ দৰে ময়ো উচপ্ খালোঁ, খুব অকস্মাতে।
স্বপ্ন, ভ্ৰম নে এয়া এক অলিক বিস্ময়।
মোৰ কণ্ঠৰুদ্ধ কৰিব খোজা পেশীবহুল কঠিন হাতৰ স্পৰ্শ
মোক সন্মুখৰ মায়াময় অন্ধকাৰ আৰু বন্ধ প্ৰকোষ্ঠ, সকলো যেন
নিমিষতে বিলীন হৈ গ'ল—
যেন পোহৰত বিলীন হ'ল নিশাৰ আন্ধাৰ।

সন্মুখৰ শেৱালী জোপাই জোনাকত পেখম তুলিছে
ভুবৰিত শুভ্ৰ জেউতিবোৰ সমাহিত হৈ গৈছে
আৰু মোৰ সৰল বাহুৰ মাজত তুমি,
মোৰ হৃদয়, মোৰ সত্বা, মোৰ যেন সকলোতে মাথোন তুমি
এৰি অহা পথটো জুমি চাব পাৰা বুলি গবাক্ষত তৰি দিলোঁ।
এখন ডাঠ পৰ্দ্দা। সংগীহাৰাৰ তুমিয়েতো সংগী
এতিয়া তুমি মোৰ।
আৰু মই তোমাৰ।

*"পৰাজয়েই, গ্লানিয়েই যাৰ জীৱনৰ বৰমাল্য, সি আকৌ নিষ্ফল আক্ৰোশত দাঁত মুৰ কৰিচলে কি হব? ……এইয়াতো শেৱালীৰ পৰাজয় নহয়। এইয়া তাইৰ মৃত্যু……। দ্বিতীয় মৃত্যু।"*

# অভিশপ্তা

[এটা কলেজীয়া প্ৰেমৰ গল্প]

ত্ৰিশংকু

খট্‌খটিটোৰ একেবাৰে ওপৰৰ খাপটোত শেৱালীয়ে এনে এটা উজুটি মাৰিলে যে একেবাৰে মূৰলৈকে জিন্‌জিনাই গ'ল। সোঁ ভৰিৰ চেণ্ডেল পাতৰ ফিটা এডালো ছিগিল সম্ভৱ। ভৰিৰ বিষটোতকৈয়ো যি পাত তীক্ষ্ণ কাঁড় আহি শেৱালীৰ অকল কাণখনকে নিৰ্বিন্ধি বুকুৰো কোনোবা এটা কোণত বিন্ধিলেগৈ, তাৰ কাৰণে তাই এখোজো আগবাঢ়িব নোৱাৰিলে, দৰকা খাই ৰৈ গ'ল। তাই নিজৰ কাণ দুখনকে বিশ্বাস কৰিব নোৱাৰিলে, কিন্তু বিশ্বাস নকৰিলে কি হব? এইয়া যে নিৰ্ঘাত সত্য। সোঁৱা ডাঠ ৰঙচুৰা পৰ্দাখনৰ সিফালে দেউতাকে চিঠিখন বৰ বৰকৈ পঢ়ি মাকক শুনাইছে। চিঠিখনৰ প্ৰতিটো শব্দ একোটা জীয়া অঙঠাৰ দৰে তাইৰ কাণৰ ভিতৰেদি পাৰ হৈ গৈছে। যন্ত্ৰণাত কাতৰ হৈ তাইৰ তাতে বহি দিম যেন লাগিল। ভিতৰত প্ৰচণ্ড একুৰা জুই দাউ-দাউকৈ জ্বলিব ধৰিছে। মিলিটেৰীত চেকেণ্ড লেফ্‌টেনাণ্ট্‌ কৰা বেদান্ত বৰুৱা বোলা থূলন্তৰ বগা-ধুনীয়া লৰাটোৰ প্ৰতি হোৱা এক গভীৰ আক্ৰোশত তাই তলৰ ওঁঠটোত ইমান জোৰেৰে কামুৰি দিলে যে ঠুঁতৰিৰ গোটেই অংশটোৱেই বিষত পিৰপিৰাই উঠিল। তাত আলসুৱাকৈ হাতখন ফুৰাই দিয়াৰ পাছতহে তাইৰ গালে চেতনা আহিল। আচলতে তাই ইমান উত্তেজিত হোৱাৰ কোনো কাৰণ নাই। কোনো কাৰণ নোহোৱাকৈয়ে তাই ইমান পৰে দেৰগাঁৱৰ বেদান্ত বোলা লৰাটোক দৰুচি আছে, পৰাজয়েই, গ্লানিয়েই যাৰ জীৱনৰ বৰমাল্য, সি আকৌ নিষ্ফল আক্ৰোশত দাঁত-মূৰ কৰিচলে কি হব? এইয়াতো শেৱালীৰ প্ৰথম পৰাজয় নহয়। ইয়াৰ আগতেও তাইৰ এবাৰ নিৰ্লজ্জ পৰাজয় ঘটিছে। সেই পৰাজয়হে আচল পৰাজয়। সহজ কথাত এইয়া তাইৰ মৃত্যু। এইয়া

দ্বিতীয় মৃত্যু। তাই কেতিয়াও ভবা নাছিল যে প্ৰথমবাৰ যিদৰে শোচনীয় ভাৱে মৃত্যুৰ মুখত পৰিছিল, তেনেকৈ দ্বিতীয়বাৰো কোনোবাই তাইৰ অনিচ্ছা সত্বেও টানি-আজুৰি নি মৃত্যুৰ মুখত পেলাব।

অকস্মাতে শেৱালীৰ নিজৰ ওপৰতে খংটো উঠিলগৈ। মৰিবলৈ তাই আজি কিয় স্কুলৰ পৰা সোনকালে গুচি আহিছিল। লাষ্টৰ ক্লাচটো কৰি অহা হলেতো এনে এটা পৰিস্থিতিত নপৰিলহিহেঁতেন! আৰু বেদান্তৰ বাপেকৰ চিঠিখনৰো মৰ্ম্মান্তিক কথাষাৰ শুনিব লগীয়া নহ'লহেঁতেন! ছিঃ এনেদৰে মনে মনে মাক দেউতাকৰ কথা শুনা ভাল হোৱা নাই। তাইৰ নিজৰে লাজ লাগিল। মাকে বা দেউতাকে দেখিলে বৰ বেয়া কথা হব। লৰালৰিকৈ অথচ ছিগা চেণ্ডেলপাত চোঁচোৰাই যাওঁতে যাতে শব্দ নহয় তাৰ প্ৰতিও বিশেষ সাৱধানতা অৱলম্বন কৰি নিজৰ কোঠালিটোৰ ফালে আগবাঢ়িল।

এজাক বতাহ সোমোৱাদি দুৱাৰখনৰ লগতে তাই হুৰমুৰকৈ কোঠাটোত সোমাই পৰিল। হাতৰ সৰু ছাতিটো প্ৰয়োজনতকৈ অতিৰিক্ত জোৰেৰে কোঠাটোৰ চুকলৈ দলি মাৰি দিলে, দুৱাৰখনো সশব্দে বন্ধ কৰি দিলে—মাক-দেউতাকে যাতে তাইৰ উপস্থিতিৰ কথা গম পায়। কোঠাটোৰ মাজতে থকা ঘুৰণীয়া টেবুলখনৰ ওপৰত হাত দুখনেৰে ভেজা দি তাই ফোপাবলৈ ধৰিলে। গৰমত গাটো ৰম্‌ৰম্‌কৈ পোৱা যেন অনুভৱ হ'ল। দেহৰ খলাবমাবোৰেদি ঘামৰ টোপাল বিলাক পিচলি পিচলি নামি আহিছে। জাৰকালি মাজনিশা গছৰ পাতৰ পৰা জৰ্‌জৰ্‌কৈ নিয়ৰৰ টোপাল সৰাৰ দৰে টেবুলৰ অইল ক্লথখনৰ ওপৰত কপালৰ পৰা ঘামৰ টোপালবোৰ সৰিবলৈ ধৰিলে। উশাহ বন্ধ হৈ যোৱা যেন লাগি তাই ঘামত লেটেপাখোৱা ফিট্‌ফিটীয়া ব্লাউজটো আৰু খমখমীয়া মুগাৰ মেখেলাখন খুলি পেলালে। এতিয়াহে তাইৰ অকণমান স্বস্তি পোৱা যেন লাগিল। ক'ৰবাৰ পৰা বতাহ এছাটি আহি গাটো জিকাৰি গ'লহি। হাতৰ নোমবিলাক থিয় হৈ উঠিল।

মূৰ তুলি চায়েই শেৱালীয়ে সন্মুখত ডাঙৰ আইনাখন দেখিলে। লগে লগে তাইৰ এটা অদ্ভুত অনুভূতি জাগিল। নিজকে সম্পূৰ্ণকৈ চাবলৈ মনটো উদগ্ৰীৱ হৈ পৰিল। তাই জানে, তাই ধুনীয়া। অৰুণা, বিভাইঁতৰ তাইৰ প্ৰতি থকা অহৈতুক ঈৰ্ষাৰ কথাও তাই নজনা নহয়। যি কোনো দহজনী ছোৱালীৰ মাজত যে প্ৰথমে তাইয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব পাৰে, এই লৈ তাইৰ এটা আশৈশৱ গৰ্ববোধ আছে। বন্ধু-বান্ধৱী সকলোৱে একমুখে স্বীকাৰ কৰে-তাই ধুনীয়া। কলেজত পঢ়োঁতেও শেৱালী বৰদলৈক অকল গাঁৱৰ পৰা পঢ়িম বুলি অহা বুৰ্ব্বক লৰা কেইটাইহে চিনি নাপাইছিল। তথাপি তাইৰ ত্ৰুটী কোন খিনিত? অজানিতে শেৱালীয়ে বাওঁহাতখনেৰে ডিঙিৰ নিৰ্দ্দিষ্ট ঠাই টুকুৰ চুই চালে। খহটা, এঠা-এঠি যেন লাগিল! কব নোৱাৰাকৈয়ে এটা হুমুনিয়াহ ওলাই আহিল।

লাহে লাহে কোঠাটোৰ চুকত থকা ডাঙৰ অইনাখনৰ কাষলৈ শেৱালী আগবাঢ়িল। বিপৰীত ফালৰ পৰা আগবাঢ়ি অহা শেৱালীজনীক চিনি পাবলৈ তাই থমক খাই ৰ'ব লগা হ'ল। চুলি অসাৱধান মুখত আহাৰৰ গোমা ডাৱৰ, খোজত অকণো লয় নাই, আছে কেৱল বেদনা মিহলি গাম্ভীৰ্য্য। নিজৰ ওপৰত তাই

তন্ন তন্নকৈ পৰীক্ষা চলালে। চকুৰ দৃষ্টিৰে দেহৰ প্ৰতিটো অঙ্গকে চিকুটি-বাঁকুহি চালে, নাই, ঠিকেই আছে, তাইৰ দেহ নিখুঁত, ক'তো অকণো পোটোকা পৰা নাই, বৰং চহকীহে হৈছে, কলেজত পঢ়া প্ৰদীপ কাকতিৰ লগত প্ৰেমত হাবু-ডাবু খোৱা লিচ্-পিচী শেৱালী জনী এইয়া তাইৰ সন্মুখতে থিয় হৈ আছে। পৰিবৰ্ত্তনৰ ভিতৰত মাত্ৰ হাঁহিলে গালত পৰা টোলটো অপ্ৰতিভ হৈছে। হয়তো তাই অকণমান শকত হৈছে। বুকুখন ঠিক আগৰ দৰেই উদং হৈ আছে। কিন্তু মনটো? আগতকৈ কম বিলাসী আৰু কম চঞ্চল হ'ল যেন লাগে। কণমান কথাতে বতাহ কঁপায়, বহুতো ডেকাৰ হৃদয় কঁপায়, হাঁহিৰ পৰা গোলাপৰ পাপৰি যেন পাতল ওঁঠ দুখনৰ ঠাইত দেখা পালে দুখন ডাঠ, ভাব-গধুৰ ওঁঠ। এই ভাবটো অহাৰ লগে লগে তাই একেবাৰে নিশকতীয়া হৈ পৰিল। বাওঁহাতখন কঁপি কঁপি ডিঙিৰ এঠালতীয়া অংশটোত ৰৈ গ'ল। সোঁহাত খনেৰে তিতিব ধৰা চকু দুটা হেঁচা মাৰি ধৰিলে। শেৱালীৰ ফেকুৰি কান্দিবলৈ মন গ'ল।

খুব অবশ আৰু দুৰ্ব্বল যেন লগাত তাই নিজকে কোনো মতে আইনাখনৰ আগৰ পৰা কঢ়িয়াই নিয়াদি নি বিচনাখনত পেলালে। টান লগাত পিঠি ফালে হাত দুখন নি ব্ৰেচিয়াৰটোৰ ঘাট দুটামান খুলি দিলে। চিলিঙৰ ফালে চাই নিঃসাৰ হৈ পৰি থাকিল। তামোলৰ পাতে—কটা ৰান্ধনি ৰ'দে খিৰিকিখনত জিল্‌মিলাব লাগিছে। স্কাইউইণ্ডোৰেদি বাহিৰলৈ চাই তাই দেখা পালে যে তামোল গছজোপাত বাহ সাজিবৰ বাবে টোকোৰা চৰাই দুটাই কুটা কঢ়িয়াইছে। এটাই আধা সজা বাহটোৰ ভিতৰত সোমাই চিঁচিয়াইহে আৰু আনটোৱে কুটা কঢ়িয়াইছে। হঠাতে শেৱালীয়ে বাওঁহাতৰ আঙুলিত হিচাপ কৰিবলৈ ধৰিলে। আচলতে তাইৰ বাৰু বয়স কিমান হ'ল? হাঁহিও উঠিল, —ছোৱালীৰ বয়স বোলে দেৱতাইয়ো নাজানে। কোনে কৈছিল জানো? মেট্ৰিক পৰীক্ষা পাচ কৰাৰ পৰা এতিয়ালৈকে হিচাপ কৰি তাই পালে যে চাৰি বছৰ আগতেই তাইক কুৰিয়ে চেৰাই গৈছে। প্ৰকৃত বয়সটো পাবৰ বাবে তাই লগতে আৰু দুবছৰ যোগ দিলে। শেৱালী নিশ্চিত হ'ল যে তাইৰ এতিয়া বয়স ছাব্বিশ বছৰ, তাই আৰু ছোৱালী নহয়, —ছাত্ৰীবিলাকে মতাৰ দৰে তাই বাইদেউহে। নাই, কোনো নাই। তাইয়েইহে আবিয়ৈ হৈ আছে, ৰেখা, লাৱণ্য সকলো ইতিমধ্যে মাক হ'ল।

নোৱাৰিলে, কাকো ধৰি ৰাখিব নোৱাৰিলে। কণমানি চৰাই কেইটাৰ দৰে ঘৰ বন্ধাৰ আশা এদিন ধূলিস্যাৎ হৈ গ'ল। তাইৰ কিহৰ অভাব বাৰু? শিক্ষা, ৰূপ, গুণ ···· বুকুখন বিষোৱা যেন লাগি শেৱালী ৰৈ গ'ল। অসহ্য যন্ত্ৰণাত তাই চট্‌ফটাবলৈ ধৰিলে। বাওঁহাতখনে ডিঙিৰ নিৰ্দ্দিষ্ট ঠাইডোখৰ খামুচি ধৰিলেগৈ। এঠালতীয়া ঠাই টুকুৰাৰ পৰা ওলোৱা জুইয়ে হাতখন পুৰি নিয়া যেন লাগিল। এই মাত্ৰহে যেন তাইৰ উপলব্ধি হ'ল আচলতে তাইৰ একো নাই। গৰ্ব্ব পৰ্ব্বতত এনেয়ে উঠি আছিল। যেনেকৈ তাই বয়সক ধৰি ৰাখিব নোৱাৰিলে, তেনেকৈ নোৱাৰিলে প্ৰদীপক। প্ৰদীপে তাইক নেওচা দি গুচি গ'ল। ঘূৰিও নাচালে, যেন প্ৰয়োজনহীন এটা খাই এৰা কোকাকোলাৰ বটলহে। তাই যেন এজনী জালত বন্দী মকৰা। জালত

চিঞৰ পেলাই শেষত নিজেই উদ্ধাৰৰ কোনো পথ নোহোৱাকৈ বন্দী হৈ ৰ'ল।

অতীতৰ কেইটামান বছৰৰ পাত লুটিয়াই লুটিয়াই যিটো পৃষ্ঠাত শেৱালী ঠমকাখাই ৰ'ল, তাতে দেখা পালে এটা নাম —প্ৰদীপ কাকতি। প্ৰদীপ কাকতিৰ লগত চিনাকী খুব আকস্মিক বা বৰ নাটকীয় নহয়। অপেক্ষাকৃত সময়ৰ অপচয়ৰ মূৰতহে প্ৰদীপ তাইৰ চকুৰ আগলৈ, মনৰ মাজলৈ আহিছিল। দিগদাৰ হ'ল সেই-খিনিতে। চকুৰ মণিতে আৱদ্ধ থকা হলে সিহঁত আজি কক্ষান্তৰত বন্দীহৈ থাকিব লগা নহ'লহেঁতেন। প্ৰদীপে কক্ষপথ ভুল কৰি তাইৰ লগত বাটমোৰ লগালে। মোৰ লগোৱাই নহয় তাইৰ অন্তৰতো এটা মচিব নোৱাৰা দাগ বহুৱালে।......

......সেই বছৰ তাই পাৰ্ট ওৱান পৰীক্ষা দিব। কলেজৰ ৰঙা দিনবিলাকে তাইৰ দেহকে নহয় মনকো ৰঙচুৱা কৰি তুলিছিল। পৃথিবী-খন আৰু মানুহবিলাক কিবা ৰহস্যৰ আঁকৰ যেন লাগিছিল। তাই পাহাৰীয়া জুৰিৰ দৰে উচ্ছল মনৰ এজনী ছোৱালীক বৰ ভাল পাই-ছিল। ক্ৰমান্বয়ে এই ছোৱালীজনীৰ লগতে তাইৰ নিবিড় বন্ধুত্ব গঢ়ি উঠিছিল। নাম অঞ্জনা কাকতি। বহুত পলমকৈ গম পাইছিল যে অঞ্জনা প্ৰদীপৰ বৰদেউতাকৰ জীয়েক। কেমি-ষ্ট্ৰীৰ প্ৰেক্টিকেল কৰি থাকোঁতে অঞ্জনাই এদিন এনে এষাৰ কথা কলে যে শেৱালীৰ কাণ-মূৰ ৰঙা পৰি উঠিল। বুকুত উথল-মাথল লাগিছিল। কাকো বুজাব নোৱাৰা এক অনামী আনন্দই তাইৰ দেহ-মন নিষ্ক্ৰিয় কৰি পেলাই-ছিল। মনৰ উগুল থুগুল ভাৱত তাই কিবা কৰিবলৈ গৈ কিবা কৰি পেলাইছিল। সেই-দিনা প্ৰেকৃটিকেল কি কৰিলে তাই নিজেই কব নোৱাৰিলে। আৰু অঞ্জনাও জানো কম! প্ৰতিটো কথাতে চাচপেন্স। অনেক কাকুতি মিনতি কৰাৰ পাছতহে হিউমাৰ কৰি কৈছিল যে, "প্ৰদীপ কাকতি তোৰ প্ৰেমত বলিয়া।"

শেৱালী স্তব্ধ হৈ গৈছিল। কথাটো প্ৰথমতে তাই বিশ্বাস কৰিব পৰা নাছিল। নকৰিবইতো? কলেজীয়া পাবত গজা প্ৰেমৰ ওজন তাইৰ জনা আছে। চিজ্‌ন্ ফ্লাৱাৰৰ দৰে বহুত কলেজীয়া প্ৰেমৰ নজিৰ তাই মুখস্থ মাতিব পাৰে।

কিন্তু অঞ্জনাৰ কথাটোৱে শেৱালীক শেহ মুহূৰ্ত্তত ভবাই তুলিলে,— কলেজৰ এইচব চকচকীয়া প্ৰেম তাইৰ মুঠেই ভাল নালাগে, বৰ বজৰুৱা যেন লাগে। লাগিলে কি হব? তাই যেন ঘূৰি ঘূৰি তাতেই লুটি খাই পৰিছেগৈ; কাৰণ আজি কিছু দিন ধৰি তাই এটা কথা লক্ষ্য কৰিছে যে প্ৰদীপ বোলা লৰাটো তাইৰ প্ৰতি যে থোকাৰ ভৰত মাটিলৈ কলগছ হলাদি হালি পৰিছে। কাৰণবশতঃ বা অহৈতুক ভাৱে তাইৰ কাষ চাপিবলৈ যত্ন কৰিছে। কলেজৰ বাৰান্দাইদি পাৰ হৈ যাওঁতে গাটো অকণমান লাগ-নালাগ হ'লে, যিটো তাই হয়তো মনেই কৰা নাই, সি 'চৰি' বুলি ব্যস্ত খোজেৰে আগবাঢ়ি গৈছে। তাই জানে, এই ব্যস্ত খোজ কেইটা লাইব্ৰেৰী বা ক্লাচ নোহোৱা জুম এটাত স্তব্ধ হৈ যাব। প্ৰদীপৰ এই ব্যৱহাৰ প্ৰথমতে শেৱালীয়ে উকা সৌজন্যতা বুলিয়েই ভাবিছিল।

প্ৰদীপক সকলোৱে চিনি পায়, পঢ়া-

শুনা, খেলা-ধূলা, গান-বাজনা সকলোতে আগ-বঢ়া প্রদীপক লৈ গার্লচ্ কমনৰুম চৌবিশ ঘণ্টাই মুখৰ হৈ থাকে। মুখৰোচক আলোচনা-বিলোচনাৰ মাজত প্রদীপ এটা মৰমৰকৈ চোবাই দিবলৈ মন যোৱা মর্টন। এনে ধৰণৰ কথা-বতৰাত শেৱালীয়ে কাহানিও যোগ দিয়া নাছিল। প্রদীপ বোলা লৰাটোক 'পাত্তা' দিবলৈ মুঠেই মন নাই। কিন্তু এই ছোৱালীজাক, ইহঁতৰ নিশ্চয় ঈর্ষাৰ পাত্র হবই লাগিব, ইহঁতক জ্বলাই জ্বলাই মাৰিব লাগিব। লগে লগে শেৱালীৰ মনত এটা 'চেলেঞ্জ'ৰ ভাৱে ঠাই ল'লে, প্রদীপক তাই নচুৱাব।

শেৱালীয়ে ইয়াৰ বাবে অকণো কষ্ট কৰিব লগা নহ'ল। তাইৰ কণমান ৰুমালখন এদিন ক্লাচতে এৰি থৈ আহিছিল। প্রদীপেনো কেনেকৈ পালে কব নোৱাৰি। সি চোন থার্ডইয়েৰ আর্টছৰ ছাত্র। আগদিনা ৰাতি হোৱা বৰষুণৰ বাবে কলেজৰ ফিল্ডখনত পানী জমা হৈ আছিল, অঞ্জনা নির্ম্মালিৰে সৈতে খুব সাৱধানেৰে পানী খিনি পাৰহৈ সিমূৰে থকা কেন্টিনখনলৈ খোজ দিছিল। কাৰোবাৰ এটা চিঁঞা মাত শুনি ঘূৰি চাই দেখিলে প্রদীপ কাকতি।

"মিচ বৰদলৈ, এইখন আপোনাৰ 'কাৰ-চিফ'নেকি? লওক।"

ভিতৰি ভিতৰি অত্যন্ত আচৰিত হলেও বাহিৰত তাই তাক মুঠেই প্রকাশ নকৰিলে। ৰুমালখন হাত পাতি ললে যদিও ধন্যবাদ জনাবলৈ পাহৰিলে। হয়তো অকণমান নার্ভাচো হৈছিল। প্রদীপে ৰুমালখন কেনেকৈ পালে বাৰু? নিশ্চয় তাইক বৰ সূক্ষ্মভাৱে লক্ষ্য কৰে। প্রদীপলৈ মূৰ তুলি চাবলৈ তাইৰ লাজ লাগিল, কেন্টিনত বহি ৰুমালখন মেলি দিয়াত ওলাই পৰিল তিনিটা লেক্চোৰন বন। লগে লগে শেৱালীহঁতৰ গির্জ্জনি মৰা হাঁহি, নির্ম্মালিয়ে হেঁচোক এটা মাৰি কলে—

"কাগজৰ টুকুৰা-চুকুৰা আছে নে কি চা-চোন।"

শেৱালী শোচনীয় ভাৱে নার্ভাচ হৈ পৰি-ছিল। এটা কথাই তাইৰ মূৰত চক্কৰ কাটি-ছিল এই বিলাক প্রদীপৰ প্লেন নে কি?

জোৰ কৰি আঁতৰাই দিলেও আঁতৰি যাব নোখোজা কুৰুকি কুৰুকি কাষ চাপি অহা এটা আকোঁৰগোঁজা সৰু লৰাৰ দৰে প্রদীপে যে কেতিয়া তাইৰ মনৰ মাজত লেপেটা কাঢ়ি বহি পৰিছিল, সেই কথা শেৱালীয়ে কব নোৱা-ৰিলে। পৰীক্ষাৰ আগলৈকে শেৱালীৰ এনে অৱস্থা হৈছিল যে প্রদীপক এবাৰ লগ নাপালে, কৃষ্ণ-চুড়াৰ আন্ধাৰত সন্ধিয়া হিয়া দিয়া-নিয়াৰ কথা নাপাতিলে, লাইব্রেৰীৰ ওখ ওখ চেল্‌ফৰ মাজত কিতাপ নিবিচাৰিলে, কলেজৰ পৰা হোষ্টেলৰ গেটলৈকে আগবঢ়াই নথলে, শনি দেওবাৰে মেটিনী নাচালে মুঠেই ভাল নালাগি-ছিল। এটা অবুজ অতৃপ্তি আৰু অশান্তিয়ে মনটোক সকলো সময়তে তাড়না দিছিল।

প্রদীপে এদিন এটা প্রশ্ন কৰিছিল, যাৰ বাবে তাই মুঠেই প্রস্তুত নাছিল। নিজক লৈ তাই প্রয়োজনাতিৰিক্ত ভাৱে সচেতন। তাইৰ দেহাবয়বৰ সেই অংশটো, যিটো দেখিলে প্রদীপ হে নালাগে সকলোৱেই চক খাই উঠিব, তাৰ প্রতি সদায় সচেতন। ডিঙিৰ সেই অংশটো তাই খুব কৌশলেৰে শাৰীৰ আগটো বা বেনীডালকে পেলাই ঢাকি ৰাখে।

আপাত দৃষ্টিত মানুহে সেইটো তাইৰ এটা বিশেষ ৰুচি বুলিহে ভাবিব। প্ৰদীপৰ প্ৰশ্নটোৱে তাইৰ বুকুত ধমহ কৰে মাৰিলে।

—'তুমি বাৰু ডিভিটো এনেকৈ ঢাকি ৰাখা কিয় ?'—

তাই একো উত্তৰ দিব পৰা নাছিল। অসংলগ্ন স্বৰেৰে ক'লে— 'ব'লা, দেৰি হ'ল। মোক হোষ্টেলত থৈ আহা।'—

তাই প্ৰশ্নটো যে এৰাই যাব খুজিছে এই কথা প্ৰদীপে বুজি পাইছিল। একো নকৈ সি তাইৰ কাষে কাষে খোজ লৈছিল। তাইৰ এই বেদনাৰ কথা প্ৰদীপক কেনেকৈ কয় বাৰু ?

ইতিমধ্যে সিহঁতৰ ফাইনেল পৰীক্ষা হৈ গ'ল,। অঞ্জনা আৰু তাই এদিন প্ৰদীপহঁতৰ ঘৰলৈ গৈছিল। প্ৰদীপহঁতৰ অৱস্থা স্বচ্ছল, দেউতাক চহৰৰ নাম কৰা উকিল। ঘৰটোৰ বাৰান্দাত ভৰি দিয়াৰ লগে লগে শেৱালীৰ মনটো এটা সুকোমল অনুভূতিয়ে আচ্ছন্ন কৰি পেলালে। এইখন ঘৰ তাইৰ কিমান আপোন হব ? তাই বাৰু বেছিকৈ মুখ মেলিছে নেকি ?

হাউলি হাউলি যেন লগা ঘৰটোৰ ভিতৰলৈ সোমাই যাওঁতে বৰ ৰিঙা ৰিঙা অনুভৱ কৰিলে। ঘৰত এনেয়ে মানুহ কম তাতে আজি কোনো নাই হবলা, অঞ্জনাই তাইক টানি আজুৰি নি একেবাৰে ভিতৰ পোৱালে গৈ। সৰু আটক ধুনীয়া যিটো কোঠালৈ সিহঁত সোমাই গ'ল সেইটোৱেই প্ৰদীপৰ কোঠা। প্ৰদীপে ওপৰ মুৱা হৈ শুই এখন ফিল্ম ফেয়াৰ চাই আছিল।

সিহঁতক দেখি প্ৰদীপ একেজাপেই বিচনাৰ পৰা উঠিল। কোঠাটোৰ একমাত্ৰ বেতৰ চকীখনত ধুপুচ কৈ বহি অঞ্জনাই লেক্‌লেকাবলৈ আৰম্ভ কৰিলে। শেৱালীক ক'ত বহিবলৈ দিব ? সেই লৈ প্ৰদীপ বিমোৰত পৰিল। তাইৰ দোধোৰ-মোধোৰ অৱস্থাটো অঞ্জনাই হাঁহি হাঁহি উপভোগ কৰিছে। এজাপ কিতাপ বুকুত লৈ বিচনাখনো খেলি মেলি হৈ আছে। উপায়ান্তৰ হৈ তাই সসংকোচে বিচনাখনতে বহি পৰিল।

'প্ৰদীপদা, তুমি কোৱা নহয় শেৱালীক লৈ অহাৰ কথা। পাতা এতিয়া কিমান কথা পাতা। মই কিন্তু ভাগ লব নোৱাৰোঁ। মই নিৰ্ম্মালিহঁতৰ ঘৰৰপৰা আহোঁগৈ।' —এজাক বতাহৰ দৰে হুৰ-মুৰকৈ অঞ্জনা ওলাই গ'ল।

অঞ্জনাই যে ইমান বিপদত পেলাব শেৱালীয়ে ভাবিব পৰা নাছিল। পৰিবেশটো হজম কৰিবলৈ তাইৰ যথেষ্ট দিগদাৰ লাগিল। প্ৰদীপলৈ চাই একো ধৰিব নোৱাৰি। হয়তো ভালেই পাইছে। কঁপি কঁপি থিৰ হৈ পৰা পৰ্দাখনলৈ চাই প্ৰদীপ তাইৰ কাষতে ঘপকৈ বহি পৰিল। তাইৰ বৰ অস্বস্তি লাগিল। বাওঁহাত খনেৰে বেনীডাল আৰু শাড়ীখন ঠিক ঠাইতে আছে নে নাই তাই কব নোৱাৰাকৈয়ে পৰীক্ষা কৰি চালে, পৰিস্থিতিটো সহজ কৰিবলৈকে প্ৰদীপক সুধিলে—

'ঘৰত কোনো নাই নেকি ?'— কথা কেইটা কৰবাত ঘহঁনি খাইহে যেন ওলাই আহিছে। তাই নিজেই বিকৃত শুনিলে। পৰিবেশটোৰ লগত প্ৰশ্নটো অনুকূল হোৱাত লাজতে তাই জিভা কামুৰি ধৰিলে। নাই, প্ৰদীপে প্ৰশ্নটোৰ ভিতৰলৈ ভুমুকি মৰা নাই। সি ওপৰে ওপৰে উত্তৰ দিলে—

'মাহীদেউহঁতৰ ঘৰলৈ গৈছে'।

শেৱালীয়ে দেখিলে প্ৰদীপ যেন উত্তেজিত হৈছে, কিবা কবলৈ গৈয়ো কব পৰা নাই। ওঁঠ দুখন কঁপি উঠিছে তাৰ দৃষ্টিয়ে তাইক একালৰ পৰা চেলেকি গৈছে। তাৰ উশাহ নিশাহৰ শব্দই তাইকো আমনি লগাইছেহি, তাই আঁতৰি বহোঁ বুলি ভাবিও আঁতৰিব নোৱাৰিলে, এনেয়ে গাটোহে লৰালে। অভ্যাস বশতঃ হাতটোৰে শাড়ীখন আৰু বেনী-ডাল পৰীক্ষা কৰি চালে। এনেতে আবেগ-জড়িত কথা এষাৰ তাইৰ কাণত পৰিলহি—

'তুমিতো যাবাগৈ শেৱালী, তাৰ পাছত ?—'

তাই একো উত্তৰ দিব নোৱাৰিলে, কিবা এটাই ডিঙিটো সোপা মাৰি ধৰিলে, চকুদুটা সেমেকি উঠিল। প্ৰদীপেও হয়তো শেৱালীৰ অৱস্থাটো বুজিব পাৰিছিল। হঠাতে প্ৰদীপে এনে এটা কাণ্ড কৰিলে যিটোৰ বাবে শেৱালী মুঠেই প্ৰস্তুত নাছিল। প্ৰদীপৰ ক্ষীপ্ৰ আঙুলি কেইটাই তাইৰ বাওঁহাতৰ অনামিকাত এটা পাথৰৰ আঙঠি ৰোপন কৰিলে। কি হৈছে বুজিবলৈ নাপাওঁতে তাইৰ কাণত পৰিল—

'এইয়া মোৰ ভাল পোৱাৰ অভিজ্ঞান—'

উকুহুকুকৈ কান্দি শেৱালী প্ৰদীপৰ বুকুত সোমাই পৰিল। শেৱালীৰ এই অৱস্থাটো প্ৰদীপে আকোৱালি ললে। প্ৰদীপৰ উপৰ্য্যু-পৰি চুম্বনে শেৱালীক বিমূঢ়, অচেতন কৰি পেলালে। তাই যেন প্ৰদীপতে লীন হৈ গ'ল। প্ৰদীপক আঁতৰাই দিবলৈকো তাইৰ গাত অকণো শক্তি নোহোৱা হ'ল। আঁতৰাই দিয়াৰ প্ৰয়োজনো বোধ নকৰিলে। এইদৰে কিমান সময় পাৰ হ'ল কব নোৱাৰে। কিন্তু এটা সময়ত তাই গম পালে প্ৰদীপ যেন ডঠৰ হৈ গৈছে। ইমান সময়ে বুকুৰ ওপৰত অশান্ত ভাৱে ঘূৰি ফুৰা হাতখন থৰ লাগি ৰৈ গৈছে। স্থিৰ হৈ চাই আছে তাইৰ ডিঙিৰ সেই অংশ টোলৈ। আইব্ৰু পেন্সিলেৰে ক'লা কৰি থোৱা, বেনী আৰু শাৰীৰ আঁচলেৰে সযতনে ঢাকি ৰখা সেই মাৰাত্মক বগা দাগটোলৈ। নিমিষতে শেৱালীৰ সকলো উষ্মা পানী হৈ গ'ল। প্ৰদীপৰ চুমাৰে সিক্ত ওঁঠ দুটা শুকাই কৰ্কৰীয়া মাৰিলে। কিবা এক অজান আশংকাত শেৱালীয়ে চকু দুটা জপাই দিলে।

বাৰান্দাত পেন্সিলহিলৰ খটখট শব্দ শুনি শেৱালীয়ে নিজকে যন্ত্ৰবৎ প্ৰদীপৰ বুকুৰ পৰা মুক্ত কৰিলে। কাপোৰ কানি আৰু মনটো সংযত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে। কোঠালৈ সোমায়েই অঞ্জনাই প্ৰথম খোচটো তাইকেদিলে—

—'যাওঁ ব'ল শেৱালী। তহঁতৰ কথা পতা হ'লতো, প্ৰদীপদা এইক কিবা দিলানে—?

'ওঁ আচল বস্তুটোকে দিলো'— মনগৈছিল যদিও শেৱালীয়ে নকলে, অঞ্জনাৰ দৃষ্টিৰ পৰা আঙঠিটো লুকুৱাবলৈ যত্ন কৰিলে, সিহঁতৰ নিশ্চুপ অসহায় অৱস্থাটো উপলব্ধি কৰি অঞ্জনা তভক মাৰিলে খন্তেক পৰ।

'নাই তেওঁ কথা পাতিবলৈহে আহিছে, খাবলৈ নহয়।' —প্ৰদীপৰ উত্তৰটো মনত লগাকৈ পলম হ'ল। হাঁহিবলৈ চেষ্টা কৰা সত্বেও মুখখন বিকৃত হৈ গ'ল।

'তেনেহলে যাওঁ ব'ল' বুলি অঞ্জনাই জোৰ কৰি তাইক উলিয়াই আনিলে। কিবা এক সংকোচত প্ৰদীপক যাওঁ বুলিও মাত লগাব নোৱাৰিলে। তাইৰ নিজৰ ওপৰতে ধিক্কাৰ উপজিল। প্ৰদীপৰ ওচৰত ইমান দুৰ্ব্বল হৈ পৰাৰ কোনো কাৰণ নাছিল। প্ৰদীপক যদি হেৰুৱাওঁ! প্ৰদীপে তাইৰ গোপনীয়তাৰ গম পালে নেকি বাৰু?

ঘৰোৱাহী অসুবিধাৰ বাবে পাৰ্টওৱান পাচ কৰি শেৱালী আৰু পঢ়িবলৈ নগ'ল। ঘৰৰ ওচৰৰ স্কুলখনত মাষ্টৰনী সোমাল। বি, এ, পাচ কৰি প্ৰদীপ শ্বিলঙত চাকৰি কৰিবলৈ গ'ল। তাই পঢ়িব নোৱাৰাৰ কাৰণে সমবেদনা জনালে। কিন্তু কিয় জানো? এই সমবেদনাক শেৱালীৰ পুতৌ যেন লাগিল। আবেগ বিহ্বল চিঠিবোৰ যেন প্ৰদীপে তাইক পুতৌ জনা-বলৈকে লিখিছে। প্ৰদীপৰ নিশ্চয় এইবোৰ নিষ্প্ৰান সৌজন্যতা। প্ৰদীপে নিশ্চয় তাইৰ সকলো কথা গম পাইছে। সন্দেহৰ ডাৱৰ শেৱালীৰ মনত ঘনীভূত হবলৈ ধৰিলে।

শেৱালীয়ে যি সন্দেহ কৰিছিল সেয়ে হ'ল। প্ৰদীপহতঁৰ ঘৰত হুলস্থুলৰ সৃষ্টি হ'ল। অঞ্জনাৰ চিঠিৰ পৰা গম পালে যে শেৱালীক বোৱাৰী কৰি নিয়াত প্ৰদীপৰ মাক-বাপেকৰ দুৰ্ঘোৰ আপত্তি। শেৱালীক বিয়া কৰাই নিয়া মানেই চৈধ্য পুৰুষত নোহোৱা অচিন দুৰাৰোগ্য ব্যাধি এটাক প্ৰশ্ৰয় দিয়া। তাইৰ শ্বেতকুষ্ঠ আছে বুলি জানি প্ৰদীপৰ মাকে 'পাখৰী' বুলি তাইক যথেষ্ট গালি-শপনিও দিছে। অঞ্জনাৰ চিঠিখন পঢ়ি কান্দিব পৰা নাছিল। কথাই কথাই চকু পানী ওলোৱা শেৱালীৰ চকু পানীবোৰ শুকাই গৈছিল।

ইয়াৰ পিছত শেৱালীৰ বাবে কৰনীয় একো নাছিল। অঞ্জনাৰ মাৰফত আবেগ অনুভূতিৰ দুৰ্ব্বল স্বাক্ষৰ বুলি আঙঠিটো প্ৰদীপলৈ ঘূৰাই পঠিয়াইছিল।

* * *

আজি আকৌ একেটা কথাৰে পুনৰাবৃত্তি, দেৱগাৱঁৰ বেদান্ত বৰুৱাৰ বাপেকৰ চিঠিখনৰ শেষ শাৰীটোৱে এতিয়াও তাইৰ কানত ঠহঁ ঠহাঁই আছে, তাই জোৰেৰে কান দুখন হেঁচা মাৰি ধৰিলে।

"আপোনাৰ ছোৱালীক বিয়া কৰাব নোৱাৰোঁ। তেওঁৰ ডিডিত শ্বেতকুষ্ঠ আছে বোলে"—

উস্! গাৰুটোৰে শেৱালীয়ে বুকুখন হেচাঁ মাৰি ধৰিলে, সৰসৰকৈ ওলাই অহা চকু পানী-বোৰ তাই কোনো মতে বাধা দিব নোৱাৰিলে।

এটা তুচ্ছ কাৰণৰ বাবে আজি তাই সকলোৰে ঘৃণাৰ পাত্ৰী, সকলোৱে তাইক লৈ ভুৰভুৰীয়া মেল পাতে, নাই, তাইক কোনেও বুজি নাপায়, সকলোৱে ভাৱে তাই যেন সবকে 'ব্লাফ'হে দি আহিছে ইমান দিনে। এই মানুহ বিলাকক তাই কেনেকৈ বুজাব যে তেওঁ লোকে ভবাৰ দৰে তাইৰ 'শ্বেত-কুষ্ঠ' বা 'পখৰা' একো ৰোগেই হোৱা নাই। সৰুতে জ্বলন্ত চাকিৰ ওপৰত পৰি, পুৰি, বৈ যোৱা দাগহে। কিন্তু তাইৰ অন্তৰৰ এই মৰ্ম্মদাহী বেদনা কোনে উপলব্ধি কৰিব। কোনে বুজিব যে এই বগা দাগটো অকল ডিডিতে নাই, কলিজাটোৱো ক্ষত-বিক্ষত কৰিছে। তাই ক'ত যে চেষ্টা নকৰিলে এই দাগটো মচিবৰ কাৰণে। তুলসীৰ ৰস, আইব্ৰু পেন্সিল সানি সানিও আৰু অনেক ডাক্তৰি চিকিৎসা কৰিও এই মাৰাত্মক দাগটো নাইকীয়া কৰিব নোৱাৰিলে।

এটা অসহ্য বিষ অনুভৱ কৰাত শেৱালীয়ে আলফুলকৈ বুকুখন মোহাৰি দিলে। দুধাৰি চকুলো অলস ভাবে ভাৱে বাগৰি বাগৰি আহি কানত খোপনি ল'লেহি।

চকু মেলি চাবলৈ শেৱালিৰ ভয় লাগিল।

# অসমীয়া সাহিত্য সংস্কৃতিলৈ জ্যোতিপ্ৰসাদৰ অৱদান

শ্ৰীঅনামিকা সন্দিকৈ।

প্ৰাক্ স্নাতক, ১ম বাৰ্ষিক (বিজ্ঞান)।

সুন্দৰৰ সাধনাই হৈছে কৃষ্টি বা সংস্কৃতি; সংস্কৃতিৰ পূৰ্ণ আদৰ্শতেই মানুহৰ জীৱনৰ পৰম আনন্দ। মানুহে সভ্যতাৰে, সংস্কৃতিৰে, সুন্দৰকেই মানুহৰ জীৱনলৈ নমাই আনিবলৈ বিয়াকুল। সেয়ে অসমৰ কৃতি সন্তান সুন্দৰৰ সাধক জ্যোতিপ্ৰসাদ আগৰৱালাই কেৱল মাত্ৰ কল্পনাৰ অনুভূতিৰে নহলেও বাস্তৱৰ বিভিন্ন সংঘাটৰ মাজেদি ৰাজনীতি, সমাজনীতি, শিল্প-সংস্কৃতি সকলোৰে বিপ্লৱ আনিবলৈ আগবাঢ়ি আহিল। বিপ্লৱ আছিল যাৰ জীৱনৰ আদৰ্শ, প্ৰগতিৰ চিন্তা আছিল যাৰ কৰ্ম্ম প্ৰেৰণা, সেই জ্যোতিপ্ৰসাদেই দেখুৱাই থৈ গ'ল— শিল্প সংস্কৃতিৰ পথ। সাহিত্যৰ সংস্কৃতিৰ পৰিসৰত শঙ্কৰদেৱ, মাধৱদেৱৰ উত্তৰাধিকাৰী আৰু শ্ৰেষ্ঠ যুগনায়ক জ্যোতিপ্ৰসাদ আগৰৱালাও এটা যুগান্তকাৰী ঘটনা।

অসমত নৱনাট্যান্দোলনৰ প্ৰতিষ্ঠাতা আধুনিক সঙ্গীতৰ জনক, অসমৰ প্ৰথম বোলছবি স্ৰষ্টা, স্বাধীনতা সংগ্ৰামৰ নিৰ্ভীক নায়ক, কবি, সাংবাদিক আৰু বিপ্লৱী চিন্তাবিদ আৰু নতুন অসমৰ ৰূপকাৰ হল জ্যোতিপ্ৰসাদ আগৰৱালা। আজীৱন শিল্পীৰ হকে যুঁজি জ্যোতিপ্ৰসাদে কেৱল সপোন দেখাই নাছিল, নিজে এখন কল্পনা ৰাজ্যৰ স্থাপনৰ অৰ্থেও লাগিছিল আৰু এসময়ত তেওঁৰ ইচ্ছাপূৰ্ণ হৈছিল। নিজ কল্পনা ৰাজ্যৰ নায়ক হৈ জ্যোতিপ্ৰসাদে এক অসাধাৰণ ব্যক্তিত্বৰ পৰিচয় দিব পাৰিছিল। য'ত প্ৰকাশ পাইছিল তেওঁৰ ধীশক্তি, বুদ্ধি আৰু স্বতন্ত্ৰতা। সেয়েহে তেওঁ নিৰ্ভীকভাৱে কৈ উঠিছিল— "কুস্কৃতি আমাৰ শত্ৰু হৈও আমাৰ বন্ধু, সিহঁতৰ সতে আমাৰ সংঘাট অনিবাৰ্য্য বা চিৰন্তন হলেও সেই সংঘাটতেই সাংস্কৃতিক জীৱনৰ বিকাশ আৰু প্ৰকাশৰ সৌন্দৰ্য্য পৰিস্ফুট হৈ উঠে।"

জ্ঞান সূৰ্য্যৰ ভাস্বত ৰশ্মিত অৱগাহন কৰি ভাৰতীয় চিন্তা সাধনাৰ উচ্চ শিখৰত অধিষ্ঠিত হৈ অতুলনীয় প্ৰতিভাৰ স্বাক্ষৰ প্ৰদান কৰোঁতা আমাৰ স্বনামধন্য নাট্যকাৰ, অসমীয়া কথাছবি শিল্পৰ জন্মদাতা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে প্ৰধানকৈ "শোণিতকুঁৱৰী", "কাৰেঙৰ লিগিৰী", "লভিতা" আৰু "ৰূপালীম" এই চাৰিখন নাটকৰ ৰূপৰ জ্যোতিৰে অসমীয়া নাট্য সাহিত্যৰ বৰ ঘৰটো ইমান সুন্দৰ ৰূপে জিলিকাই তুলিছিল যে তাৰ তুলনা আজিও অসমীয়া নাট্য সাহিত্যত পাবলৈ নাই। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ নাটকে অসমীয়া নাট্য সাহিত্যত এটি নতুন যুগৰ সৃষ্টি কৰিলে। কেৱল মঞ্চ নিৰ্দ্দেশৰ নিখুঁত কৌশলতে নহয়, বিষয় বস্তু নিৰ্ব্বাচন, চৰিত্ৰ সৃষ্টি, কথোপকথন আৰু সংঘাটত দেখুওৱা কৃতিত্বৰ উপৰিও নাটকীয় অন্তৰ্নিহিত

অৰ্থ আৰু সৌন্দৰ্য্যৰে জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে তেওঁৰ ব্যক্তিত্বৰ পৰিচয় প্ৰতিখন নাটকতে দিছে। গতানুগতিকতাৰ পৰা আঁতৰি অহা, অসমীয়া গীত-মাতৰ চিনাকী সুৰৰ প্লাৱনেৰে প্লাৱিত জ্যোতিপ্ৰসাদৰ নাটকে অসমীয়া সঙ্গীতৰ নতুন দিশ পোহৰাই তোলে। অসমীয়া আই নাম, বিয়ানামত নতুন সুৰৰ ঝঙ্কাৰ তোলে। মঞ্চ নিৰ্দ্দেশ, সংলাপ, গীতৰ প্ৰয়োগ, চৰিত্ৰ সৃষ্টি আদি সকলো ধৰণৰ নাটকীয় কলা কৌশলতে জ্যোতিপ্ৰসাদৰ নাটকে নতুনত্বৰ দাবী কৰিব পাৰে। তেওঁ আমাৰ অসমীয়া সাহিত্য সংস্কৃতিৰ বাবে যথেষ্ট অৱদান দি থৈ গৈছে। জ্যোতি-প্ৰসাদ আগৰৱালাদেৱে আমাৰ অসমীয়া সাহিত্য সংস্কৃতিৰ লাইনৰ এটা বস্তুও বাদ দিয়া নাছিল। সাহিত্য, নাটক, বোলছবি, নাচ-গান, কবিতা, ৰাজনীতি আটাইবোৰতে লাগি অৱশেষত স্বৰ্গী হল।

জ্যোতিপ্ৰসাদৰ সৰ্ব্বমুখী নাট্য প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি আনে চৈধ্য বছৰ বয়সতে লিখা "শোণিত কুঁৱাৰী" নাটকে। বৰ্ত্তমান জ্যোতিপ্ৰসাদৰ ছপা হৈ ওলোৱা বহু প্ৰচাৰিত নাটক চাৰি খনেই। ছাত্ৰ জীৱনতে লিখা এই নাটক খনত তেওঁৰ প্ৰতিভা সম্পূৰ্ণ কৈ পুৰস্কৃত হোৱা নাছিল যদিও ইয়াৰ মাজেদিয়ে তেওঁৰ কাব্যিক প্ৰতিভা বহুখিনি প্ৰকাশ পাইছে। অসমীয়া সঙ্গীতৰ ক্ষেত্ৰত নৱযুগত অনা "শোণিত কুঁৱৰী"ৰ গীতৰ সুৰবোৰে অসমীয়া বনগীত, বিহুগীত, আই-নাম, বিয়ানাম ইত্যাদিক নতুন ৰূপেৰে সজাই এক অভূতপূৰ্ব্ব আলোড়ন সৃষ্টি কৰে। নাটকখনিৰ আন এটা অপৰিহাৰ্য্য অঙ্গ চিত্ৰলেখাৰ "পদুম কলি" নৃত্য তেওঁৰ এটি অভি-নৱ সৃষ্টি। পৌৰাণিক পৰিবেশটো জীয়াই ৰাখি আধুনিক ঠাচঁত তেওঁ সুন্দৰ ৰূপে চিত্ৰ লেখাৰ উষা বাণৰ কাহিনীটো ফুটাই তুলিছে। আখ্যা-নটো পৌৰাণিক যদিও নাট্যকাৰে ইয়াত বাস্তৱতা আৰোপ কৰিবলৈ চেষ্টা কৰিছে সংগীত আৰু সংলাপৰ যোগেদি। চিত্ৰলেখাই কুমাৰকে হৰণ কৰা কথাটোত পৌৰাণিক মায়া বিদ্যাৰ ঠাইত আধুনিক ভেল্কীৰ সহায় লোৱাত বাস্তৱতা আৰোপ কৰা ক্ষেত্ৰত তেওঁৰ নিপুনতা প্ৰকাশ পাইছে।

ডঃ বাণীকান্ত কাকতীদেৱে নাটকখনৰ বিষয়ে এটি গঠনমূলক সমালোচনা লিখি এনে দৰে মন্তব্য কৰিছিল— "কাব্য হিচাবে পুথিখন বৰ উপাদেয় হৈছে। বৰ্ত্তমান কালৰ ভাৱ আৰু ভাষাৰে পৌৰাণিক আখ্যানৰ সৌন্দৰ্য্য আৰু তত্ব উলিয়াই অনাত লিখক কৃতকাৰ্য্য হৈছে।" আগেয়ে কৈ অহা হৈছে যে জ্যোতি-প্ৰসাদৰ নাটকৰ এটা স্বকীয় বৈশিষ্ট্য আছে। তেওঁৰ নাটকীয় কলা কৌশলৰ নতুনত্ব আছে। তেৱেঁই প্ৰথমে অসমীয়া নাটকত মঞ্চ নিৰ্দ্দেশৰ প্ৰচলন কৰে। ইবচেন, বাৰ্নাডশ্ব, গলছৱৰ্থী আদিৰ দৰে "কাৰেঙৰ-লিগিৰী"ত দীঘলীয়া ভাৱে মঞ্চ নিৰ্দ্দেশৰ প্ৰচলন কৰি তেওঁ অসমীয়া নাট্য জগতলৈ নতুন কৌশলৰ সৃষ্টি কৰে। "শোণিত কুঁৱৰী"ত পূৰ্ব্বৰ নাটকৰ দৰে স্বগতোক্তি, ছন্দ-ময়ী সংলাপ, অতি ভাৱ প্ৰৱন উক্তি আদি থাকিলেও "কাৰেঙৰ-লিগিৰী"ত সম্পূৰ্ণ ৰূপে বৰ্জ্জন কৰে।

জ্যোতিপ্ৰসাদৰ শ্ৰেষ্ঠ নাটক "কাৰেঙৰ লিগিৰী" অসমীয়া সাহিত্যৰ ভিতৰতে এখনি শ্ৰেষ্ঠ নাটক। "কাৰেঙৰ লিগিৰী"ৰ সংলাপ স্বাভাৱিক গদ্যত দিয়া হৈছে। ৰচকৰ মানসিক পৰিপক্কতা, নিখুঁত আদৰ - কায়দা আৰু পৈণত নাটকীয় কৌশলৰ চিনাকী এই নাট-কৰ দৃশ্যই দৃশ্যই বিৰাজমান। মধ্যযুগীয় আহোমৰ দিনৰ পটভূমিত আৰু ৰোমান্তিক

পৰিবেশত ৰচিত "কাৰেঙৰ লিগিৰীত" জ্যোতি প্ৰসাদে তেওঁৰ নাটকীয় প্ৰতিভাৰ জ্যোতিৰ কাৰেং সাজিছে। দেশভক্ত তৰুণ ৰাম ফুকনদেৱে কৈছে— "জ্যোতিয়ে পবিত্ৰ প্ৰণয়ৰ জ্যোতি প্ৰচাৰ কৰিলে "কাৰেঙৰ লিগিৰী" নামৰ সুন্দৰ নাটক খনিত। ইয়াৰ প্ৰভাৱ দেখুৱালে মনোৰম সুন্দৰ শেৱালীৰ আখ্যানত। জ্যোতিপ্ৰসাদে দেখুৱালে সাধাৰণ লিগিৰীৰ ঠাই কাৰেঙত নাই।" চৰিত্ৰ সৃষ্টি, সংলাপ আদিৰ যোগেদি নাট্যকাৰে অপূৰ্ব্ব দক্ষতাৰে সামাজিক কু-সংস্কাৰ, বাধা-নিষেধ, আভিজাত্যৰ গৌৰৱ আদিৰ বিৰুদ্ধে অভিযান চলাইছে।

"কাৰেঙৰ লিগিৰী"ত বলিষ্ঠ সংলাপেৰে জ্যোতিপ্ৰসাদে অসমীয়া নাটকৰ সংলাপ ৰীতিত নতুনত্ব আনে। উদাহৰণ স্বৰূপে, দ্বিতীয় অঙ্কৰ প্ৰথম দৰ্শনৰ কাঞ্চনমতী আৰু সুন্দৰৰ মাজত হোৱা কথোপকথনৰ সংলাপ খিনিলৈ আঙু-লিয়াব পাৰি। কম কথাতে বহু কথা প্ৰকাশ কৰা, জুখি জুখি দিয়া চৰিত্ৰৰ মুখৰ উক্তিয়ে "কাৰেঙৰ লিগিৰী"ৰ সংলাপক শ্ৰেষ্ঠত্ব দান কৰিছে। দুই এঠাইৰ কাব্য গন্ধী উক্তিয়ে নাটকৰ সংলাপ সুন্দৰ কৰি তুলিছে। উদা-হৰণ স্বৰূপে একেখনি নাটকৰ পৰাই তুলি দিয়া হল, "কোৱঁৰলৈ মোৰ ইমান মৰম কিয়? তুমি নুবুজা নহয় মোৰ তোমালৈ কিমান মৰম। মোৰ বুকুৱে নধৰে, মোৰ মনেও ভাবি ভাবি শেষ কৰিবলৈ ভাগৰে। কিমান মৰম? মই দেখিছো তোমাৰ কেকোৰা চুলিৰ চামে চামে মোৰ মৰম বোৰ লুকা-ভাকু খেলিছে। তুমি মোলৈ নীলা আকাশৰ পূৰ্ণিমাৰ জোন, তোমাক মই নাপাওঁ। কিন্তু তোমাৰ মৰমৰ জোনাকত মোক জুৰ লবলৈ নিদিবানে"? সুন্দৰ কোৱঁৰৰ উদ্দেশ্যে কোৱা শেৱালীৰ এই উক্তিখিনিৰ দৰে "শোণিত কুঁৱৰী" আৰু "ৰূপালীম"তো পাতে পাতে বহুত ভাৱময়ী কাব্যিক উক্তি পোৱা যায়। "ৰূপালীম"ৰ চতুৰ্থ অঙ্কত মণিমুগ্ধৰ যিটো দীঘলীয়া উক্তি দিয়া হৈছে ই প্ৰাচীন আলঙ্কা-ৰিকৰ কৱি প্ৰসিদ্ধিৰ নিচিনা।

দৃশ্য-সজ্জাৰ মিতব্যয়িতা জ্যোতিপ্ৰসাদৰ নাটকৰ আন এটা প্ৰধান লক্ষণ। যিবোৰ কথা বৰ্ণনাৰে বা গীতেৰে ফুটাই তুলিব পাৰি তাত তেওঁ দৃশ্যৰ সৃষ্টি কৰা নাই আৰু য'ত সংলাপ নিদিয়াকৈয়ে বৰ্ণনাৰে দৃশ্যৰ কাম চলিছে তাত তেওঁ সংলাপৰ সৃষ্টি কৰা নাই। "কাৰেঙৰ লিগিৰী"ৰ বিয়াৰ দৃশ্যটোও নাট্যকাৰে তেনেকৈ ফুটাই তুলিছে।

গীত প্ৰয়োগৰ ক্ষেত্ৰতো জ্যোতিপ্ৰসাদৰ নাটক কেইখন অন্যতম। "শোণিত-কুঁৱৰী"ৰ গীতৰ অংশ বাদ দিলে নাটকখনিৰ সৌন্দৰ্য্য বহু গুণে হ্ৰাস পাব। পদুম কলি নৃত্য আৰু চিত্ৰলেখাৰ মুখত দিয়া গীত নাটকখনিৰ মেৰু-দণ্ড স্বৰূপ। গীতৰ মায়া জালেৰে আবৃত "শোণিতকুঁৱৰী"ক সেয়ে গীতি নাট্য বুলিও কব পাৰি। তাৰ উপৰি জ্যোতিপ্ৰসাদেই প্ৰথমে "শোণিত কুঁৱৰী"ৰ যোগেদি অসমীয়া গীত মাতক ৰাইজৰ বৰচ'ৰাত উপস্থাপিত কৰে। নাট্য-কাৰৰ ভাষাত "শোণিতকুঁৱৰী" নাটখন অসমীয়া সঙ্গীত বুৰঞ্জীৰ এটা আটাইতকৈ লাগতিয়াল পাত। "কাৰেঙৰ লিগিৰী"ৰ গীতৰ প্ৰয়োগে নাট্যৰস ঘনীভূত কৰি তোলাত বহু পৰিমাণে সহায় কৰিছে। সঙ্গীতজ্ঞ জ্যোতিপ্ৰসাদৰ উপযুক্ত পৰিবেশত উপযুক্ত গীতৰ পৰিবেশে নাটক কেই-খনক আকৰ্ষণীয় কৰি তুলিছে। "কাৰেঙৰ লিগিৰী"ত নিৰ্জ্জন নগা পাহাৰত অকল শৰীয়া অৱস্থাত থকা শেৱালীৰ মুখত দিয়া—"বাৰিষাৰে

ঘনঘোৰ বজালি যে প্ৰাণত মোৰ” গীতটোৰ প্ৰয়োগ অতি সুন্দৰ হৈছে। তেনেদৰে “ৰূপালীম”তো সুৰৰ আমেজ আৰু ভিতৰত বাজি থকা সুৰৰ ছিম্ফনিৰে ষষ্ঠ অঙ্কটো আকৰ্ষণীয় কৰি তোলাত নাট্যকাৰ কৃতকাৰ্য্য হৈছে।

“লভিতা”ত সন্নিবিষ্ট দেশপ্ৰেম-মূলক সঙ্গীত কেইটাৰ প্ৰয়োগে নাটখনৰ উপযুক্ত পৰিবেশ সৃষ্টিত সহায় কৰাৰ উপৰিও নাটকত ফুটি উঠা আন্দোলনৰ সুৰটো আৰু তীব্ৰ কৰি তুলিছে। অসমত যেতিয়া মহাসমৰৰ ঢৌৰ খলকনি উঠিছিল, বিয়াল্লিচৰ বসুমতী বিদৰা হুঙ্কাৰ ধ্বনি উঠিছিল আৰু নেতাজীৰ মুক্তি যুদ্ধৰ আহ্বানত “আজাদ-হিন্দ” ফৌজৰ ৰণৰ গুম গুমনি উঠিছিল, তেতিয়া আশা শুধীয়া ত্যাগেৰে সংগ্ৰামত জাহ দিয়া মুক্তিকামী ৰাইজৰ দৃঢ় মনোবল, সততা আৰু স্বাধীনতাৰ বাবে কৰা মহান প্ৰচেষ্টাৰ এটি নিভাঁজ প্ৰতিচ্ছবি তেওঁৰ অন্যতম নাটক “লভিতা”ৰ বিষয়বস্তু। নাট্যকাৰৰ উদেশ্য যদিও আদৰ্শ চৰিত্ৰ চিত্ৰন বা বিশেষ চৰিত্ৰ সৃষ্টি নাছিল, তথাপিতো অসমীয়া নাৰী “লভিতা”ই কেনেকৈ ইমান দুৰ্যোগৰ মাজতো দেশ মাতৃকাৰ কাৰণে নিজৰ জীৱন উৎসৰ্গা কৰিছিল তাৰ জ্বলন্ত চিত্ৰই তেওঁৰ হাতত ৰূপ পাইছে। নাট্যকাৰেও “লভিতা”ৰ পাতনিত দোহাৰিছে— “নায়ক-নায়িকা হিচাবে ইয়াত চৰিত্ৰ নাই। ইয়াৰ নায়ক গোটেই অসমীয়া জাতি।” অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত চিপাহীলৈ ভয় নকৰি হাতত ত্ৰিৰংগ পতাকা লৈ নিৰাশ্ৰয়া ছোৱালী কেইজনীক ৰক্ষা কৰা দৃশ্য আৰু লভিতাৰ মুখৰ বিৰোচিত সংলাপ। আনহাতে দ্বিতীয় অঙ্কত সন্নিবিষ্ট মৌজাদাৰৰ চৰিত্ৰ, আশ্ৰয়প্ৰাৰ্থী লভিতাৰ সংলাপৰ যোগেদি প্ৰকাশ পোৱা গাওঁ বুঢ়াৰ কাৰ্য্যকলাপে, ব্যৱসায়ী আৰু ঠিকাদাৰৰ কাৰ্য্যকলাপে সুবিধাবাদী এচামলোকৰ অন্ধকাৰ দিশটো দাঙি ধৰিছে। নাট্যকাৰেও “লভিতা”ৰ পাতনিত লিখিছে— সেই সময়ত অসমত ঘটা নানা ঘটনাৱলীৰ মাজেদি ওলোৱা অসমীয়া ডেকা-গাভৰুৰ চৰিত্ৰবলৰ নিদৰ্শন, পৰ্য্যবেক্ষণ কৰি “লভিতা”ৰ যোগেদি ৰাইজৰ আগত দাঙি ধৰিছে। বিয়াল্লিছৰ বিপ্লৱ আৰু দ্বিতীয় মহা-সমৰৰ মাজেদি অসমীয়া জাতীয় চৰিত্ৰৰ বাস্তৱিক এই নাটক।

জ্যোতিপ্ৰসাদৰ নাটকৰ আন এটি বৈশিষ্ট্য হৈছে চৰিত্ৰ সৃষ্টিত। তেওঁৰ প্ৰত্যেকখন নাটকেই নায়িকাৰ নামেৰে নামাকৰণ কৰিছে। সেই অনু-যায়ী নাৰী চৰিত্ৰাঙ্কনত নাট্যকাৰে বিশেষ কৃত-কাৰ্য্যও হব পাৰিছে। তেওঁৰ প্ৰত্যেকখন নাটকৰে প্ৰত্যেকটো চৰিত্ৰই স্বকীয়া বৈশিষ্ট্যৰে মহিমা-মণ্ডিত। কাঞ্চনমতী আৰু ইতিভেন, শেৱালী আৰু ৰূপালীমৰ মাজত কিছুক্ষেত্ৰত সাদৃশ্য থাকি-লেও চৰিত্ৰ কেইটাৰ জীৱন দৰ্শন আৰু পৰি-ণতি স্বকীয়া।

কাঞ্চনমতী আৰু ইতিভেন বংশ মৰ্য্যাদাত সমপৰ্য্যায়ৰ। কাঞ্চনমতীয়ে নিজৰ ভালপোৱাক অন্তৰত সজীৱ কৰি ৰাখিও সমাজৰ নীতি মানি বিয়া সোমোৱা ছোৱালী। আনৰ লগত থকা গুপ্ত প্ৰণয়ক তেওঁ স্বামীৰ আগত প্ৰকাশ কৰিব পৰা স্বাধীন তিৰোতা। তেওঁ লাঞ্চনা সহ্য কৰিব নোৱাৰে। সেয়ে তেওঁ মৃত্যু বৰণ কৰিলে। ইতিভেন প্ৰেমৰ ক্ষেত্ৰত ইৰ্ষা পৰায়ণা। তেওঁ প্ৰেমিকৰ ওচৰত লাঞ্চিতা হৈও তেওঁক লাভ কৰিবৰ বাবে যি কোনো কামৰ বাবে সাজু। কাঞ্চনমতীৰ চৰিত্ৰৰ মাজেদি ক্ষীণ ভাৱে হলেও ইবছেনৰ নাৰীমুক্তি আন্দোলনৰ প্ৰতিফলন হৈছে। শেৱালী আৰু ৰূপালীম দুয়ো সহজ সৰল। দুয়ো প্ৰেমিকৰ কাৰণে নিজৰ প্ৰাণ আহুতি

দিলে। শেৱালীৰ মৃত্যুৱে তাইলৈ কঢ়িয়াই আনিলে প্ৰেমৰ গৌৰৱ। প্ৰেমিকে তাইক অন্তৰেৰে স্বীকৃতি দিয়ে। ৰূপালীমৰ মৃত্যুত "মায়াব" মূৰ্চ্ছা গল। সুন্দৰ কোঁৱৰ আৰু মনিমুগ্ধ জ্যোতিপ্ৰসাদৰ দুটা জটিল চৰিত্ৰ। সুন্দৰ কোঁৱৰ স্বেচ্ছাচাৰ আদৰ্শমূলক। মনিমুগ্ধৰ স্বেচ্ছাচাৰ অত্যাচাৰমূলক। আনহাতে তেওঁ ৰূপসাধক।

অসমীয়া নাটকত ৰূপ ৰং একেবাৰেই সলনি কৰি দি জ্যোতিপ্ৰসাদে গতানুগতিক ৰীতি পৰিহাৰ কৰি পাশ্চাত্য নাট্যকাৰ ইবচেন, বাৰ্ণাডশ্বৰ আদৰ্শৰ নাটক ৰচনা কৰিবলৈ ধৰিলে। নাটকীয় কলা কৌশল, যেনে— প্ৰত্যেক দৃশ্যৰ কাৰণে বহল নাটকীয় নিৰ্দ্দেশ, দৃশ্য, অঙ্ক বিভাগত অনিয়মিতা আৰু স্বগতোক্তি, অমৃতাক্ষৰ ছন্দৰ কম ব্যৱহাৰৰ ক্ষেত্ৰত অসমীয়া নাট্যকাৰৰ ভিতৰত নিঃসন্দেহে তেওঁকেই অগ্ৰণী বুলিব পাৰি। জ্যোতিপ্ৰসাদে নাটকবোৰত প্ৰত্যেকটো দৃশ্যৰ মঞ্চ সজ্জাৰ একোটা বহল বৰ্ণনা দিছে। শঙ্কৰী যুগৰ এক অঙ্কীয়া নাটক আৰু তেওঁৰ পিছত ইংৰাজ অসমলৈ অহাৰ কিছু আগলৈকে অসমীয়া নাটকৰ বুৰঞ্জীত অন্তনিৰ্দ্দেশ খুব কমেই আছিল। সংখ্যাত তাকৰ হলেও তেওঁৰ অসমীয়া নাটক কেইখনে অসমীয়া সাহিত্যত যুগান্তৰ সৃষ্টি কৰিছিল।

ৰূপ কোঁৱৰ জ্যোতিপ্ৰসাদৰ শেহতীয়া দুখন শিশু নাটিকা "নিমাতী কইনা" আৰু "সোণপখিলী"ত জ্যোতিপ্ৰসাদৰ শিশু সুলভ সৌন্দৰ্য্য পিপাসু মনৰ অপূৰ্ব্ব কল্পনা ধৰণ এক আদৰ্শ জনিত সুন্দৰ পৃথিবীখনৰ পৰিকল্পনাৰ কথা মন কৰিব লগীয়া। "নিমাতী কইনা" নাটিকাৰ প্ৰণেতাৰ কথাত জ্যোতিপ্ৰসাদে নিজেই কৈছে, "নিমাতী"ক ইয়াত বোধন কৰিবলৈ থকা "কলালক্ষ্মী" স্বৰূপ দিয়া হৈছে। ৰূপকোঁৱৰ হৈছে, চিৰসুন্দৰৰ প্ৰধান মহাসিদ্ধ। সাধক বোলা লক্ষ্মীয়ে সাধকৰ আমন্ত্ৰণ আৰু বোধন মন্ত্ৰতহে উদ্বুদ্ধ হৈ জগতত হাঁহে। কলা লক্ষ্মীৰ হাঁহিয়ে হৈছে "আনন্দ" আৰু তেওঁৰ গানেই হৈছে "বিশ্ব শান্তি"। মানৱ জাতিৰ সকলো কলা সাধকেই পৃথিবীত আনন্দ আৰু শান্তি প্ৰতিষ্ঠাৰ কাৰণ। মানুহৰ সভ্যতাৰ অধিষ্ঠাত্ৰী হৈছে "কলালক্ষ্মী"। কলা সুলভ কল্পনাৰ এই পৃথিবীখনেই হৈছে জ্যোতিপ্ৰসাদৰ "শিল্পীৰ পৃথিৱী"।

"মানৰ কল্পনাৰ  
সীমান্ত ভেদি  
যি ৰাজ্য অনন্ত শেষ  
সেয়ে মোৰ ৰাজ্য  
তাৰ নাম জ্যোতি দেশ।"

অসমীয়া শিশু সাহিত্যত সকলোতকৈ ডাঙৰ বৰঙণি জ্যোতিপ্ৰসাদৰ।

শিল্পী হিচাবে তেওঁ আমাক দি গ'ল এটি সুমধুৰ গীতৰ মালঞ্চ। তেওঁৰ গীতত দেশৰ প্ৰাণতাঁৰ ভাৱ ঝংকাৰিত হোৱা পৰিলক্ষিত হয়। বৈপ্লৱিক নেতৃত্বৰে জাতিক জগাই তুলিব পৰা জ্যোতিপ্ৰসাদ আছিল সঁচা নেতা। ভাৰতৰ বুকুৰ পৰা বিদেশী শাসকক বহিস্কাৰ কৰিবৰ কাৰণে তেওঁ তেজদীপ্ত, সজীৱ, স্বদেশ প্ৰেমমূলক গীত, কবিতা আদি ৰচনা কৰিছিল। এই সংগীত, কবিতাবোৰত তেওঁৰ শিল্পী সত্তাৰ অন্তৰালত থকা সংগ্ৰামী ভাৱধাৰা বাষ্পৰ দৰে উৰিছিল।

"তই কৰিব লাগিব অগ্নিস্নান  
সাজুহ সাজুহ নৱ জোৱান।  
জীৱন যৌৱন  
কৰি প্ৰাণ পণ  
ৰাওলী কৰিছে ৰণাঙ্গন  
জয় শঙ্খ বজা পৃথিবী কঁপাই  
অত্যাচাৰকো কৰি বৰণ।

স্বাধীনতা ধন
নহলে মৰণ
লোহাৰ শিলেৰে বান্ধিল মন।
বজ্র কণ্ঠে বিশ্বক শুনা
সত্যৰ জয় গান
বুকুৰ তেজেৰে ধুই দে অ' আজি
ভাৰতৰ অপমান
সাজুহ সাজুহ নৱ জোৱান।"

(জ্যোতিপ্ৰসাদৰ কবিতাত চিৰ বিদ্ৰোহীৰ অগ্নিময় ভাৱৰ উন্মেষ ঘটিছিল।

"হুঙ্কাৰি উঠিল মুক্তি যুজাঁৰু
ওলাই আহিল অসমী গাভৰু
মৃত্যু বিজয়ী গাঁৱৰ জীয়ৰী
দীপ্ত কনকলতা)

কোনোবা কাপুৰুষে হয়তো দেশৰ অপমান, জাতিৰ লাঞ্ছনা সহিব পাৰে, কিন্তু নোৱাৰে এই লুইতপৰীয়া চিৰ সেউজী শিল্পী জ্যোতিপ্ৰসাদে। দেশমাতৃকাৰ প্ৰতি বিপ্লৱী জ্যোতিপ্ৰসাদে যি সহৃদয়তা দেখুৱাইছিল, যি মানৱীয় অনুকম্পাৰে উদ্বুদ্ধ হৈ প্ৰত্যেক জন ডেকা ল'ৰাক উদাত্ত কণ্ঠেৰে সাৱলীল সুৰেৰে আহ্বান জনাইছিল— সেয়ে তেওঁৰ অসাধাৰণ প্ৰতিভা সম্পন্ন শিল্পীৰ গভীৰতম দেশপ্ৰেমৰ চানেকি দিয়ে।

"লুইতৰ পাৰৰ আমি ডেকা ল'ৰা
মৰিবলে ভয় নাই।
কোনো কাপুৰুষ পুৰুষ সহিলেও
আমাৰ নসহে গা
আজিৰ ডেকা ল'ৰাই জীৱন পণ কৰিছে
মোহাৰ চকুলো কলিজাৰ আই"।

(জ্যোতিপ্ৰসাদৰ সংগ্ৰামী মনৰ পৰিচয় আমি তেওঁৰ ১৯৪২ চনত লিখা উদ্দীপনামূলক কবিতা ৰাজিত পাওঁ। "অসমীয়া ডেকাৰ উক্তি", "অসমীয়া ছোৱালীৰ উক্তি" আদি কবিতাত শিল্পীৰ সৃষ্টি প্ৰতিভা জাতীয় প্ৰেম কবিতাৰ আবৃত্তি মুখী আবেগ এতিয়াও দুনিৰ্বাৰ। তেওঁৰ যৌৱনৰ কবিতা সমূহত সংগ্ৰামী চেতনাৰ সাৰ্থক প্ৰতিধ্বনি হোৱা দেখা যায়। জ্যোতিপ্ৰসাদৰ কবিতাৰ বলিষ্ঠ Leclamatory style বা সোচ্ছাৰ ভঙ্গীয়ে আমাক বিদ্ৰোহী কবি "নজৰুললৈ" সততে মনত পেলাই দিয়ে। তেওঁৰ কবিতাত যন্ত্ৰযুগৰ সম্বৰ্ধনা বিৰাজমান। নিজে চাহ বাগিছাৰ মালিক হৈয়ো কবিতাত শ্ৰমিকৰ বিভিন্ন জাতি উপজাতিৰ ভিতৰত সাম্য আৰু সমন্বয় উদ্গাতা ৰূপে থিয় দি জয়গান গাইছিল এইবুলি—

"সাম্য মৈত্ৰীৰ ময়েই ৰণুৱা
চাহ বাগিছাৰ ময়েই বনুৱা।"

ছন্দৰ সীমাৰদ্ধতাৰ ভিতৰত আবদ্ধ নাথাকি লয়লাস গতিত শব্দেৰে ছবি আঁকি কবিতা লিখালৈ আজিৰ তেওঁৰ প্ৰধান বৈশিষ্ট্য।) জ্যোতিপ্ৰসাদে বিশ্বৰ সকলো কাৰ্য্যতে মুদ্ৰাৰ দৰে দুটা পিঠি দেখিবলৈ পাইছিল। এটা সুন্দৰ আৰু আনটো অসুন্দৰ। কিন্তু দুটাৰ মাজত সম্পৰ্ক আছিল ওতঃপ্ৰোত। এটাক বাদ দি আনটোৰ মূল্য নিৰূপণ কৰিব নোৱাৰি— যেনেকৈ দিনক বাদ দি ৰাতি আৰু ৰাতিক বাদ দি দিনৰ কথা উপলব্ধি কৰিব নোৱাৰি। এই সুন্দৰ আৰু অসুন্দৰক জ্যোতিপ্ৰসাদে সংস্কৃতি আৰু দুস্কৃতি নামেৰে অভিহিত কৰিছে। জ্যোতিপ্ৰসাদে জীৱনৰ প্ৰত্যেক মুহূৰ্ত্ততে পৰাজয় দেখুৱাই সংস্কৃতিৰ বিজয় ঘোষণা কৰিবৰ প্ৰচেষ্টা চলাইছিল। কিন্তু জ্যোতিপ্ৰসাদে এই দুস্কৃতি দানৱটোক দমন কৰিবৰ কাৰণে উদাত্ত কণ্ঠেৰে আহ্বান জনাইছিল।

"মোৰ গানত জ্বলে
শত যুগৰ কত অভিমান

মোৰ গানে বিচাৰে
চিৰ দুখীয়াৰ চিৰ পৰিত্ৰান।
মোৰ গানত গুজৰি ভুঁই কঁপ কৰে
পৃথিবীৰ নিৰ্ব্বান
মোৰ গানৰ জুইয়ে জগত পুৰিব
দুস্কৃতি সাৱধান"।

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে কথাছবি জগতত থৈ গ'ল অসমীয়া স্থায়ী অৱিহণাৰ প্ৰতীক ৰূপে "চিত্ৰবন"। জ্যোতিপ্ৰসাদে ১৯৩৪ চনত সৰ্ব্ব-প্ৰথম ভোলাগুড়িত "চিত্ৰবন" নাম দি ষ্টুডিঅ' নিৰ্ম্মান কৰি কোনো অসমীয়াই ভাবিব নোৱাৰা দুঃসাহসৰ কাম এটা কৰিলে। সেই চিত্ৰবনে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ "জয়মতী" নাটকক কথাছবিৰ ৰূপ দিলে।

জ্যোতিপ্ৰসাদে যি সময়ত অসমীয়া সবাক বোলছবি "জয়মতী" নিৰ্ম্মাৰ্ণ কৰে, তেতিয়াই চিত্ৰবন ষ্টুডিঅ' পাতি অকলেই সকলো কাম কৰি "জয়মতী" সম্পূৰ্ণ কৰি তোলে। অনা অসমীয়া কলা কুশলীৰ ওপৰত নিৰ্ভৰশীল হৈ চলিব লগীয়া হোৱাত এই ছবি নিৰ্ম্মাণ বুৰঞ্জীত ভাৰতীয় বোলছবিৰ প্ৰাথমিক ইতিহাসত এক উল্লেখযোগ্য পদক্ষেপ হিচাবে চিহ্নিত হৈ ৰব। সেই সময়ত আজিকালিৰ দৰে তেতিয়া "ডাবিং" আৰু ৰি-ৰেকৰ্ডিংৰ আধুনিক সা সুবিধা নথকাত জ্যোতিপ্ৰসাদে লাহোৰৰ এটা ষ্টুডিঅ' ভাড়া লৈ ছবিৰ প্ৰায় ডেড়কুড়ি পুৰুষ-মহিলাৰ মাত অকলে অনুকৰণ কৰি সংলাপ ৰেকৰ্ড কৰিছিল।

জ্যোতিপ্ৰসাদৰ প্ৰবন্ধ পাতিও বৰ প্ৰগেছিভ দৃষ্টিভংগীৰ। বিশেষকৈ সংস্কৃতি সম্বন্ধীয় "শিল্পীৰ পৃথিবী" বোলা সুদীৰ্ঘ প্ৰবন্ধটো আমাৰ সাহিত্যৰ এটা চিন্তা মূলক আপুৰুগীয়া বস্তু। সংস্কৃতি সম্বন্ধে এনেকৈ খৰচি মাৰি আলোচনা কৰা প্ৰবন্ধ সতকাই চকুত নপৰে। এই প্ৰবন্ধটোৰ এটা উল্লেখযোগ্য দিশ হ'ল প্ৰবন্ধটোত ইউৰোপৰ দাৰ্শনিক নাট্য শিল্পী এড্‌লড এপিয়াৰ দুটা "কোটেচন"ৰ বাহিৰে আন কোনো বিদেশী লোকৰ "কোটেচন" নাই। বিদেশী লোকৰ "কোটেচনৰে" কণ্টকাকীৰ্ণ নকৰাকৈ ইমান দীঘল চিন্তাপূৰ্ণ প্ৰবন্ধ লিখাটো আমাৰ কাৰণে অতিশয় চিন্তাৰ কথা। অৱশ্যে জ্যোতিপ্ৰসাদৰ গোটেইবোৰ কথাকেই যে গ্ৰহণ কৰিব লাগিব বা গ্ৰহণযোগ্য হব, সেই কথা সকলোৱে কব নোৱাৰে। জ্যোতিপ্ৰসাদে নিজেই শ্ৰীমন্ত শঙ্কৰ সম্বন্ধে কৈ গৈছে— "শ্ৰীমন্ত শঙ্কৰে দি যোৱা সাংস্কৃতিক আদৰ্শক আমি নতুনৰ পোহৰত সূক্ষ্মভাৱে বিশ্লেষণ কৰি চাই সেই মতেই আগবাঢ়িব লাগিব।" জ্যোতিপ্ৰসাদৰ বস্তুবোৰকো সেইমতেই "নতুনৰ পোহৰত সূক্ষ্মভাৱে বিশ্লেষণ" কৰিহে আমি গ্ৰহণ কৰিব লাগিব।

অসমীয়া সংগীতৰ জগতলৈ, অসমীয়া কবিতাৰ জগতলৈ, অসমীয়া সাহিত্যৰ অন্যান্য দিশবোৰলৈ এইজনা মহান শিল্পীয়ে কিমান অৱদান দি গৈছে তাৰ প্ৰকৃত মূল্যায়ণ আজিলৈকে হোৱা নাই। অসমীয়া সাধক হিচাবে জ্যোতিপ্ৰসাদ আছিল জনতাৰ সংস্কৃতিৰ লেখত লবলগীয়া শিল্পী। সাহিত্য সংস্কৃতি সকলোতে তেওঁৰ নিজস্ব স্বকীয়তা ফুটাই তুলিবলৈ যত্ন কৰিছিল। তেওঁৰ বিশ্বাস আছিল যে স্থাপত্যতেই প্ৰতিফলিত হয় এটা জাতিৰ চৰিত্ৰ আৰু অসমীয়া স্থাপত্য এক সহজ সৰল ৰৌপিক পৰিকল্পনাৰ দ্বাৰা সুপ্ৰতিস্থিত হব লাগিব। জ্যোতিপ্ৰসাদৰ বিশ্লেষণ পৰিস্কাৰ, বৈজ্ঞানিকত্বৰ পৰিচয় অসমৰ সংস্কৃতিৰ ৰূপান্তৰ ক্ষেত্ৰত দেখা

যায়। তেওঁ কৈছিল নতুন পোহৰত আমাৰো পুৰণি সংস্কৃতিৰ কিছু এৰিব লাগিব। মানুহৰ এই সৌন্দৰ্য্য পূজাই গঢ়ি আনিলে সভ্যতা সংস্কৃতি। এই সৌন্দৰ্য্য পূজাই মানুহৰ প্ৰগতিৰ বাটেদি ভৱিষ্যতৰ আদৰ্শ মানৱ সংস্কৃতিলৈ লৈ গৈছে। সেইকাৰণে "সুন্দৰৰ আৰাধনা জীৱনৰ খেল" কথাষাৰৰ মাজেদি মানুহৰ বিষয়ে এক মহা সত্য ফুটি উঠিছে।

জ্যোতিপ্ৰসাদৰ মতে সংস্কৃতি যদি এটা ত্ৰিভুজ হয় তেনেহলে সি যিমানে ওপৰলৈ উঠিব সিমানে তাৰ গুৰিটো বহলাব লাগিব, তেহে সি এটা শক্তিশালী গাঁঠনি ৰূপে টিকিব পাৰিব। "মানৱ সংস্কৃতিৰ উচ্চতা বিকাশ হয় মানৱ মনীষা, প্ৰতিভা, কল্পনা মেধা বুদ্ধি থকা মনটোৰ মাজেদি আৰু ব্যাপকতা প্ৰকাশ হয় জনতাৰ মাজত"। সাম্ৰাজ্যবাদৰ অৰ্থনৈতিক গাঁঠনিত সংস্কৃতি যে পঙ্গু, দুস্কৃতি হয় সেই কথা জ্যোতিপ্ৰসাদে বুজিব পাৰিছিল কাৰণেই তেওঁৰ বিপ্লৱী ৰচনা বেছি বাস্তৱ আৰু শক্তিশালী প্ৰেৰণাৰে অভিভূত হৈ জনতাক বেছিকৈ আকোঁৱালী লবলৈ সক্ষম হব পাৰিছিল। সেয়েহে মৃত্যুৰ আগলৈকে অসমৰ সংস্কৃতিৰ বেদীত জীৱন শিখাৰ শেষ ৰশ্মিৰে জ্যোতিপ্ৰসাদে অনিৰ্ব্বান বন্তি এগচি জ্বলাই গ'ল। সেইকাৰণে 'জ্যোতিপ্ৰসাদ' আজি অসমীয়া সাহিত্য সংস্কৃতিত এটি বৰ সদৰী নাম।

সৰু কালছোৱাত তামোলপুৰত থাকি জ্যোতিপ্ৰসাদে তেজপুৰলৈ আহি তাতে স্কুলত নাম লগায়। প্ৰৱেশিকা পৰীক্ষাৰ বাচনিত উঠিয়ে কিশোৰ জ্যোতিপ্ৰসাদে জপিয়াই পৰে অসহযোগ আন্দোলনত। নবীন বৰদলৈ, তৰুণ ফুকনৰ আহ্বানত দৰং জিলাৰ বিভিন্ন গাওঁ চহৰত সভা-সমিতি কৰি জন সাধাৰণক একতাবদ্ধ কৰি তুলিলে। এক অতৃপ্ত মন আৰু সৃষ্টিৰ ক্ষুধাৰে চাৰি বছৰ বিদেশত থাকি ঘূৰি আহি জ্যোতিপ্ৰসাদ আকৌ দেশৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰে। তেজপুৰ কংগ্ৰেছ কৰ্ম্মীসকলৰ অধিনায়ক নিযুক্ত হয়। ১৯৩২ চনত আইন অমান্য অপৰাধত অভিযুক্ত হৈ পোন্ধৰ মাহৰ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত হয়।

অসমীয়া সঙ্গীতৰ এটা বিন্যাস আৰু নতুন ৰূপো জ্যোতিপ্ৰসাদে মনে প্ৰাণে বিচাৰিছিল। গীত ৰচনা আৰু সুৰ সংযোজনা আৰু বিভিন্ন বাদ্য যন্ত্ৰৰ ব্যৱহাৰ সম্পৰ্কিত অসমীয়াৰ সঙ্গীতৰ কেনে ৰূপ হোৱা উচিত এই বিষয়ে জ্যোতিপ্ৰসাদে লিখিছিল। স্বাধীনতা সংগ্ৰামত আত্ম বলিদান দিয়া অসমৰ বীৰ বীৰাঙ্গনা সকলৰ নাম গোটেই ভাৰততে প্ৰচাৰ কৰিছিল। জ্যোতিপ্ৰসাদে কৈছিল, "জনতাক শিল্পী ৰূপ দিয়াই সংস্কৃতি, এই জনতাৰ হাতত পৃথিবীখন দিয়াই শিল্পীৰ ৰাজনীতি।" জ্যোতিপ্ৰসাদৰ সু-সংস্কৃত মনে সদায় বিচাৰিছিল দুস্কৃতিৰ ধ্বংস কৰি সংস্কৃতিৰ জয়ৰ বৰপীৰাত বহুৱাবলৈ। শঙ্কৰদেৱৰ ঐতিহ্য খিনি বুজি লৈ জন জীৱনক নতুন ৰূপেৰে আগুৱাই নিব খোজা জ্যোতিপ্ৰসাদো সমানেই মহান। তেওঁ জানিছিল জন জীৱনৰ মহত্ব আৰু সৌন্দৰ্য্য সমন্বয়ৰ মাজেদিহে গঢ়ি উঠিব। জ্যোতিপ্ৰসাদে সংস্কৃতিৰ খিৰিকীখন খুলি দি বাহিৰৰ বতাহ আহিবলৈ দিছিল, কাৰণ তেওঁ আছিল বহল গণ জীৱনৰ সৌন্দৰ্য্য সাধক। তেওঁৰ এহাতে যেনেকৈ আছে সাধনা, সেইদৰে আছে বিপ্লৱ। এই বিপ্লৱ আৰু

সাধনাৰে অনুৰক্ত সাধক জ্যোতিপ্ৰসাদক সুন্দৰৰ শ্ৰেষ্ঠ শিল্পী বুলি অসমীয়া সংস্কৃতিত এক অদ্বিতীয় আসনত বহুৱাব পৰা যায়।

জ্যোতিপ্ৰসাদ হাড়ে হিমজুৱে আছিল ব্যক্তি জীৱনৰ মুক্তি প্ৰয়াসী। তেওঁৰ সাহিত্য, তেওঁৰ নেতৃত্ব, লোকৰঞ্জক, সংগ্ৰাম শীলতাৰ সংস্কৃতিৰে চিৰ আপ্লুত। জ্যোতিপ্ৰসাদে কৈছিল "আজিৰ যুগ গণযুগ, আজিৰ কাল ক্ৰান্তিৰ কাল, আজিৰ সংস্কৃতি হাতুৰি আৰু হলধৰৰ"। সংস্কৃতি হওঁতে তেওঁ বুদ্ধিজীৱী সকলক জনপ্ৰিয়তা আৰু উৎকৰ্ষতাৰ প্ৰতীক হওঁতে সুন্দৰ বিপ্লৱৰহে পূজাৰী হবলৈ কৈ গৈছে।

জ্যোতিপ্ৰসাদৰ নিজা বিশেষ ভঙ্গীৰ সৃষ্টিৰ গীত বোৰক অসমৰ "জ্যোতি সঙ্গীত" আখ্যা দিয়া হৈছে। তেঁৱেই পোন প্ৰথমে অসমত Thematic music ৰ সৃষ্টি কৰিছিল।

জ্যোতিপ্ৰসাদে সকলো অদ্ভূদ ৰূপেৰে ৰূছিৰ পৰিচয় দি বাধ্য-বাধকতা নথকাকৈ নিজস্ব ব্যক্তিত্ব ফুটাই তুলিব পাৰিছিল আৰু সেই লক্ষ্য, সেই দৃষ্টি আছিল—

"হে মোৰ ভাৰতৰ
চিৰ সুন্দৰ চিৰ শ্যামল
বিস্ব ৰূপ জ্যোতি স্বৰূপ সংস্কৃতি
মই মানুহে মই শিল্পীয়ে
তোমাক নমস্কাৰ কৰো"।

= × =

সহায় লোৱা হৈছে—
শ্ৰীলাৱণ্য বৰুৱা (কানৈ কলেজ আলোচনী)
ডঃ সত্যেন্দ্ৰ নাথ শৰ্ম্মা (পঞ্চতন্ত্ৰ আলোচনী)
কৈলাসমল্ল বৰুৱা (আমাৰ প্ৰতিনিধি)
নন্দ তালুকদাৰ (আৱাহন)

"মই শিল্পীহে সংঘাতৰ কথা কওঁ, সংগ্ৰামৰ কথা কওঁ। সপোন দেখি ছবি আঁকি থকা শিল্পীৰে আজি আমাৰ কাম নহয়। আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে।"

—জ্যোতি প্ৰসাদ আগৰৱালা।

# প্ৰতিবিন্দু

অধ্যাপিকা চৈয়দা আকেলা খানম

ভাৱনাত উমলি জামলি
নিতৌ উভতি আহে
অলেখ বিহঙ্গ
লগৰীৰ সতে
বিয়লি, অৰণ্য পথেদি,
অহা-যোৱা সিহঁতৰ গতি।

মাথোন গীতৰ বাবে
মাথোন গতিৰ বাবে
মাথোন কোলাহল আৰু ধেমালীৰ বাবে
সিহঁতৰ এই সান্ধ্য ভ্ৰমণৰ
স্বাগতম জনাবলৈ বৈ আছে।
নৰ মণিচৰ দল শিল আৰু সৈকত
অলেখ যোজনাৰ বাট।

গৰখীয়া যোৱা বাটে ঘুৰি আহে
নিতউ গধুলী
আইদেৱে বন্তি জ্বলায়
তুলসী তলত
মঠ-মন্দিৰ, গীৰ্জ্জা আৰু
মছজিদত ভগবানৰ
স্তুতিগান উচ্চাৰিত হয়
নিতৌ, সদা অহৰহ।

মোৰ মৰমৰ সজাৰ চৰাইজনী মুৰ উলিয়াই
আকাশলৈ চাই নীৰৱ বেদনাত
চকুপানী টোকে, মঠ-মন্দিৰ
আৰু গীৰ্জ্জাৰ উপাসনাৰ গীতত
চৰাইজনীৰ উচুপনি কাণত নপৰে।

* * * *

# নেপালী কবিতা সাহিত্যত এভুমুকি

অধ্যাপক ভীমকান্ত উপাধ্যায়

প্ৰত্যেক জাতিৰে নিজৰ ভাষা আছে আৰু এই ভাষাৰ মাধ্যমেৰে সেই জাতিৰ সাহিত্যও গঢ়ি উঠে। ভাষা, সাহিত্য আৰু সংস্কৃতিয়ে হৈছে জাতিৰ সম্পদ। নেপালী জাতিও এটা জীৱিত জাতি। ইয়াৰো নিজৰ ভাষা আছে, ভাষাৰ লিপি আছে আৰু সাহিত্য আছে। অসমীয়া, বঙালী, হিন্দী আদি আধুনিক ভাৰতীয় আৰ্য্য ভাষাৰ দৰেই নেপালী ভাষাও ভাৰোপীয় (Indo-Euro-Pean) পৰিবাৰৰ আৰ্য্য-ভাষাৰ সন্তান। প্ৰাচীন ভাৰতীয় আৰ্য্যভাষা বিশেষে যি দৰে ক্ৰম পৰিবৰ্ত্তনৰ মাজেদি আহি খৃষ্টীয় দশম একাদশ শতিকাত অসমীয়া, বঙালী হিন্দী আদি আধুনিক ভাৰতীয় আৰ্য্যভাষাৰ ৰূপ লৈছে, ঠিক সেই একেদৰে নেপালী ভাষাইও খৃষ্টীয় দশম - একাদশ শতিকাত নিজৰ ৰূপ লৈছে। ভাষা বৈজ্ঞানিক সকলৰ মতে মধ্য ভাৰতীয় আৰ্য্যভাষা যুগৰ শৌৰসেনী প্ৰাকৃতৰ শৌৰসেন অপভ্ৰংশৰ পৰা নেপালী ভাষাৰ জন্ম হয়।

বিশ্বৰ যি কোনো জাতিৰে ভাষা-সাহিত্যৰ ইতিহাসৰ পাত লুটিয়াই চালে দেখা যায় যে ভাষাৰ জন্মৰ লগে লগে সাহিত্যৰ সৃষ্টি নহয়। ভাষাই কেইবা স্তৰ পাৰ হৈ অহাৰ পাচত ভাষা যেতিয়া পৌঢ়, পৰিমাৰ্জিত হয়, তেতিয়াহে সেই ভাষাত সাহিত্য ৰচনা হয়। নেপালী ভাষা সাহিত্যৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম নহয়। আকৌ বিশ্বসাহিত্যৰ ইতিহাসৰ পাত লুটিয়াই চালে এইটোও দেখা যায় যে সাহিত্যৰ বিভিন্ন বিধা (বিভাগ) সকলৰ ভিতৰত পদ্য বা কবিতা বিধাৰ জন্মই আগতে হয়।

খৃষ্টীয় দশম একাদশ শতিকাত জন্ম গ্ৰহণ কৰা নেপালী ভাষাইও প্ৰায় পাঁচশ বছৰ বিভিন্ন কণক পত্ৰ, তাম্ৰ পত্ৰ, শিলালেখ আদিতে সীমিত হৈ নিজৰ শৈশৱকাল ব্যতীত কৰা দেখা যায়। খৃষ্টীয় সোতৰ শতিকাৰ আৰম্ভণিত হে দুই এজন লিখক সকলৰ স্পৰ্শ পাই নেপালী ভাষাই গ্ৰন্থৰ আকাৰ লবলৈ সক্ষম হৈছে। কিন্তু এই শতিকাৰ গ্ৰন্থবোৰকো সাহিত্য বুলি কোৱা সমিচীন নহয়। কেৱল লিখক সকলে ব্যৱহাৰ চলাবৰ কাৰণে এনে গ্ৰন্থ ৰচনা কৰিবলৈ আগবাঢ়ি অহা বুলি কব পাৰি। এইখিনিতে এইটোও উল্লেখনীয় যে— এই কালৰ লিখক সকলে পোনে-পোনেই কোনো মৌলিক গ্ৰন্থ ৰচনা কৰিব পৰা নাছিল। সংস্কৃতৰ বিভিন্ন গ্ৰন্থ-

বোৰৰ পৰা তেওঁলোকে ব্যৱহাৰ উপযোগী কথা-বোৰ নিজ-ভাষালৈ অনুবাদ, ৰূপান্তৰহে কৰিছিল। এই ক্রম খৃষ্টীয় ওঠৰ শতিকাৰ শেষ ভাগ পৰ্য্যন্ত চলি থকা দেখা যায় নেপালী সাহিত্যৰ ইতিহাসত।

যি কোনো জাতিৰেই নহওক কিয় সাহিত্যৰ সৃষ্টি বা বিকাশ কেৱল ভাষাৰ পৌঢ়তাৰ ওপৰতেই নিৰ্ভৰ নকৰে। সামাজিক, ৰাজনৈতিক, ব্যৱস্থা ও সুস্থ-সৰল সাহিত্যৰ ওপৰত সমানেই প্রভাৱ-শীল। নেপালৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায়— খ্রীষ্টিয় ওঠৰ শতিকাৰ শেষ-ভাগ পৰ্য্যন্ত নেপাল সৰু সৰু ৰাজ্যবোৰত বিভক্ত আছিল। আৰু আজিৰ নেপালৰ সৃষ্টি হোৱা নাছিল। খৃষ্টীয় ওঠৰ শতিকাৰ শেষ দশকৰ পিনে গোৰ্খা ৰাজ্য (বৰ্তমান নেপালৰ গোৰ্খা এখন জিলা)ৰ ৰজা শ্রীপৃথ্বীনাৰায়ণ শ্বাহই নিজ বাহু বলেৰে সৰু সৰু ৰাজ্যবোৰ জয় কৰি বৰ্ত্তমানৰ কাঠমাণ্ডুত ৰাজধানী পাতে। আৰু নেপাল ৰাষ্টৰ একীকৰণ কৰে। তেতিয়াৰ পৰাহে নেপাল ৰাষ্ট্ৰৰ গঠন হয় আৰু বিভিন্ন জাতি, ভাষা-ভাষীৰ লোক নেপালী হয়। এইদৰে শ্রীপৃথ্বিনাৰায়ণ শ্বাহই নেপাল ৰাষ্ট্র গঠন কৰি নেপালী ভাষাক ৰাষ্ট্র ভাষাৰ মৰ্য্যদা দি নেপালী ভাষাৰ মাধ্যেমেৰে ৰাষ্ট্ৰৰ সকলো কাম চলাবলৈ আৰম্ভ কৰে। তেতিয়া সমগ্র ৰাষ্ট্রত শান্তি বিৰাজ কৰে আৰু ৰাষ্ট্রবাসী সকলৰ মনত জাতীয় ভাৱনাৰ ভাৱ জাগি উঠে। ফল-স্বৰূপে অনুকুল বাতাবৰণ পাই লিখক সাহিত্যিক সকলে কাপ তুলিকালৈ নিজৰ মনৰ ভাৱ প্রকাশ কৰিবলৈ আৰম্ভ কৰে। আৰু তেতিয়াৰ পৰাই নেপালী সাহিত্যৰো সৃষ্টি হয়। মই আগতে কৈছো— বিশ্বৰ যি কোনো সাহিত্যৰ বুৰঞ্জীত পদ্য বা কবিতাৰ জন্ম আগত। নেপালী সাহিত্যৰ ক্ষেত্ৰতো পদ্য বা কবিতা সাহিত্যই অন্যান্য বিধাতকৈ আগতে জন্ম লোৱা দেখা যায়।

নেপালী কবিতা সাহিত্যৰ ইতিহাস চালে দেখা যায় নেপালী কবিতা সাহিত্যৰ প্রাচীন যুগত নেপালী কবি সকলে দেশ মাতৃকাৰ বীৰ-পুত্ৰ সকলৰ বীৰত্বৰ কাহিনীবোৰকে পোন-প্রথমে কাব্যাত্মক অভিব্যক্তি দিছিল। সেয়ে নেপালী কবিতা সাহিত্যৰ ইতিহাসত নেপালী কবিতা সাহিত্যৰ আদি বা প্রাচীন যুগৰ প্রথম চৰণক "বীৰকাল" বুলি আখ্যা দিয়া হৈছে। এই "বীৰকাল"ৰ কবি সকলৰ ভিতৰত সুৱানন্দ দাস, শক্তি বল্লভ অৰ্য্যাল আৰু উদয়ানন্দ অৰ্য্যাল উল্লেখনীয় কবি। কবি সুবানন্দ দাসে শ্ৰীপৃথ্বি নাৰায়ণ শ্বাহৰ বীৰত্বৰ কাহিনীলৈ আৰু উদয়ানন্দ অৰ্য্যালে শ্রী সিংহ প্রতাপ শ্বাহৰ বীৰত্বৰ কাহিনীক লৈ কবিতা ৰচনা কৰিছে। এই কবি সকলৰ কবিতাবোৰত কাব্যিক সৌন্দৰ্য্য যদিও সিমান ফুটি উঠিব পৰা নাই, আৰু ভাষাও সিমান কোমল আৰু ৰসাল নহয় তথাপি— এই কবি সকলে সেই সময়ৰ প্রচলিত আৰু ব্যৱহৃত নেপালী ভাষাতে কবিতা ৰচনা কৰিছিল ; লোক ছন্দৰ মাধ্যমত দেশ মাতৃকাৰ বীৰ পুত্ৰ সকলৰ বীৰত্ব দেখি মনত জাগি উঠা আনন্দ অনুভূতি ব্যক্ত কৰিছিল বুলি কব পাৰি।

কিন্তু নেপালী কবিতাত এই বীৰ ভাৱনাৰ সোঁত বেচি দিন বব নোৱাৰে। ১৮১৫খৃঃত ইষ্ট ইণ্ডিয়া কোম্পানী আৰু নেপালৰ মাজত হোৱা 'ছুগৌলীসন্ধি'ৰ প্রত্যক্ষ বা পৰোক্ষ প্রভাৱ পৰে নেপালী কবি-সাহিত্যিকৰ ওপৰত। নেপালী সমাজ সাধাৰণতে ধৰ্ম্ম প্রিয় ; শান্তি আৰু অহিংসাৰ পূজাৰী। ১৮১৪ আৰু ১৮১৫ খৃঃত ইষ্ট ইণ্ডিয়া কোম্পানীৰ কূটনীতিত পৰাজয়

বৰণ কৰিব লগা হোৱাৰ কাৰণে নেপালী জনসাধাৰণৰ মনত একপ্ৰকাৰৰ নৈৰাশ্য ভাৱনা জাগি উঠে আৰু নেপালী জনসাধাৰণ আৰু কবি সাহিত্যিক সকলৰ মন আধ্যাত্মিকতাৰ পিনে ঢাল খায়। ফলস্বৰূপে কবি সাহিত্যিক সকলে সংস্কৃতৰ শ্ৰীমদ্‌ভাগৱত আদি পুৰাণত বৰ্ণিত শ্ৰীকৃষ্ণৰ লীলাৰ ক্ৰীড়াৰ কাহিনীক লৈ কবিতা ৰচনা কৰিব ধৰে আৰু তাৰ ফলস্বৰূপে নেপালী কবিতা সাহিত্যত ভক্তি ভাৱনাৰ সোঁত প্ৰৱাহিত হয়। এইদৰে শ্ৰীমদ্‌ ভাগৱতৰ শ্ৰীকৃষ্ণৰ লীলাক্ৰীড়াৰ কাহিনীক লৈ কবিতা ৰচনা কৰা এই যুগৰ কবি সকলৰ ভিতৰত গুমানী-পন্ত, ইন্দিৰস, বীৰশালী পন্ত, বিদ্যাৰাণী কেশৰী, বসন্ত শৰ্মা, যদুনাথ পোখৰেল, ৰঘুনাথ পোখৰেল, প্ৰভৃতি কবি সকলৰ নাম বিশেষ উল্লেখনীয়। এই কবি সকলে 'বীৰকালৰ' কবি সকলৰ দৰে কোনো মৌলিক ৰচনা নেপালী সাহিত্যক দিব পৰা দেখা নাযায়। কেৱল বসন্ত শৰ্মাৰ 'সমুদ্ৰ-লহৰী' আৰু যদুনাথ পোখৰেলৰ "স্তুতিপদ্য" ১-২-৩ কেইটাহে মৌলিক ৰচনা। শৰ্মাৰ 'সমুদ্ৰ-লহৰীক' নেপালী কবিতা সাহিত্যত 'লহৰীকাব্য' বুলি কোৱা হয়। ইয়াত শৰ্মাই ছুগৌলী সন্ধিৰ পাচত নেপালী জনসাধাৰণৰ মানসত দেখা দিয়া নৈৰাশ্যৰ ভাৱনা আৰু ভীমসেন থাপাৰ সময়ত ৰাজদৰবাৰত হোৱা ষড়যন্ত্ৰৰ ফলত উদ্ভৱ হোৱা উদাস ভাৱনা বোৰক পৰোক্ষ হিচাবে বৰ্ণনা কৰা পোৱা যায়। সংসাৰিক ভোগ-বিলাস ভৌতিক সুখ আৰু প্ৰশাসনীয় ক্ষমতাক শৰ্মাই সমুদ্ৰৰ তৰঙ্গৰ দৰে ক্ষন্তেকীয়া আৰু তুচ্ছ বুলি দেখুৱাইছে। অৱশ্যে যদুনাথ পোখৰেলৰ স্তুতি পদ্য কেইটাত দেশ প্ৰেম, আৰু বীৰপ্ৰেমৰ ভাৱনা ব্যক্ত হৈছে। নিজৰ জন্মভূমি আৰু জন্মভূমিৰ বীৰ পুত্ৰ সকলৰ বীৰত্বক কবি পোখৰেলে প্ৰশংসা কৰিছে। কিন্তু এই যুগৰ প্ৰায়বোৰ কবিয়ে শ্ৰীকৃষ্ণৰ লীলা-ক্ৰীড়া বৰ্ণনা কৰি জনসাধাৰণক পাৰলৌকিক পথৰ নিৰ্দশন দিছে। সেয়ে নেপালী কবিতা সাহিত্যৰ বুৰঞ্জীত নেপালী কবিতা সাহিত্যৰ আদি বা প্ৰাচীন যুগৰ এই দ্বিতীয় চৰণ-টোক 'কৃষ্ণ ভক্তিকাল' বুলি আখ্যা দিয়া হৈছে। এই 'কৃষ্ণ ভক্তি কাল'ৰ শেষৰ পিনে উদয় হোৱা কবি ৰঘুনাথ পোখৰেলে হে 'ৰামায়ণ সুন্দৰ কাণ্ড' ৰচনা কৰি নেপালী কবিতাৰ দিশ সলনি কৰি দিয়ে। এই 'কৃষ্ণ ভক্তি কাল'ৰ কবি সকলৰ কবিতাবোৰ অধ্যয়ন কৰিলে দেখা যায়— এই কবিসকলৰ কবিতাৰ ভাষা, ছন্দ, সৌন্দৰ্য্য কোনো পৰিস্কৃত আৰু পৰিমাৰ্জিত নহয়। এই কবি সকলৰ কবিতাবোৰত ব্ৰজ, মৈথীলি, ভোজপুৰী, হিন্দী আদি ভাষাৰ প্ৰচুৰ প্ৰয়োগ হোৱা দেখা যায়। এই যুগৰ কবিসকলৰ কবিতাত নেপালী জনসাধাৰণৰ ইচ্ছা, আকাংক্ষ্যা, ভাৱনা আদি একোৱে অভিব্যক্ত হোৱা নাই বুলি কব পাৰি।

কিন্তু, এই আদি বা প্ৰাচীন যুগৰ তৃতীয় চৰণটো নেপালী কবিতা সাহিত্যৰ ইতিহাসত বিশেষ মহত্বপূৰ্ণ। এই যুগত নেপালী কবিতা সাহিত্যৰ ভোটাতৰা কবি ভানুভক্ত আচাৰ্য্যৰ উদয় হয়। বিক্ৰম সম্বৎ ১৮৭১ (খৃঃ ১৮১৪)ত কাঠমাণ্ডুৰ পশ্চিমে থকা তনহুঁ অঞ্চলৰ ৰময়া নামৰ গাঁৱত জন্ম গ্ৰহণ কৰা কবি ভানুভক্ত আচাৰ্য্যই 'ৰামায়ণ', 'বধুশিক্ষা', 'প্ৰশ্নোত্তৰী', 'ভক্তমালা', 'ৰামগীতা', আদি কেইবাখনো মূল্যবান কাব্য-কৃতি ৰচনা কৰি নেপালী কবিতা সাহিত্যৰ ভেটি সুদৃঢ় কৰি দিয়ে। 'ভক্তমালা', 'বধুশিক্ষা'ৰ বাহিৰে অন্য কৃতি যদিও ভানুভক্তিৰ

মৌলিক কৃতি নহৈ অনুদিত কৃত হয়। তথাপি ভানুভক্ত আচাৰ্য্যই নিজৰ পূৰ্ব্বৱতী কবি সকলৰ তুলনাত যথেষ্ট মৌলিক প্ৰতিভাই দেখুৱাই কাব্য ৰচনা কৰিছে বুলি কব পাৰি। ভানু-ভক্তই সংস্কৃত অধ্যাত্ম ৰামায়ণকে নেপালীত অনুবাদ কৰিছে যদিও তেওঁৰ সৰল, সহজ আৰু ৰসাল ভাষাৰ ফলত এই কাব্য অনুদিত কাব্য নহৈ মৌলিক কাব্য যেন অনুমান হয়। ভানুভক্তৰ পূৰ্ব্বৱৰ্ত্তী কবি সকলৰ কবিতাৰ ভাষা শুদ্ধ নেপালী ভাষা নাছিল; কিন্তু কবি ভানুভক্তই সেই সময়ৰ নেপালী জনসাধাৰণৰ ভাষাতে তেওঁৰ কাব্য-কৃতি ৰচনা কৰিছে। তেওঁৰ যি কোনো কবিতাৰ ভাষা সৰল, সহজ, আৰু মৰ্ম্মস্পৰ্শী। সেয়ে তেওঁ নেপালী কবিতা সাহিত্যত আদি কবি বুলিও জনজাত। ভানুভক্তৰ 'ৰামায়ণ'ক অসমীয়া সাহিত্যৰ 'কীৰ্ত্তন' বুলি কব পাৰি। শাৰ্দুল বিক্ৰীড়িত, শিখৰিণী, বসন্ততিলক আদি ৯টা শাস্ত্ৰীয় ছন্দত ভানুভক্তই ৰামায়ন লিখিছে। অধ্যাত্ম বিষয়ৰ দৰে কঠোৰ আৰু নীৰস বিষয়ত তেওঁৰ স্পৰ্শ পাই সৰল, সহজ আৰু ৰসাল ৰূপে ব্যক্ত হৈছে তেওঁৰ ৰামায়ণত। ভানুভক্তই উপযুক্ত কাব্য-কৃতিৰ উপৰিও অনেক কবিতা ৰচনা কৰিছে। নিজৰ দেশক 'অলকাপুৰী কান্তিপুৰী নগৰী' বুলি অলকাপুৰীৰ লগত তুলনা কৰিছে। ভানুভক্তই কাৰ্য্যকৰণ বশতঃ জেল খাটিব লগা হৈছিল। এই জেল জীৱনতে তেওঁ ৰামায়ণৰ কেইবা কাণ্ডও অনুবাদ কৰিছিল। জেল-জীৱনত ৰচনা কৰা তেওঁৰ অন্য কিছুমান কবিতাত তেওঁৰ মৌলিক প্ৰতিভাৰ পৰিচয় পোৱা যায়। জেলৰ দুৰ্গন্ধ বাতাবৰণ, মহ, উৰহ আদিৰ কামোৰত কবি ভানুভক্ত অধীৰ হৈ পৰিছিল। কিন্তু এই কথাটো তেতিয়াৰ জেল কৰ্ত্তৃপক্ষ বা শাসক সকলক স্পষ্টভাবে কোৱাটো সহজ নাছিল। সেয়ে ভানুভক্ত আচাৰ্য্যই জেলৰ দুৰাৱস্থাৰ কথা জেল কৰ্ত্তৃপক্ষক ব্যঙ্গ বিনোদৰ মাধ্যমেৰে কবিতা ৰচনা কৰি শুনোৱাইছিল। আন কথাত কবলৈ গলে কবি ভানুভক্ত আচাৰ্য্য এজন সৰল, সহজ আৰু প্ৰাকৃতিক কবি আছিল। কবি আচাৰ্য্যৰ পৰশ পাই নেপালী ভাষাই নবৰূপ লাভ কৰিছিল আৰু নেপালী কাব্য কিশোৰী নিজ সাজ-সজ্জাত সু-সজ্জিত হৈ মিচিকিয়া হাঁহি মাৰিছিল। সেয়ে নেপালী কবিতা সাহিত্যৰ ইতিহাসত কবি ভানুভক্ত আচাৰ্য আদি কবি, যুগ প্ৰতিনিধি কবি।

ভানুভক্ত আচাৰ্য্যৰ পিচত বিক্ৰমীয় কুৰি শতিকাৰ পঞ্চম দশকৰ আৰাম্ভণিৰ পৰা নেপালী কবিতা সাহিত্যৰ ভক্তি কাল অন্ত হয় আৰু 'শৃঙ্গাৰিককাল'ৰ আৰম্ভ হয়। এই সময়ছোৱা নেপালী কবিতা সাহিত্যৰ মধ্যযুগ। এই মধ্য-যুগীয় কবি সকলে নায়িকাৰ ৰূপ সৌন্দৰ্য্য, শৃঙ্গাৰ আদিৰ বৰ্ণনা কৰা দেখা যায়। এই যুগৰ শৃঙ্গাৰিক কবি সকলৰ ভিতৰত ৰাজীৱ লোচন জোশী, লক্ষ্মীদত্ত পন্ত, ঘোতীৰাম ভট্ট, হোমনাথ ঘতিবড়া, কুলচন্দ্ৰ গৌতম, সুবৰা হোমনাথ, গোপীনাথ লোহানী, শিখৰ নাথ সুবেদী, শম্ভুপ্ৰসাদ ঢুঙ্গালা প্ৰভৃতি কবিসকলে অনেক কাব্য-কৃতি ৰচনা কৰি নেপালী কবিতা সাহিত্যৰ ভড়াল চহকী কৰি থৈ গৈছে। বিক্ৰমীয় সম্বৎ ১৯২৩ (খৃঃ ১৮৬৬)ৰ ভাদ্ৰকৃষ্ণ পক্ষ অমাৱস্যাৰ দিনা কাঠমাণ্ডুত জন্ম গ্ৰহণ কৰি বিঃসঃ ১৯৫৩ (খৃঃ ১৮৯৬)ৰ ভাদ্ৰকৃষ্ণ পক্ষ অমৱস্যাৰ দিনাই মৃত্যুবৰণ কৰা কবি মোতীৰাম ভট্ট এই যুগৰ প্ৰতিনিধি কবি বুলি কব পাৰি।

কবি ভট্ট অকল কবিয়েই নাছিল— তেওঁ কবি, নাট্যকাৰ, পত্ৰকাৰ, আদি ৰূপেও পৰিচিত। কবি ভট্টই অকল নিজে কবিতা ৰচনা নকৰি কবি গোষ্ঠী, আলোচনা চক্ৰ আদিৰ আয়োজন কৰি নেপালী ভাষা সাহিত্যৰ শ্ৰী বৃদ্ধিৰ হকে অনুকূল বাতাবৰণ সৃষ্টি কৰাৰ প্ৰয়াস কৰিছিল। নিজৰ পূৰ্ববৰ্ত্তী কবি ভানুভক্ত, আচাৰ্য্যৰ কবিতাবোৰ অনুসন্ধান কৰি প্ৰকাশ কৰা ব্যৱস্থা কৰিছিল, ভানুভক্ত আচাৰ্য্যৰ জীৱন চৰিত্ৰ লিখি নিজৰ পূৰ্ব্বৱৰ্তী কবি সকলৰ প্ৰতি সন্মান জনাইছিল। কবি ভট্টই ভাৰতৰ বাৰানসীত থাকি সংস্কৃত, হিন্দী, ইংৰাজী, উৰ্দ্দু, ফৰাচী, ভাষাত অধ্যয়ন কৰিছিল। বাৰানসীতে হিন্দীৰ প্ৰসিদ্ধ কবি ভাৰতেন্দু হৰিশচন্দ্ৰৰ লগত তেওঁৰ সাক্ষাত হয়। ভাৰতেন্দুৰ প্ৰভাৱত কবি ভট্টই ভাষা-সাহিত্যৰ সেৱা কৰাৰ প্ৰেৰণা পাইছিল। ছাপাখানা (প্ৰেছ) খুলি আৰু আলোচনী আদি প্ৰকাশ কৰিও কবি ভট্টই ভাষা-সাহিত্যৰ সেৱা কৰিছিল। সংস্কৃতৰ 'মেঘদূত' কাব্যৰ অনুসৰণ কৰি কবি ভট্টই নেপালীত 'পিকদূত' খণ্ড কাব্য ৰচনা কৰিছে। ভট্টৰ অন্যান্য কাব্য কৃতিৰ ভিতৰত 'ভ্ৰমৰগীত', 'কমল ভ্ৰমৰ সংবাদ', 'গজেন্দ্ৰ মোক্ষ', 'উষাচৰিত্ৰ', 'কবি সমূহ বৰ্ণনা', উল্লেখযোগ্য ৰচনা। কবি ভট্টই গজলও ৰচনা কৰিছে। এই যুগৰ কবি সকলে এক পিনে শৃঙ্গাৰিক কবিতা ৰচনা কৰিছে আৰু আন পিনে লগতে মহাভাৰতৰ 'বনপৰ্ব্ব', 'সভাপৰ্ব্ব', 'গদাপৰ্ব্ব', আদি আৰু 'কৃষ্ণচৰিত্ৰ', 'নৃসিংহ-চৰিত্ৰ', 'ৰামাশ্বমেধ কাণ্ড', 'দুৰ্গাকহাচ', প্ৰভৃতি পৌৰাণিক কাব্যকৃতিও অনুবাদ আৰু ৰূপান্তৰ কৰিছে। এই যুগৰ বিভিন্ন কবি সকলে ৰচনা কৰা শৃঙ্গাৰিক কবিতাবোৰ 'সূক্তি সিন্ধু'ত সংকলন কৰা হৈছে। নেপালী কবিতা সাহিত্যৰ মধ্যযুগৰ আন এটা বিশেষত্ব হৈছে— এই যুগৰ নেপালী কবি সকল সংস্কৃতিৰ পৰিধিৰ ভিতৰতে আৱদ্ধ নহৈ উৰ্দ্দু, ফৰাচী, আদিকো আকোঁৱালী লবলৈ আগবাঢ়ি যোৱা দেখা যায়। এই যুগতে নেপালৰ পৰাই নহয় ভাৰতৰ বাৰানসী, দাৰ্জিলিং, কালিপোঙ্গ, চিলং আদিৰ ঠাইৰ পৰাই নেপালী সমাচাৰ পত্ৰ, আলোচনী আদি প্ৰকাশ হয় আৰু নেপালী কবি সাহিত্যিক সকলে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ সুবিধা পায়। এই যুগৰ অন্য এটা বিশেষত্ব হৈছে— এই যুগৰ কবি লিখক সকলে নিজ পূৰ্ব্বৱৰ্ত্তী কবি লিখক সকলৰ দৰে কেৱল অনুবাদ বা ৰূপান্তৰ কৰিয়ে সন্তুষ্ট হোৱা নাছিল, নিজেও মৌলিক কৃতি ৰচনা কৰাৰ প্ৰয়াস কৰিছিল।

বিক্ৰমীয় কুৰি শতিকাৰ পঞ্চম দশকৰ প্ৰাৰম্ভণিৰ পৰা আৰম্ভ হোৱা নেপালী কবিতাৰ শৃঙ্গাৰিক সোঁত অষ্টম শতিকাত মন্থৰ হৈ পৰে আৰু নেপালী কবিতা সাহিত্যৰ জাতি পথও সলনি হয়। আন কথাত কবলৈ গলে বিক্ৰমীয় কুৰি শতিকাৰ অষ্টম দশকৰ পৰা নেপালী কবিতা সাহিত্যৰ আধুনিক যুগ আৰম্ভ হয় আৰু নেপালী কৰিতা সাহিত্যই ন-ন ৰূপত সু সজ্জিত হৈ পাঠক—পাঠিকা সকলৰ হৃদয় আকৰ্ষণ কৰিব ধৰে। নেপালী কবিতা সাহিত্যৰ আধুনিক যুগত ন-ন ৰূপত কবিতা সজাই কবিতা সাহিত্যৰ শ্ৰী বৃদ্ধি কৰা কবি সকলৰ ভিতৰত কবি শিৰোমণি লেখানাথ পৌড়েল বালকৃষ্ণ সম, সোমনাথ সিগ্‌দেল, ধৰনীধৰ কৈৰালা, মহানন্দ সাপকোটা, মহাকবি লক্ষীনাথ দেবকোটা, সিদ্ধিচৰণ শ্ৰেষ্ঠ, যুদ্ধ প্ৰসাদ মিশ্ৰ, মাধৱ সিমিৰে, গোপাল প্ৰসাদ ৰিমাল, বিজয়

মল্লা, ভূপি শেৰচন, অগম সিংহ গিৰি, হৰি-ভক্ত কটোৱাল, মোহন কৈৰালা, ঈশ্বৰ বল্লভ, বৈৰাগী কাইলা প্ৰভৃতি কবি সকল বিশেষ উল্লেখনীয়।

কবি লেখনাথ পৌড়েল আৰু সোমনাথ সিগ্‌দ্যালক শাস্ত্ৰীয় ( Classical ) কবি বুলি কোৱা হয়। এই দুয়োজন কবিয়ে শাস্ত্ৰীয় পৰিপাটিত কাব্য ৰচনা কৰিছে। কবি লেখনাথ পৌড়েলৰ 'ঋতুবিচাৰ', 'বুদ্ধি বিনোদ' 'সত্য কলি সংবাদ', 'সত্যস্মৃতি', 'তৰুনতপসী' প্ৰভৃতি কাব্য-কৃতিৰ ওপৰত 'পিঞ্জেৰাকো মুগা' 'বসন্ত' আদি কবিতা নেপালী কবিতা সাহিত্যৰ অমূল্য সম্পদ। 'ঋতুবিচাৰ'ত বছৰৰ ছয়টা ঋতুৰ মনোৰম বৰ্ণনা পোৱা যায়, 'বুদ্ধিবিনোদ'ত দাৰ্শনিক চিন্তন ইহলোক আৰু পৰলোক সম্বন্ধে জীৱন জগৎ সম্বন্ধে ৰহস্যাত্মক প্ৰশ্ন আছে। সত্যকাল সংবাদত সত্য আৰু কালৰ সংলাপ যোজনা কৰি কবিয়ে হিন্দু জাতিৰ সামাজিক, ৰাজনৈতিক, আৰ্থিক, সাংস্কৃতিক ধাৰ্মিক পতনৰ ইতিহাস দাঙি ধৰিছে। 'সত্যস্মৃতি' অহিংসাৰ পূজাৰী মহাত্মাগান্ধীৰ মৃত্যুৰ স্মৃতিত লিখা কাব্য। 'তৰুণতপসী'ত কবি লেখনাথে এজোপা আম গছৰ ভিতৰত এজন তৰুণ তপস্বীৰ কল্পনা কৰিছে আৰু সেইজনা তৰুণ তপস্বীজনাৰ জীৱন কাহিনীৰ মাধ্যমেৰে জীৱনজগতৰ লীলা ক্ৰীড়াবোৰৰ বৰ্ণনা কৰিছে। ইয়াত কবিয়ে হিংসাৰ কাহিনী বৰ্ণনা কৰিছে ; পুঁজীবাদৰ বিকাশৰ চৰ্চ্চা কৰিছে ; নিৰীহ আৰু শোষিত সকলৰ দৰদৰ কাহিনী বৰ্ণনা কৰিছে, সমাজৰ অন্ধ বিশ্বাস বা বিকৃত ধৰ্ম্মৰ ভৎসনা কৰিছে আৰু তথাকথিত ধৰ্ম্ম আৰু অন্ধ বিজ্ঞানৰ দ্বন্দ্ব-যুদ্ধৰ কাহিনী বৰ্ণনা কৰিছে। লেখনাথৰ 'পিতহৰাকো সুগা' ( সঁজাৰ মইনা ) এটা প্ৰতীকাত্মক কবিতা সঁজাত বন্দী হোৱা মইনাৰ করুণ আৰ্ত্তনাদৰ কাহিনীৰ আলম লৈ কবিয়ে সেই সময়ৰ ৰাণা শাসক সকলৰ শাসননীতিত বন্দীহৈ থকা নেপালী জনসাধাৰণৰ কৰণ গাঠা বৰ্ণনা কৰিছে। মুঠতে কবি লেখনাথ পৌড়েল আছিল এজন মহৰ্ষি। তেওঁ সংস্কৃত সাহিত্যৰ পৰা প্ৰভাৱিত। তেওঁক আমি ৰাগ আৰু বিৰাগৰ কবি বুলি কব পাৰো। সংস্কৃতৰ শাৰ্দূল বিক্ৰীড়িত, মন্দ্ৰাক্ৰান্তা, শিখৰিনী, আদি বিবিধ ছন্দত সহজ, সৰল আৰু সৰস হিচাবে কবিতা ৰচনা কৰিছে। সংস্কৃতৰ প্ৰচুৰ শব্দৰ প্ৰয়োগ তেওঁৰ কবিতাত পোৱা যায় যদিও সেই সংস্কৃত শব্দবোৰে নেপালী ৰূপ লৈছে আৰু পাঠক পাঠিকা সকলৰ মৰ্ম্ম—স্পৰ্শ কৰিব পাৰিছে বুলি কব পাৰি। তেওঁৰ পাণ্ডিত্য আৰু কাব্যিক প্ৰতিভা দুয়োৰো সমন্বয় ঘটিছে তেওঁৰ কবিতা বোৰত। কবি লেখনাথৰ পাণ্ডিত্য, কাব্যিক প্ৰতিভা, সাহিত্য সাধনা আদি গুণত মুগ্ধ হৈ নেপাল চৰকাৰে তেওঁক বিঃ সঃ ২০০৮ (খৃঃ ১৯৪১)ত "কবি শিৰামণি" উপাধি প্ৰদান কৰে। লেখনাথৰ সমসাময়িক কবি পণ্ডিত ৰাজ সোমনাথ সিগ্‌দ্যালেও 'আদৰ্শৰাঘৱ' মহা-কাব্য ৰচনা কৰি নেপালী কবিতা সাহিত্যৰ বাটিকাত এটা নতুন কাব্য পুষ্প প্ৰদান কৰিছে। সংস্কৃতৰ কাব্যতীৰ্থ পৰীক্ষাত বিশিষ্ট শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হোৱা বাবে কলিকতাৰ সংস্কৃত বিদ্বৎ মণ্ডলী সভাৰ পৰা 'পণ্ডিতৰাজ' উপাধি লাভ কৰা সোমনাথ সিগ্‌দেলে 'আদৰ্শ ৰাঘৱ' মহাকাব্যৰ উপৰিও 'সাহিত্য প্ৰদীপ'ৰ নিচিনা লাক্ষনিক গ্ৰন্থ ৰচনা কৰি নেপালী সাহিত্যৰ ভড়ালত এটা অমূল্য লিখা প্ৰদান কৰে। কবি সোমনাথ সিগ্‌দেলক আমি

ভাষাৰ কবিৰ লগত ৰিজাব পাৰোঁ। পৌড়েল সীগ্‌দেলৰ সমসাময়িক কবি ধৰণীধৰ কৈৰালা, মহানন্দ সাপকোটা, প্ৰভৃতি কবি সকলে তেওঁ-লোকৰ কবিতাৰ মাধ্যমেৰে সেই সময়ৰ নেপালৰ শাসক ৰাণা সকলৰ কঠোৰ শাসন নীতিত বন্দী হৈ মৃতপ্ৰায় হৈ থকা নেপালী জন-সাধাৰণক নৱ-জাগৰণৰ সন্দেশ দিছে। এই কবি সকলে ভাৰতৰ দাৰ্জিলিংৰ পৰা নেপালী সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰি নেপালৰ নেপালীৰ জন সাধাৰণক ৰাণা সকলৰ কঠোৰ দমন নীতিৰ শিকলি ছিঙি পেলাবৰ কাৰণে সংগ্ৰামত নামিবলৈ আহ্বান জনায়।

বালকৃষ্ণ সম এই যুগৰ অন্যতম কবি। তেওঁক আচলতে নেপালী শেক্‌চপীয়েৰ বুলি কোৱা হয়। পাশ্চাত্য শিক্ষাৰে শিক্ষিত আৰু প্ৰভাৱিত বালকৃষ্ণ সম নেপালী সাহিত্যৰ বুৰঞ্জীত একেধাৰে নাট্যকাৰ, কবি, দাৰ্শনিক, চিত্ৰশিল্পী আদিৰ ৰূপত পৰিচিত। তেওঁৰ 'আগোৰপানী', 'চিসোচুলেহা', আদি কাব্যকৃতি উল্লেখনীয়। তেওঁৰ কবিতাবোৰ দৰ্শন, চিন্তন, 'বৌদ্ধিকতা', আদিৰে ভৰপুৰ। তেওঁৰ কবিতা-বোৰৰ ভাষা–শিল্প পৰিস্কৃত, পৰিমাৰ্জিত।

নেপালী কবিতা সাহিত্যৰ আধুনিক যুগৰ তৃতীয় চৰণ (বিক্ৰমীয় কুৰি শতিকাৰ অন্তিম দশক) নেপালী সাহিত্যৰ 'সোণালী যুগ' বুলি কব পাৰি। এই যুগতে নেপালী কবিতা সাহিত্যই পূৰ্ণৰূপে আধুনিক ৰূপ লয়, নেপালী কবিতা সাহিত্যত ৰোমান্টিক ধাৰাৰ সোঁত প্ৰবাহিত হবলৈ ধৰে। মহাকবি লক্ষ্মীপ্ৰসাদ দেৱকোটা এই যুগৰ প্ৰতিনিধি কবি। বিঃ সঃ ১৯৬৬ (খৃঃ ১৯০৯)ৰ কাতিমাহৰ কৃষ্ণপক্ষৰ অমাৱস্যাৰ দিনা কাঠমাণ্ডুৰ দিল্লীৰ বজাৰত জন্ম-গ্ৰহণ কৰা লক্ষ্মীপ্ৰসাদ দেৱকোটা নেপালী কবিতা সাহিত্যত মহাকবি, ইলেকট্ৰিক কবি বুলি পৰিচিত। তেওঁক হিন্দী সাহিত্যৰ পন্ত প্ৰসাদ আৰু নিৰালা বুলি কোৱা হয় আৰু সেইদৰে ইংৰাজী সাহিত্যৰ ওৱৰ্ডছৱৰ্থ, কীট্‌ছ, বাইৰণ, কলৰিজ আৰু শেলী বুলিও কোৱা হয়। জন্ম কুণ্ডলী অনুসৰি তেওঁৰ নাম তীৰ্থ মাধৱ দেৱকোটা আছিল যদিও লক্ষ্মীপূজাৰ দিনা (নেপালী সমাজত কাৰ্ত্তিক কৃষ্ণ পক্ষৰ অমাৱস্যা দীপান্বিতাৰ দিনতো লক্ষ্মীপূজাৰ দিন হিচাবে প্ৰসিদ্ধ) জন্ম হোৱা বাবে তেওঁৰ মাক-দেউতাকে তেওঁক লক্ষ্মীৰ প্ৰসাদ স্বৰূপ ভাৱি লক্ষ্মীপ্ৰসাদ নামেৰে মাতিব ধৰে। ফলস্বৰূপে তেওঁৰ সাহিত্য জগততো লক্ষ্মী-প্ৰসাদ দেৱকোটা নামেৰেই পৰিচিত আৰু প্ৰসিদ্ধ হয়। কিন্তু লক্ষ্মীপূজাৰ দিনা জন্ম গ্ৰহণ কৰা লক্ষ্মীপ্ৰসাদ দেৱকোটা লক্ষ্মীৰ কৃপা ভাজনৰ পাত্ৰ নহৈ কোপভাজনৰ পাত্ৰহে হৈছিল। এইদৰে লক্ষ্মীদেৱীৰ কোপভাজনৰ পাত্ৰ হোৱা দেৱকোটাই পাটনা বিশ্ববিদ্যালয়ৰ পৰা বি, এ, আৰু বি, এল পৰীক্ষাত কৃতিত্বৰে সৈতে উত্তীৰ্ণ হয়। কিন্তু তেওঁ অতি ভাৱপ্ৰবণ আছিল আৰু সৰু কালৰ পৰাই তেওঁৰ মন কবিতাৰ পিনে ঢাল খাইছিল। ফলস্বৰূপে তেওঁৰ জীৱন জগতৰ ব্যৱসায়ত অসফল হৈছিল যদিও কাব্য সাধনাৰ ক্ষেত্ৰত তেওঁ বিশেষ খ্যাতি অৰ্জন কৰিব পাৰিছিল। তিনিমাহৰ ভিতৰতে ২৪ সৰ্গত বিভাজিত ৫৫৭ পৃষ্ঠাৰ 'নেপালী শাকুন্তল মহাকাব্য' আৰু দহদিনৰ ভিতৰতে 'সুলোচনা' মহাকাব্য ৰচনা কৰি কবি দেৱকোটাই তেওঁৰ অপূৰ্ব্ব প্ৰতিভাৰ পৰিচয় দিছে। বস্তুতঃ তেওঁক কল্পনা আৰু প্ৰতিভাৰ কুবেৰ বুলি কব পাৰি। দেৱকোটাৰ টুকুৰা কবিতাৰ উপৰিও 'মুনামদন', 'নেপালী শাকুন্তল মহাকাব্য', সুলো-

চনা', 'বনকুসুম', 'কুঞ্জীনি', 'লুনী', 'কৃষিবনে', 'মহাৰানা প্ৰতাপ', 'ৰাৱন জটায়ু যুদ্ধ', 'বসন্তী', 'ৰাজকুমাৰ প্ৰভাকৰ', 'মনোৰঞ্জন', 'নেপালী মেঘদূত', 'ভিখাৰী', 'ৰাৱাবিনী চৰ্চ্চা', 'নৱৰস', 'প্ৰমিথিয়চ'— প্ৰভৃতি কাব্য কৃতি আৰু টুকুৰা কবিতাবোৰৰ ভিতৰত 'পাগল', 'ঝন্‌ঝাবীৰ', 'হৰীকোগীত,' 'সমনতিমিষ্টাপ্ৰতি' 'এক সুন্দৰী বেশ্যাৰপ্ৰতি'—আদি কবিতাবোৰ বিশেষ উল্লেখনীয়। তেওঁৰ কাব্য মাত্ৰাৰ প্ৰথম অৱস্থাত ৰচিত কবিতাবোৰত ('মুনসদন') তেওঁ প্ৰকৃতিৰ সৌম্যৰূপৰ বৰ্ণনা কৰিছে। এই অৱস্থাৰ কবিতাবোৰ অধ্যয়ণ কৰিলে আমি তেওঁক আদৰ্শবাদী কবি হিচাবে দেখিবলৈ পাওঁ কিন্তু সমাজৰ ৰীতি আৰু শাসক সকলৰ শাসন নীতিয়ে তেওঁৰ ভাবুক হৃদয়ত আঘাট দিছিল। ফলস্বৰূপে তেওঁ লাহে লাহে যথাৰ্থবাদী হৈ আহে আৰু নিজৰ কবিতাৰ মাধ্যমেৰে সামাজিক ৰীতি-নীতি আৰু শাসন-নীতিৰ প্ৰতি বিদ্ৰোহী হৈ উঠিছিল। 'সুলোচনা', 'প্ৰমিথিয়চ' আদি কাব্য কৃতিত আৰু ওপৰত উল্লেখ কৰা তেওঁৰ টুকুৰা কবিতা বোৰত ব্যঙ্গ আৰু বিদ্ৰোহৰ সুৰ ধ্বনিত হৈ উঠিছিল। আচলতে তেওঁ মানৱ দৰদী কবি আছিল, সমানতা, স্বতন্ত্ৰতাৰ প্ৰেমী আছিল। কবি দেৱকোটাই নেপালী ভাষাৰ উপৰিও হিন্দী, ইংৰাজী, জাৰ্মানী, চীনা, ৰাচিয়া, আদি ১৩–১৪টা ভাষা জানিছিল। খৃঃ ১৯৫৮ ত হোৱা এফ্ৰো-এচিয়ান লিখক সন্মিলনত নেপালী লিখকৰ প্ৰতিনিধি হৈ তেওঁ যোগদান কৰিছিল। ৰুচী ভাষাতো তেওঁ কবিতা ৰচনা কৰিছিল বুলি শুনা যায়। তেওঁ চিগাৰেট খু-ও-ব হুপিছিল আৰু ফলস্বৰূপে কেন্সাৰ ৰোগত আক্ৰান্ত হৈ খৃঃ ১৯৫৯ ত তেওঁ ইহলীলা সম্বৰণ কৰে। মৃত্যু শৰ্য্যাত পৰি থাকোতে শান্তাভৱন হস্পিতালৰ ডাঃ মিলৰ তেওঁক দেখা কৰিবলৈ অহাত কবি দেৱকোটাই এটা ইংৰাজী কবিতা ৰচনা কৰি ডাঃ মিলৰক শুনাইছিল। কবি দেৱকোটাই মৃত্যু শৰ্য্যাত ৰচনা কৰা উক্ত ইংৰাজী কবিতা ইয়াত উদ্ধৃত কৰি দিয়া হৈছে—

"Promothean Pain I bear
With tear on tear
Yet a Song of joy must I raise
My God to praise
He doth exeruciate
Because I visiate
He gives all this pain
So that I may turn to him again
O God! my Suffering Still
Fulfil thy will
This Suffering is a lesson
This basest metal fashion
According to thy Will
Thy will ful'fil !
So peace
Torture, God's bless
Why Should I cry
Oh why?
Father is heaven
Women may cry
But still us with thy peace
A man".

দেৱকোটাই 'The Dunkey's Criticism against human civilization'. নামৰ কবিতাও লিখিছে। মুঠতে নেপালী কবিতা সাহিত্যৰ ইতিহাসত মহাকবি লক্ষ্মীপ্ৰসাদ দেৱকোটা এজন যুগ প্ৰৱৰ্ত্তক কবি।

দেৱকোটাই প্ৰৱৰ্ত্তন কৰা ৰোমান্টিক ভাব-ধাৰাৰ সোঁতত নিজৰ নিজৰ প্ৰতিভা দেখুৱাই বহু নেপালী কবিয়ে কবিতা ৰচনা কৰিছে

আৰু এতিয়াও কৰি আছে। দেৱকোটাৰ সমসাময়িক কবি গোপাল প্ৰসাদৰিমাল, বিজয়মল্ল প্ৰভৃতি সকলেও ৰোমান্টিক ভাৱধাৰাৰ লগতে বৌদ্ধিক ভাৱ ধাৰাৰ সংমিশ্ৰন ঘটাই কাব্য ৰচনা কৰিছে। নেপালী কবিতা সাহিত্যত কবি গোপাল প্ৰসাদ ৰিমাল গদ্য কবিতাৰ প্ৰৱৰ্ত্তক। তেওঁ নিজৰ কবিতাত ক্ৰান্তিৰ সুৰ দিছে।

এইদৰেই দেৱকোটাই প্ৰৱৰ্ত্তন কৰা ৰোমান্টিক ভাৱধাৰাৰ সোঁত খৃঃ ১৯৬০ লৈ বৈ থাকে। খৃঃ ১৯৬০ ত কাঠমাণ্ডুৰ পৰা 'ৰূপৰেখা' নামৰ এখন সাহিত্যিক আলোচনী প্ৰকাশ পায় আৰু এই আলোচনীয়ে নেপালী কবিতা সাহিত্যত বৈ থকা ৰোমান্টিক ভাৱধাৰাৰ সোঁতৰ দিক্ সলনি কৰি দি যথাৰ্থতাৰ পিনে নেপালী সাহিত্যক লৈ যাবৰ প্ৰয়াস কৰে। এই সময়ৰ উল্লেখযোগ্য কবি হৈছে মোহন কৈৰালা। মোহন কৈৰালাক প্ৰয়োগবাদী কবি বুলি কোৱা হয়। ঠিক এনে সময়তে খৃঃ ১৯৬৩ আকৌ দাৰ্জিলিংৰ পৰা ঈশ্বৰ বল্লভ, ইন্দ্ৰবাহাদুৰ ৰায়, বৈৰাগী কাঁইলা আদি কেইবাজনো কবি সাহিত্যিকে নেপালী কবিতা সাহিত্যত নতুন যুগৰ সূচনা কৰে। এই তিনিজনা কবিক আয়ামেলী কবি বুলি কোৱা হয়। এই কবি জীৱনক কেৱল এটা দিশৰ পৰা চালেই নহব, বিভিন্ন দিশৰ পৰা চাব লাগিব আৰু সাহিত্যত তাক পূৰ্ণৰূপে প্ৰকাশ কৰিব লাগে বুলিও কয়। তেওঁলোকৰ সিদ্ধান্ত "তেস্ৰোআয়াস"ৰ (Three Dimension) ওপৰত আধাৰিত। যিয়েই নহওক কৈৰালা, বল্লভ, কাঁইলা প্ৰভৃতি কবি সকলৰ কবিতাত বৰ্ত্তমান যুগৰ মধ্যমবৰ্গীয় জীৱনৰ বিৰশতা, কুণ্ঠা, ঘাট-প্ৰতিঘাট, মানসিক বিকৃতি আদিৰ সুৰ ধ্বনিত হৈছে। নেপালী কবি সকলে নেপালী জনসাধাৰণৰ জীৱনৰ উপৰিও সমগ্ৰ মানৱ জাতিৰ জীৱন জগতৰ বিষয়ক নিজৰ কবিতাৰ বিষয়বস্তু হিচাবে লৈছে। নতুন নতুন প্ৰতীক, যোজনা, অলঙ্কাৰ, উপমা, আদিৰ প্ৰয়োগৰ ফলত নেপালী কবিতা সাহিত্যৰ পৰিধি ব্যাপক হৈছে। আজিৰ নেপালী কবিতা সাহিত্যত বৌদ্ধিকতা আৰু যুগবোধৰ ধ্বনি শুনা যায়।

উপসংহাৰত কব পাৰি, আজিৰ নেপালী কবিতা সাহিত্য বিশ্বৰ অন্যান্য সাহিত্যৰ লগত সমানে ফেৰ পাতি যাব পৰা অৱস্থাত উপনীত হৈছেহি। নেপালী কবিতা সাহিত্যৰ বিকাশৰ কাৰণে অকল নেপালৰ কবি সকলেই চেষ্টা কৰা নাই— ভাৰতীয় নেপালী সকলৰো ইয়াত যথেষ্ট অবদান আছে। ভাৰতীয় নেপালী সকলৰ ভিতৰত কবি আগমসিংহগিৰি, পাৰসমনি প্ৰধান, হৰিভক্ত কটুৱাল, পুষ্পলাল উপাধ্যায়, কৃষ্ণ প্ৰসাদ জ্ঞবালী, গোপীনাৰায়ণ প্ৰধান, হৰিপ্ৰসাদ গোৰ্খাৰাই, প্ৰভৃতি কবি সাহিত্যিক সকলেও কবিতা, কাব্য ৰচনা কৰি নেপালী সাহিত্যৰ ভঁড়াল চহকী কৰিছে। প্ৰকাশনৰ সুবিধা আৰু সুযোগ পালে ভাৰতীয় নেপালী সাহিত্যও যে এটা মহত্বপূৰ্ণ সাহিত্য তাক সহজে পাঠক-পাঠিকা সকলে অনুমান কৰিব পাৰিব। ইয়াত এটা কথা কবলৈ মন গৈছে— নেপালী কবি সাহিত্যিক সকলৰ উৎকৃষ্ট ৰচনা অসমীয়া ভাষালৈ অনুবাদ কৰাৰ ব্যৱস্থা আৰু সুযোগ সুবিধা হলে আৰু অসমীয়া কবি সাহিত্যিক সকলৰ উৎকৃষ্ট ৰচনা নেপালী ভাষালৈ অনুবাদ কৰা ব্যৱস্থাৰ সুযোগ সুবিধা হলে দুয়ো জাতিৰ মাজত এক ঘনিষ্ঠ সম্বন্ধ গঢ়ি উঠিব আৰু দুয়ো জাতিৰ সাহিত্যৰ ভঁড়ালও চহকী হৈ পৰিব।

"......মই মা হৃদয়ৰ মূল্য বুজো। য'ত হৃদয়ৰ মূল্য নাই
তাৰ্লে মই কেতিয়াও নাযাওঁ মা.......।"

# ভগ্নস্বপ্ন

মাধৰী ৰাজকোৱঁৰ
প্ৰাক্‌স্নাতক প্ৰথম বাৰ্ষিক (কলা)

এইয়া কলঙৰ পাৰ। এইখন কলঙনৈ। সৌ দিগন্তৰ ৰেখাই ৰেখাই সেউজী পাহাৰৰ লানি। এইয়া গছ লতাৰ মৃদু কঁপনি, এছাতি মৃদু মলয়াৰ বকুত আহিছে কোনোবা অজান বননিৰ বনৰীয়া ফুলৰ সৌৰভ। ইয়াৰ ওপৰত থকা নীলা আকাশখন যেনেকুৱাই নহওক যিটো বৰণতেই নাথাকক লাগে এইখন আকাশ নীলাক্ষীৰ অতি আপোন, অতি চিনাকী। সেই চিনাকী নাহৰজোপাৰ গাতেই আঁউজি নীলাক্ষীয়ে চাৰিওকালৰ পৰিবেশটো আকৌ এবাৰ নতুনকৈ চাই ললে। নদীৰ সুৰটোৱে তাইৰ বুকুত মনে মনে আঘাট কৰিবলৈ ধৰিলে। তাই একেথৰে চাই ৰ'ল নদীৰ সৰু সৰু ভাজবিলাক, তাৰ লহৰ বিলাক আৰু তাৰ দাপোনত জিলিকি উঠা অতি মৰমৰ আপোন আপোন লগা তাইৰ সৌৰভৰ মুখখন, আজি তাইৰ স্মৃতিৰ দাপোন আৰু এই কলঙৰ দাপোন একে হৈ পৰিছে দুয়োখন-তেই মনে মনে ভাঁহি উঠিছে এখন মুখ যিখন মুখত তাই হৃদয়ৰ ভাষা আঁকিছিল ৰঙ, বিৰঙৰ সপোন দেখিছিল। সেই সৌৰভৰ মুখখন। তাই নিৰৱে আৰু এটা গধুৰ হুমু-নিয়হেৰে নিজৰ মুখৰ ভিতৰতেই খুউব লাহেকৈ অস্ফুট সুৰেৰে সৌৰভৰ নামটো উচ্চাৰণ কৰিলে। এই সৌৰভযেন তাইৰ গোটেই জীৱনৰেই সুখ দুখৰ সৌৰভ আছিল। এই কলঙৰ পাৰলৈ আজি এই সন্ধিয়া অকলশৰে আহিবলৈ নীলা-ক্ষীৰ ভয় লগা নাই। কলঙৰ পাৰৰ জীয়া স্মৃতিয়ে তাইক সজোৰে ইয়াত ঠিয় কৰাই-ছেহি। কিমান দিন যে এই কলঙৰ পাৰত সাত বৰণীয়া ৰামধেনু ৰচনা কৰিলে।

লৰালি কালত সৌৰভ আৰু নীলাক্ষীয়ে কলঙৰ পাৰক, কলঙনৈখনক এক বেলেগ দৃষ্টিত দেখিছিল। দুয়োটাই কলঙনৈত সাঁতোৰ প্ৰতিযোগিতা পাতিছিল আৰু নিলাক্ষী সদায়েই সাঁতোৰাত প্ৰথম হৈছিল। সি আচৰিত হৈছিল আৰু নিজৰ দুৰ্ব্বলতাক ঢাকিবৰ বাবে নীলাক্ষীক মাৰিবলৈ খেদি গৈছিল। তেতিয়া

নীলাক্ষীয়ে খিল্ খিল্কৈ হাঁহিছিল। সৌৰভৰ মৰমসনা কথাবোৰে তাইৰ অন্তৰত অজানিতেই দ সাঁচ বহুৱাইছিল। সৌৰভক তাইৰ এটা সৰু লৰাৰ দৰেই মৰম কৰিবৰ মন গৈছিল। অলপ কথাৰ মেৰপাকতেই কেনেদৰে যে ঠেহঁ ধৰিছিল। তাত যে কিমান মাদকতাৰে ভৰা সোৱাদ আছিল। সদায় স্কুললৈ যাওঁতে দুয়োটাই লগ হৈছিল। তাই বেগত নিছিল ঘৰত মাকে কৰা নাৰিকলৰ লাড়ু আৰু সি গছ বগাই হেঁপাহ পলুৱাই আনিছিল বগৰী জলফাই যিবোৰ সাধাৰণতে ছোৱালীয়ে বেছিকৈ বিচাৰে। তাই কেতিয়াও নিজৰ লাড়ু নাখাইছিল। সি খাই ভাল পাই বাবেই গোটেইকেইটা তাকেই দি দিছিল আৰু সৌৰভে তাই যি বস্তুকে খাবলৈ বিচাৰক গছত উঠি তাইক হেঁপাহ পলুৱাই খাবলৈ আনি দিছিল। সৌৰভ যেতিয়া দশম মান শ্ৰেণীত নীলাক্ষী সেই সময়ত অষ্টম মান শ্ৰেণীত। তাইক এতিয়া মাকে স্কুললৈ যাবলৈ মেখেলা চাদৰ জোৰে জোৰে দিব নোৱাৰে কাৰণ সিহঁতৰ ঘৰৰ অৱস্থা সিমান ভাল নহয়। তাই আৰু তাইৰ ভায়েক দুটাৰ এটা বুজা অৱস্থা নহওঁতেই দেউতাকৰ মৃত্যু হয়। যি দুহালিছা মাটি আছে তাৰে বছৰটো খাবলৈ নোজোৰে। বছৰৰ শেষত দুই এজনৰ ঘৰত ইটো সিটো কাম কৰি দি দুপইছা আৰ্জে। তেনে স্থলত তাইৰ আৰু পঢ়া নহল। তাই সিমানতেই পঢ়া সাং কৰিলে। প্ৰথম যি দিনাৰ পৰা তাই স্কুললৈ যোৱাটো বন্ধ কৰিছিল সেই দিনা তাই মাকৰ মুখলৈ চাই দেখিছিল সংসাৰৰ বোজা বহন কৰিব নোৱাৰা এখন ভাৰাক্ৰান্ত মুখ আৰু আধা বাটতেই সপোন ভঙাৰ এজুৰি অশ্ৰুসিক্ত নয়ণ। সেই দিনা তাই মাকৰ সেই মুখখন দেখি তাই অন্তৰৰ এচুকত সঞ্চিতহৈ থকা গোপন বেদনা খিনি দুগুণে জ্বলি উঠিছিল আৰু তাইৰ এনেহে লাগিছিল যেন মাকৰ এই বেদনা কাতৰ মুখখনৰ বাহিৰে তাই সকলো দুখ সহ্য কৰিব পাৰিব। কিন্তু ইমান ওচৰত আৰু চকুৰ আগত এগৰাকী আপোন মাতৃৰ এই বিহ্বল চাৱনি তাই কেতিয়াও সহ্য কৰিব নোৱাৰে। সেই দিনা তাই নিজৰ অজানিতেই মাকক কৈছিল তুমি নেকান্দিবা মা, মই স্কুল এৰাৰ কাৰণে দুখ নকৰিবা। ইয়াৰবাবে মোৰ অকণো দুখ লগা নাই, তুমি বিশ্বাস কৰা। মাত্ৰ তুমি হাঁহিব লাগিব। তোমাৰ সকলো কামতেই মই সহায় কৰিম। এই কথাখিনি কওঁতে তাইৰ অজানা বেদনা খিনি বুকুৰ হাৰ ভাঙি ছিঙি চকু পানীহৈ ওলাই আহিছিল আৰু মাকৰ মুখলৈ তাই মুখ তুলি চাই দেখিছিল তাইৰ ফালে থৰহৈ মাকে এটা মৰম সনা চাৱনিৰে চাই আছে আৰু চকুপানীবোৰ আগত কৈ সজোৰে বৈ আহিছে যেন "বিগলিত কৰুণা জাহ্নবী যমুনা"।

সেই সময়ত সৌৰভে হাইস্কুলৰ শেষ পৰীক্ষাদি চহৰলৈ গৈছিল উচ্চশিক্ষাৰ নিমিত্তে। সেইদিনা তাইৰ খুউব আনন্দ লাগিছিল। তাই মাত্ৰ সৌৰভক আশীৰ্ব্বাদ দিছিল। ভগৱানৰ ওচৰত সৌৰভৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা কৰিছিল আৰু চহৰলৈ যোৱাৰ আগতে যেতিয়া সৌৰভে তাইক এই কলঙৰ পাৰতেই লগ ধৰিবলৈ আহিছিল, তেতিয়া তাই সিহঁতৰ পুখুৰীৰ পাৰত ডকমকাই ফুলি থকা ৰঙাতেজী গোলাপৰ ফুল এথোপা চিঙি উধাতুখাই এই কলঙৰ পাৰলৈকে দৌৰি আহিছিল। নীলাক্ষী ইমান সৰল, ইমান স্নিগ্ধ নীলাক্ষীৰ চকুকেইটা, ইমান গভীৰ যেন নীলা সাগৰৰ গভীৰতাৰে

ৰোলোৱা। নীলাক্ষীক সি আঁতৰৰ পৰাই চিঞৰি সুধিছিল কি আনিছা নীলা, নীলাক্ষীয়ে খিল-খিলাই হাঁহি কৈছিল, এটা ধুনীয়া বস্তু। তুমি যে মোক গোলাপ ফুলৰ ডালটো দিছিলা। সেইটো মই পুখুৰীৰ পাৰতেই ৰুই থৈছিলো। এতিয়া যে ইমান ফুলিছে তাৰ পাছত ফুল থোপা তাৰ হাতত দি কৈছিল "তোমাৰ নাম সৌৰভ, মই বিচাৰো সেই সৌৰভৰ লগতে এই ফুলৰ পাহিকেইটাৰ সৌৰভো মিলি যাওক, আৰু যেন তাত ইয়াৰ দৰেই ৰাঙলী ৰং ধৰে। তোমাৰ অনাগত জীৱন উজ্জ্বল হওক।" সৌৰভ সেই দিনা গম্ভীৰহৈ গৈছিল, মনে মনে ভাবিছিল নীলাৰ কথাবোৰ ইমান গভীৰ হয়তো নীলাৰ অন্তৰ স্বচ্ছ সুঁতীৰ, পানীৰ দৰেই সেই বাবেই তাৰ তলিখন প্ৰকাশ পাইছে। এসময়ত সৌৰভে নীলাৰ ফালে এটা বিদায় ভৰা দৃষ্টিদি আঁতৰি গৈছিল আৰু নীলাই নীৰবে সমৰ্থন কৰিছিল। সৌৰভ যোৱাৰ ফালে চাই থাকোতে নীলাৰ চকুযুৰি সেমেকি উঠিছিল। তাৰ পাছত এটা ক্লান্ত খোজেৰে ঘৰলৈ খোজ দিছিল।

এদিন সৌৰভক সৌৰভৰ দেউতাকে নিজৰ চাহবাগিছাৰ মালিকীস্বত্ব দান কৰিলে। কাৰণ সৌৰভৰ দেউতাক বৃদ্ধহৈ আহিছে। কিছুদিনৰ পিছত সৌৰভৰ বিয়াৰ বাবে ঘৰত যো-জা চলিল। সৌৰভে গোচৰ তৰিলে সি নীলাক্ষীৰ বাহিৰে কোনো ছোৱালীক আপোন কৰি লব নোৱাৰে। কিন্তু দেউতাকৰ তীব্ৰ গৰাহত পৰি সৌৰভে নিজ প্ৰতিজ্ঞা ৰাখিব নোৱাৰিলে। কোনোবা ধনী মৌজাদাৰৰ কন্যাৰ লগত সৌৰভৰ বিয়া-ঠিক হল। নীলাক্ষীহঁত দুখীয়া গতিকে নীলাক্ষী হৃদয়ৰ জোৰৰ হলেও অৱস্থাৰ জোৰৰ নহয়। নীলাক্ষীৰ মাকেও অনিচ্ছা প্ৰকাশ কৰিলে। তেওঁৰ মনত ভয় হল যদি আভিজাত্যৰ হেঁচাই তেওঁক তেওঁৰ জীয়েকৰ পৰা আঁতৰাই ৰাখে। যদি এগৰাকী দুখীয়া মাতৃৰ হৃদয়ক নুবুজি নীলাক্ষীক বিৰাট দালানৰ ভিতৰত বন্দীকৰি থয়! নীলাক্ষী-য়ে সেইদিনাও মাকক কৈছিল মই হৃদয়ৰ মূল্য বুজোঁ মা, য'ত হৃদয়ক মূল্য দিব নোখোজে তালৈ মই কেতিয়াও যাব নোখোজো। পবিত্ৰ ৰঙা, নীলা নিভাঁজ স্মৃতিৰ পাপৰিবোৰক মোৰ হৃদ-য়ৰ ভিতৰতেই সাঁচি থম চিৰদিনৰ বাবে। তাত মোৰ হৃদয়ৰ সৌৰভক জীয়াই ৰাখিম। অৱস্থাৰ লগত ফেৰ মৰা সৌৰভ মোৰ পৰা বহুত দূৰত থাকিব। দুটা বেলেগ সৌৰভ। বিয়াৰ আগদিনা সৌৰভে এখন দোধোৰ মোধোৰ ভাৱাক্ৰান্ত মুখলৈ তাইক কলঙৰ পাৰত লগ-ধৰিছিল। সেইদিনা তাই ফুল জোপাত যিমান ফুল আছিল সকলো বোৰ শেষ কৰি ছিঙি আনি সৌৰভৰ হাতত ভৰাই দিছিল। আৰু সৌৰভৰ নতুন জীৱন সুন্দৰ হোৱাৰ কামনা কৰিছিল। সেইদিনা সৌৰভে তাইৰ হাতৰ পৰা ফুলবোৰ নিঃসঙ্কোচে তুলি লব পৰা নাছিল। নীলাক্ষীক সেইদিনা খুউব পবিত্ৰ আৰু সৰল লাগিছিল। আৰু সি তাইৰ ওচৰত দুৰ্ব্বল অনুভৱ কৰিছিল। আৰু এদিন যেতিয়া সি চহৰলৈ পঢ়িবলৈ যাওঁতে তাই এই দৰেই এথোপা ফুল দিছিল। সেইদিনা সেই ফুলবোৰ ছিঙি তাইৰ গালে মুখে ছটিয়াই ধেমালি কৰি-বলৈ মন গৈছিল। তাইৰ ৰঙা গাল দুখন ৰঙাগোলাপৰ আবিড়েৰে আৰু ৰঙাকৰি দিবলৈ মনগৈছিল। কিন্তু আজি সেই সাহস তাৰ নাই। তাৰ পাছত দুয়ো পৰস্পৰৰ পৰা শেষ বিদায়লৈ উভতি আহিছিল। আৰু আজি এই বিয়াৰ বাজনাৰ চেঁৱে তাইক সৌৰভলৈ বেছিকৈ মনত পেলাই দিছে। সৌৰভৰ সেই ভাৱাক্ৰান্ত মুখ বেচি মলিনহৈ তাইৰ মুখৰ আগত বাৰে বাৰে

আমনি কৰি আছেহি। কিবা এক কোবাল সোঁতে তাইক নৈৰ পাৰলৈ টানি আনিছে। পূৰ্ণিমাৰ স্নিগ্ধা-পোহৰত নিয়ৰ পৰা পাতবোৰ জিলিকিছে। কলডনৈৰ ঢৌবোৰ জিলিকিছে, বালিচৰ জিলিকিছে। ৰূপালী নিয়ৰৰ লগত তাইৰ চকুৰ টোপাল কেইটা নীৰৱে মিলি গৈছে। এই পূৰ্ণিমাই বহুত পূৰ্ণিমা নিশালৈ মনত পেলাই দিছে। সেইবোৰ পূৰ্ণিমাই কিন্তু তাইৰ অন্তৰৰ গভীৰলৈকে পোহৰ পেলাই দিছিল। আজিৰ পূৰ্ণিমাই তাইৰ অন্তৰত ঘোৰ অমাৱস্যাৰ মিতালি পাতিছে। নিশা লাহে লাহে আগতকৈ গভীৰহৈ আহিছে। বিয়াৰ বাজনা আগতকৈ অলপ বেছিকৈ উটি বুৰি আহিছে। নিয়ৰৰ টোপাল বোৰ ঘন ঘন কৈ পৰিছে। কলডনৈ সেই আগৰদৰেই বৈ আছে আৰু বৈ থাকিব।

# চহৰৰ সেই নিষিদ্ধ গলিত

বহুত দিনৰ পাছত
ষ্ট্ৰীট লাইটৰ
এৰেহা পোহৰত
এখন চিনাকি মুখ
......ই কি 'বন্ধু' তুমি
এই বেশত?

মোৰ দৃষ্টিৰ অজ্ঞাতেই
বিস্ফোৰণ ঘটিছিল
বন্ধুৰ প্ৰজ্ঞাৰ, ব্যক্তিত্বৰ, মহত্বৰ বিগলিত ৰূপ
পুতি-গন্ধময় নৰ্দ্দমা হৈ বৈছিল,
চাৰনিত ক্ষুধাৰ্ত্ত বাঘৰ অতৃপ্তি
যৌৱনৰ ৰ'দে পোৰা এখন মুখ
বহুত প্ৰশ্ন থমক খাই ৰ'ল
মোৰ চকুৰ পটাত।

দুৰ্নীতি দুৰাচাৰৰ বিৰুদ্ধে
ফুলজাৰি মৰা
বন্ধুৰ সেই ব্যক্তিত্বক,
আজি দেখিলো মই
চহৰৰ সেই
নিষিদ্ধ গলিত।

শান্তি চেতিয়া
স্নাতক ১ম বাৰ্ষিক (কলা)

# সামাজিক, অৰ্থ নৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত নাৰীৰ ভূমিকা

দীপালী খাউন্দ
স্নাতক ১ম বাৰ্ষিক (কলা)

কোনো এটা সভ্যতাৰ মানদণ্ডৰ মাপ-কাঠি হ'ল সেই সভ্যতাৰ ঐতিহ্যমণ্ডিত প্ৰাচীন কাঠামো। যি সভ্যতাৰ প্ৰমূল্যৰ কাঠামো যিমান সুস্থ আৰু শক্তিশালী সেই সভ্যতাৰ জীৱন-শক্তি সিমান দীৰ্ঘস্থায়ী আৰু তাৰ ৰূপো আকৰ্ষণীয়। কোনো সভ্যতাৰ প্ৰমূল্য যদি নাৰী জাতিক বাদ দি বা নাৰীজাতিৰ প্ৰতি সুস্থ দৃষ্টি ভঙ্গী নোহোৱাকৈ ৰচিত হৈছে তেনে হলে সেই সভ্যতাৰ ভেটি বালিৰে গঢ়া— ই কোনো প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হব নোৱাৰে। সেয়ে সভ্যতাৰ উচ্চমান আৰু সৌন্দৰ্য্য বহু পৰিমাণে নিৰ্ভৰ কৰে নাৰীৰ প্ৰতি সেই সভ্যতাৰ দৃষ্টি ভঙ্গীত।

নাৰীৰ সমস্যা প্ৰশ্নটো বহু পৰিমাণে ৰহস্যাবৃত্ত। ইয়াৰ কাৰণে নাৰীয়েই দায়ী। পুৰুষৰ বিষয়ে জনাটো যিমান সহজ নাৰীৰ বিষয়ে জনাটো সিমান সহজ নহয়। নাৰীয়ে নিজৰ বিষয়ে খুউব কম কয় বা লিখে। সেয়ে নাৰী চৰিত্ৰ বা সমস্যা দুৰ্বোধ্য। পুৰুষৰ আত্মজীৱনীতকৈ নাৰীৰ আত্মজীৱনী বহু পৰিমাণে কম। পুৰুষ এই ক্ষেত্ৰত বেছি মুখৰ। অলপতে জাৰ্মানীৰ চিকিৎসক এজনেও প্ৰচলিত প্ৰবাদ এটি (তিৰোতাই বেচি কথা কয়) খণ্ডন কৰি কৈছে যে পুৰুষে তুলনা মূলক ভাবে বেছি কথা কয়। নাৰীয়ে নকয়।

বিশ্বৰ জনসংখ্যাৰ সমানে আধাখিনি পিছু পৰি থাকিলে সামগ্ৰিক ভাবে মানৱ জাতিৰ উন্নতি অসম্ভৱ। সেয়ে ১৯৭৫ চনটোক আন্তঃ ৰাষ্ট্ৰীয় মহিলাবৰ্ষ হিচাবে ঘোষণা কৰিছে যাতে বিশ্বৰ সকলো দেশতে নাৰীয়ে প্ৰগতিৰ প্ৰতি সচেতন মনোভাৱ গঢ়ি তুলিব পাৰে। এহাতে নাৰী জাতিয়ে যুগ যুগ ধৰি চলি অহা শোষণ, অত্যাচাৰ, অন্যায়ৰ পৰা নিজকে মুক্ত কৰাৰ বাবে সন্মিলিত প্ৰচেষ্টা কৰিব লাগিব আৰু আনফালে অশান্ত বিশ্বক শান্তি সমতা আৰু প্ৰগতিৰ পথলৈ আগুৱাই নিয়াৰ দায়িত্ব বহন কৰিবলৈ সক্ষম হব লাগিব। আমি জানো যে তৰোৱালতকৈ কলমৰ শক্তি বেছি। সেয়ে যদি আমি নিজৰ অভাৱ সমস্যা, কৰ্ত্তব্য, নিজৰ দুখ বেদনা, অনুভূতিবোৰ স্বকীয় সাহিত্য ৰাজিৰ মাজেৰে নিজৰ কলমেৰে পৃথিবীৰ আগত ডাঙি ধৰো তেন্তে নিশ্চয় পৃথিবীয়ে আমাক সহজে আৰু সোনকালে বুজি পাব। বহু যুগ ধৰি পুৰুষে নাৰীক শক্তি ৰূপেৰেও আঁকিছে আৰু নৰকৰ দ্বাৰ বুলি উপহাস কৰিও কাব্য লিখিছে।

সন্তান জন্ম দিয়াৰ ক্ষমতা একমাত্ৰ নাৰীৰে আছে। যাৰ দ্বাৰা "মানৱ সম্পদ" দান কৰিব পাৰে। কিন্তু এই ক্ষমতাক স্বীকৃতি দান কৰি মাতৃ আৰু শিশুৰ মঙ্গলৰ কাৰণে পুৰুষ প্ৰধান

সমাজত যত্ন কৰা দেখা নাযায়। নাৰী আৰু পুৰুষে মানৱ জাতিৰ অগ্ৰগতিৰ, পথত শাৰীৰিক কাৰণত একে ধৰণৰ অৱদান আগবঢ়াব নোৱাৰে। বিশেষকৈ সন্তান জন্ম আৰু লালন পালনৰ দায়িত্ব বহন কৰিব লগীয়া হোৱা বাবে নাৰী জাতিয়ে বহু সময়ত সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত সমানে অৱদান আগ-বঢ়াব নোৱাৰে। নাৰীক বহু সময়ত "জন্মদাত্ৰী" ৰূপে বিবেচনা কৰি শিক্ষা গ্ৰহণৰ পৰাও বিৰত কৰা হয়। "মাতৃ শিশুৰ প্ৰথম আৰু প্ৰধান শিক্ষয়িত্ৰী" বুলি বিবেচিত হলেও শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া নহয়।

সামাজিক দিশৰ পৰা দৃষ্টি নিক্ষেপ কৰিলে দেখা যায়, নাৰীৰ ক্ষেত্ৰত এই শিক্ষা বিশেষ প্ৰয়োজন। সমাজ সচেতনতা আনিবলৈ সমাজক সুদৃঢ় ৰূপে চিনি প্ৰতিষ্ঠা কৰিবলৈ হলে আমাক সামাজিক শিক্ষাই সহায় কৰিব লাগিব। সামাজিক শিক্ষাৰ উপৰিও শিক্ষাৰ জৰীয়তহে নাৰীয়ে চিন্তাশীল মহান ব্যক্তি সকলৰ লগত নিজক পৰিচয় ঘটাই প্ৰকৃত জ্ঞান আহৰণ কৰিব পাৰিব। সাহিত্য সৃষ্টিত এজন লিখকৰ যি দায়িত্ব আৰু কৰ্ত্তব্য এগৰাকী লিখিকাৰো সেই একে দায়িত্ব আৰু কৰ্ত্তব্য। সমাজ সেৱাৰ মনোভাবেৰে বা সমাজত শান্তি প্ৰতিষ্ঠা কৰাৰ মনোভাৱেৰে লিখা যি কোনো লিখনিয়ে আমাৰ সামাজিক জীৱন সৰ্বাঙ্গীন সুন্দৰ কৰাৰ উপৰিও কল্যাণকামী কৰাত সহায় কৰিব। কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব যে বৰ্ত্তমান বিশ্বত মহিলাই শিক্ষা দীক্ষাত বিশেষ ভাৱে আগবঢ়া স্বত্তেও এক বুজন সংখ্যক মহিলা সাহিত্যিকৰ জন্ম হোৱা নাই। প্ৰায়বোৰ ভাষাৰ সাহিত্যতে মহিলাৰ সংখ্যা পুৰুষতকৈ তুলনামূলক ভাবে কম। অথচ পুৰুষৰ সমানেই মহিলাও কল্পনা প্ৰৱন, ভাব বিলাসী। ৰবীন্দ্ৰনাথে কৈছিল "নাৰীয়ে সকলো শক্তিপ্ৰাণসৃষ্টিতে ক্ষয় কৰে বাবেই আনক্ষেত্ৰত শক্তিৰ অভাৱ হয়।" প্ৰকৃততে নাৰীয়ে পৰিবেশ, সহানুভূতি, প্ৰেৰণা আদিৰ অভাৱত পুৰুষৰ লগত সমান্তৰাল গতিত খোজ মিলোৱাত কঠিন হৈ পৰে। এনে বহুতো সমস্যা আমাৰ সমাজে নাৰীৰ ওপৰত জাপি দিয়াৰ ফলস্বৰূপে নাৰী সামাজিক ক্ষেত্ৰত মন্থৰ, ধীৰ-স্থিৰ হৈ পৰিছে।

অৰ্থনৈতিক পটভূমিত নাৰীৰ স্বকীয় বৈশিষ্ট্য আছে। এগৰাকী শিক্ষিতা নাৰীয়ে নাৰীৰ প্ৰধান দায়িত্ব অৰ্থাৎ নিজৰ সংসাৰখন নিয়াৰিকৈ চলাই ল'বা ছোৱালী, পৰিয়ালবৰ্গক উপযুক্ত শিক্ষাদি প্ৰয়োজন হলে তেওঁ নিজাকৈ কিছু অৰ্থ উপাৰ্জ্জন কৰি পাৰয়ালটোৰ জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ চেষ্টা কৰিব পাৰে। শিক্ষাৰ অবিহনে নিজাকৈ আৰ্জ্জন কৰি স্বাৱ-লম্বী হোৱা সম্ভৱ নহয়। আৰ্থিক স্বাৱলম্বীতাইহে সৰহভাগ মহিলাক আত্মবিশ্বাস আৰু সাহস বৃদ্ধি হোৱাত সহায় কৰিব পাৰে। অৰ্থনৈতিক স্বচ্ছলতাৰ কোনো সম্বল নথকাত দেশৰ বহুতো মহিলাই তেওঁৰ স্বামী তথা পৰিয়ালৰ তেওঁৰ প্ৰতি কৰা অত্যাচাৰ, অনাচাৰ, অবিচাৰ, নীৰৱে সহি চকুলো টুকি টুকি জীৱন কটাব লগীয়া হয়। আৰ্থিক অৰ্হতাৰ অভাৱত সেই অন্যায় অত্যাচাৰৰ বিৰুদ্ধে যুঁজিবলৈ তেওঁৰ সাহস বা শক্তি নোহোৱা হয়। প্ৰকৃত পক্ষে স্বামী স্ত্ৰী দুয়োজনে উপাৰ্জ্জন কৰাটো বৰ্ত্তমান সময়ত অপৰিহাৰ্য্য। কিন্তু চাকৰি এটাৰ জোখাৰে অৰ্হতা সকলো নাৰীৰ নাই। চাকৰি কৰি অৰ্থ উপা-ৰ্জ্জন কৰিবৰ অৰ্হতা নথকা নাৰীৰ ক্ষেত্ৰত উপ-যুক্ত বহুতো পথেই বিদ্যমান। নাৰীয়ে সহজতে

কৰিব পৰা বহুতো কুটীৰ শিল্প আছে। বিভিন্ন বতৰত কৰা খেতি, এড়ি মুগা, পাট-কপাহ আদিৰ পৰা সূতা উৎপন্ন কৰি আৰু তাৰ পৰা সূতা কাটি নানা চানেকীৰে আটক ধুনীয়াকৈ কাপোৰ বোৱা ইত্যাদিত বৰ্ত্তমানে অৰ্দ্ধশিক্ষিতা নাৰীয়ে বহুতো অৰ্থ উপাৰ্জ্জন কৰি পৰিয়ালক ভৰণ পোষণ দিবলৈ সক্ষম হৈছে। বৰ্ত্তমান আৰ্থিক অনাটনৰ দিনত কেৱল গৃহস্থজনৰ ওপৰতে নিৰ্ভৰ নকৰি নিজ পৰিশ্ৰমৰ মাধ্যমেৰে প্ৰতি গৰাকী মহিলাই অৰ্থোপাৰ্জন কৰিবলৈ চেষ্টা কৰাটো বাঞ্চনীয়।

বৰ্ত্তমান সাংস্কৃতিক ক্ষেত্ৰত নাৰীৰ ভূমিকা উল্লেখনীয়। কিন্তু আমাৰ সমাজ ব্যৱস্থাই সাংস্কৃতিক ক্ষেত্ৰত নাৰীয়ে অংশ গ্ৰহণ কৰাত বহুতো বাধাৰ সৃষ্টি কৰি আহিছে। অভিনয় জগতত নাৰী পুৰুষৰ সমকক্ষ নহয়। কথাছবি জগতত অভিনয় কৰিবলৈ সক্ষম হোৱা ছোৱালীৰ সংখ্যা একেবাৰে সীমাবদ্ধ। এই সীমাবদ্ধতাৰ কাৰণ কি? আজিও কিয় আমাৰ ছোৱালীয়ে অভিনয় কৰিবলৈ সঙ্কোচ কৰে? এনে প্ৰশ্নৰ উত্তৰত কব লাগিব যে, অভিনয় কৰা ছোৱালীক আমাৰ সমাজে, বিশেষকৈ অসমীয়া সমাজে ভালদৰে নেচায়। সেয়ে ভবিষ্যত বৈবাহিক জীৱনৰ কথা ভাবি বহুতো প্ৰতিভাসম্পন্না শিল্পীয়ে কিছুদিন অভিনয় কৰাৰ পিছত তাক সমূলঞ্চে এৰি পেলায়।

কিন্তু আজিৰ সমাজ, তেতিয়াৰ দৰে হয়তো ৰক্ষণশীল নহয়। তথাপি আজিও অভিনয় কৰা ছোৱালীক আমাৰ সমাজে বৰ ভাল দৰে নেচায়। কিন্তু প্ৰকৃততে আমাৰ সমাজৰ এইটো ভুল ধাৰণা। এই ভুল ধাৰণা নাৰী জাতিয়ে সমূলঞ্চে নাশ কৰিবলৈ অসীম চেষ্টা কৰিব লাগে। সমগ্ৰ শিল্পী জীৱনত এটা কথাই বুজা যায় যে— বাধা নাপালে যেনেদৰে পৰ্ব্বতীয়া জুৰি খৰস্ৰোতা নহয় ঠিক তেনেদৰে সমাজৰ এই বাধা বিলাকে নাৰী জাতিক শিল্পী সাধনা পবিত্ৰতাৰে গ্ৰহণ কৰিবলৈ অনুপ্ৰেৰনাহে যোগায়।

অৱশ্যে বৰ্ত্তমান সমাজত নাৰীয়ে বহুতো বাধাৰ স্বত্বেও সাংস্কৃতিক ক্ষেত্ৰত বহুতো অৱদান আগবঢ়াইছে। সাম্প্ৰতিক কালত বিশ্বৰ বিভিন্ন চৰকাৰ তথা জনসাধাৰণৰ মাজত পাৰস্পৰিক সম্পৰ্ক আৰু সহযোগিতা ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এই সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত বিভিন্ন দেশৰ নাৰী সমাজৰ আশা আকাঙ্খ্যা আৰু প্ৰগতিমূলক ব্যৱস্থা বাস্তৱত ৰূপায়ণ কৰি বিভিন্ন দেশৰ নাৰীৰ মাজত সাংস্কৃতিক, মানসিক ক্ষেত্ৰত বুজা বুজি আৰু ক্ষেত্ৰ অনুযায়ী আলাপ আলোচনাৰ সুযোগ দান কৰাত ৰাষ্ট্ৰসংঘৰ অৱদান অতুলনীয়।

বৰ্ত্তমান “বিশ্বৰ জনসংখ্যা সমস্যা” সমাধানৰ ক্ষেত্ৰত নাৰীৰ সহযোগিতাৰ বিশেষ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছে। ৰাষ্ট্ৰসংঘৰ দ্বাৰা পৰিচালিত এক সমীক্ষাত স্পষ্টভাবে প্ৰতীয়মান হৈছে যে, আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰত নাৰীৰ সম্পূৰ্ণ সহযোগিতা পাবলৈ হলে সন্তান জন্মাৰ ক্ষেত্ৰত নাৰীক সম্পূৰ্ণ স্বাধীনতা দিব লাগে। তেতিয়াহে “জনসংখ্যা পৰিকল্পনানীতি” সমূহ সমাজত কাৰ্য্যকৰী আৰু কৃতকাৰ্য্য হব।

প্ৰকৃততে, নাৰীৰ সমস্যা বুলি কলে, বহু প্ৰশ্নই জুমুৰি দি ধৰে। তাৰ ভিতৰত প্ৰধানকৈ আহে কোন দেশৰ আৰু কোন যুগৰ নাৰী সমস্যাৰ কথা ভবা হৈছে? নে দেশ কালৰ উদ্ধাৰ কোনো এক সনাতন, শাশ্বত আদৰ্শৰ কথা কল্পনা কৰা হৈছে? ইপাৰোপৰি, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক ক্ষেত্ৰত

তেওঁলোকৰ ভূমিকা—এই কথাখিনিও স্পষ্ট নহয়। বৰঞ্চ বিৰ্তকমূলক, কিয়নো "সাংস্কৃতিক" শব্দটোতে "সামাজিক", "অৰ্থনৈতিক", "ৰাজনৈতিক", "ধৰ্ম্ম" সম্পৰ্কীয় সকলো কথা সোমাই থাকে।

সুশিক্ষাই হ'ল নাৰী জাতিৰ সকলো কৃতকাৰ্য্যতাৰ মূল। নাৰী-জাতিৰ অন্তৰত যিমানেই শক্তি নেথাকক, তাত যদি সুশিক্ষাৰ পোহৰ নপৰে, তেন্তে সেই শক্তিৰ দ্বাৰা মহৎ কৰ্ম সাধন হোৱা অসম্ভৱ। গতিকে আমাৰ সমাজ আৰু চৰকাৰৰ আন এটা প্ৰধান কাম কৈছে অশিক্ষিতা নাৰী সকলক শিক্ষাৰ পোহৰ দিয়া। বিশ্ব সাহিত্যত দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় যে— ৰুচদেশৰ মহান ব্যক্তি লেনিনে নাৰী সকলকো সুযোগ সুবিধাদি পুৰুষৰ সৈতে সমানে খোজ মিলোৱাৰ পৰিবেশ তৈয়াৰী কৰিবলৈ উৎসাহ আৰু আহ্বান কৰিছিল আৰু এই পৰিবেশ গঢ়ি তুলিব পাৰিছে বাবেই নাৰী সকলৰ সামাজিক অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত অগ্ৰগতিৰ পথত প্ৰচণ্ড জোৱাৰ উঠিছে।

# এটি 'গীত'

ৰুদ্ৰেশ্বৰ গগৈ
স্নাতক, ১ম বাৰ্ষিক (বিজ্ঞান)

চিপ্ চিপ্ বৰষুণ
আহাৰৰ আকাশ ভাঙি পৰা
আকাশৰ আকুল মিনতি
আঁউসীৰে ভৰা।
মেঘৰ আঁৰত, ত্ৰাসৰ এই গীত
আঁউসীৰে ভৰা……চিপ্……

বৰ্ষাৰ বলিয়া মেঘবোৰে
কিয় মনে মনে কান্দে।
হয়তো বৰষুণৰ টোপাল হৈ
বেদনাবোৰ সৰে,……চিপ্……

শীতৰ এই উচুপনি
কিযে আকুল বিননি,
বৰ্ষাৰ আকাশৰ অবুজন
বেদনা বিধুৰ কাহিনী। ……চিপ্……

নেজানো কিহৰ এই গীত
নুবুজো কিহৰ এই ঝঙ্কাৰ
অমানিশা বৰ্ষাৰ উচুপনীত,
হৈ পৰো মই ভীত। ……চিপ……

# চীনৰ অৰ্থনৈতিক উন্নয়ন

অধ্যাপক সমৰেন্দ্ৰ ভাগৱতী

১৯৪৯ চনৰ অক্তোবৰ মাহৰ এক তাৰিখে জন-গণতান্ত্ৰিক চীনৰ জন্ম হয়। মাত্ৰ ২৬টা বছৰৰ ভিতৰতে সমাজতান্ত্ৰিক চীনে অৰ্থ নৈতিক ক্ষেত্ৰত যি প্ৰসাৰতা লাভ কৰিলে সি আজি সমগ্ৰ বিশ্বৰেই বিস্ময়ৰ বিষয়। সৌ-সিদিনা প্ৰাক্-সমাজ-তান্ত্ৰিক চীনত-দাৰিদ্ৰ আৰু দুৰ্ভিক্ষৰ কঢ়াল গ্ৰাসত অকালতে হাজাৰ হাজাৰ লোকৰ মৃত্যু হৈছিল, অথচ আজি খাদ্য উৎপাদনত চীন স্বাৱলম্বী। চীনত আজি দুৰ্ভিক্ষ বা আকাল নাই, চীনৰ কোনো বৈদেশিক বা আভ্যন্তৰীন ঋণ নাই, চীনত এজনো নিবনুৱা নাই,—চীন আজি বিশ্বৰ এক বৃহত্তম শক্তি হিচাবে পৰিগণিত। চীনৰ এই অৰ্থ-নৈতিক প্ৰগতি কেনেদৰে সম্ভৱ হৈছে তাকেই এই প্ৰবন্ধত আলোচনা কৰিবলৈ লোৱা হৈছে।

চীনৰ অৰ্থ নৈতিক উন্নয়ণৰ বিষয়ে জানিবলৈ হলে পোনতে তাৰ কৃষক সকলক জানিব লাগিব। বিশ্বৰ সৰ্ব্বোচ্চ জন-সংখ্যাৰ দেশ হৈছে চীন। বৰ্ত্তমান চীনৰ প্ৰায় ৮০০ নিযুত জন-গণৰ মাজত শকতৰা ৮০ জনেই কৃষক। 'ৰঙাচীন' জন্মৰ আগৰ কালছোঁৱাত তাৰ কৃষক সকলৰ পানীত হাঁহ নচৰা অৱস্থা আছিল। চীনৰ প্ৰায়বোৰ অঞ্চলেই অসাৰুৱা, পামীৰ মালভূমিকে ধৰি পৰ্ব্বত পাহাৰেৰে ভৰা শিলাময়। প্ৰতি-বছৰে প্ৰাকৃতিক দুৰ্যোগে কৃষক সকলক জুৰুলা কৰিছিল। হোৱাং হো ইয়াংচি আদি নদীসমূহৰ প্ৰলয়ঙ্কৰী বানে উৎপাদিত ফচল উটুৱাই নিছিল প্ৰায় ভাগ কৃষকৰেই নিজৰ বুলিবলৈ মাটি নাছিল। দাৰিদ্ৰতা আছিল তেওঁলোকৰ চিৰ লগৰীয়া। দাৰিদ্ৰতাৰ জ্বালাক তীব্ৰতৰ কৰি তুলিছিল ধনী ভূ-স্বামীহঁতৰ অত্যাচাৰে। —অথচ, সেইবোৰ কৃষকৰ মুখতেই আজি অনাবিল হাঁহিৰ জেউতি, অভাৱ অনাটন নাই, প্ৰত্যেকেই পেট-ভৰাই তিনি সাজ খাবলৈ পায়।

১৯৪৯ চনত চীনৰ কমিউনিষ্ট পাৰ্টিয়ে দেশৰ পৰা দুৰ্ভিক্ষ আঁতৰ কৰিবলৈ বৰ্দ্ধিত জন-স্ৰোতত‌কৈ উৎপাদনৰ হাৰ দ্ৰুততৰ কৰিবলৈ আৰু অৰ্থনৈতিক স্বাধীনতা লাভ কৰিবলৈ ছোভিয়েত ৰাচিয়াৰ আৰ্হিৰে দেশখনত সমাজ-বাদী উদ্যোগীকৰণ কৰিবলৈ স্থিৰ কৰিলে। দেশৰ সকলোবোৰ সম্পদ আহৰণ কৰি উদ্যোগীকৰণৰ ভেঁটি স্থাপন কৰিবলৈ ১৯৫৩ চনৰ পৰা আৰম্ভহৈ অন্ততঃ তিনিটা পঞ্চ-বাৰ্ষিকী পৰিকল্পনাৰ আয়োজন হব বুলি আৰু বিপ্লৱৰ সুফল উপভোগ কৰিবলৈ অন্ততঃ ১৫ ৰ পৰা ১৮ বছৰ সময়ৰ দৰকাৰ হব বুলি তেওঁলোকে ধৰি লৈছিল। কিন্তু ১৯৫৯-৬২ চনৰ সময় ছোৱাত নানা বিপৰ্য্যয়ৰ হেতুকে দেশৰ আৰ্থিক উন্নয়নত কি

অৱনতি ঘটিল। সি যি কি নহওক, চীনৰ অৰ্থ-নৈতিক উন্নয়নক চাৰিটা ভাগত ভগাব পাৰি। (১) আৰ্থিক পুনৰুত্থান আৰু পুনৰ সংস্থাপন ১৯৪৯ চনৰ পৰা ১৯৫২ চনলৈ ; (২) প্ৰথম পঞ্চ-বাৰ্ষিক পৰিকল্পনা (১৯৫৩-৫৭) আৰু ২য় পঞ্চ-বাৰ্ষিক পৰিকল্পনাৰ (১৯৫৭-৬২) সময় ছোৱা— যি সময়ত সৰু সৰু সমবায় অনুষ্ঠানৰ পৰা 'জাপ মাৰি আগবঢ়া' (Leapforward 1958-59) আন্দোলনৰ অগ্ৰগতিৰে গণ কমি-উনলৈ উত্তৰণ কৰিছিল। (৩) ১৯৬০—৬১ চনৰ সংকটৰ পৰা সাংস্কৃতিক বিপ্লৱলৈ (১৯৬৯) ; আৰু (৪) উত্তৰ সাংস্কৃতিক বিপ্লৱৰ কালছোৱা।

১৯৪৯ চনৰ পৰা ১৯৫২ চনৰ কালছোৱাত চীনে বৈপ্লৱিক যুগৰ পথেৰে আগবাঢ়ি যোৱা দেখা যায়। জাপ্ যুদ্ধ আৰু চিয়াং কাই শ্বাক্ বাহিনীৰ বিৰুদ্ধে হোৱা যুদ্ধত যি বিংৰস্ত হৈছিল এই সময়ছোৱাতেই সেইবোৰ মেৰা মতি কৰা হয়। দেশৰ পৰা মুদ্ৰাস্ফীতি নাই-কীয়া কৰি আৰ্থিক দেউলিয়া অৱস্থাৰ অৱসান ঘটায়। কৃষিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভূমি সংস্কাৰ কৰা হয়। ভূমি বিতৰণৰ ক্ষেত্ৰত সমতা স্থাপন কৰাৰ কাৰণে তেওঁলোকে ১৯৫০ চনৰ ৩০ জুন তাৰিখে কৃষি সংস্কাৰ (Agrarian Reform) আইন প্ৰৱৰ্তন কৰিলে। সেই সময়ত গাৱঁৰ জন-সংখ্যাৰ শতকৰা ১০ ভাগ পৰি-য়াল আছিল বৃহৎ আৰু মজলীয়া ধৰণৰ ভূ-স্বামী ; শতকৰা ২০ ভাগ আছিল ধনী আৰু মধ্যবিত্ত খেতিয়ক ; শতকৰা ৭০ ভাগেই আছিল গৰীব কৃষক, বায়ত আৰু কৃষি পামৰ শ্ৰমিক। ১৯৫২ চনৰ ভিতৰত কৃষি-সংস্কাৰ আইন মতে ভূ-স্বামী আৰু জমিদাৰইঁতক ব্যক্তি-গত প্ৰায় ১১৮ নিযুত একৰ বা কৃষি উপযোগী সমুদায় ভূমিৰ শতকৰা ৪৫ ভাগ মাটি ৩০০ নিযুত ভূমিহীন কৃষকৰ মাজত বিতৰণ কৰি দিয়া হয়। কিন্তু সমস্যা হ'ল এই কৃষক সকলৰ বেছি ভাগেই নিজৰ বুলিবলৈ খেতিৰ সঁজুলি, ভাল বীচ, সাৰ, মূলধন, বৈজ্ঞানিক পদ্ধতিৰ জ্ঞান, অথবা পোহ পাল কৰিবলৈ কোনো জীৱ-জন্তু নাছিল। এই সমস্যাৰ সমাধানাৰ্থে সমগ্ৰ চীন জুৰি 'পাৰস্পৰিক সহায়কাৰী সমবায়' (Mutual-aid-co-operative) আন্দোলন জাগি উঠিল। সমগ্ৰ চীনৰ কৃষকক লৈ "পাৰস্পৰিক সহায়কাৰী দ'ল" সমূহ (Mutual aid teams) গঠিত হ'ল। খেতিত ব্যৱহাৰ্য্য যাৰ যি নিজা নিজা সা-সঁজুলি আছে তাৰেই লৈ প্ৰত্যেকে প্ৰত্যেকক সহায় কৰি-বলৈ উঠি পৰি লাগিল। এনেদৰে চীনত প্ৰায় ৮০ লাখ "পাৰস্পৰিক সহায়কাৰী দল" গঠিত হ'ল। চৰকাৰৰ পৰাও যথেষ্ট সাহায্য আগ-বঢ়োৱা হ'ল। পাৰস্পৰিক সহায়কাৰী সমবায়'ৰ সা-সুবিধাৰ সমথ বুজ পাই চীনৰ কৃষক সকলে স্বইচ্ছাৰে "প্ৰাথমিক কৃষি সমবায়" (Elementary Co-operatives) গঠন কৰিলে।

চীনৰ কমিউনিষ্ট দলে ১৯৫৩ চনত "প্ৰাথ-মিক কৃষি সমবায়" (Primary co-operative) গঠন সম্পৰ্কে প্ৰথম প্ৰস্তাৱ গ্ৰহণ কৰাৰ আগ-তেই চীনত হাজাৰ হাজাৰ "প্ৰাথমিক কৃষি সমবায়" গঢ়ি উঠিছিল। এই সমবায় সমূহত কৃষক সকলে তেওঁলোকৰ নিজৰ নিজৰ খেতিৰ সা-সঁজুলিৰে মাটি চহাই উৎপাদন কৰিছিল। আয় বিতৰণৰ ক্ষেত্ৰত নিজৰ সম নিৰিখৰ বাবে পোৱা আশৰ (Share) উপৰিও কৃষক সকলে নিজৰ ব্যক্তিগত আহিলা পাতিৰ বিনি-য়োগৰ বাবেও আয়ৰ অংশ পাইছিল। ইয়াৰ

পিচৰ স্তৰত ৬০০ ৰ পৰা ২০০টা ঘৰগৃহ এটা "উন্নত কৃষি সমবায়ত" (Advanced Agricultural co-operative) গঠিত হৈছিল। "উন্নত কৃষি সমবায়" ক্ষেত্ৰত যি আয় হৈছিল সি আছিল সমবায় খনৰ যৌথ আয় আৰু ইয়াক যৌথ ভাৱে বিনিয়োগ কৰা হৈছিল। কৃষক সকলে নিজৰ শ্ৰমৰ নিৰিখৰ ভিত্তিত মজুৰী পাইছিল। চীনত প্ৰায় ৭ লাখ ৪০ হেজাৰ "উন্নত কৃষি সমবায়" গঢ়ি উঠিছিল আৰু তাৰ ফলস্বৰূপে চীনত ১৯৫৩ চনত ১৫৬ নিযুত টন খাদ্য উৎপাদনৰ পৰা ১৯৫৭ চনত ১৮৫ টনলৈ বৃদ্ধি পাইছিল।

চীনৰ নেতা সকলে জনশক্তিৰ ওপৰত সদায় গভীৰ আস্থা ৰাখি আহিছে আৰু সেইয়েহে তেওঁলোকে চীনৰ জনগণক "আটাইতকৈ ডাঙৰ সম্পদ" (greatest asset) বুলি গণ্য কৰে। তেতিয়ালৈকে এই জনগণৰ পূৰ্ণ নিয়োগ হোৱা নাই। এহাতে কৃষি শ্ৰমিক সকলৰ অপূৰ্ণ প্ৰয়োগ আৰু আনহাতে নগৰীয়া লোকৰ আংশিক নিয়োগ। ইয়াৰ সমাধানাৰ্থে আৰু ১৯৬৭ চনৰ ভিতৰত কৃষি উৎপাদনত প্ৰাচুৰ্য্যতা আনিবৰ কাৰণে প্ৰধান মন্ত্ৰী চৌ য়েন লাই এ ১৯৫৬ চনৰ জানুৱাৰী মাহত এখন "বাৰ বছৰীয়া কৃষি যোজনা"ৰ "Twelve year Agricultural plan) খচৰা দাখিল কৰি দেখুৱাই দিয়ে যে যদি প্ৰতিজন সক্ষম মুনিহে বছেৰেকত ২৫০ দিন আৰু সক্ষম তিৰোতাই বছেৰেকত ১২০ দিনকৈ কাম কৰে তেন্তে প্ৰায় ১২,০০০ নিযুত অতিৰিক্ত শ্ৰম দিবস ব্যৱহাৰ কৰিব পৰা যাব। সেই বছৰৰে ২৪ চেপ্তেম্বৰত কেন্দ্ৰীয় কমিটিয়ে জনকল্যানমূলক কামত সমদলে যোগ দিবলৈ জনগণলৈ আহ্বান জনায়।

এনেতে ১৯৫৭ চনত সমগ্ৰ দেশ জুৰি "শুদ্ধি আন্দোলনে" (Ractfication Gupaign) পাতনি মেলিলে। ফলস্বৰূপে, পুঁজিবাদৰ আঁচোৰ ভৰিৰে মোহাৰি দেশত সমাজবাদ প্ৰতিষ্ঠা কৰিবলৈ জনগন দৃঢ় প্ৰতিজ্ঞ হ'ল। আৰম্ভ হ'ল "বৃহৎ দেওদি আগবঢ়া" (Big leap forward) অভিযান। আৰম্ভ হ'ল "লাও ডুং" শ্ৰমদান আন্দোলন।

ইয়াত সহাঁৰি জনালে লাখ লাখ জনতাই, ককালত টঙালি বান্ধি দিনে ৰাতি কাম কৰি বৃহৎ বৃহৎ মথাউৰি বান্ধিলে, হেজাৰ হেজাৰ বৃক্ষ ৰোপন কৰিলে, সুবৃহৎ জলাধাৰ (Reservoir) বান্ধি উলিয়ালে, ৰাস্তা-ঘাট নিৰ্ম্মান কৰিলে, সাৰ গোটালে, সৰু সৰু উদ্যোগ প্ৰতিষ্ঠা কৰিলে। ছয় মাহৰ ভিতৰত মুঠ জল সিঞ্চিত মাটিক দুগুন কৰিবলৈ সক্ষম হ'ল। এই অভিযানত যোগ দিবলৈ জন সাধাৰণৰ স্বতঃস্ফূৰ্ত্ততা ইমানেই বৃদ্ধি পাইছিল যে অকল সাৰ গোটোৱা কাৰ্য্যতেই প্ৰায় ৭০ নিযুত লোকে অংশ লৈছিল। ফলত, কেন্টিনত সমদলে খোৱা লোৱা কৰাটো অতি সাধাৰণ কথাহে পৰিল। সমাজ উন্নয়ন সেৱা সন্থা গঠিত হ'ল। লাখ লাখ দপ্তৰৰ কৰ্মচাৰী শিক্ষক, ছাত্ৰ, বুদ্ধিজীৱিয়ে আহি এই জনস্ৰোতৰ সৈতে ভাগ ললেহি, অস্থায়ী অৱসৰ বিদ্যালয় (Spare-time School) স্থাপিত হ'ল। সংগঠন আৰু শৃঙ্খলা বজাই ৰাখিবৰ কাৰণে স্থানীয় সৈনিক দলে (Local milita group) অংশ ললে। জনতাৰ এই স্বতঃস্ফূৰ্ত্ত উদ্দীপনাৰ ফল-স্বৰূপে প্ৰকৃতিয়ে সেও মানিলে, ১৫,০০০ নিযুত অতিৰিক্ত শ্ৰম দিবস কাৰ্য্যত ৰূপায়িত হ'ল, উৎপাদন বাঢ়িল। শ্ৰম সম্পৰ্কে মানুহৰ মনোভাৱ পৰিবৰ্ত্তন হ'ল— সমস্ত ব্যক্তিগত স্বাৰ্থ

পাহৰাই সমাজতন্ত্র গঠনৰ মনোভাৱে মানুহৰ মনলৈ দকৈ শিপালে।

জনগনৰ প্ৰগতিৰ এই গতিক স্থায়ীত্ব দিলে জনগণেই। উৎপাদনত "দেও দি আগবঢ়া" নীতিৰ সমাজতান্ত্রিক ধাৰণাৰ ব্যাপ্তিৰ ফলস্বৰূপে, কৃষক সকলে জন্ম দিলে চীন দেশৰ কৃষি ক্ষেত্রত যুগান্তৰকাৰী 'গণ–কমিউন' যাক চীন ভাষাত কোৱা হয়— "ৰেনমিং কুংশ্ব"। ১৯৫৮ চনৰ আগষ্টৰ পৰা নভেম্বৰ মাহৰ ভিতৰতে চীনৰ সমগ্র কৃষকৰ শতকৰা ৯৯ ভাগক আঁকোৱালি লৈ ৭,৪০,০০০ "উন্নত কৃষি সমবায়" ২৬,০০০ (পিছলৈ ২৪,০০০) গণকমিউনলৈ ৰূপান্তৰিত হল। ১৯৫৮ চনৰ এপ্রিল মাহত হুনান প্রদেশত ২৭ খন কৃষি সমবায়ৰ ৪৩,০০০ কৃষকে লগলাগি প্ৰথমখন গণ কমিউন জন্ম দিয়ে। নাম তাৰ 'ওৱেইদিং' বা স্পুৎনিক'।

১৯৫৮ চনৰ আগষ্টৰ ২৯ তাৰিখে চীনৰ কেন্দ্রীয় কমিটিয়ে কমিউন সম্পৰ্কে প্ৰথম প্ৰস্তাৱ গ্ৰহণ কৰে—"শ শ কৃষক পৰিয়ালৰ কৃষি সমবায় সমূহে পৰিবৰ্ত্তিত সময়ৰ অভাৱ এতিয়া আৰু পূৰণ কৰিব পৰা নাই··· গণ কমিউনৰ প্ৰতিষ্ঠাই কৃষি, বন-বিভাগ, পশু-পালন, আনুষঙ্গিক ব্যৱসায় আৰু মীন মহল —এইবোৰৰ সামূহিক পৰিচালনাৰ সৈতে শিল্প, কৃষি, বিনিময়, সংস্কৃতি আৰু শিক্ষা আৰু সামৰিক বিষয়াদি (militia) একেলগে সন্নিবিষ্ট হৈ একত্রিত হব আৰু ইয়েই হব সময়ৰ আগতেই সমাজতন্ত্র গঠনৰ কাম দ্রুততৰ কৰি কৃষক সকলক সাম্যবাদলৈ ক্রমশঃ উত্তৰণ কৰোৱাৰ মৌলিক নীতি।" আন এটা প্ৰস্তাৱ যোগে কোৱা হ'ল যে যেতিয়া সমাজতান্ত্রিক উৎপাদন প্ৰচুৰ হব, সমগ্র জনগণৰ সাম্যবাদী চেতনা আৰু নীতিবোধ উন্নত হব আৰু সাৰ্ব্বজনীন শিক্ষাৰ বিকাশ ঘটিব তেতিয়া বুৰ্জোৱা সমাজৰ শ্রমিক কৃষিক, গাওঁ-চহৰ, কায়িক-মানসিক শ্রমৰ মাজৰ বৈষম্য ক্রমশঃ বিলুপ্ত হব। তেতিয়া ৰাষ্ট্ৰৰ কৰ্ত্তব্য হব মাত্র দেশক বহিঃ আক্রমনৰ পৰা ৰক্ষা কৰা, আন কোনো আভ্যন্তৰীন ভূমিকা নাথাকিব। "প্রত্যেকে নিজসাধ্যানুসাৰে কাম কৰিব আৰু প্ৰয়োজনৰ জোখাৰে পাব" তেতিয়াহে চীনত প্রকৃত সাম্যবাদ বিৰাজ কৰিব। ১৯৫৮ চনৰ ১- ডিচেম্বৰৰ পাৰ্টিৰ প্ৰস্তাৱত কোৱা হয় যে কমিউনৰ যুগেদি চীনত যৌথ মালিকানাৰ পৰা সমগ্র জনগনৰ মালিকানালৈ আৰু সমাজতান্ত্রিক সমাজৰ পৰা সাম্যবাদী সমাজলৈ উত্তৰণ হব।

কমিউনসমূহ কেবাটাও "উৎপাদন বাহিনীত" (Production Brigad) বিভক্ত। এই উৎপাদন বাহিনী আকৌ কেবাটাও "উৎপাদন দলত" (Production Team) বিভক্ত। উৎপাদন বাহিনী সমূহেই কমিউনৰ উন্নয়নৰ ভেঁটি স্বৰূপ। সাধাৰণতে মাটি, সা-সঁজলি, প্ৰাথমিক বিদ্যালয়, নাছাৰী আদিৰ যৌথ মালিকানা গাওঁবোৰৰ; যান্ত্রিক আহিলা পাতি, গৰু ঘোঁৰা আদি, সৰু সৰু জলাধাৰ পাম্প, ব্রিগেদৰ কাৰ্য্যালয়, মাধ্যমিক বিদ্যালয় আদিৰ যৌথ-মালিকানা উৎপাদন বাহিনী সমূহৰ; আৰু ডাঙৰ ডাঙৰ জলাধাৰ, বিদ্যুৎ প্ল্যাণ্ট, টেলিফোন ডাঙৰ কাৰখানা, কাৰীকৰী স্কুল, কৃষি কলেজ আদিৰ যৌথ মালিকানা কমিউন।

কমিউন বিলাকে জল-সিঞ্চন, সাৰ প্ৰয়োগ, কীট-পতঙ্গ নিৰ্ম্মূলকৰণ, উদ্যোগৰ সাধন, খনি-লো-তীখা-কৃষিৰ সঁজুলি সাৰ কাৰখানা আদিৰ উন্নয়ন; বিদ্যুত-শক্তিৰ ষ্টেচন, ৰাস্তা নিৰ্ম্মান, টেলিফোন, ৰেডিঅ, শিক্ষা আৰু সামুহিক বিষয়াদিৰ ভাৰ–গ্ৰহন, সকলো ধৰণৰ

বানিজ্যৰ নিয়ন্ত্ৰণ, চিকিৎসাসেৱা, গৃহ-নিৰ্ম্মান, কৃষি-পামত যন্ত্ৰৰ প্ৰচলন আৰু গ্ৰামাঞ্চালত বিজুলী শক্তিৰ প্ৰয়োগ আদিৰ ব্যৱস্থা লয়। তাৰোপৰি পৰিয়ালৰ সা-সুবিধাৰ কাৰণে সমষ্টি গত ৰান্ধনী শাল (Community Kitchen), কিণ্ডাৰগাৰ্টেন, নাৰ্ছাৰী আদিও প্ৰতিষ্ঠা কৰে। এনেদৰে "কৃষি-পাম অৰ্থনীতি'য়ে (Farm economy) কমিউনবোৰত কাৰখানা কৃষি-পাম অৰ্থনীতি'ত (Factory Farm economy) ৰূপান্তৰিত হৈছে।

কমিউনবোৰে উৎপাদন বৃদ্ধি কৰিবলৈ নৌ পাওঁতেই আৰম্ভ হ'ল চীনৰ অৰ্থনীতিত এক বিৰাট সংঘাট। ১৯৫৯ চনৰ পৰা ১৯৬২ চনলৈ বিপৰ্য্যয়ৰ উপৰি বিপৰ্য্যয় ঘটিল। এফালে প্ৰলয়ঙ্কৰী বানপানী, আনফালে ভয়াবহ খৰাং। সেই সময়তেই চীনৰ একমাত্ৰ বিশ্বস্ত বন্ধুদেশ ৰাচিয়াৰ সৈতে মতাদৰ্শৰ দ্বন্দ তীব্ৰতৰ হ'ল। ফলত ৰাচিয়াই চীনৰ পৰা ১৩৯০ জন বিশেষজ্ঞক (ৰাচিয়াৰ) সকলো প্ৰকল্পৰ মৌলিক নক্সা, কাৰিকৰী দাতা (technical data) সহ ওভোতাই নিলে। সেই সময়ত ৰাচিয়াৰ বিশেষজ্ঞ সকলে চীনত ১৫০টা অতি গুৰুত্বপূৰ্ণ প্ৰকল্পসহ মুঠ ২৫৭টা প্ৰকল্পৰ সহায় কৰি আছিল। সকলোবোৰ প্ৰকল্পৰ কাম আধৰুৱা হৈ ৰ'ল। তাতে আকৌ চীনৰ নেতা সৱৰ মাজতেই আদৰ্শৰ মতানৈক্যাই বৃহৎ ফাঁট মেলিলে। প্ৰশ্ন উঠিল অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বৈষয়িক প্ৰেৰণা (material incentive) বা বনাচৰ প্ৰেৰণাৰ (Bonus incentive) দৰ্কাৰ আছে নে নাই? কমিউন বোৰত ভাঙোনে দেখা দিলে। ১৯৬০ চনত কৃষিজাত সামগ্ৰীৰ উৎপাদন ১৯৫৮ বা ১৯৫৯ চনত কৈও কমিল। সেই সময়ত কৃষি উৎপাদন হৈছিল মাত্ৰ ১৫০ নিযুত টন। এনেকুৱা সংকটৰ দিনটো চীনত কিন্তু অনাহাৰত মৃত্যু হোৱা নাছিল। তাৰ প্ৰধান কাৰণ সম-বণ্টন। তেতিয়াই পোন প্ৰথম বাৰৰ বাবে চীনত ৰেচন প্ৰথা (rationing) আৰম্ভ হয়। আগৰ তিনিটা বছৰত জমা কৰা আটাইবোৰ খাদ্য সামগ্ৰী বিক্ৰী কৰা হ'ল। বিদেশৰ পৰা খাদ্য শস্য আমদানি কৰে। ১৯৬১ চনত চীনে ৩৬৭ নিযুত ডলাৰ মূল্যৰ ৬৪,৬৬,০০০ টন খাদ্য সামগ্ৰী আমদনি কৰে।

১৯৬০ চনত চীনৰ পৰিকল্পনাত অগ্ৰাধিকাৰ দিয়াৰ ক্ষেত্ৰত কিছু পৰিবৰ্ত্তন ঘটিল। Agriculture is the foundation and industry is the leading force in the national economy. এই নীতিক অৱলম্বন কৰি চীনৰ অৰ্থনীতি বিকাশত কৃষি আৰু উদ্যোগৰ ভাৰসাম্য ৰক্ষা কৰা হ'ল। পালন কৰা হ'ল কৃষিৰ আঠটা মৌলিক নীতি (eight point charter for agriculture) যেনে জলসিঞ্চন, সাৰ, দকৈ হাল-বোৱা, ঘনৰোপন, ফচল ৰক্ষা, বীজ নিৰ্ব্বাচন কৃষি আহিলাৰ উন্নয়ন, আৰু মাটিৰ তত্বাৱধান। ফলত, ১৯৬৬ চনত কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত প্ৰাচুৰ্য্যতা বাঢ়িল।

আনহাতে মাওঁ চে তুঙৰ "বিপ্লৱী তত্ত্বক আয়ত্ব কৰা, উৎপাদন বঢ়োৱা", "জনগনৰ শক্তিৰ ওপৰত আস্থা ৰাখি আত্মনিৰ্ভৰশীল হোৱা" —আদি গন পন্থাৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি বহু-সংখ্যক কমিউনে উৎপাদন চলাই থাকিল। এনেতে, ১৯৬৪ চনত উত্তৰ চীনৰ শানচি প্ৰদেশৰ তা-চাই নামৰ উৎপাদন বাহিনীয়ে কৃষি উৎপাদনত অবিশ্বাস্য-ফল লাভ কৰিলে। পাহাৰীয়া শিলগুটিৰে ভৰা মাটিক এই উৎপাদন বাহিনীয়ে ১০ বছৰত ৮০ হেজাৰ

শ্ৰম দিবস ব্যয় কৰি সৰু ট্ৰেক্টৰ চলাব পৰা টেৰেছত পৰিণত কৰিলে। ফলত মু-ৰে প্ৰতি ১০০ চিনতকৈও কম উৎপাদন দিয়া মাটিয়ে দিলে মু-ৰে প্ৰতি ১,১০০ চিনকৈ (১ চিন =½ কিলো)। সেয়েহে চীনত কৃষিৰ ক্ষেত্ৰত 'তা-চাইক অনুসৰণ কৰা' হয় আৰু শিল্পৰ ক্ষেত্ৰত তাচিনক।

চীনৰ সাংস্কৃতিক বিপ্লৱে (১৯৬৬) মতাদৰ্শগত দ্বন্দ্বৰ অৱসান ঘটায়। নীতিগত প্ৰেৰনাৰে (moral incentive) উদ্বুদ্ধ হৈ কমিউনবোৰে উৎপাদন বঢ়ালে, আৰ্থিক বৃদ্ধি বাঢ়িল। সাংস্কৃতিক বিপ্লৱোত্তৰ চীনৰ আৰ্থিক উন্নতিত বিশ্বই তবধ মানিলে। ১৯৭৫ চনৰ ১৩ জানুৱাৰীত প্ৰধান মন্ত্ৰী চৌ এন লাইএ চীনৰ খাদ্য বস্তুত স্বয়ম্ভৰতাৰ কথা ঘোষণা কৰিলে। চীনে সেই বুলি খাদ্য শস্য আমদানিও নকৰাকৈ থকা নাই। আমদানি কৰিছে খাদ্য-শস্যৰ বৈচিত্ৰ আনিবৰ কাৰণে। ১৯৭২ চনৰ পৰা ১৯৭৪ চনৰ শেষ ভাগলৈকে চীনে দুই নিযুত ডলাৰ মূল্যৰ খাদ্য শস্য ঘাইকৈ ঘেঁহু আমদনি কৰিছে। আনহাতে সেই একে সময় ছোৱাতেই বন্ধুদেশ সমূহলৈ সমমূল্যৰ খাদ্য শস্য ঘাইকৈ চাউল ৰপ্তানিও কৰিছে। যি সময়ত চীনত জনসংখ্যা বাঢ়িছে ৬০ শতাংশ, কৃষি উৎপাদন বাঢ়িছে ১৪০ শতাংশ আৰু কপাহৰ উৎপাদন বাঢ়িছে ৪৭০ শতাংশ। মুক্তিৰ সময়ত চীনত খনিজ তেলৰ উৎপাদন একেবাৰেই নাছিল; ১৯৭৪ চনত ইয়াৰ উৎপাদন হ'লগৈ ৫০ নিযুত টন। সেইদৰে তীখা উৎপাদনো ১·৬ লাখ টনৰ পৰা ২৩০ লাখ টনলৈ বৃদ্ধি পালে। জনসংখ্যা বৃদ্ধি পোৱা স্বত্তেও চীনত নিবনুৱা সমস্যাৰ সমাধান হৈছে বুলি লিঅ'ন্টিয়েক, গল ব্ৰেইথ্ আদি অৰ্থনীতিবিদ সকলে স্বীকাৰ কৰিছে। অৱশ্যে জনসংখ্যা বৃদ্ধিৰ হাৰ কমাবলৈ তাত প্ৰচেষ্টাও নথকা নহয়। সম-বণ্টন ব্যৱস্থাৰ যোগেদি চীনত বৈষম্য আঁতৰোৱা হৈছে। উপাৰ্জ্জনৰ বৈষম্যৰ অনুপাত ১ : ৩, সৰ্ব্বনিম্ন ৫০ ইউৱান আৰু সৰ্ব্বোচ্চ ১৫০ ইউৱান (এক ইউৱান = ৩ টকা)। চীনত কোনো মগনীয়া নাই। চীনৰ কোনো বৈদেশিক ঋণ নাই। ১৯৬০ চনৰ পৰা চীনত দ্ৰব্যমূল্য একেদৰেই আছে। চীনত শিক্ষা আৰু সাংস্কৃতিৰ বিকাশ সাধিত হৈছে।

চীনৰ প্ৰতিখন কমিউনেই আজি আত্মনিৰ্ভৰশীল। "দুই ভৰিৰ ওপৰত ঠিয় হৈ আগবঢ়া"নীতিক অনুসৰণ কৰি কোনো বিদেশীৰ পৰা সহায় নোলোৱাকৈয়ে সকলো ধৰণৰ কাৰিকৰী জ্ঞান তেওঁলোকে সম্পূৰ্ণ ভাৱে আয়ত্ব কৰি লৈছে। প্ৰতিখন কমিউনত ক্ষুদ্ৰ ক্ষুদ্ৰ বিদ্যুৎ কেন্দ্ৰত কৃষি উৎপাদনৰ সকলো ধৰণৰ আধুনিক যন্ত্ৰ-পাতি নিৰ্ম্মান হৈছে। বিদেশৰ পৰা সকলো ধৰণৰ যন্ত্ৰ-পাতিৰ আমদানি বন্ধ হৈছে। হায়হো, হোৱাই, হোৱাংহো ইয়াংচি আদি দূৰন্ত নদী সমূহক সেও মনাই তাৰ পৰা জলবিদ্যুত উৎপন্ন কৰিছে, মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰিছে, সাৰৰ উৎপাদন বঢ়াইছে, অসংখ্য কল-কাৰখানা নিৰ্ম্মান কৰিছে। চিকিৎসা-বিজ্ঞানৰ বৈপ্লৱিক পৰিৱৰ্ত্তন সাধিত হৈছে। ৰেডফ্লেগ ক্যানাল ইউথ ক্যানাল, বীৰ ক্যানাল, শ্বকোৱাং থাৱৈ আদি নিৰ্ম্মান কৰিছে—কৃষক সকলৰ নিজ কাৰিকৰী জ্ঞান আৰু শ্ৰম-দানেৰে। শ্ৰমৰ মৰ্য্যদা তেওঁলোকে সম্পূৰ্ণভাৱে উপলব্ধি কৰিছে। দুৰ্নীতি কাক কয় তেওঁলোকে নাজানে। প্ৰতি ক্ষেত্ৰতেই তেওঁলোকে দ্ৰুততাৰে অৰ্থ নৈতিক বিকাশৰ সাধনাত ব্ৰতী হৈছে। নিত্য ব্যৱহাৰ্য্য

সামগ্ৰীৰ অভাৱ চীনত নাই । কৃষকৰ ঘৰে ঘৰে আজি নানাধৰণৰ আচৱাব, চাইকেল, ৰেডিঅ', চিলাইকল আদি দেখিবলৈ পোৱা যায়। সেয়ে চীনৰ গ্ৰামীন উন্নয়ণ আজি চকুত লগা। চহৰ আৰু গাৱঁৰ জন সাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড আদি একে হুৰীয়া। এনেদৰে চীনৰ অৰ্থনৈতিক প্ৰগতিত তাৰ গাওঁ আৰু চহৰৰ পাৰ্থক্য কমি কমি একাকাৰ হব ধৰিছে ।

## BIBLIOGRAPHY


1) Red China To-day —by Edgar Snow
2) Red Star Over China —by Edgar Snow
3) What is Marxism ? —by Emile Eurns.
4) The Cultural Revolution in China —by Joan Robinson.
5) Selected Works of Mao-Tse-Tung Vol.-I. —Nabajatak Prakanshan.
6) নতুন পৃথিবী —১ম বছৰ, ৩য় সংখ্যা (মে, '৭২),
7) নতুন পৃথিবী —২য় বছৰ, ২য় সংখ্যা (ফেব্ৰুৱাৰী, '৭৩),
8) অঙ্গীকাৰ —চেপ্তেম্বৰ, অক্টোবৰ, ১৯৭২,
9) অঙ্গীকাৰ —নবেম্বৰ, ডিচেম্বৰ, ১৯৭২,
10) অঙ্গীকাৰ —জুন, জুলাই, ১৯৭৪,
11) অঙ্গীকাৰ —মে, ১৯৭৫,
12) অনীক (বাংলা) —ফেব্রুৱাৰী ১৯৭৩,
13) অনীক ( „ ) —এপ্রিল, ১৯৭৩,

# অৰূপ চলিহাৰ ডায়েৰীৰ একুটুৰা

……সকৰে পৰা যিজনী ছোৱালীয়ে দুখকেই পাই আহিলে, যিজনীয়ে আত্মহত্যাকেই একমাত্র মুক্তিৰ পথ বুলি বাচি লৈছিল সেইজনী ছোৱালীক মই জীয়াই ৰাখিবলৈ বিচাৰিছো অৰূপ। তাই ভাল হৈ উঠক……


শ্ৰীবিপিন বৰুৱা
প্ৰাক্ স্নাতক, ২য় বাৰ্ষিক (কলা)


এই মুহূৰ্ত্তত মই এক নিষ্ঠুৰ যান্ত্ৰণাত ছট্‌ফট্ কৰি উঠিছো। এক তীব্ৰ ঘৃণাত মোৰ সৰ্ব্বশৰীৰ কঁপি উঠিছে। অৱিনাশ বৰুৱাৰ প্ৰতি নহয়। পঙ্গু সোণালী নামৰ সেই ছোৱালীজনীৰ প্ৰতিও নহয়। এই সমস্ত ঘৃণা আজি মই নিজক কৰিছোঁ। মোৰ এনে লাগিছে যেন অৱিনাশ বৰুৱা নামৰ সেই ল'ৰাজনৰ লগত চিনাকী নোহোৱা হলেও বোধহয় ভাল আছিল। কিন্তু হৈছিল আৰু হৈছিলোঁ বাবেই মই আজি এই মানসিক অন্তৰ্দ্বন্দত ভুগিব লগীয়াত পৰিছোঁ।

"মোৰ নাম অৱিনাশ বৰুৱা। ঘৰ যোৰহাটত। দেউতা দুখন চাহবাগিছাৰ মালিক। দুজন ককাইদেউ আছে। দুয়োজনেই চৰকাৰৰ উচ্চ চাকৰিয়াল।" হাঁহি হাঁহি অৱিনাশে নিজৰ পৰিচয় দিছিল। সেইদিনা মোৰ হাঁহি উঠিছিল অৱিনাশ নামৰ ল'ৰাজনে নিজৰ পৰিচয় দিয়াৰ লগতে গোটেই ঘৰখনৰেই পৰিচয় দিয়াত।

"বেয়া নাপাবা। অৱশ্যে তুমি মোতকৈ দুবছৰ …… তথাপি তোমাক মোৰ ভাল লাগিছে। বন্ধু বুলিয়েই লবা। তাৰোপৰি মই যেতিয়া তোমাৰ 'ৰুমমেট' তুমি মোৰ খবৰ, মই তোমাৰ খবৰ লবই লাগিব। হোষ্টেলটো আৰু ঘৰ নহয়।" কথাখিনি কৈ হোঁ হোঁকৈ হাঁহি দিছিল অৱিনাশে। এটা অস্বাভাৱিক হাঁহি।

অ' পাহৰিছো। তুমি গাৰঁৰ পৰা অহা নাই জানো? বাৰু কোৱাচোন গাৰঁক তুমি ভাল পোৱানে নোপোৱা? অতি অপ্ৰত্যাশিত ভাৱে কৰা প্ৰশ্নটো শুনি মই যেন কিছু অপ্ৰস্তুত হৈছিলোঁ। অৱিনাশ বৰুৱাই মোক

একেবাৰে সৰু ল'ৰা বুলি ভাবিছেনেকি ? মই কৈছিলো—

"পাওঁ।"

"এৰা পোৱাটো স্বাভাৱিক। কিন্তু ইয়ালৈ অহাৰ পাচত বহুতে পাহৰি যায় যে গাওঁখনক মই ভাল পাওঁ। গাওঁখনৰ প্ৰতি মোৰ বহুতো যে কৰ্ত্তব্য আছে। কথাখিনিত মই যেন বিদ্ৰুপৰ সুৰ অনুভৱ কৰিলোঁ। অৱিনাশে কথাখিনি মোকেই কোৱা নাইতো! নে অৱিনাশ নামৰ এজন ধনী মানুহৰ লৰাই মোক নৈতিকতাৰ শিক্ষা দিবলৈ আৰম্ভ কৰিছে। মই অৱিনাশৰ মুখলৈ চালো। কিন্তু অৱিনাশৰ মুখতটো সেই ভাৱান্তৰ নাই।

কলেজত মই বহুতো ল'ৰাই লগ পাইছো। বহুতৰে লগত মোৰ চিনাকী হৈছে। কিন্তু বন্ধুত্ব বুলিবলৈ কাৰো লগতে মোৰ তেনেকৈ নাছিল। মই খেতিয়কৰ ল'ৰা। এটা সীমিত খেতিৰ মাটিত দেউতাই দিনে ৰাতিয়ে কৰা পৰিশ্ৰমেৰে মোক চহৰলৈ পঢ়িবলৈ পঠিয়াইছিল। পঢ়াশুনাত ভাল আছিলো বাবেই। আৰু সেই কাৰণেই কলেজৰ আনবোৰ ল'ৰাৰ দৰে হাঁহি স্ফূৰ্ত্তি কৰিবলৈ মই যেন নিজকে সংকোচ বোধ কৰিছিলোঁ। এটা সংকীৰ্ণ ভাৱে মোক যেন অনবৰতে আগুৰি আছিল। বহুতে মোক অহংকাৰী বুলিও ভাবিছিল।

ব্যতিক্ৰম আছিল অৱিনাশ। অৱিনাশৰ মাজত মই যেন কিবা এটা বিচাৰি পাইছিলোঁ। খুব বেছি কথা কোৱা, কথাই প্ৰতি হো হোকৈ হঁহা, কলেজৰ ছোৱালীবোৰৰ লগত চুপতি মৰা অৱিনাশক যেন আন বহুতো ল'ৰাৰ দৰে ভাবিবলৈ টান লাগিছিল। অৱশ্যে ভাৱ-ভঙ্গীৰ ফালৰ পৰা অৱিনাশৰ লগত মোৰ পাৰ্থক্য আছিল। কিন্তু মনৰ যেন কিছু মিল আছিল। তথাপিও দিনবোৰ যোৱাৰ লগে লগে মোক এনে লাগিছিল, অৱিনাশক মই যেন ভালকৈ বুজা নাই। সি যেন দিনে দিনে বেলেগ হৈ গৈছে। ক্লাচৰ ল'ৰাবোৰৰ মুখতে শুনিছিলো অৱিনাশে হেনো আজি কালি সমাজ সেৱা কৰি ফুৰে। কথাবোৰ শুনি মোৰ হাঁহি উঠিছিল। এদিন অৱিনাশক সুধিছিলোঁ— "কি অ' অৱিনাশ আজি কালি বোলে দেশৰ কথা খুব চিন্তা কৰিছ ?"

"এৰা দেশখনক নতুনকৈ ভাল পাইছোঁ।"

"চাবি আকৌ বেছি ভাল নেপাবি।"

কথাখিনি শুনি সি হোঁ হোঁকৈ হাঁহি দিছিল। কিন্তু মই ভাৱিছিলোঁ অৱিনাশ বৰুৱা নামৰ এজন ধনী ঘৰৰ ল'ৰাৰ এইবোৰ বিলাস।

আজি দহবছৰৰ পিছত এই অৱিনাশকে লগ পাইছোঁ। আৰু লগ পাইছো অতি অপ্ৰত্যাশিত ভাবে। মোৰ বাবে যেন অৱিনাশ বৰুৱা এটা অপ্ৰত্যাশিত সত্য! সময়ে মানুহক স্বাৰ্থপৰ কৰি তোলে নে নোতোলে সেই কথা মই নাজানো। মই কিন্তু স্বাৰ্থপৰ হৈ গৈছিলো। আজি দহ বছৰেই মই অৱিনাশৰ খবৰ লোৱা নাই। ব্যস্ততা পূৰ্ণ জীৱনত মই অৱিনাশক খবৰ লবলৈ প্ৰয়োজন বোধ কৰা বা সময় পোৱা নাই। অৱশ্যে অৱিনাশেও আজি ইমান দিনে মোৰ খবৰ লোৱা নাই।

আজি দহ বছৰ মই ডাক্তৰী কৰিছোঁ এইখন চহৰত। টি, বি, ৱাৰ্ডৰ চাৰি নম্বৰ কোঠাৰ ৰোগীৰ দায়িত্ব মোক দিয়া হৈছিল। কিন্তু মই জনা নাছিলো সেইজনী ৰোগী যে সোণালী। সেইবাবে বোধহয় প্ৰথমে মই চিনি পোৱা নাছিলোঁ। সোণালীয়ে কিন্তু মোক চিনি পাইছিল।

"অৰূপ ককাইদেউ!"

"সোণালী......তই ইয়াত! তই ইয়ালৈ কেতিয়া আহিলি? তহতঁৰ খবৰ কি আৰু গাৱঁৰ খবৰ?" মই যেন উত্তেজিত হৈ পৰিছিলো সোণালীক দেখি। মই পাহৰি গৈছিলো সোণালী যে ৰোগী। গাৱঁৰ লগত সম্পৰ্ক মোৰ কেতিয়াবাই শেষ হৈ গৈছে। দেউতা মৰাৰ পাছত মা, ভনী সকলোকে মোৰ ইয়ালৈ লৈ আহিলোঁ। তাৰ পিছৰ পৰা আৰু গাৱঁৰ খবৰ পোৱা নাই। সোণালীহতঁৰ খবৰো মই ইমান দিনপোৱা নাছিলোঁ।

"সিমান ভাল নহয় ককাইদেউ। গাওঁখনবো আগতকৈ বহুত পৰিৱৰ্ত্তন হ'ল।" মই সোণালীৰ মুখলৈ চালোঁ। সোণালীৰ কপালৰ সেন্দুৰৰ ফোটটোত মোৰ চকু বৈ গ'ল। তাৰ মানে সোণালীৰ বিয়া হৈ গ'ল। ভাল লাগিল, সোণালী নামৰ এই দুৰ্ভগীয়া ছোৱালীজনীৰ বিয়া হৈ যোৱাত। মাৰ মুখতে শুনিছিলো সোণালীলৈ হেনো কোনোৱেই আগবাঢ়ি অহা নাই। কাৰণ সোণালী পঙ্গু। সৰুতেই কিবা দুৰ্ঘটনাত এটা ভাৰ নষ্ট হৈ গৈছিল সোণালীৰ।

"বিয়ালৈ অৰূপ ককাইদেউক নেমাতিলি নহয়? পিছে মোক চিনাকী কৰি নিদিয় জানো।" কথাখিনি শুনি সোণালীয়ে লাজত তলমূৰ কৰি কলে—

"কিয় ককাইদেউ আপোনাৰ লগত যে আমাৰ গাৱঁলৈ গৈছিল অৱিনাশ বৰুৱা।"

"অ...ৱি...না...শ ব...ৰু...ৱা !!!"

"মনত পৰিছেনে ডাক্তৰ চাহাব?" কোন সময়ত যে অৱিনাশ আহি মোৰ পিছ ফালে বৈ আছিল গম পোৱা নাছিলোঁ। প্ৰশ্নটো কৰিয়েই হো হোকৈ হাঁহি দিছিল অৱিনাশে। এটা পৰিচিত হাঁহি।

বহুতো কথাই শুনিলো অৱিনাশৰ পৰা। গাৱঁৰ কথা। অৱিনাশৰ কথা। গাৱঁৰ হাইস্কুলতেই অৱিনাশে শিক্ষকতা কৰি আছে। কিন্তু গাৱঁতো হাইস্কুল নাছিল। মই বুজিলো ইয়াৰ একমাত্ৰ কাৰণ অৱিনাশ।

"কিন্তু সোণালীক ইমান পলমকৈ আনিলি কিয়?" প্ৰশ্নটো শুনি অৱিনাশে এটা শেঁতা হাঁহি মাৰিছিল।

"নানো বুলিয়েই ভাবিছিলোঁ, কাৰণ সোণালীৰেইতো এই বেমাৰ হোৱা নাই। গাৱঁৰ বহুতো সোণালীৰেই হৈছে। কিন্তু সেই সকল চহৰলৈ চিকিৎসাৰ বাবে আহিব পৰা নাই। কিন্তু কি কথা জান? সকৰে পৰা যিজনী ছোৱালীয়ে দুখকেই পাই আহিলে, যিজনী ছোৱালীয়ে আত্মহত্যাকেই একমাত্ৰ মুক্তিৰ পথ বুলি বাচি লৈছিল সেইজনী ছোৱালীক মই জীয়াই ৰাখিবলৈ বিচাৰিছোঁ। তাই ভাল হৈ উঠক। তাই ভাবক পৃথিবীখন সুন্দৰ।" কথাবোৰ শুনি মই যেন থৰ হৈ গৈছিলোঁ। আজি দহ বছৰৰ পাছত মই অৱিনাশক বুজিবলৈ টান পালোঁ। মই, মাথো অৱিনাশ নামৰ মানুহটোৰ হৃদয়খন জুমি জুমি চাবলৈ চেষ্টা কৰিলোঁ।

## —ঋতু শেষৰ বাবে—

অধ্যাপক জীৱন চন্দ্ৰ শৰ্ম্মা

এতিয়া সময় হ'ল
ঘৰ সোমোৱাৰ,
বৰ্ষশেষৰ গধূলী।

এইয়া ঋতুশেষ,
মেঘহীন পুৱতীৰ আকাশ বিয়পি
সৰু সৰু থুপ থুপ তৰাৰ চানেকী।
ঋতুশেষৰ এই পোহৰত
হালিজালি তৰুৱা নাচিছে,
হৃদয়ৰ পিঞ্জৰ উৱাৰি প্ৰাণৰ মায়াৰে
বিহঙ্গই কাকলি মেলিছে,
ছায়াত পূৰ্ব্বাভাস,
অনাগত বসন্তৰ।
বৰ্ষশেষত বৃক্ষৰ তলত,
শুনা নাই পক্ষী শাৰকাৰ
পুৱতীৰ সিহঁতৰ কণ্ঠস্বৰ করুণ মৰ্ম্মৰ,
শুনিছো মাথোন,
আহিছে বসন্ত বা
উত্তৰৰ পৰ্ব্বত ঢৌৱাই, নতুনক ৰিঙিয়াই,
অসীমৰ বাৰ্ত্তাবহ, অপূৰ্ব্ব সুন্দৰ,
মোৰ দুৱাৰত আহি উপস্থিত,
বসন্ত বাহাৰ।

## নতুন জ্যোতি

বাসন্তী শৰ্ম্মা

প্ৰাক স্নাতক, ১ম বাৰ্ষিক (কলা)

পুৱাৰ শৰতৰ শেৱালী জোপাৰ
শুভ্ৰ বগা ফুলবোৰে
মোক নতুন জীৱনৰ
সন্ধান আনি দিলে।

পুৱাৰ কিৰণজ্যোতিয়ে
উদ্ভাসিত কৰিলে মন
চকুৰ আগত দেখিছো
সেউজীয়া গছ লতাৰে ভৰা
এখন বিস্তীৰ্ণ তৃণ-ভূমি।

তাত আছে মাত্ৰ—
বসন্তৰ নবাগত আদৰণী
আৰু; মোৰ মনৰ তৃণ-ভূমিলৈ
আহিছে নতুন সূৰ্য্যৰ সোনোৱালী ৰহণ।

……মানুহে আমাক ভুল বুজে। ৰাজুক হত্যা কৰাৰ আমাৰ কোনো অভিলাষ নাছিল। ৰাজু জীয়াই থাকক, আমিও জীয়াই থাকিম এয়েই আছিল আমাৰ মনৰ ভাব। কিন্তু……মোৰ চকু দুটা সেমেকি উঠিছে। নিজৰ উপাৰ্জ্জনৰ পথ রুদ্ধ হৈ যোৱাৰ বাবে নহয়। ৰাজুৰ জীৱন বন্তিৰ শিখা নুমাই যোৱাৰ বাবেহে……।

# তেজ

শ্ৰীমোহন শৰ্ম্মা
স্নাতক, ২য় বাৰ্ষিক (বিজ্ঞান)

হেমন্ত কুমাৰৰ কণ্ঠৰ গীত কোনো আভিজাত্য পৰিয়ালৰ ঘৰৰ ৰেকৰ্ডত বাজি আছে। অমাৱস্যাৰ আন্ধাৰ নিশা। সি অকলশৰীয়া ৰাস্তাৰ কাষেদি গৈ আছে। লেম্প প'ষ্ট এটাৰ কাষত হঠাত চেফাৰ্ড হ'ল। কেইদিনমানৰ আগেয়ে পিয়নে দি যোৱা ভণীয়েকৰ চিঠিখন সি পঢ়ি গ'ল।

"……মা এই মাহৰ ২৮ তাৰিখে স্বৰ্গগামী হ'ল। প্ৰসেনজিৎহঁতৰ ঘৰৰ পৰা ৩০ টকা আনি অন্ত্যেষ্টিক্ৰিয়া কৰালোঁ।। বৰ্ত্তমান, শূণ্য ঘৰটোত মই অকলে আছোঁ। তুমি থাকোতে ভিজা মেকুৰীৰ দৰে মূৰ লুকুওৱা সেই ডঙুৰা জাকে আজি কালি আমাৰ ঘৰৰ ওচৰতে আদ্দামাৰি থাকে। মাজে মাজে জোকাবলৈ ধৰিছে। তুমিতো মোক চাকৰি পালো বুলি লিখিছিলা। চাকৰি পালা বুলিয়েই ঘৰলৈ আহিব নেলাগেনে? তুমি পঠাই দিয়া ৫০ টকা পালোঁ। আৰু নিলিখোঁ। চাকৰিৰ পৰা ছুটী লৈ এবাৰ আহি যাবা।

ইতি— ৰোজী

চাকৰি……? চেফাৰ্ডৰ মনে মনে হাঁহি উঠি গ'ল। ৰোজীজনীও কি আচৰিত ছোৱালী নিজৰ মাকৰ মৃত্যুৰ খবৰ ইমান সহজকৈ লিখিছে। চিঠিখনৰ শেষৰ বাক্য শাৰী মনত পৰি তাৰ বুকুখন চিৰিংকৈ কঁপি উঠিল। চাকৰিৰ ছুটীলৈ এবাৰ আহি যাবা…। এবা সি ঘৰলৈ যাব লাগিছিল। কিন্তু এতিয়া আৰু সি কি বুলি ঘৰলৈ যাব। সিটো কোনো চাকৰিয়েই কৰা নাই। মাত্ৰ চাকৰিৰ নামত ভুৱা। তথাপিও সি আজি কিছুদিনৰ আগতে ভণীয়েকলৈ টকা পঠাব পাৰিছিল। নিজেও মহাৰজাৰ দৰে ৰাজ সুখত খাব পাৰিছিল।

আজি কেইদিনমানৰ আগৰ কথা। এজন কোটিপতিৰ একমাত্ৰ সন্তানজন নৰিয়াত পৰিল। নৰিয়া আন একো নহয় blood cancer। নাৰ্চিং হোমৰ চিকিৎসকজনে ৰাজুৰ দেউতাকক ক'লে —Till you supply continuous blood in each alternate day your son will survive, otherwise, not. The newly pushed blood becomes poisonous due to cancer cells. In the interval of one day so fresh blood is required এজন কোটিপতিৰ সন্তান বাবেই অথবা পৰিয়ালবৰ্গ যথেষ্ট হোৱাৰ কাৰণেই, বহুতে ৰাজুক তেজ দিলে। প্ৰায় ৯৮ পাউণ্ড তেজ তেতিয়ালৈকে ৰাজুৱে বিষাক্ত কৰি পেলাইছে। বাপেকে জানে ৰাজু মৃত্যু পথৰ যাত্ৰী। ৰঘুমলাৰ দৰে অন্যৰ তেজৰ ওপৰত ভৰসা কৰি তাক আৰু হয়তোবা বেছিদিন জীয়াই ৰাখিব

নোৱাৰিব। মৰুভূমি ৰসাল কৰিম বুলি কলহে কলহে পানী ঢলা যেনে কথা ৰাজুক নতুন তেজ আনি জীয়াই ৰাখিবলৈ চেষ্টা কৰাৰ প্ৰচেষ্টাও সেই একে কথা। কেৱল ৰাজুৰ দেউতাকেই এই উপলব্ধি কৰা নাই। সকলোৱেই উপলব্ধি কৰিছে। সেয়ে প্ৰায় সকলোৱেই তেজ দিবলৈ ইচ্ছা নকৰা হ'ল। —৪৮ ঘণ্টা পাৰ হৈ গৈছিল। দেউতাকে বহু কষ্ট কৰি বিচাৰি অনা নতুন তেজৰ মিয়াদ প্ৰায় উকলি গ'ল। কিছু সময়ৰ আগতে দেউতাকৰ লগত কথা পাতি থকা ৰাজুৱে চট্‌ফট্ কৰিবলৈ ধৰিলে। নাৰ্চিং হোমৰ বিচনাত শুই থকা ৰাজু অধৈৰ্য্য হৈ পৰিল। আৰু বিচনাত ইকাটি সিকাটি কৰিব ধৰিলে। তাৰ উশাহবোৰ ঘন হৈ আহিল। গোটেই মুখমণ্ডল ঘামেৰে উপচি পৰিল। মাতবোল প্ৰায় নাইকিয়া হ'ল। চকু দুটা গৰম লোতকেৰে ভৰি পৰিল। অধৈৰ্য্য হৈ ৰাজুৱে ওচৰত উলিয়াই থোৱা তেজৰ শূণ্য বটলৰ পিনে আঙুলিয়াই কিবা ক'ব বিচাৰিছে। "তেজ আনি দিয়া", "তেজ আনি দিয়া।" মই বাচি থাকিব বিচাৰো, মই সদাই জীয়াই থাকিব বিচাৰো। চোৱা, মোৰ উশাহবোৰ ঘন হৈ গৈছে। এনেকৈ থাকিলে মই মৰি যাম দেউতা, মই মৰি যাম···। নিৰুপায় দেউতাকে তাক ক'ৰ পৰা তেজ আনি দিব? অথচ ৰাজুৰ নিশ্চিত মৃত্যুৰ কথা জানিও এনেকৈ তিলতিলকৈ মৃত্যু যন্ত্ৰনা ভুগি থকা পুতেকৰ দৃশ্য দেখি সহিব নোৱাৰিলে। শেষবাৰ তেজ অনাৰ পাছত গোটেই চহৰতে ৰাষ্ট্ৰ কৰি দিয়া হৈছিল যদিও কতো Group "A" তেজ থকা মানুহ লগ নেপালে। যি দুই এজন আছিল তেওঁলোকে নিশ্চিত মৃত্যুৰোগীৰ বাবে তেজ দি নিজৰ তেজ অপব্যয় কৰিবলৈ আগনাবাঢ়িল। নাৰ্চ, চিকিৎসক, কম্পাউণ্ডাৰ সকলো দৌৰি আহিল। কিন্তু সকলো অসহায়। ইজনে সিজনৰ চকুলৈ চাবলৈ ধৰিলে। ৰাজুৰ দেউতাকে অসহায় দৃষ্টিৰে কিবা সহায় পোৱাৰ আশাৰে তেওঁলোকৰ ফালে চালে। কিন্তু প্ৰত্যেকৰে চাৱনি আছিল উদাস।

সেই সময়তে চেফাৰ্ড, চন্দন, অশোক নাৰ্চিংহোমত উপস্থিত হৈছিল। তেওঁলোকক কোনেও চিনি নাপালে নিজৰ পৰিচয় দিবলৈ গৈ চেফাৰ্ডে কলে—We have no identity in our names but we have blood marked as group "A"

মানুহজন পগলাৰ দৰে দৌৰি আহিল আৰু চেফাৰ্ডৰ ভৰিত গবা মাৰি ধৰিলে।

ৰাজুৱে আকৌ ৪৮ ঘণ্টাৰ কাৰণে জীৱন পালে।

সিহঁতে প্ৰতি পাউণ্ডত তেজৰ দাম লৈছিল ৫০ টকাকৈ। য'ত তেজৰ মূল্য প্ৰতি পাউণ্ডত ১৩ টকাহে আছিল। ৬ দিনৰ পিছে পিছে পাল পাতি এজনৰ পাছত এজনে তেজ দিলে চিকিৎসা বিজ্ঞানৰ কোনো বাধা নাছিল কাৰণ সুস্থ শৰীৰৰ পৰা উলিয়াই অনা তেজ প্ৰতি ৯৬ ঘণ্টাত পূৰ্ণ হয়।

ৰাজুৰ দেউতাকে যেতিয়া group "A" তেজ বিচাৰি গোটেই চহৰ হুলস্থুল লগাইছিল তেতিয়া সেই বাতৰি চেফাৰ্ড, চন্দন, অশোকহঁতৰ কাণত পৰিছিল। সিহঁতৰ মন তেতিয়া আনন্দত নাচি উঠিল কাৰণ সিহঁত তিনিওটাৰ তেজ "A" groupৰ। শেষত নিজৰ তেজ টোপাও যে সিহঁতৰ জীয়াই থকাৰ উপায় হ'ল।

গোটেই চহৰতে যেতিয়া group "A" তেজ দিওঁতা মানুহৰ অভাৱ হ'ল স্বাভাৱি-

কতে চেফাৰ্ডহঁতৰ মনত গৰ্ববোধ হ'ল। সিহঁতে এই সুযোগ এৰি দিব নোৱাৰিলে। আনন্দ সহ দুদিনমান জীয়াই থকাৰ এইয়ে সিহঁতৰ বাবে উপযুক্ত সুযোগ। চেফাৰ্ডে ৰাজুৰ দেউতাকক কলে তেজৰ দামৰ উপৰিও যদি আমি অসুস্থ হওঁ, দুৰ্ব্বল হওঁ তেনেহলে আমি তেজ দিবলৈ অক্ষম হ'ম। আমাক সুস্থ আৰু সবল কৰি ৰাখিবৰ কাৰণে বিনামূলীয়া পুষ্টিকৰ খাদ্য আৰু মন প্ৰফুল্ল ৰাখিবলৈ প্ৰমোদৰ সামগ্ৰীৰ নিয়মিত ভাৱে আমাক প্ৰদান কৰাটো আপোনাৰ পুত্ৰ স্নেহৰ খাটিৰত এটা প্ৰধান কৰ্ত্তব্য নহবনে ? কোনো পন্থা নথকা ৰাজুৰ দেউতাকৰ বাবে সিহঁতৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰাটো সম্ভৱ নাছিল। সিহঁতৰ যি কোনো দাবীকে মানি লবলৈ ৰাজুৰ দেউতাক মান্তি হ'ল। ৰাজুৰ দেউতাকে সিহঁতক পাই, সিহঁতক যেন ৰাজুক বচাবলৈ স্বৰগৰ কোনোবা ৰাজদুতহে আহিছে এই বুলিহে ভাবিলে।

দুমাহ কাল এইদৰে পাৰ হৈ গ'ল। ৰাজুৰ দেউতাকৰ চিন্তা দূৰ হ'ল। তিনিজন নিষ্কৰ্মা ডেকা লৰাক পুহি ৰাখিবলৈ তেওঁৰ টকাৰ অভাৱ নাই সেয়ে ৰাজুৰ দেউতাকে আকৌ বিয়া কৰালে। নতুন পত্নীয়ে ৰাজুক যথেষ্ট মৰম কৰে। কিন্তু দিনক দিনে তিনিজন নিষ্কৰ্মা যুবকক পুহি ৰখাটো সহ্য কৰিব নোৱাৰা হৈ পৰিল। তেজৰ মূল্য তেওঁ ৫০ টকাৰ ঠাইত একে খাপেই ১৩ টকালৈ কমাই দিলে। আন-হাতে ওপৰঞ্চি সুবিধা দিয়াটো তেওঁ পক্ষপাতি নহয়। চন্দন, চেফাৰ্ড আৰু অশোকে একেলগে বিদ্ৰোহ ঘোষণা কৰিলে। তিনিদিনৰ বাবে সিহঁত অন্তৰ্দ্ধান হ'ল।

যোৱা কালিৰ কথা। আমি তিনিও আকৌ একেলগে ৰাজুৰ ঘৰত উপস্থিত হলোগৈ। আমাৰ তিনিদিনৰ অন্তৰ্দ্ধান ঠিক চাকৰিৰ দৰমহা বৃদ্ধিৰ বাবে কৰা যেন ধৰ্ম্মঘট হে আছিল। কিন্তু ঘৰৰ নিৰ্জন পৰিবেশ আৰু কৰিদোৰত জপৰা চুলিৰে দাৰোৱানজনক দেখিয়েই আমাৰ মনত সন্দেহ হ'ল। পচুলিত বন্দুক লৈ থকা দাৰো-ৱানজনে কলে— "ৰাজু বাবু আউৰ নহী ৰহে।" আমি নিমাতে ওলাই আহিলোঁ। মানুহে আমাক ভুল বুজে। ৰাজুক হত্যা কৰাৰ আমাৰ কোনো অভিলাষ নাছিল। ৰাজু জীয়াই থাকক, আমিও জীয়াই থাকো। ইয়েই আছিল আমাৰ মনৰ ভাৱ। নিজৰ প্ৰয়োজনীয়তা দৰ্শাবৰ বাবেই আমি কেৱল তিনিদিনৰ বাবে আঁতৰি আহি-ছিলোঁ, এবাৰৰ বাবে এই ধনী মানুহজনে কৰবাৰ পৰা "A" groupৰ তেজ বিচাৰি আনিব পাৰিব। কিন্তু পায় ক'ত ? তেজ বিচাৰোতে খোৱা হাবাথুৰিয়ে প্ৰমাণ কৰিলে আমাৰ তেজৰ মূল্য কিমান। আমি কিমান প্ৰয়োজনীয় বস্তু। যদিওবা কাৰো ভবাৰ প্ৰয়োজন নাই— আমি কিয় তেজ বিক্ৰি কৰিছোঁ।

# গোৰোহাত উৰিছে ৰঙা মাটিৰ ধূলি

ললিতা কোঁৱৰ
স্নাতক, ১ম বাৰ্ষিক (বিজ্ঞান)

"বিপ্লব স্পন্দিত বুকে,
মনে হয় আমিই লেনিন।"
(সুকান্ত)

মোৰ খোজতে ভাগি পৰে যদি
তিতি থকা দুবৰিৰ বন,
তাতো মই বিচাৰি চাম
মুকুতাৰ দৰে উজ্জ্বল নিয়ৰৰ টোপালত থকা
তিৰবিৰ সূৰ্য্য হেৰাই গ'ল কত—

দুঃখে ভৰা পৃথিৱীত
"গোলাকাৰ জোন হেনো ক'লা পৰা ৰুটি":
শীতৰ কুৰঁলীত জানো সেমেকিছে বেলি।

শাওনৰ কঠিয়াত আমাৰ দেহৰ তেজ
ঘাম হৈ পৰি
আঘোণত আশা হৈ ফুলিল;
পুৱা উঠি দেখা পালো কিয়
ৰ'দৰ চেঁকুৰাই ইঁহা
সোণালী শস্যৰ সেই পথাৰত
হত্যাকাৰীৰ নিষ্ঠুৰ হাতৰ হেতা-ওপৰা

আশাহত বেদনাত জ্বলি উঠিল মন
দেহে দেহে বাগৰিল কিবা শিহঁৰণ
শীতত নহয়, কঁপি উঠিল ঘৃণাত শৰীৰ
বুকুৰ মাজত প্ৰতিশোধৰ অপেক্ষা অধীৰ।

প্ৰতিজন
প্ৰতিজন মেহনতকাৰীৰ হাতৰ মুঠিৰ কাঁচি
আৰু ঘামি উঠা বহল বুকুত
যদি জিলিকে দুপৰৰ বেলি
গোৰোহাত উৰি যায় যদি ৰঙা মাটিৰ ধূলি;
কোনে কব, কোনে কব
কুৰঁলীত সূৰ্য্য সেমেকিছে বুলি ??

ক্লান্তি আমাৰো নাই,
উদ্যমো হেৰুৱা নাই
যোৱা নাই ভাগি আমাৰ বজ্ৰ নিনাদৰ ধ্বনি—
এয়া মাথো প্ৰকৃততে ক্ষন্তেক জিৰণী
সফল প্ৰস্তুতি স্পষ্ট লক্ষ্যৰ,
............।

পৰিবৰ্ত্তিত দৃশ্যত চিত্ৰায়িত হব
প্ৰতিজন মেহনতকাৰীৰ হাতৰ মুঠিৰ কাঁচি
গোৰোহাত উৰিব ৰঙা মাটিৰ ধূলি—
শোষকৰ চিতাগ্নি পলকতে উঠিব জ্বলি॥

# নাটক আৰু চিনেমা ঃ একৰাশি বিক্ষিপ্ত চিন্তা

অধ্যাপক শ্ৰীতড়িৎ চৌধুৰী

১। বিদেশত যিদিনাখন টি, ভিৰ আৱিস্কাৰ হ'ল, সেইদিনাখনেই চিনেমাশিল্পৰ জগতলৈ নামি আহিল ঘনঘোৰ দুৰ্দ্দিন। শীত-প্ৰধান দেশ সমূহৰ ঘৰগোনা মানুহবিলাকে ঘৰত বহি বহিয়েই চিনেমাৰ স্বাদ লাভ কৰিলে। চিনেমা শিল্পৰ কৰ্ণধাৰ সকলে হায় হায় কৰি উঠিল। চিনেমাৰ মাজত স্থকুঙা বুজি দৰ্শকক আকৰ্ষণ কৰি টানি অনাৰ উদ্দেশ্যেৰে আমদানি কৰিলে ভায়োলেন্স আৰু পৰ্ণোগ্ৰাফিৰ, ঠিক ইমানখিনি নহলেও, চিনেমা শিল্পৰ আৱিস্কাৰে এদিন নাট্য জগতলৈয়ো সন্দেহ আৰু অনিশ্চয়তাৰ বন্যা নমাইছিল। চিনেমাৰ আৱিৰ্ভাৱক মানুহে প্ৰথমে ভাল দৃষ্টিৰে নাচাইছিল যদিও আৰ্টৰ এই ন মাধ্যমটিয়ে কম মানুহকে আকৰ্ষণ কৰা নাছিল। টি, ভি,এ যেনেকৈ চিনেমা-শিল্পক গ্ৰাস কৰিব পৰা নাই, তেনেকৈ চিনেমায়ো থিয়েটাৰ বা মঞ্চাভিনয়ক ধ্বংস কৰিব পৰা নাই। এই কথা বৰ্ত্তমান প্ৰমানিত হৈছে যে নাটক, চিনেমা, যাত্ৰা বা টি, ভি,— ইহঁত প্ৰত্যেকৰে মাধ্যম স্বতন্ত্ৰ। এটাৰ লগত আন এটাৰ 'ব্লেণ্ডিং' হলে হয়তো উৎকৃষ্টতৰ সৃষ্টি হব পাৰে, কিন্তু সি কেতিয়াও নিজৰ স্বতন্ত্ৰতা লোপ হোৱা কথাটো পৰিস্ফুত নকৰে।

২। নাটক আৰু চিনেমাৰ মাজত অনেক প্ৰভেদ বৰ্ত্তমান। ইয়াৰ মৌলিক পাৰ্থক্য এইখিনিতে যে এটিত কায়া আৰু অন্যটিত ছায়া। নাটক, প্ৰেক্ষাগৃহত দৰ্শকৰ সন্মুখত এটি নিৰ্দ্দিষ্ট সময়ৰ বাবে অভিনীত হয়, চিনেমাৰ অভিনয় আকৌ 'আউটডৰ'ৰ আৰু 'ইনড'ৰ চুটিঙৰ সাহায্যত কেমেৰাত বন্দী কৰি ৰখা হয়। সৰ্ব্বশেষত সম্পাদনাৰ জৰিয়তে দুইকো তিনিঘণ্টাৰ উপযোগী কৰি দৰ্শকৰ সন্মুখত তুলি ধৰা হয়। সেই কাৰণে নাটক অভিনয়ৰ প্ৰসঙ্গত য'ত 'কন্টিনিউটি' বিদ্যমান, ত'ত চিনেমাৰ চুটিং সকলো সময়তে খাপ নোখোৱা ধৰণে গৃহীত হৈছে। ছায়াৰ এটি সৰু উদাহৰণ লৈ বিষয়টো অধিক পৰিস্ফুত কৰা হওক। নায়কে অধীৰ হৈ অপেক্ষা কৰিছে, নায়িকা আহিব, বাহিৰত গাড়ীৰ হৰ্ণ শুনা গ'ল, নায়কে উঠি গৈ পৰ্দা দাঙি চাই অভ্যৰ্থনা জনালে, নায়িকা ভিতৰলৈ সোমাই আহি বহিল, এই ঘটনাটোকে নাটকত দেখুৱাবলৈ যিমান সুবিধাজনক, চিনেমাত সিমানেই অসুবিধাজনক। অথচ চিনেমাৰ চুটিং যেতিয়া আৰম্ভ হয় তেতিয়া এইখিনি কথাকেহে কেমেৰাত বন্দী কৰি ৰখা হয় যেনে— নায়ক বহি আছে, তেওঁ যেন এটা হৰ্ণ শুনি উঠি গ'ল আৰু অভ্যৰ্থনা জনালে। অথচ চুটিঙৰ সময়ত যেনেকৈ গাড়ীৰ হৰ্ণো শুনা নাযায়

তেনেকৈ নায়িকাও নাহে। পিচত সম্পাদনাৰ সময়ত গাড়ীৰ হৰ্ণৰ শব্দ লগতে জুৰি দিয়া হ'ল আৰু এটা বেলেগ দৃশ্যত নায়িকা বহি থকা কথাটো জুৰি দিয়া হ'ল। কাজে চিনেমাৰ অভিনয় প্ৰসঙ্গত বহু সময়ত এজনে আনজন'ৰ কথা কল্পনা কৰিয়েই কৰিব লগা হয়। গতিকে এইটো নিসন্দেহে এটা ক্ষমতা-সাপেক্ষ ব্যাপাৰ। ইয়াৰ উপৰি চিনেমা আৰু নাটকৰ অভিনয় ৰীতিতো গুৰুতৰ পাৰ্থক্য আছে। নাটকৰ অভিনয়ত শেষৰ শাৰীৰ দৰ্শক জনে অভিনয় দেখা পাইছে নে নাই এই কথাটোও অভিনেতাই লক্ষ্য ৰাখিব লাগে। সেইকাৰণে ভয়তেই হওক বা বিস্ময়তেই হওক অভিনেতাই চকু যিমান বৰকৈ মেলা দৰকাৰ তাতকৈ অধিক বৰকৈ মেলে। কথাও কব লগা হয় স্বাভাৱিক স্বৰতকৈ উচ্ছ স্বৰত। কিন্তু কেমেৰাৰ সম্মুখত এই বিলাক কৰিব নালাগে। কিঞ্চিতোধিক অভিনয়কে কেমেৰাই অধিকতৰ ৰূপ দিব পাৰে। ইয়াৰ উপৰি উকা দৃষ্টিত ধৰা নপৰা কথাবিলাকো কেমেৰাই পৰিস্কাৰকৈ ধৰি ৰাখিব পাৰে। সেইকাৰণে নাটকৰ একুটিওত য'ত নাটকীয়তা বিদ্যমান, চিনেমাত তাত স্বাভাৱিকতাৰ প্ৰতিহে লক্ষ্য ৰখা হয়। বোধকৰো এই কাৰণেই বহু সময়ত দেখা যায় যে নাটকৰ কৃতি অভিনেতাইয়ো চিনেমাত সুবিধাজনক স্থান লাভ কৰিব নোৱাৰে। সেইদৰে 'চেন্সচন্ ক্রিয়েট' কৰা চিনেমাৰ অভিনেতায়ো মঞ্চত সাফল্য অৰ্জ্জন কৰিব নোৱাৰে।

তথাপি, যি সকল এই দুয়োটা শিল্প সম্পৰ্কে সচেতন, তেওঁলোকেই স্বাতন্ত্ৰ্য বজায় ৰাখি, উভয়ৰ সংমিশ্ৰনত আৰু সাৰ্থকতা অৰ্জ্জন কৰিব পাৰে। ব্ৰেখ্‌টৰ নাটকৰ এলিয়েনচন্ থিয়োৰি আজিকালি চিনেমাতো ব্যৱহাৰ হৈছে। পৰ্দাৰ নায়ক-নায়িকায়ো এতিয়া ব্ৰেখ্‌টৰ কৌশল অনুসৰণ কৰি দৰ্শকৰ উদ্দেশ্যে কথা কয়। যেনেকৈ, মৃনাল সেনৰ ক্যালকাটা– ৭১৩ দেৱৰাজে হত্যাকাৰীক বিচাৰি উলিয়াবৰ বাবে দৰ্শককলৈ আহ্বান জনাইছে। আনহাতে, নাটকত যেনেকৈ চিনেমাৰ ফ্রিজচট, ষ্টিল, জাম্পকাঠ আদি ব্যৱহৃত হৈছে তেনেকৈ নাটকৰ আধুনিক অভিনেতা-অভিনেত্ৰী সকলে চিনেমাৰ দৰে আপত-ন্যাচাৰেল অভিনয়ৰহে পক্ষপাতি। এতিয়া নাটকৰ অভিনেতাই চৰিত্ৰৰ লগত একাত্ম হবলৈ বাধ্য নহয়। এইটো নিৰ্ঘাত সত্য যে অভিনেতা অভিনেয় চৰিত্ৰৰ লগত নহও বুলিলেও একাত্ম হবই লাগিব। লগতে তেওঁ এই বিষয়েও সচেতন হব লাগিব যাতে অভিনীত চৰিত্ৰটি সাৰ্থক ভাবে ৰূপায়ণ হয়।

৩। শেষলৈকে অস্তিত্ব বজাই ৰাখিবলৈ হ'লে আৰ্থিক দিশটোৰ কথাও দকৈ ভাবিবই লাগিব। চিনেমাৰটো কথাই নাই, নাটকৰ ক্ষেত্ৰটো ই এতিয়া প্ৰধান সমস্যা ৰূপে ঠিয় দিছে। নাটকত পেশাদাৰ-অপেশাদাৰ লোক সকলৰ বাহিৰেও আছে বিভিন্ন চৌখীন দল। দুই চাৰিজন বন্ধু-বান্ধৱ মিলি একোটা দ'ল একোটা সৃষ্টি হৈছে, গাঁঠিৰ ধন ভাঙি দুই এখন নাটক ষ্টেজ কৰাৰ পিছত তেওঁলোকৰ ক্ষমতা শেষ হৈ যায়। পেশাদাৰ দল বিলাকৰ মানত য'ত কেৱল নাটক কৰাটো ব্যৱসায়, তেনেস্থলত অপেশাদাৰ দল বিলাকৰ মানত নাটক মঞ্চস্থ কৰা ব্যাপাৰটো এতিয়াও বনিয়া বৃত্তি ৰূপে ঠিয় হোৱা নাই। অৰ্থৰ দিশটোৰ কথা অপেশাদাৰ দল বিলাকেও ভাবে, কিন্তু দৰ্শকক বঞ্চিত

কৰি নহয়। পেশাদাৰ নাট্য দল বিলাকে যি স্থলত নাটকক আগবঢ়াই নিছে ধ্বংসৰ মুখলৈ, তেনেস্থলত বিভিন্ন অপেশাদাৰ দল বিলাকে সৎ-নাটকৰ জন্ম দিছে আৰু ক্ষণস্থায়ী চৌখীন দলবিলাকে চলাইছে বিভিন্ন পৰীক্ষা-নিৰীক্ষা।

আৰু চিনেমা, এটা সম্পূৰ্ণৰূপে কমাৰ্চিয়েল বিষয়। লাখ লাখ ধন ভাঙি যি ছবি গঢ়ি তোলা হয়, তাৰ প্ৰযোজক-পৰিচালকে প্ৰথমতে ভাৱিব লগা হয় অৰ্থৰ দিশটোৰ কথা। তথাপি এই কমাৰ্চিয়েল জগততে যঁজা সন্তানৰ দৰে জন্ম হৈছে আৰ্ট ফিল্মবোৰৰ। ১৯৫৫ চনত 'পথেৰ পাঁচালী'ৰ মুক্তিৰ লগে লগে ভাৰতীয় চিনেমাত প্ৰতিষ্ঠিত হ'ল নিঅ' ৰিয়েলিজিম। একে পথেৰেই আহি মৃনালসেনৰ 'ভুবন সোম'ত দেখা দিলে 'ইনডিয়ান নিউ ওৱেভ'। পুনা ফিল্ম-ইষ্টিটিউটত প্ৰশিক্ষণ প্ৰাপ্ত শিল্পী সকলে অফ্-বিট্ ফিল্মবোৰৰ মাধ্যমেৰে নিউ-ওয়েভক সগৌৰবে আগবঢ়াই নিছে। কমাৰ্চিয়েল জগততে ডুব দি থাকিও সত্যজিৎ ৰায়, মৃনাল সেন, ঋত্বিক ঘটক, বাসু ভট্টাচাৰ্য্য আদিয়ে যিদৰে শিল্প-সন্মত নিত্য-নতুন ছবিৰ জন্ম দি আহিছে, সেইদৰে অফ্-বিট ছবিৰ উল্লেখ যোগ্য কৌশল দেখুৱাইছে 'ফিৰভি'ৰ পৰিচালক শিবেন্দ্ৰ সিন্হা, 'অংকুৰ' আৰু 'নিশান্ত'ৰ পৰিচালক শ্যাম বেনেগাল, 'পৰিণয়'ৰ পৰিচালক কান্তিলাল ৰাঠোড় 'টোৱেন্টি চেভেন ডাউন'ৰ পৰিচালক অৱতাৰ সিং কাউল, 'উসকী ৰোটিৰ' পৰিচালক মনি কাউল, 'গৰম হাওৱাৰ পৰিচালক এম, এস্ সত্য প্ৰভৃতিয়ে। আঞ্চলিক ছবিত আকৰ্ষণীয় কৌশল বা আৰ্ট প্ৰদৰ্শণ কৰিছে কানাড়া ছবি 'সংস্কাৰা'ৰ পৰিচালক, মালয়ালম ছবি 'সয়ম্বৰম'ৰ পৰিচালক টি, এম, বাসুদেৱম্ নায়াৰ, 'কাত্ৰু' ছবিৰ পৰিচালক, আৰু বঙালী 'স্ত্ৰীৰ-পত্ৰ' ছবিৰ পৰিচালক পূৰ্ণেন্দু পত্ৰী প্ৰভৃতিয়ে।

পেশাদাৰী নাট্য গোষ্ঠীয়ে যেতিয়া সস্তীয়া ক্যাবৰে নাচ দেখুৱাই ধন লুটিছে, অপেশাদাৰী নাট্যদলে অভিনয় কৰি দেখুৱাইছে ৰবীন্দ্ৰনাথ, ইব্চেন, মলেয়াৰ, ব্ৰেখ্ট, চেক্ভ, পিৰানডেল্লো স্বেক্সপীয়েৰ, চোফোকোল্স আৰু এৰিস্তোফেনিচ। আনহাতে বাদল চৰকাৰে এবচাৰ্ড নাটকৰ সমগোত্ৰীয় নতুন মঞ্চৰীতি 'অঙ্গন মঞ্চ'ৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাইছে। নাট্য জগতত নতুন দিগন্তৰ সন্ধান দিছে বিজয় তেতুলকৰে 'শান্ততা', 'কোৰ্ট চালু আহে' আৰু সখাৰাম বাইণ্ডাৰে আদি কালজয়ী নাটকত। গিৰিশ কাৰনাডে 'তুঘলক' নাটকত আৰু মোহন ৰাকেশে তেওঁৰ বিভিন্ন নাটকত দৰ্শকক কলাৰ অনস্বুভূত স্বাদ দিবলৈ সমৰ্থ হৈছে।

আমাৰ দেশীয় নাট্য ৰীতি— যাত্ৰা,— নাটকৰ আঙ্গিকৰ ওচৰত যাত্ৰাই নিজকে বিক্ৰী কৰিছে। কিন্তু নাটকে এই যাত্ৰাৰ পৰাই আঙ্গিক ধাৰ কৰি ব্ৰেখটৰ 'এলিয়েনেচন থিয়োৰী'ৰ, যিটো দেশীয় যাত্ৰাৰো অন্যতম অঙ্গ স্বৰূপ, সংমিশ্ৰণত গঢ়ি তুলিছে এক অভিনৱ অথচ নিজস্ব আঙ্গিক। এনেধৰণৰ এখন উল্লেখ যোগ্য নাটক হ'ল 'চেতনা' অভিনীত অৰুন মুখোপাধ্যায়ৰ 'মাৰীচ সংবাদ'।

ৰঙ্গমঞ্চক কেন্দ্ৰ কৰি যি 'মনোপলি' আৰু দলাদলি সৰু সৰু নাট্যদল বিলাকৰ ষ্টেজ সংগ্ৰহৰ বাবে যি মাৰাঠান ৰেচ, তাৰ বিদ্ৰোহ ঘোষণা কৰিয়েই কলিকতাত গঢ়ি উঠিল 'মুক্ত-অঙ্গন ৰঙ্গ-মঞ্চ'। এই ৰঙ্গমঞ্চত নাট্যদল সমূহে বিভিন্ন পৰীক্ষা-নিৰীক্ষা মূলক নাটক মঞ্চস্থ কৰিছে। 'মুক্তমেলা'ক কেন্দ্ৰ কৰি আনকি

মুকলি পথাৰতো নাটক অভিনয় হব লাগিছে। এই ধৰণে ক্রমশঃ নাটক মানুহৰ হৃদয়ৰ কাষ চাপি আহিছে। পেশাদাৰী মঞ্চৰ একাধিপত্যৰ বিৰুদ্ধে, অপসংস্কৃতি আৰু অসুস্থতাৰ বিৰুদ্ধে প্রতিবাদ জনাই, বিভিন্ন অপেশাদাৰ আৰু চৌখিন নাট্যদল সমূহে আগ্রহৰে তুলি ধৰিছে সৎ নাটকৰ আদর্শ। তেওঁলোক সার্থক স্বয়ম্ভু স্বৰূপে মূৰ ডাঙি উঠিবলৈ বিচাৰিছে।

৪। কমার্চিয়েল জগতৰ সমান্তৰাল ভাৱে বা খোজত খোজ মিলাই আগবাঢ়ি গৈছে চিনেমা শিল্প, যাৰ কথা অলপ আগতে উল্লেখ কৰি অহা হৈছে। পৰীক্ষা-নিৰীক্ষা মূলক আৰু আর্ট-ফিল্ম সৃষ্টিয়েই যি সকলৰ উদ্দেশ্য তেওঁলোকক ফিল্ম ফাইন্যান্স কর্পোৰেচনে আর্থিক সাহায্য দিছে। আপোচহীন পৰিচালক সকলকো এই কর্পোৰেচনে আর্থিক সাহায্য দিছে। কিন্তু ন ন ছবি জন্ম দিলেইতো নহব, সেইবোৰ প্রদর্শণো কৰিব লাগিব। আর্ট-ফিল্ম আৰু অফ্-বিট্ ফিল্ম বিলাকৰ প্রদর্শণৰ মাজত যি তাৰতম্য, ডিষ্ট্রিবিউটৰ সকলে সেইটো কমার্চিয়েল দিশৰ পৰা কোনো মতেই সহ্য কৰিব নোৱাৰে। বহুতো খ্যাতনামা পৰিচালকৰ আর্ট-ফিল্মৰ ক্ষেত্রটো একেই অসুবিধা দেখা গৈছে। প্রসঙ্গ ক্রমে উল্লেখ যোগ্য যে মনিকউলৰ এখনো ছবি এই পর্য্যন্ত ব্যৱসায়িক ভিত্তিতে মুক্তি পোৱা নাই। সেই কাৰণেই এই অফ্‌বিট্ ফিল্মবিলাক প্রদর্শণৰ বাবে ভাৰতবর্ষৰ প্রতিখন চহৰতে প্রয়োজন হৈ পৰিছে 'আর্ট-থিয়েটাৰ'ৰ। বৃহৎ বৃহৎ ছবি ঘৰবোৰৰ সমান্তৰাল ভাৱে লগা হৈছে 'মিৰিয়েচাৰ অডিটোৰিয়াম' —য'ত মাথোন আর্ট-ফিল্মবোৰহে প্রদর্শিত হব। আৰু জন সাধাৰণৰ মাজত এইভাৱেই জন্ম দিয়া হব সুস্থ চলচ্ছিত্র ভাবনাৰ।

নাট্য জগতত‌ো মঞ্চক লৈ হোৱা বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ কথা অলপ আগতে উল্লেখ কৰিছোঁ। তথাপিও এই মুহূর্ত্তত অনুভৱ কৰিছোঁ 'জাতীয় নাট্যশালা' বা 'নেচনেল থিয়েটাৰ'ৰ অভাব। আজিৰ পৰা ডেৰশ বছৰৰ পূর্ব্বে মাইকেল মধুসূদনে যি জাতীয় নাট্যশালাৰ কথা ভাবিছিল, আজি পর্য্যন্ত সি বাস্তৱত হৈ নুঠিল। যদিও কলিকতাত 'ৰবীন্দ্র সদন' প্রতিষ্ঠাৰ সময়ত কোৱা হৈছিল যে ইয়াতেই জাতীয় নাট্যশালাৰ ভেটি স্থাপন কৰা হ'ব, তথাপি আজি এযুগ পাৰ হোৱাৰ পিছতো কলিকতাহে নালাগে দেশৰ ক'তো জাতীয় নাট্যশালা প্রতিষ্ঠিত নহল।

এতিয়া প্রশ্ন হয়, জাতীয় নাট্যশালা কি? কেৱল ৰঙ্গমঞ্চ নেকি? নহয়, কেতিয়াও নহয়। ইয়াত ষ্টেজৰ বাহিৰেও থাকিব এটি মিনি ষ্টেজ আৰু পঠন পাঠানৰ উপযোগী গ্রন্থাগাৰ, মিউজিয়াম আৰু প্রদর্শণ কক্ষ, নাটক প্রশিক্ষণৰ বাবে স্কুল। ষ্টেজৰ ভাড়া হব নামমাত্র আৰু লক্ষ্য ৰাখিব লাগিব যাতে খ্যাত-অখ্যাত নাট্য-গোষ্ঠীয়ে সমানে স্থান পায় আৰু ভাৰতবর্ষ যিহেতু বহুভাষী ৰাজ্য, সেইকাৰণে প্রতিখন ৰাজ্যতে অন্ততঃ এটি কৈ 'মিনি নেচনেল থিয়েটাৰ' থাকিব। প্রত্যেক ৰাজ্যৰে নিজস্ব সংস্কৃতি আৰু বৈশিষ্ট্য লৈ সৃষ্টি হোৱা নাটক আদি কেন্দ্রীয় নাট্যশালাত প্রদর্শণ কৰিব লাগিব। বিভিন্ন শাখাত মৌলিক নাটকৰ ওচৰা-ওচৰিকৈ বিদেশী অনুবাদ নাটক মঞ্চস্থ কৰা হব আৰু বিভিন্ন প্রাদেশিক নাটকৰ ক্ষেত্রটো একেই নীতি পালন কৰা হব। এনেদৰেই জনসাধাৰণে ওচৰ চুবুৰীয়া সংস্কৃতি সম্বন্ধে সচেতন হৈ উঠিব। ইয়াৰ বাবে মৌলিক নাটক আমাৰ দেশীয় মাটিতে জন্ম হব আৰু তাৰ মাজত নিজস্ব সভ্যতা সংস্কৃতিৰে ওৰ পোৱা যাব। সেই-

কাৰণে প্ৰথমতে প্ৰয়োজন হব লোক-সংস্কৃতিৰ পুনৰুদ্ধাৰ, আৰু প্ৰয়োজন হব বিভিন্ন প্ৰদেশত চলি অহা যাত্ৰা বা লোকায়ত ধাৰাৰ নব-মূল্যায়ণ। মোৰ নিজস্ব ধাৰণা, এই দিশৰ পৰা ৰবীন্দ্ৰ-নাটকে নতুন যুগৰ নাট্যকাৰ সকলক প্ৰয়োজনীয় পথৰ সন্ধান দিব পাৰে। 'জাতীয় নাট্যশালা' কেতিয়া গঢ়ি উঠিব বা অদূৰ ভৱিষ্যতে হবনে নহয় সিয়ো সন্দেহৰ বুকুত, কিন্তু এতিয়াৰে পৰা তাৰ বাবে উপযুক্ত নাটকৰ কথা আমি ভবা উচিত।

৫। অসমত সকলোতকৈ আগতে প্ৰয়োজন দৰ্শক সৃষ্টি কৰা। ইয়াত পেশাদাৰী নাট্য-দল সমূহে যদিও অপসংস্কৃতিৰ সোঁতত গা ঢালি দিয়া নাই, তথাপি বিভিন্ন কাৰণত ইবিলাকৰ হাত-ভৰি বন্ধা। সেইকাৰণে ইয়াত দৰ্শক সৃষ্টি কৰাৰ দায়িত্ব গ্ৰহন কৰিছে সৰ্বত্ৰ সিচঁৰিত হৈ থকা চৌখিন নাট্যদলবিলাকে,— নিত্য নতুন পৰীক্ষা-নিৰীক্ষাৰ মাজেদি এওঁলোকে উত্তাৰন কৰিব বিচাৰিছে নতুন ৰীতিৰ।

চিনেমাৰ ক্ষেত্ৰতো অসম বহুত পিচুৱাই আছে। সুখৰ বিষয় যে চৰকাৰে এই দিশত সহাঁৰি জনাইছে। প্ৰযোজক সকলক আৰ্থিক সাহায্য দান, গুৱাহাটীৰ ষ্টুডিঅ'ক স্বয়ং সম্পূৰ্ণ কৰাৰ উপৰিও চৰকাৰে গুৱাহাটীত এখন 'ফিল্ম-স্কুল' প্ৰতিষ্ঠা কৰাৰ কথাও ভাবিছে। বেচৰকাৰী খণ্ডৰ 'গুৱাহাটী চিনে ক্লাবে' কোনো উল্লেখ যোগ্য পদক্ষেপ এতিয়ালৈকে দিব পৰা নাই।

জনসাধাৰণক সুস্থ শিল্প-ভাবনাৰে উদ্বুত আৰু চলচিত্ৰ আন্দোলনৰ অংশীদাৰ কৰিবলৈ হ'লে অসমৰ প্ৰতিখন চহৰতে একোটি 'চিনে-ক্লাব'ৰ আশু প্ৰয়োজন। কিয়নো, একমাত্ৰ চিনে-ক্লাবেই হব পাৰে সৎ আৰু সুস্থ চল-চিত্ৰৰ পৃষ্ঠপোষক। মনত ৰখা উচিৎ, যেনেকৈ পৃথিবীৰ প্ৰত্যেক দেশৰে চিনে-ক্লাব সমূহে ৰুচি-সম্পন্ন দৰ্শক সৃষ্টিত অৰিহণা যোগাইছে, তেনেকৈ জাঁ-লুক গদাৰৰ পৰা সত্যজিৎৰায় পৰ্য্যন্ত অধিকাংশ প্ৰথমশাৰীৰ পৰিচালকৰ জন্মও চিনে-ক্লাবৰ মাধ্যমতে হৈছে।

বিভিন্ন ধৰণৰ সৎ আৰু সুস্থ নাটক আৰু দেশবিদেশৰ বিভিন্ন চলচিত্ৰ চাই, মানুহক এই শিল্প মাধ্যম দুটি সম্বন্ধে সচেতন কৰি তুলিব পাৰিম আৰু সৎ শিল্পৰ সপক্ষে মানুহক আকৰ্ষণ কৰি আনিব পাৰিম, ইয়েই প্ৰতিজন সংস্কৃতি পিপাসু মানুহৰ একমাত্ৰ লক্ষ্য হোৱা উচিৎ।

# "শতপুত্ৰৰ সমাধিত মাতৃ তুমি গান্ধাৰী"

শ্ৰীমাখন শৰ্ম্মা
স্নাতক, ১ম বাৰ্ষিক (কলা)

বন্ধকোঠাৰ অন্ধকাৰত
মাতৃৰ প্ৰসৱ যান্ত্ৰণা,
বিস্মৃতিয়ে মচিব নোৱাৰা
মোৰ স্মৃতিৰ পটত শৈলাক্ষৰ।
ভূমিত পৰিয়েই তোমালৈ চাইছিলো।
তুমি হাঁহিছিলা প্ৰসৱ বেদনাৰ শেঁতামুখত
ক'লা ওঠৰ কঁপনি তুলি
সেই হাঁহিটি
কত আশাৰ—
কত ভাষাৰ—
এতিয়াচোঁ নাহাঁহা
নিতে মাথো গান্ধাৰীৰ
শতপুত্ৰ হেৰুৱাৰ বিৰহৰ শোক ছাঁয়া
তোমাৰ বুকুৰ সন্তান আজি
গচকি আঁতৰাই
সিহঁতৰ বিহদাত তোমাৰ স্তনত।
তুমি আজি দ্ৰৌপদী
শ্যামলী বস্ত্ৰ হাৰা উলঙ্গ উপক্ৰম,
সোণালী ৰিহাৰ ৰাঙলী শৈলত
জুই আৰু ধোঁৱা!
পৰ্ব্বতৰ আলু কচু—
আখৈ সান্দহৰ
মৰমী— সেই বেহা খনিত আজি
বাৰুদৰ প্ৰাচীৰ।
তোমাৰ সু-সন্তান লাচিতৰ হেংদাং
যাদু ঘৰত প্ৰদৰ্শনী
এটি পইচাৰ টিকেটেৰে
শাৰী পাতো ভধা লাগি—
আমিও তোমাৰেই সন্তান!
ৰণচণ্ডী ৰমণী মুলাক

ইতিহাসৰ পাত মেলি
বুকু ডাঠি গৌৰৱো
আমি বীৰৰ সন্তান!
মাথো ইমানেই।
তোমাতে জনম লভি
তোমাৰে পিয়াহ চুমি
পশ্চিমৰ পাখি আঁৰি আমি
পশ্চিমাভিমুখি।
আৰু—
আৰু বহুতো
লাজে হেঙাৰ দিছে প্ৰকাশৰ পথত
জানো মাতৃ তুমি কান্দা
নিশব্দে আঁৰে আঁৰে
ৰিক্ত চক্ষুত লোতক নাই
হৃদয় সাগৰত শোকে দুকুল ওপচাই।
সিদিনাৰ প্ৰাণ খোলা ৰমণীয় হাঁহি
আজি গান্ধাৰীৰ মুখ ছবি
শতপুত্ৰৰ সমাধিৰ থলিত।
তাৰ বাবেইতো আমিয়েই দায়ী।
তোমাক পুনঃ হহোঁৱাৰ প্ৰবল হেঁপাহ
কিন্তু ভয় লাগে
শৈলাক্ষৰবোৰ দুচকুত মাতাল হব
গান্ধাৰীৰ দুচকুৰে জুই বৰষিব
প্ৰসব বেদনাবোৰে ৰাউচি জুৰিব
লোতকবোৰ কাল-কূটৰ নদী হৈ বব
তেতিয়া— ?
তেতিয়া মই ক'ত লুকাম?

# হেজাৰ তৰাৰ মিছিল য'ত

শ্ৰীদেৱজিৎ গগৈ,
প্ৰাক্ স্নাতক, ১ম বাৰ্ষিক (কলা)

## ডাক্তৰ নিশান্ত চৌধাৰীৰ কথা

"When you open the window yourself, you get fresh air, when someone else opens it, you get a draught." —Lucillle Goodyear.

মোৰ জীৱনটো মই নিজেই গঢ়ি তুলিছোঁ বুলি দাবী কৰিব নোৱাৰো। মোৰ জীৱনটো গঢ়ি তোলাত যিসকল লোকৰ অৱদান আছে তেওঁলোকৰ নাম নললে তেওঁলোকৰ প্ৰতি অবিচাৰ কৰা হব; লগতে মই চিৰদিন অকৃতজ্ঞ হৈ ৰম। মোৰ জন্মৰ বিষয়ে যদি কোনোবাই সোধে তেন্তে মই মৌনতা অৱলম্বন কৰিব লাগিব। মই নেজানোঁ ক'ত, কেতিয়া মোৰ জন্ম হৈছিল। মোৰ পিতৃৰ পৰিচয় আজিলৈকে নেপালোঁ। সেয়েহে মোৰ মনত এটা বৰ ডাঙৰ আক্ষেপ। দেউতাৰ নাম কি আছিল, তেওঁ কি কৰিছিল এই সকলোবোৰ কথা মোৰ আজিও অজ্ঞাত। দেউতাক দেখাৰ কথা মোৰ মনত নপৰে। খুব সম্ভৱ সেই সময়ত মই নিচেই কেচুৱা আছিলোঁ; যদি দেউতাৰ পৰিচয় কোনোবাই জানিব বিচাৰে মই কি কম নিজেই কব নোৱাৰো। অথচ দেউতাৰ পৰিচয় পাবলৈ মই উদ্বিগ্ন হৈ পৰোঁ, অস্থিৰ হৈ পৰোঁ। কেতিয়াবা দেউতাৰ বিষয়ে মাক সুধি চাবৰ মন যায়। কিন্তু মনত আঘাত পায় বুলিয়েই মনে মনে থাকোঁ; কিন্তু তথাপি মোৰ অশান্ত মনটোৱে দেউতাৰ পৰিচয় পাবলৈ ব্যাকুল হৈ পৰে। তেতিয়া মোৰ নিজকে খু-উ-ব অকলশৰীয়া, নিঃসঙ্গ যেন লাগে। মোৰ নিজৰ জীৱনৰ ওপৰতে ধিক্কাৰ জন্মে; কিন্তু মই একোকে কৰিব নোৱাৰোঁ।

বয়সৰ লগে লগে জীৱন আৰু জগত সম্বন্ধে কিছু অভিজ্ঞতা বাঢ়িল। মই এখন নতুন জগতত প্ৰৱেশ কৰিলোঁ, মই এটা নতুন মানু-

ভাবিবলৈ আৰম্ভ কৰোঁ তেতিয়া এই ৰহস্যময় জগতৰ একেবাৰে অন্তৰৰো অন্তৰ প্ৰদেশলৈ সোমাই যাওঁ। মানুহৰ জীৱন যে কিমান জটিল, কিমান ৰহস্যময় হব পাৰে তাকে ভাবি মই বিস্মিত হৈ যাওঁ। তেতিয়া মোৰ ভাব হয় মানুহৰ কেৱল বাহিৰৰ জগত বুলি এখন জগতেই নাই; আৰু এখন ঘণ কুঁৱলীৰে আবৰা ৰহস্যময় জগতো আছে। মানুহে কেনেকৈ এই জটিল পৃথিৱীত দিন কটাইছে সেই কথা ভাবি কেতিয়াবা ভালো লাগে ; মই আত্মতৃপ্তিও লভোঁ। আকৌ কেতিয়াবা মই আতঙ্কত শিয়ঁৰি উঠোঁ। বহুতে কব পাৰে মোক নিৰাশাবাদী বুলি, 'চিনিক' বুলি, কিন্তু মই নিজকে এইবোৰৰ এটাও নহয় বুলি স্বীকাৰ কৰোঁ।

কোনোবাই যদি মোক সোধে মানুহ কেৱল ভাত-কাপোৰৰ বাবেই জীয়াই থাকে নেকি — মই তেওঁক উচিত ভাবেই জনাই দিম যে কেৱল ভাত-কাপোৰৰে মানুহে জীয়াই নাথাকে ; থাকিবও নোৱাৰে। অন্যে কি ভাবে মই নেজানো ; কিন্তু মই ভাবো জীৱন ধাৰণৰ বাবে মানুহৰ ভাত-কাপোৰেই কেৱল যথেষ্ট নহয়; জীয়াই থাকিবলৈ মানুহক মৰম-স্নেহ, এখন সংবেদনাশীল হৃদয় আৰু বহুত কিবা কিবি লাগে। মই কোনো স্বনামধন্য দাৰ্শনিক নহওঁ, পণ্ডিতো নহওঁ ; মই এজন ডাক্তৰহে, যাৰ জীৱনৰ উদ্দেশ্যই হ'ল মানৱ সেৱা। কিন্তু মই আজিও ডাঠি কব নোৱাৰো কিমানদূৰ কৃতকাৰ্য্য হৈছোঁ। অৱশ্যে এজন ডাক্তৰৰ যি কৰ্ত্তব্য, তাক পালন কৰা নাই বুলি ক'লে ভুল কৰা হব। জীৱন-মৰণৰ লগত খেলা কৰা এই দুৰ্ভগীয়া মানুহবোৰৰ সৈতে মই মোৰ জীৱনৰ সৰহ ভাগ সময় কটাই দিছোঁ। প্ৰতিজন ৰোগীৰ সৈতে মোৰ বিচিত্ৰ অভিজ্ঞতা হৈছে। ডাক্তৰ হিচাপে যিমান মোৰ সদ্নাম আছে ঠিক সেইদৰে বদনামো আছে। তাৰ বাবে মোৰ কাৰোবে প্ৰতি আক্ষেপ নাই। মই সদায়ে ভাবোঁ অন্যৰ প্ৰতি ঈৰ্ষা, হিংসা কিম্বা আক্ৰোশ থাকিলেও ৰোগীৰ প্ৰতি কোনো ডাক্তৰৰে এই অসৎ প্ৰবৃত্তি থকাটো উচিত নহয়; গতিকে মই সদায় এইবোৰৰ পৰা এৰাই চলিবলৈ যত্ন কৰিছোঁ। সদায় বিভিন্ন ধৰণৰ ৰোগী মোৰ ওচৰলৈ আহে, সিহঁতৰ ৰোগ চোৱাতে বেছি ভাগ সময় ব্যস্ত থাকিবলগাত পৰোঁ। মই জানো ডাক্তৰৰ জীৱনেই হ'ল মৃত্যুৰ আগ-মুহূৰ্ত্ত পৰ্য্যন্ত ৰোগীৰ জীৱন লই খেলা কৰা। কত যে বিভিন্ন ৰোগী মোৰ ওচৰলৈ নাহে। এই— খিনি কৰিবলৈ পাই মই নিজকে সৌভাগ্যৱান বুলিয়ে ভাবোঁ; কিন্তু এই খ্যাতিৰ প্ৰাপ্য মোৰ অকলশৰীয়াকৈ নহয়—অন্যৰো সজ পৰামৰ্শ, উৎসাহ আছে। এনে এখন জগতলৈ আগবঢ়াই নিয়া দুজনলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। সেই দুজনৰ প্ৰতি মোৰ শ্ৰদ্ধা সদায় অটুট থাকিব। তেওঁলোক মোৰ চিৰনমস্য, চিৰ আৰাধ্য তেওঁলোকক অৱমাননা কৰিলে নিজকে অৱমাননা কৰা হব। মই সদায় ভাবোঁ মানুহৰ প্ৰতি মানুহ উদাসীন হোৱাটো অবিচাৰেই নহয়; ই মহাপাপ। চিকিৎসা শাস্ত্ৰৰ দৰে এখন জটিল আৰু বিচিত্ৰ জগতলৈ মোক লৈ যোৱাৰ বাবে মই তেওঁলোকক স্মৰণ কৰোঁ, শ্ৰদ্ধা কৰোঁ। তেওঁলোকৰে এগৰাকী হ'ল মোৰ জন্মদাত্ৰী 'মা'। অৱশ্যে অইনে মোৰ মাৰ প্ৰতি যি মনোভাবেই পোষণ নকৰক, মই মোৰ মাক সাহেৰে, শ্ৰদ্ধাৰে চিনাকী দিম। মাৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাটো কল্পনাও কৰিব নোৱাৰোঁ। অৱশ্যে মাৰ ওপৰত কেতিয়াবা মোৰ খং উঠে কাৰণ মই দেউতাৰ জীৱন-বৃত্তান্ত শুনিবলৈ উৎসুক হৈ উঠো-

জানিবলৈ ইচ্ছা কৰোঁ। মায়ে কোনোদিনেই মোক দেউতাৰ পৰিচয় দিব নোৱাৰিলে। সেয়ে কেতিয়াবা অভিমান কৰো। তেতিয়া মা মৌন হৈ পৰে, চিন্তান্বিত হৈ পৰে। হয়তো মোৰ অজ্ঞাতে অন্তৰৰ উমি উমি জ্বলি থকা তুঁহ জুঁইকুৰা পুনৰ দপ্ দপ্ কৈ উঠে। মাই যথেষ্ট মনত আঘাত পাইছে বুলিয়েই সেই কথা এৰি অন্য কথাৰ পাতনি মেলোঁ। মোৰ ভৱিষ্যত জীৱনৰ ৰঙীন সপোনলৈ মায়ে নানা জল্পনা-কল্পনা কৰে; চিন্তা কৰে। মই আগলৈ কি হোৱা ভাল এই বিষয়ে মায়ে এটা সৰু সুৰা বক্তৃতা আৰম্ভ কৰি দিয়ে। সৰুৰে পৰা মায়ে মোক এজন আদৰ্শবান ডাক্তৰৰ ৰূপত কল্পনা কৰিছিল। তেওঁ জানিছিল যে ডাক্তৰ বিলাক কেৱল অৰ্থ, প্ৰতিপত্তি তথা সন্মানৰ ফালৰ পৰাই চহকী নহয়; তেওঁলোক মনোজগতৰ ফালৰ পৰাও বেছ চহকী। কিন্তু মোৰ জীৱনৰ লক্ষ্য আছিল এজন শিল্পী হোৱাৰহে। কিয়নো মই জানিছিলোঁ যে মানুহৰ মনোজগত-খন এজন শিল্পীয়েহে ৰং আৰু তুলিকাৰে সজাই-পৰাই তুলিব পাৰে। কবি-শিল্পীসকল যে সুখীলোক নহয় এই কথা মই স্বীকাৰ কৰোঁ আৰু বাস্তৱজগতৰ উদ্‌ঘাটনত কবি-শিল্পীসকল যে সদায় সফল হয় এইটোও মই স্বীকাৰ কৰিব নোৱাৰোঁ। অৱশ্যে জগত সম্বন্ধে যে কিবা নহয় কিবা এটা দিব পাৰে এই কথা মই স্বীকাৰ কৰিবলৈ ৰাজি আছোঁ। এদিন মই স্বপ্ন দেখিছিলোঁ এখন অনন্য জগতৰ ছবি আঁকা; কিন্তু মোৰ কল্পনাৰ বোলে কোনোদিন বাস্তৱত ৰূপ নেপালে। সেয়েহে মোৰ মনত এটা বৰ ডাঙৰ আক্ষেপ। মই শিল্পী নহয়, হ'লো এজন চিকিৎসক মাৰ সমূহ মানুহৰ তেজ মাংসৰ

স্থূল দেহটোৰ সৈতেহে। অৱশ্যে মানৱ সেৱা কৰিবলৈ পাই মই যে বেছ সুখী এই কথা স্বীকাৰ কৰোঁ। মোৰ এই সৌভাগ্যত অৰিহনা যোগোৱাৰ বাবে মই মাৰ বাহিৰেও আৰু এজন লোকৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰলোঁ। তেখেত হ'ল ডাঃ সপ্ননীড় বৰুৱা। প্ৰথম দৃষ্টিত ডাঃ বৰুৱা মোৰ বাবে এটা নুবুজা সাঁথৰ যেন আছিল। কিয়নো মানুহজনে বৰ জুখি জুখি কথাবোৰ কয়। মুখমণ্ডলত সদায় এটা বিষাদ ভাৱ বিৰাজমান। বাহিৰৰ পৰা দেখাত মানুহজনক সিমান মৰমিয়াল যেন নালাগে। কিন্তু লাহে লাহে মই সময়ত ডাঃ বৰুৱাৰ মনোজগতত প্ৰবেশ কৰিবলৈ সমৰ্থ হওঁ। অৱশ্যে তেওঁ কিয় চিৰজীৱন অবিবাহিত হৈ থাকিল এই কথা মই আজিও নেজানোঁ। গোমোঠা, নিষ্ঠুৰ-নিষ্ঠুৰ লগা এজন মানুহৰ হৃদয়তো ইমান এখন কোমল অন্তৰ থাকিব যে পাৰে মই এই কথা ভাবি বিস্মিত হওঁ। ডাঃ বৰুৱাই কিন্তু মোৰ সন্দেহ অতি কম দিনৰ ভিতৰতে দূৰ কৰি দিয়ে। অন্যলোকে মোৰ মাক যিদৰে নাচাওক লাগিলে কিন্তু ডাঃ বৰুৱাৰ ওচৰত মা সদায় পৱিত্ৰ আছিল—যেন অলপ আগতে নিয়ৰত গা-ধোৱা এপাহ গোলাপ-ফুলহে। ডাঙৰ হৈ মই দেখিছিলোঁ আমাৰ অঞ্চলটোৰ মানুহখিনিয়ে আৰু ডাঃ বৰুৱাৰ সহ-কৰ্মীবোৰে কিছু অৰ্থপূৰ্ণ চাৱনিৰে আমাক চাইছিল। কিয়নো ডাঃ বৰুৱাৰ দৰে এজন অবিবাহিত লোকৰ সতে মোৰ মাৰ দৰে এগৰাকী মিড্‌ৱাইফৰ কি সম্পৰ্ক থাকিব পাৰে? ডাঃ বৰুৱাই কিন্তু তেনেবোৰ কথাত কাণ দিছিল নে নাই সেই কথা মই আজিও কব নোৱাৰিম। মই নিজকে এইবুলি বুজাইছিলোঁ মানুহ স্বভাৱতে ঈৰ্ষা-পৰায়ণ, সন্দেহ পৰায়ণ। নিজে ঠিক থাকিলেই হ'ল, আৰু নো কি লাগিছে। মান

হে তিলটোকে ভাল কৰি দেখুৱায়। গতিকে এই সামান্য কথাবোৰত কোনো গুৰুত্ব নিদি নিজৰ কাম নিজেই কৰি গলেই হ'ল। সময় পালে ডাঃ বৰুৱা আমাৰ ঘৰলৈ প্ৰায় আহে; বহু সময়লৈকে তেওঁ মাৰ সৈতে নানা ধৰণৰ কথা-বতৰা পাতে— মই সেইবোৰ কথাৰ একো বুজ নলওঁ; বেছিভাগ সময় মই নিজকে কিতাপ-পত্ৰৰ মাজত আবদ্ধ ৰাখোঁ।

এদিন কথাৰ প্ৰসঙ্গত ডাঃ বৰুৱাক মাই মোৰ ভৱিষ্যত জীৱনৰ আঁচনি সম্পৰ্কে ক'লে। আন্তৰিকতাৰে ডাঃ বৰুৱাই তাত সঁহাৰি জনালে। মায়ে উৎসাহ পালে। মই পঢ়াত বৰ বেয়া নাছিলোঁ। যদিও চহৰৰ ধনী ঘৰৰ ল'ৰা-ছোৱালীৰ দৰে কোনো 'প্ৰাইভেট টিউটৰ' মোক দিব পৰা নাছিল; তথাপি নই শ্ৰেণীত সদায় প্ৰথম, দ্বিতীয় কিবা নহয় কিবা হওঁ। মোৰ 'ৰিজাল্ট' দেখি শিক্ষক-শিক্ষয়িত্ৰী সকলোৱে মোক মৰম কৰে। সেয়ে মোক বহুত সমনীয়াই পেটে পেটে ভাল নেপায়, ঈৰ্ষাৰ চকুৰে চায় যদিও মুখেৰে ভালৰি বোলাবলৈ নানা কথা কয়। মই কিন্তু কাকো এনে কৰাৰ বাবে মোৰ মনত ঈৰ্ষাক প্ৰশ্ৰয় নিদিওঁ। মোৰ পঢ়া-শুনাত আগ্ৰহ দেখি ডাঃ বৰুৱাই মোক কেতিয়াবা কেতিয়াবা কিতাপ-পত্ৰ কিনি দি আৰ্থিক ভাবে সহায় কৰিছিলে; মৰমো কৰে—মই তেওঁৰ মৰমত নিজকে ক্ষন্তেকৰ বাবে পাহৰি যাওঁ। দেউতাৰ অভাৱ যেন মই তেওঁৰ মাজতে বিচাৰি পাওঁ। ভৱিষ্যত জীৱন গঢ়াৰ পথত মই দুগুণ উৎসাহেৰে পঢ়া-শুনা কৰোঁ; চাৰ বাইদেউৰ উপদেশবোৰ মই বৰ উৎসাহেৰে আৰু মনোযোগেৰে শুনো; তেওঁলোকৰ প্ৰতিটো কথা আখৰে আখৰে পালন কৰিবলৈ চেষ্টা কৰোঁ। আনে কি ভাবে মই কব নোৱাৰিম কিন্তু মই ভাবো জীৱনত উন্নতি কৰাৰ মূলতে হ'ল শ্ৰদ্ধা, নিয়মানুবৰ্ত্তিতা, কৰ্ত্তব্য-পৰায়ণতা, সৎ-সাহস আৰু সাধুতা।

বছৰবোৰ ক্ৰমে ক্ৰমে শেষ হৈ গৈ থাকে; ময়ো সময়ৰ লগে লগে ডাঙৰ হৈ আহিলো। মোৰ অভিজ্ঞতাৰ জগতখনো ক্ৰমান্বয়ে বহল হ'ল। নানা লোকৰ সংস্পৰ্শলৈ আহি বিচিত্ৰ অভিজ্ঞতা লাভ কৰিলোঁ। এদিন হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি স্থানীয় কলেজ এখনত ভৰ্ত্তি হ'লোঁ। লক্ষ্য কৰিছিলো, সেইদিনাখন মা বেচ আনন্দিত হৈছিল। তেওঁৰ মনত কি আনন্দ! সেইদিনাখন খোৱা লোৱাত যে কি যত্ন নলৈছিল। তেওঁ মোক ইটো খোৱা সিটো খোৱা বুলি ব্যতি-ব্যস্ত কৰি তুলিছিল। মোৰ এই সাফল্যত ডাঃ বৰুৱাৰতো কথাই নাই; তেওঁ সেইদিনাখন মোৰ ৰিজাল্ট শুনি দৌৰি আহিছিল। তেওঁ মোক সকলো ঠিক কৰি দিছিল। অৰ্থাৎ আগলৈ ডাক্তৰী পঢ়িবলৈ হ'লে কলেজত কি কি বিষয় বাছি লব লাগে সকলো বিতংকৈ বুজাই দিছিল। তাৰোপৰি নিজৰ পকেটৰ পৰাই তেওঁ মোৰ এড্মিছনৰ ফিজো দিছিল। মোৰ প্ৰতি তেওঁৰ এনে বদান্যতাত মই আনন্দত উৎফুল্ল হৈ উঠিছিলোঁ। যি কি নহওক, এদিন মই হব খোজা শিল্পী নিশান্ত চৌধাৰী আজি ডাঃ নিশান্ত চৌধাৰী হলোঁ। কিন্তু ইমানবোৰ পায়ো মই জীৱনত এটা বস্তু পোৱা নাই যিটোৰ অভাৱে সময়ে সময়ে মোক উন্মনা কৰি তোলে; অস্থিৰ কৰি তোলে। যিদিনাখন মই 'অসম মেডিকেল কলেজ'ৰ পৰা সসন্মানেৰে এজন স্নাতক ডাক্তৰ হৈ ওলাই আহোঁ সেইদিনাখন মই সুখী হোৱাৰ পৰিবৰ্ত্তে বৰং নিজকে মোৰ খুব অকলশৰীয়া যেন লাগিছিল; নিঃসঙ্গ যেন লাগিছিল। সেই এটা কথাই মোৰ মনটোক জমৰি দি

ধৰিছিল— মোৰ পিতৃ কোন? মই কাৰ ঔৰসত জন্ম লৈছিলো? কিয় মোক মায়ে আজিও দেউতাৰ পৰিচয় দিব নোৱাৰিলে? নে তেওঁ-লোকৰ ভাল পোৱাত কিবা অঘটন ঘটিল? তেনেহ'লে মোৰ জন্ম-লগ্নত নিশ্চয় কিবা ৰহস্য আছে? নহলে নিজ স্বামীৰ কথা কিয় মোৰ পৰা লুকুৱাই ৰাখিব? ডাক্তৰহে ৰোগী চোৱাতকৈ মই পিতৃৰ পৰিচয় পোৱাটোৱেই জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সৰ্ব্বপ্ৰথম কাম বুলি ধৰি লৈছিলো; মই কি কৰিম একো স্থিৰ কৰিব পৰা নাছিলো। বাৰে বাৰে দেউতাৰ চিন্তাই মোক অস্থিৰ কৰি তুলিছিল। হায় ভগৱান! তোমাৰ সৃষ্টিৰ জগতখন ইমান ৰহস্যময় হব পাৰে! ইমান জটিল হব পাৰে! ইমান বিচিত্ৰ হব পাৰে!

একালৰ পিতৃস্বৰূপ ডাঃ বৰুৱাৰ সৈতে মই একেখন হস্পিতালত এদিন কামত জইন কৰিলো। এসময়ত নিশান্ত বুলি নাম ধৰি মতা ডাঃ বৰুৱাই মোক আজিকালি 'তুমি' বুলি মাতে। প্ৰথমে নতুনকৈ কামত সোমাই ভালেই লাগিছিল। কিন্তু এদিন মই অনুভৱ কৰিলো মই কেৱল এজন M.B.B.S. ডাক্তৰ হৈ থাকিলেই চিকিৎসা শাস্ত্ৰৰ দৰে এখন জটিল আৰু বিচিত্ৰ জগত জনাতো অসম্ভৱ। সেয়ে মই উচ্চ শিক্ষাৰ বাবে বিদেশলৈ যোৱা অভিপ্ৰায় কথা ডাঃ বৰুৱাক কলো। তেখেতে আন্তৰিকতাৰে মোৰ এই মহৎ উদ্দেশ্যত সমৰ্থন জনালে। মই ভাল পালোঁ।

পাচঁোটা বছৰলৈ নিজ দেশৰ বায়ু-পানীক এৰি এদিন মই বিলাতলৈ চিকিৎসা বিদ্যাত উচ্চ শিক্ষাৰ বাবে আহিলোঁ। এই পাচঁটা বছৰত মই কেৱল নিজকে চিকিৎসা বিদ্যাৰ শকত শকত কিতাপ-পত্ৰৰ মাজত সীমাবদ্ধ নাৰাখি সেইদেশৰ সভ্যতা-সংস্কৃতিৰ বিষয়ে কিছু অভিজ্ঞতা লাভ কৰিবলৈ যত্নপৰ হৈছিলোঁ। সকতে ভাবিছিলো কিতাপ পঢ়িলেই গোটেই জগতখনৰ কথা জানিব পাৰি; জ্ঞান আহৰণ কৰিব পাৰি। কিন্তু এই দেশৰ বিভিন্ন জনৰ সংস্পৰ্শই, বিভিন্ন ঠাইৰ অভিজ্ঞতাই মোৰ মনৰ ৰুদ্ধ দ্বাৰ খুলি দিলে। তেতিয়াহে জানিলোঁ যে কেৱল কিতাপত সকলো কথা পোৱা নাযায়। প্ৰতিদিনে এই পাচঁটা বছৰত মোৰ কিমান মানুহৰ লগত দেখা-সাক্ষাৎ হৈছে তাৰ সীমা-সংখ্যা নাই। আজিও বহুত চিনাকী-অচিনাকী মুখে মোৰ মনৰ দাপোনত ভুমুকি মাৰেহি। বহুতো মুখৰ ভিতৰত এখন মুখৰ কথা আজিও মই পাহৰিব পৰা নাই। কিয় পৰা নাই এই কথা মই আজিও কব নোৱাৰোঁ। কেমিংটন হস্পিতালত চিকিৎসা বিষয়ত অধ্যয়নৰত থাকোতে এক বিশেষ মুখৰ সৈতে মোৰ সাক্ষাৎ হৈছিল। প্ৰথম চিনাকীতে আপোন কৰি লব পৰা এই মুখৰ কথা যেতিয়াই মই ভাবোঁ তেতিয়াই মোৰ মনত এক অজান পুলক অনুভৱ কৰোঁ। যদি কোনোবাই সোধে ছোৱালীজনীৰ বিষয়ে—এই কথাৰ উত্তৰ কি কম কব নোৱাৰোঁ। সেই মুখখনৰ নাম কেথেৰীন্ মেনজ্ ফিল্ড। যোৱা পাঁচোটা বছৰত বিলাতৰ কেমিংটন হস্পিতালত যিসকলৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি উঠিছিলে, সেইসকলৰ ভিতৰত প্ৰথমে মই কেথেৰীন্ মেনজ্ ফিল্ডৰ নাম লব লাগিব। বাহিৰৰ পৰা আমি এজন লোকক সুখী বুলি ভাঠি কব নোৱাৰোঁ। মোক বহুলোকে সুখী বুজিয়েই ভাবে। কিন্তু মই যিমান সুখী হব লাগিছিল বা লাগে সিমান সুখী হব পৰা নাই। কিয় সুখী হব পৰা নাই তাৰ উত্তৰ দিব নোৱাৰিম। প্ৰথমে

দেখোতে কেথেৰীনক বেচ স্থখী যেনেই লাগিছিল। কিন্তু খুব কম সময়ৰ ভিতৰতে কেথেৰীনৰ প্ৰতি থকা মোৰ সেই ভাৱ সলনি হ'ল। হস্পিতালত কেথেৰীনক সদায় লগ পাওঁ। কেথেৰীনে আমাৰ কেমিংটন হস্পিতালত চিষ্টাৰ কৰে। কেথেৰীনহঁতৰ পৰিয়ালটো তিনিজনীয়া। কেথেৰীন, তাইৰ মাক মেৰীলিন আৰু বৃদ্ধ ককাদেউতাক। সময় আৰু পৰিস্থিতিয়ে আমাক খুব অচিনাকীজনৰ লগতো চিনাকী কৰি দিয়ে; যাৰ বাবে আমি নিজেই প্ৰস্তুত নাথাকোঁ। সুদূৰ ভাৰতবৰ্ষৰ পৰা গৈ এদিন মই বিলাতৰ এক বিচিত্ৰ পৰিবেশৰ লগত খাপ খুৱাই লব লগাত পৰিলোঁ। মই যেন এই পাঁচোটা বছৰৰ ভিতৰতে সেই দেশৰ প্ৰতিটো ধূলি-বালিৰ সৈতে পৰিচিত হৈ গৈছোঁ। আন বহুতৰ দৰে ময়ো স্বীকাৰ কৰোঁ কেমিংটন হস্পিতালৰ সকলোবোৰ নাৰ্চ-চিষ্টাৰতকৈ কেথেৰীন আটাইতকৈ সুন্দৰী, অনন্যা। কেথেৰীনৰ উপস্থিতিয়ে বাকী নাৰ্চ-চিষ্টাৰৰ অস্তিত্ব ম্লান কৰি দিয়ে। সেয়ে কেথেৰীনৰ প্ৰতি হস্পিতালৰ বাকী নাৰ্চ-চিষ্টাৰবোৰৰ যে এটা ঈৰ্ষা ভাৱ আছে এই কথা অইনে আনকি কেথেৰীনে নিজে স্বীকাৰ নকৰিলেও মই জানো। মই বহুদিন লক্ষ্য কৰিছোঁ যেতিয়া কেথেৰীন মোৰ ওচৰলৈ কিবা কাৰণত আহে নতুবা অন্য ডাক্তৰৰ ওচৰলৈ যায় তেতিয়া বাকী নাৰ্চ-চিষ্টাৰবোৰে ঈৰ্ষাত জ্বলি-পুৰি মৰে। বাহিৰত প্ৰকাশ নকৰিলেও মই স্বীকাৰ কৰোঁ যে কেথেৰীনক লগৰ সৰহভাগ নাৰ্চ-চিষ্টাৰেই পেটে পেটে ভাল নেপায়। স্বভাৱতে তিৰোতাবোৰ ঈৰ্ষাপৰায়ণা; সিহঁত লাগিলে যি কোনো দেশৰেই নহওক। আমাৰ প্ৰথম সম্বোধন 'তুমি-তোমাৰ' পৰা গৈ 'নিশান্ত-কেথেৰীন' হৈ গৈছিল। সময়ৰ লগে লগে আমি দুয়ো দুয়োজনৰ ওচৰত সহজ হব পাৰিছিলোঁ। লগে লগে আমাৰ মাজত কোনো কথাই লুক-ঢাক হৈ থকা নাছিল। আমি যিমান পাৰো সিমান দূৰ দুয়োজনে দুয়োজনক বুজিবলৈ চেষ্টা কৰিছিলোঁ। এক কথাত কবলৈ গ'লে আমাৰ দুয়োজনৰ মাজত ভাল পোৱাৰ ভাৱ ক্ৰমে গভীৰ হৈ আহিছিল। কেথেৰীনে তাইৰ ঘৰলৈ যাবলৈ মোক কেইবাবাৰো অনুৰোধ কৰিছিল। অনুৰোধ ৰক্ষা কৰি মই কেইবাবাৰো সিহঁতৰ ঘৰলৈ গৈছোঁ। তাইৰ মাক আৰু বৃদ্ধ ককাদেউতাকৰ লগত চিনাকী হৈছোঁ। মাকে মোক নিজৰ ল'ৰাৰ দৰে মৰম-স্নেহ কৰিছে। ময়ো তেওঁৰ প্ৰতি শ্ৰদ্ধা-ভক্তি অটুট ৰাখিবলৈ পাৰ্য্যমানে চেষ্টা কৰিছোঁ। মুঠতে কেথেৰীনহঁতৰ লগত মোৰ এক ঘনিষ্ঠ সম্পৰ্কই গঢ়ি উঠিছে বুলি কব লাগিব। এইদৰে বহুদিন মই কেথেৰীনক মোৰ গাড়ীত উঠাই ক্লোৰিডা নদী, গ্ৰীন হিল্‌ছ আদি ঠাইত বহু সময় কটাই দিছোঁ।

এদিন মই নোসোধাকৈয়ে কেথেৰীনে নিজৰ জীৱনৰ করুণ অধ্যায় এটি মোৰ আগত ডাঙি ধৰিলে। মই মাথোন মন্ত্ৰ-মুগ্ধ হৈ শুনি গৈছিলোঁ। তাইৰ দহ বছৰ বয়সত দেউতাক পিটাৰ মেন্‌জফিল্ডে অন্য এগৰাকী ছোৱালীক বিয়া কৰায়। ইয়াতে কেথেৰীনৰ মাকে অন্তৰত বিষম আঘাট পাই আৰু বিবাহ বিচ্ছেদ কৰিলে আৰু তাইক লৈ মাকে পুনৰ বৃদ্ধ বাপেকৰ ঘৰলৈ গুচি আহিলে। মাকে দ্বিতীয় বিবাহ নকৰি গানৰ স্কুল এটাত শিক্ষয়িত্ৰী হৈ সোমাল। গানৰ শিক্ষয়িত্ৰী হিচাপে যি পাই তাৰে সিহঁতৰ তিনিজনীয়া পৰিয়ালটো কোনোমতে চলি যায়। এদিন কেথেৰীন ডাঙৰ হ'ল আৰু এটা সময়ত তাই 'চেণ্ট পিটাৰ হাইস্কুলৰ পৰা

স্কুলৰ শেষ পৰীক্ষাত উত্তীর্ণ হৈ কাৰো কথা নামানি কেমিংটন হস্পিতালত চিষ্টাৰ হৈ সোমাল। এই সূত্রে কেথেৰীনৰ লগত মোৰ পৰিচয় ঘটে। মোৰ বিষয়ে তাই জানিবৰ বৰ আগ্রহ প্রকাশ নকৰিলে। তাই জানি-ছিল যে সিহঁতৰ দেশৰ দৰে আমাৰ ভাৰতবর্ষৰ লোকে বাৰে ৰাৰে বিয়া ভঙা-পতা নকৰে। মই মোৰ জীৱনৰ সেই করুণ অধ্যায়টোৰ কথা যিটো মোৰ বাবে আজিও সাঁথৰ হৈ আছে সেই কথা তাইক নকলোঁ। বিলাতত পাঁচটা বছৰ কটাই এদিন মই চিকিৎসা বিদ্যাৰ অধ্য-য়ণ শেষ কৰি ভাৰতবর্ষলৈ চিৰদিনৰ বাবে গুছি আহিলোঁ। কেথেৰীনক এৰি থৈ আহিলো যদিও তাইৰ সেই চলচলীয়া চকুযোৰে ঘনে ঘনে মোক আজিও আমনি কৰে।

কেথেৰীন মেন্‌জফিল্ডৰ কথা

"You have no more right to consume happiness without producing it than to consume wealth without producing it."

—Bernard Shaw

নিজৰ ৰূপ-সৌন্দর্য্যৰ প্রতি সচেতন হলেই যে আনৰ মনোযোগ আকর্ষণ কৰা বুজায়, এনে কথাৰ যুক্তি মই বিচাৰি নেপাওঁ। মই কোনো-দিন নিজৰ ৰূপ-লাৱণ্যলৈ আনৰ আগত গৌৰৱ কৰি ফুৰা নাই; কোনোবাই যদি মোৰ প্রতি এনে এটা ধাৰণা মনত লৈ আছে তেন্তে তেওঁৰ ভুল কাম কৰিছে। গতিকে যদি কোনো-বাই মোক এই ৰূপ লাৱণ্যৰ কাৰণে ঈর্ষাৰ চকুৰেও চাইছে তেওঁক মোৰ কবলগীয়া বিশেষ একো নাই।

মোৰ পৰিচয় কেৱল এগৰাকী চিষ্টাৰ বুলি দিলে নিশ্চয় ভুল কৰা হব। কিয়নো মোকো অন্যৰ দৰে সুখী জীৱন এটা লাগে। ময়ো মোৰ জীৱনক ভাল পোৱাৰ প্রেমৰ মাধুর্য্যেৰে ওপচাই দিব খোজোঁ। এই কাৰণে যদি মোক কোনোবাই ঈর্ষাৰ চকুৰে চাই নতুবা সমালো-চনাও কৰে মই তেওঁক কি কম নিজেই নাজানো। আজি এগৰাকী চিষ্টাৰ হিচাবে কেমিংটন হস্পিতালত দহোটা বছৰ কটাই দিছোঁ; আৰু এই দহোটা বছৰত মই কি পালো তাৰো খতিয়ান কাৰো আগত দাঙি ধৰিব খোজা নাই। অৱশ্যে এই হস্পিতালত এজন লোকক মই বৰ আপোন ভাবে লব পাৰি-ছিলো। এই কথা নকলে মোৰ জীৱনৰ বহু কথাই বাদ পৰি যাব। হস্পিতালৰ বহুত ডেকা ডাক্তৰৰ ভিতৰত ডাঃ নিশান্ত চৌধাৰীক মণে-প্রাণে ভাল পাই পেলাইছিলো। হয়তো তেখেতেও মোক সেইদৰে গ্রহণ কৰিছিল। সুদূৰ ভাৰতবর্ষৰ পৰা অহা ডেকাজনৰ একোকে চিনি নেপালেও মই তেখেতক ভাল পাই-ছিলো। পাঁচটা বছৰৰ কাৰণে চিকিৎসা বিষ-য়ত উচ্চ শিক্ষা লবলৈ আহি ডাঃ চৌধাৰী যে কেৱল সহকর্ম্মীবোৰৰ ভিতৰত আপোন হৈ পৰিছিল এনে নহয়। হস্পিতালৰ ৰোগী-বোৰেও যে তেখেতক ভাল পাইছিল—এই কথা ময়ে নহয় বাকী নার্চ-চিষ্টাৰেও স্বীকাৰ কৰে। তেখেতৰ কোনো গর্ব্ব, অহঙ্কাৰ নাছিল যেনেই অনুমান হয়। মোৰ অনুৰোধত তেখেত আমাৰ ঘৰলৈ বহুবাৰ গৈছিল। মা আৰু ককাৰ লগত তেখেতে একেবাৰে আপোন মানুহৰ দৰে কথা-বতৰা হৈছিল, হাঁহিছিল, স্ফূর্ত্তি কৰিছিল। মুঠতে তেখেতে আমাৰ ঘৰত এখন স্থকীয়া আসন অধিকাৰ কৰি লৈছিল বুলি ক'লে

অত্যুক্তি কৰা নহব। মোক তেখেতে বহুদিন বিভিন্ন ঠাইলৈ ফুৰাবলৈ নিছিল; আমি দুয়োজন দুয়োজনৰ ওচৰত একেবাৰে সহজ হৈ পৰিছিলোঁ। এদিন তেখেতে মোৰ প্ৰতি থকা তেখেতৰ ভালপোৱাৰ কথা প্ৰকাশ কৰিলে। সেইদিনাখন আমি দুয়ো কেজেল্ হিল্‌ছৰ প্ৰাকৃতিক শোভা চাবলৈ গৈছিলো। এটা সময়ত আমি দুয়ো এটা নিজৰাৰ কাষত বহিলোগৈ। কিছুসময়ৰ পাছত তেওঁ নিস্তব্ধতা ভঙ্গ কৰি কলে, "চোৱা কেথেৰীন্, এই নিজৰাটোৰ পানীবোৰ যিদৰে কল্ কল্ গতিৰে বৈ গৈছে, মই ভাবোঁ আমি দুয়ো এইদৰে এদিন নিজৰাটোৰ দৰেই বৈ যাম।" মই যেন একো বুজা নাই, এই ভাৱত থাকিলো। তেওঁ মোৰ দুয়োখন হাত তেওঁৰ নিজৰ হাতৰ মুঠিত খুব আলফুলকৈ সাৱটি ধৰি মৰমৰ সুৰত ক'লে,— "কেথেৰীন্, মই তোমাক চিৰদিনৰ কাৰণে ভাল পাব বিচাৰোঁ। মই তোমাক মোৰ জীৱনৰ সহযাত্ৰী কৰিব বিচাৰো। কোৱা— তুমি সন্মত আছা ?" মই তেওঁক সেইদিনাখন একো কব পৰা নাছিলোঁ। কেৱল মই তেখেতৰ হাতৰ মুঠিৰ পৰা লাহে লাহে এৰাই আহিছিলোঁ। মই জানিছিলোঁ তেওঁ মোক চিৰজীৱনৰ বাবে বিচাৰিছিল। মোৰ ঘৰুৱা জীৱনৰ বহু কথা মোৰ পৰা জানিছিল। তেখেতৰ বিষয়ে কিন্তু মই একো জনা নাছিলো আৰু জানিবলৈ ইচ্ছা প্ৰকাশো কৰা নাছিলো। কিয়নো তেওঁৰ দৰে এজন আদৰ্শৱান ডাক্তৰৰ প্ৰতি কোনো সংকীৰ্ণ মনোভাৱ লৈ থকাটো মই যুক্তিসঙ্গত বুলি নেভাবোঁ। তেওঁৰ লগত বৰ মিলামিছা কৰাটো মোৰ বান্ধৱী সকলে বৰ সহজ ভাবে লব পৰা নাছিল। অৱশ্যে এই কথাত মই মোৰ লগৰ নাৰ্চ-চিষ্টাৰবোৰৰ প্ৰতি কোনো আক্ষেপ ৰখা নাই। যেনেকৈ এদিন ডাঃ চৌধাৰী উচ্চ-শিক্ষা লবলৈ ইয়ালৈ আহিছিল, তেনেকৈ এটা সময়ত শিক্ষা সাং কৰি নিজ দেশলৈ উভতি গৈছিল। তেখেতৰ সান্নিধ্য আৰু সঁচা মৰম মোৰ স্মৃতিৰ মনিকোঠাত এতিয়াও সজীৱ হৈ আছে; যদিও আমি এতিয়া বহু দূৰে-দূৰে আছোঁ। ডাক্তৰ চৌধাৰীৰ সান্নিধ্য মোৰ জীৱনৰ এটা অবিস্মৰণীয় অধ্যায়। তেওঁৰ সংসৰ্গই মোক আজিও উন্মনা কৰে, ৰোমাঞ্চিত হওঁ। অন্য এখন জগতলৈ মনটো উধাও হয়।

ডাঃ স্বপ্ননীড় বৰুৱাৰ কথা

"Consider how hard it is to change yourself and you will understand what little change you have been trying to change others"

**Arnold glasow**

মই ডাঃ স্বপ্ননীড় বৰুৱা। মোক বহুতে আত্মগৌৰৱী, অহঙ্কাৰী, অভিমানী বুলি মন্তব্য কৰাৰ কথা মই জানো। কিন্তু তাৰ বাবে মই কাকো দোষাৰোপ কৰা নাই। এই বিষয়ত মোৰ কাৰো প্ৰতি কোনো আক্ষেপ নাই। মই মোৰ ভাৱেই চলিছোঁ; ইমানেই।

মই কোনোদিন মানুহৰ জাতি-ধৰ্মলৈ তৰ্ক কৰা নাই; নতুবা তৰ্ক যুদ্ধত প্ৰবৃত্তও হোৱা নাই। মোৰ দৃষ্টিত মানুহ হ'ল এনে এক প্ৰাণী যি হাঁহিব জানে, কান্দিব জানে আৰু ভাল পাব জানে। ইয়াৰ বাহিৰে মই মানুহৰ অন্য কোনো সংজ্ঞা দিব নোৱাৰিম। যদি কোনোবাই মানুহৰ বিষয়ে আৰু কিবা জানিব খোজে তেনেহ'লে তেওঁ মোৰ ওচৰত হতাশ হব। মই স্বীকাৰ কৰোঁ প্ৰেম-ভাল পোৱা এইবোৰ বস্তুৰ সৈতে পৃথিৱীৰ অন্য কাৰো

তুলনা হব নোৱাৰে। এজনে এজনক ভাল পোৱাত কিবা স্বাৰ্থ থাকিব পাৰে নেকি এই কথা মই আজিও বুজি নেপালোঁ। কেৱল ইয়াকে জানো, যেতিয়া এখন হৃদয়ে অন্য এখন হৃদয়ক আপোন কৰি লব পাৰে তেতিয়াই প্ৰেম বা ভালপোৱাৰ জন্ম হয়। প্ৰেম, ভালপোৱা নথকাহেঁতেন পৃথিবীখন দুখীয়া হৈ গ'লহেতেন, অসুন্দৰ হৈ গ'লহেতেন। মই ভাবোঁ পৃথিবীখন সুন্দৰ হোৱাৰ মূলতে হ'ল এই প্ৰেম, ভাল পোৱা। কিন্তু আমি কেইজনে প্ৰকৃত প্ৰেমক স্বীকৃতি দিছোঁ নতুবা প্ৰেমৰ অমৰত্ব বন্দনা কৰিবলৈ শিকিছোঁ? আমাৰ জীৱনবোৰ অসুখী হৈ উঠাৰ মূলতে হ'ল প্ৰকৃত প্ৰেমক স্বীকৃতি নিদিয়াৰ বাবেই। যিমান দিনলৈকে প্ৰকৃত প্ৰেমক উচ্চ আসন দিয়া নেযায় তেতিয়ালৈকে পৃথিবীত চকু পানীৰ শেষ নহয়। স্বীকাৰ কৰোঁ মোৰ দেউতা আছিল সম্ভ্ৰান্ত অসমীয়াৰ সন্তান। কিন্তু মা আছিল চাহ বাগিচাৰ এগৰাকী কুলী ছোৱালী। সেইবুলি মই অপবিত্ৰ হৈ গলোঁ নেকি? ধৰ্ম্ম কি; জাত কি মই এইবোৰ একোকে নুবুজো। মই মাথোন মানুহক বুজো, মানুহৰ হৃদয়ক বুজো, মানুহৰ ভাল পোৱাক চিনো; তাৰ বাহিৰে মই একো চিনি নেপাওঁ। মোৰ এই ভালপোৱাক কেইজনে মানি লৈছে? বোধকৰো সেইকাৰনেই দেৱাহুতি পুৰকায়স্থৰ লগত মোৰ হবলগীয়া বিয়াখন নহল; তেওঁলোকে মোৰ তেজক বেলেগ দৃষ্টিৰে চাইছিল। মই কোনোদিন মানুহৰ তেজক হিন্দুৰ তেজ, মুচলিমৰ তেজ, খৃষ্টানৰ তেজ, ধনীৰ তেজ, গৰীৱৰ তেজ বুলি চিনিবলৈ চেষ্টা কৰা নাই। মই মাথোন পৃথিবীৰ সমস্ত মানুহৰ তেজ ৰঙা বুলিহে জানোঁ।

জীৱনত মোৰ একো গৰ্ব্ব কৰিবলগীয়া নেথাকিলেও মই এটা কথাত গৌৰব কৰিব পাৰোঁ—নিশান্তৰ মাক জোনালীৰ হেৰাই যাব খোজা জীৱনটোত মই পোহৰৰ সন্ধান দিলোঁ। এই কথা অইনে স্বীকাৰ নকৰিলেও জোনালীয়ে নিশ্চয় স্বীকাৰ কৰিব। নিশান্তই আজিও নেজানে তাৰ পিতৃৰ পৰিচয়; তেওঁ মৃত নে জীৱিত এই কথাও সি নেজানে। মোক কোনোদিন এই বিষয়ে সোধা নাই; ময়ো তাক এই কথা কৈ আত্মপ্ৰসাদ লভিব খোজা নাই। সময়ত হয়তো সি নিজেই এই কথা জানিব।

......সোনপুৰ গাঁৱৰ প্ৰধান আলিবাটটো সেইবাৰ গড়কাপ্তানী বিভাগে পকীকৰাৰ ভাৰ লয়। কাম চাবৰ বাবে গড়কাপ্তানী বিভাগৰ এজন ডেকা ইঞ্জিনীয়াৰো লগত আহিছিল নাম কল্যাণ দত্ত। জোনালী তেতিয়া গাভৰু ছোৱালী। চকু-মুখত কিবা পোৱাৰ কামনা। যৌৱনৰ হেজাৰ অনামী স্বপ্নই প্ৰকাশ বিচাৰে কাৰোবাৰ সুকোমল হৃদয়ৰ মৰম পাবলৈ। জীৱনৰ ৰঙীণ স্বপ্নতে নিজকে সুন্দৰ ৰূপত প্ৰকাশ কৰাৰ এইয়া যেন সোনালী সুযোগ; মন হৈ পৰে চঞ্চল তটিনী, দেহৰ ভাজে ভাজে বাজি উঠে হেজাৰ নৃত্যময় ছন্দ; ফুলৰ কোঁহে কোঁহে সিঁচি দিবৰ মন যায় অলেখ কল্পনী স্বপ্নৰ ৰঙীণ মদিৰা। সময় আৰু পৰিস্থিতিয়ে দুটি হৃদয়ৰ অব্যক্ত বেদনাক প্ৰকাশৰ বাট মুকলি কৰি দিয়ে—পাহৰি যায় অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত।......

......সম্পূৰ্ণ তিনিমাহৰ অন্তত সোনপুৰ গাঁৱৰ প্ৰধান ৰাষ্টাটো পকী হয়; আৰু এই তিনিমাহতে জোনালী আৰু কল্যাণ দত্তৰো

পৰিচয় ক্ৰমে গভীৰ হয়। কিন্তু কোনে জানিছিল এই পৰিচয়ে জোনালীৰ জীৱনলৈ কঢ়িয়াই আনিব বিষাদৰ গধুৰ বোজা? সাক্ষী ৰূপে থাকিল সোনপুৰৰ গঞ্জা ৰাইজ, পৃথিবী আৰু অন্ধকাৰত খেপিয়াই ফুৰা জোনালীৰ বৃদ্ধ পিতা-মাতা।

......জোনালী হৈ পৰিল গঞ্জা ৰাইজৰ ঘৃণাৰ পাত্ৰী, অৱহেলাৰ পাত্ৰী। জোনালী অন্তঃসত্বাৰ বাতৰিয়ে সোনপুৰৰ গঞ্জাক চিন্তিত কৰি তুলিলে। সকলোৱে একে মুখে কবলৈ ধৰিলে— জোনালীহঁতক সোনপুৰ গাঁৱত স্থান দিলে গাওঁখনৰ ভৱিষ্যত অন্ধকাৰ। সমাজৰ দ্বাৰা অৱহেলিত তথা সমাজচ্যুত হোৱাৰ ভয়ত জোনালীৰ দেউতাক নীলকণ্ঠ গায়নে চহৰৰ হস্পিতাললৈ জোনালীক লৈ আহে সেই নবাগতক পৃথিবীৰ পৰা মুক্তি দিয়াৰ উদ্দেশ্য। এই কেছটো ময়ে পাইছিলো। ডাক্তৰ এজনৰ বাবে ই এটা তেনেই সাধাৰণ কাম। ডাক্তৰ এজনে নিজৰ চিকিৎসা বিদ্যাৰ জ্ঞানেৰে অৰ্জ্জন কৰা কলা-কৌশলেৰে এজনৰ জীৱন প্ৰৱাহ স্তব্ধ কৰি দিব পাৰে। কিন্তু সেই মৃতজনৰ দেহত পুনৰ নতুন এটা জীৱন দিব নোৱাৰে। মই নীলকণ্ঠ গায়নক জোনালীৰ গৰ্ভৰ সন্তানটোক নষ্ট নকৰাটোকে ভাল বুলি কলো; তেওঁ জনালে তেওঁলোকৰ মৃত্যুৰ পিছত জোনালীৰ ভৱিষ্যত কি হব! হস্পিতালতে মিডৱাইফৰ প'ষ্ট এটা খালি হৈ আছিল। মই কলো তেখেতে যদি একো নেভাবে আমাৰ হস্পিতালৰে খালি হৈ থকা প'ষ্টটোত জোনালীক ৰাখিব পাৰি। বহুতো ভাবি-গুনি অৱশেষত নীলকণ্ঠ গায়ণ মান্তি হ'ল।

......এদিন জোনালীৰ সেই সন্তানে সময়ৰ হাত বুলনিত ডাঙৰহৈ স্কুল-কলেজৰ ডেওনা পাৰ হৈ আজি সকলোৰে আগত ডাঃ নিশান্ত চৌধাৰী নামেৰে পৰিচিত হৈছে। পুত্ৰৰ বিজয় সাফল্যত জোনালী বৰ্ত্তমান গৌৰান্বিত ......

অলপ আগতে গোমা হৈ থকা আকাশখনৰ ডাৱৰৰ চপৰাবোৰৰ কেতিয়া যে কোনফালে গ'ল মই ততকে ধৰিব নোৱাৰিলোঁ। তাৰ ঠাইত অ'ত ত'ত দুটা-এটা তৰাৰ আগমণ। মোৰ মনটো এক অজান পুলকত নাচি উঠিল। অলপ আগতে পঢ়িবলৈ মেলি লোৱা ন্যুত হামচনৰ "Growth of the soil" কিতাপখন পুনৰ জপাই থলোঁ।



# INTERNATIONAL WOMEN YEAR

## DIGBOI COLLEGE

## 1975



Miss Dolly Roy, U.O. (Left), who is a student of 2nd year D.C. (Arts) Class of our College, adjudged as the first Assamese N.C.C. Girls Cadet in Paratrooping Course which was held at Agra in September '75. Her article (in Assamese) appears in this section.

Miss Deepanjali Borbora, S.U.O., (Right) who is a student of 2nd year D.C.(Arts) class of our college adjudged as the best N.C.C. Girls' Cadet in All India Advance Leadership Course which was held in Bhowali (Nainital), June '75. Her article (in Assamese) appears in this section.



# "গ্ৰীন অন গো"

**ডলী ৰয়**
২য় বাৰ্ষিক স্নাতক (কলা)

ইনষ্ট্ৰাক্টৰজনে সময়ৰ নিৰ্দ্দেশ দিলে—"গ্ৰীণ অন গো"—লগে লগে মইও উৰাজাহাজৰ পৰা বাহিৰলৈ জঁাপ দিলো। ওপৰৰ পৰা মাৰি পঠিওৱা এডাল তীক্ষ্ণ শৰৰ দৰে বতাহ ফালি ফালি মই মই তললৈ নামি আহিছিলোঁ। মোৰ অলপ ভয় লাগিছিল। সৌভাগ্যবশতঃ মোৰ পেৰাচুটটো কিন্তু ঠিক সময়তে খোল খাইছিল। লগৰ কেইবাগৰাকীও প্ৰশিক্ষণাৰ্থী সেইসময়ত মোৰ দৰেই আকাশৰ বুকুৰ পৰা ধৰণীলৈ নামি আহিছিল, যেন আকাশৰ বুকুয়েদি নামি আহিছে একোজনী পৰী। এটা উত্তেজনাপূৰ্ণ ৰোমাঞ্চকৰ মুহূৰ্ত্তৰ পিচত মই মাটিত অৱতৰণ কৰিলোঁহি। জীৱনত প্ৰথমবাৰৰ বাবে এই দৰেই পেৰাজাপৰ অভিজ্ঞতা লাভ কৰিলোঁ।

পেৰা প্ৰশিক্ষণৰ বাবে ডিব্ৰুগড় জিলাৰ গ্ৰুপ কমাণ্ডাৰ লেফ্‌টেনেট কৰ্ণেল গোপাল সিংহৰ অধীনত হোৱা নিৰ্ব্বাচনৰ পিচত আমি আগ্ৰাত অনুষ্ঠিত হোৱা "এয়াৰ ফৰ্চ পেৰাট্ৰেইনিং স্কুল"ৰ ৩৫ দিনীয়া প্ৰশিক্ষণত যোগ দিবলৈ গৈছিলো। ১৯৭৫চনৰ ১৩ চেপ্তেম্বৰৰ দিনা যাত্ৰা আৰম্ভ কৰি ১৭ চেপ্তেম্বৰৰ দিনা পুৱা আমি আগ্ৰা পাইছিলোঁগৈ। দুগৰাকী ছাত্ৰীকেডেটৰ সৈতে অসমৰ পৰা যোৱা দলটোৰ কেডেটৰ মুঠ সংখ্যা ১১ জন। সৰ্ব্বভাৰতৰ পৰা প্ৰশিক্ষণ শিবিৰত যোগদান কৰা ছাত্ৰ-ছাত্ৰীৰ মুঠ সংখ্যা আছিল ১৯৬ জন। কিন্তু তাৰ ভিতৰত মুঠ ১৬০ জন কেডেটৰহে পেৰাজাপৰ যোগ্যতা অৰ্জ্জন কৰিবলৈ সমৰ্থ হৈছিল।

আগ্ৰাৰ পেৰাহোল্ডিং উইঙত (Para holding wing) কটোৱা দিনবোৰৰ কথা কবলৈ গলে মই বহুতো কথাই কব লাগিব; বিশেষকৈ কব লাগিব পেৰাপ্ৰশিক্ষণৰ বিষয়ে। আমাৰ প্ৰশিক্ষণ আৰম্ভ হৈছিল ২০ চেপ্তেম্বৰৰ পৰা। প্ৰশিক্ষণত আমাক পেৰাজাপৰ বাবে আৱশ্যকীয় সকলোবোৰ কথাই শিকোৱা হৈছিল। যেনে :— পেৰাপজিশ্যন, এক্সিট, ফ্লাইট টেকনিক অৱতৰণ, ৰুলিং ইত্যাদি। জঁাপ মাৰিবলৈ দিয়াৰ আগতে আমাক এই বিষয়বোৰ ভালদৰে শিকোৱা হৈছিল।

হয়তো কৰ্চটো আছিল খুব টান, কিন্তু মনপুতি অধ্যয়ণ কৰিলে আৰু এটা কামত মন দিব পাৰিলে টান কামো ভাল লাগে। প্ৰশিক্ষণ প্ৰণালী শেষ হোৱাৰ পিচত আমি এটা পৰীক্ষাৰ সন্মুখীন হবলগীয়া হৈছিল। পৰীক্ষাতো আছিল

—৩০ ফুট ওখ মিনাৰৰ পৰা পেৰাচুটৰ সহায় নোলোৱাকৈ জাপ মাৰিব লাগে। আমাৰ প্ৰশিক্ষণাৰ্থী সকলৰ বহুতে এই পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰি অযোগ্য বুলি বিবেচিত হৈছিল।

পৰীক্ষাত কৃতকাৰ্য্যতা লাভ কৰা কেডেটসকলক প্ৰথম জাপটো মাৰিবলৈ দিয়া হৈছিল ১৬ অক্টোবৰৰ দিনা ১৫০০ ফুট ওপৰৰ পৰা। সেইদিনা ৰাতিপুৱাই পেৰাজাঁপৰ পোচাক পিন্ধি মনত ভয়, আনন্দ, আৰু সাহসৰ এটা উখল-মাখল ভাব লৈ আমি বিমানবন্দৰ পাইছিলোগৈ। সেই সময়ত এটা কথাই বাৰে বাৰে মোৰ মনলৈ আহিছিল— মূলাগাভৰুৰ দেশৰে সন্তান মই। সেয়ে বহু ওপৰৰ পৰা জপিয়াব লাগিব যদিও ভয়ক প্ৰশ্ৰয় দিয়া নাছিলো।

আগ্ৰাত তেতিয়াও সূৰ্যোদয় হোৱা নাই। পাতলকৈ বিয়পি পৰা কুঁৱলীবোৰ সূৰুযৰ লগত লুকাভাকু খেলাত ব্যস্ত আছিল। আমি ৪০ জনীয়া দলটো যথা সময়ত বিমানত উঠিছিলোগৈ। নিজ নিজ নম্বৰ অনুসৰি উৰাজাহাজত বহাৰ পিচত বিমানখনে আমাক লৈ আকাশলৈ উৰা মাৰিছিল। বিমানখন Dropping zone (যত আমি অৱতৰন কৰিছিলো)ৰ ওচৰ পাওঁতেই তলৰ পৰা সঙ্কেত পাই ইনষ্ট্ৰাক্টৰে আমাক নিৰ্দ্দেশ দিছিল, —"Action Station" আমি উৰা জাহাজতে "Action Station"। পজিশ্যনলৈ আহিছিলোঁ, আৰু মনতে আওঁৰাইছিলোঁ প্ৰশিক্ষণৰ সময়ত দিয়া নিয়মবোৰ। তাৰপিচত আমাক নিৰ্দ্দেশ দিছিল "ৰেড অন"। ৰেডঅন পজিশ্যনত অৰ্থাৎ উৰা জাহাজৰ দুৱাৰৰ দুইকাষত দুয়োখন হাত দি সমূখলৈ চাই থাকোঁতে মই দেখিছিলোঁ—পূব আকাশত সুৰুযদেৱতা ৰঙা হৈ জিলিকি উঠিছে। সেই সময়ত মোৰ এনে লাগিছিল সুৰুযদেৱতাই যেন আমাৰ দুঃসাহসিক অভিযানত পোহৰৰ পথ দেখুৱাই দিছে এমুঠি ৰঙা ফাকুগুৰি ছটিয়াই আৰু একাজলি- আশীৰ্ব্বাদেৰে অপেক্ষা কৰি ৰৈছিলো মাথো 'গ্ৰীণ অন গো' এই শব্দকেইটাৰ বাবে। এটা সময়ত ক্ৰিং ক্ৰিং কৈ বেল বাজিছিল আৰু ইনষ্ট্ৰাক্টৰৰ নিৰ্দ্দেশ শুনা গৈছিল—'গ্ৰীণ অন গো' লগে লগে মই তললৈ জাপ মাৰিছিলোঁ। বতাহৰ কাৰণে মোৰ চকু বন্ধ হৈ গৈছিল, গন্‌টি কৰিছিলোঁ একহাজাৰ, দোহাজাৰ, তিনহাজাৰ, চাৰহাজাৰ, আপো চকু মেল খাই গৈছিল। ওপৰলৈ চাই দেখিছিলো মোৰ পেৰাচুটটো মেল খাইছে। এবাৰ চাৰিওফালে চাই সকলো ভাল দেখি নিশ্চিন্তমনে পেৰাপজিশ্যন বনাই আহি আছিলো। বহুতো ওপৰত থকাৰ কাৰণে প্ৰথমে তলৰ মানুহ, বস্তু একোকে দেখা পোৱা নাছিলো। মনে মনে ভাবিছিলোঁ— মই বাৰু ওপৰতে ওপঙি আছোঁনে তললৈ নামি আহিছোঁ। কুঁৱলীৰ মাজেৰে দূৰৰ পৃথিবীখন ইমান মায়াময় যেন লাগিছিল। গছ-গছনি, ঘৰ-দুৱাৰ, সকলোবোৰ কিযে এক আকৰ্ষণীয় নিস্তব্ধতাৰে থমকা খাই ৰৈ আছে। এই অনিৰ্ব্বচনীয় সৌন্দৰ্য্যই মনটো তেনেই বুৰাই পেলাইছিল। অৱশেষত তলৰ মাটি দেখা পাই মই অৱতৰণ কৰিবলৈ সাজু হৈছিলো আৰু কেইমুহূৰ্ত্ত মানৰ পিচতে পৃথিবীৰ মধ্যাকৰ্ষণ শক্তিৰ আকৌ এবাৰ প্ৰমাণ কৰি মই মাটিত অৱতৰণ কৰিছিলো। আমাৰ দলটোৰ লগত প্ৰায় ১৫০০ফুট ওপৰৰ পৰা নামি অহাত মোৰ মনটো এক বুজাব নোৱাৰা আনন্দেৰে ভৰি পৰিছিল।

এইদৰে চাৰিটা জঁাপ শেষ কৰাৰ পিচত অৱশেষত আমাৰ পঞ্চম জঁাপটো অৰ্থাৎ চূড়ান্ত জঁাপটো মৰাৰ দিন ওচৰ পালেহি। প্ৰথমটোৰ দৰে পঞ্চম জঁাপটো ৰোমাঞ্চকৰ নহলেও এইটো আছিল উত্তেজনাৰে ভৰা। কাৰণ পঞ্চম জাপটোৰ সফলতাৰ বুকুতেই নিহিত আছিল মোৰ পেৰাট্ৰুপাৰ হোৱাৰ যোগ্যতা অৰ্জ্জন। ২০ অক্টোবৰৰ দিনা আমি আমাৰ পঞ্চম জাপটো শেষ কৰিলোঁ আৰু ভাৰতীয় বিমানবাহিনীৰ মুখ্যাধিনায়ক এয়াৰ চীফ মাৰ্শ্বেল অ, পি, মেহৰা পি, ভি, এচ, এম, এ সকলোবোৰ বিজয়ী কেডেটকে এজন এজনকৈ উইং পিন্ধাই দিছিল। এয়াৰ চীফ মাৰ্শ্বেল অ, পি, মেহৰাই যেতিয়া মোক কৈছিল—Congratulation, first Assamese girl Parajumper. সচাঁকৈয়ে সেই সময়ত মোৰ মনত আনন্দৰ জোৱাৰ উঠিছিল। প্ৰশিক্ষণৰ কঠিনতাৰ কথা মই একেবাৰেই পাহৰি পেলাইছিলো। সেইদিনা গধূলি সাংস্কৃতিক অনুষ্ঠান আৰু ভোজসভাত আৰু তেতিয়াই উত্তৰ প্ৰদেশৰ ডাইৰেক্টৰ ব্ৰিগেডিয়াৰ মিচিগানে কৃতকাৰ্য্যতাৰ প্ৰমাণ পত্ৰবোৰ সকলোকে দিছিল। অৱশেষত ২২ অক্টোবৰ তাৰিখে অসমৰ সৰ্ব্বপ্ৰথম ছোৱালী পেৰাট্ৰুপাৰ নামৰ গৌৰৱৰ মুকুট অৰ্জ্জন কৰি মই ঘৰলৈ উভতিছিলো।

পেৰাজাপত হোৱা মোৰ অভিজ্ঞতা নিসন্দেহে কিছুমান আনন্দৰ সমষ্টি। কিন্তু সেই আনন্দৰ মাজত কিমানখিনি ভয় আৰু আশঙ্কা মিশ্ৰিত আছিল সেই কথা লিখনীৰ মাধ্যমেৰে বুজাব নোৱাৰি। পেৰাজঁাপ শিক্ষাত আন নহলেও এনেকুৱা কিছুমান মুহূৰ্ত্ত পাইছিলোঁ যিবিলাক মুহূৰ্ত্তত নিজৰে লগত দেশক ৰিজাই চোৱাৰ সুযোগ পাইছিলো।



# 'ভোৱালী'ত হোৱা গ্ৰীষ্মকালীন শিবিৰটো

শ্ৰীদীপাঞ্জলী বৰবৰা
২য় বাৰ্ষিক স্নাতক (কলা)

মোৰ N.C.C.ৰ অভিজ্ঞতা কোনো আলোড়নকাৰী বা উল্লেখযোগ্য নহয়। তথাপিও, এইবাৰ গ্ৰীষ্মকালীন শিবিৰত শ্ৰেষ্ঠা কেডেট হৈ লাভকৰা অভিজ্ঞতাখিনি মোৰ জীৱনৰ এক বিশেষ অধ্যায়।

মই N.C.C. ত নাম ভৰ্ত্তিকৰাৰে পৰা এতিয়ালৈকে বহুত শিবিৰত যোগদান কৰাৰ সুবিধা পাইছো। এইবিলাকৰ ভিতৰত নাইনিতালৰ ভোৱালীত হোৱা গ্ৰীষ্মকালীন শিবিৰটো বিশেষ ভাবে উল্লেখযোগ্য।

১৯৭৫ চন। এটি ২০ জনীয়া ছোৱালীৰ দলে অসম আৰু মণিপুৰক প্ৰতিনিধিত্ব কৰিছিল। এই ২০ জনীয়া দলটোৰ ১০ গৰাকী কেডেট মণিপুৰৰআৰু ১০ গৰাকী অসমৰ। আমাৰ লগত কোনো Lady officer নাছিল। সেয়ে, চিনিয়ৰ আণ্ডাৰ অফিচাৰ হিচাবে দলটোৰ বহুতখিনি দায়িত্ব মোৰ ওপৰতেই পৰিছিল! শিবিৰত উপস্থিত হৈ Lady offlcer নথকাত আমি কিছু অপ্ৰস্তুত হৈছিলো। কিয়নো, যোগদান কৰা ১৬ খন ৰাজ্যৰ ১৫ খনৰে Lady officer আছিল।

শিবিৰ জীৱনৰ অভিজ্ঞতা এক বিচিত্ৰ অভিজ্ঞতা। ভাৰতৰ বিভিন্ন ৰাজ্যৰ কেডেট বিলাক গোট খাইছিলো যদিও শিবিৰত থকা কেইদিনত মই অসমৰ, তেওঁ কাশ্মীৰৰ, তেওঁ কেৰালাৰ এই ভাব পাহৰি গৈছিলো। অন্যবিলাক, শিবিৰৰ নিচিনাকৈ ভোৱালীৰ শিবিৰটো আমাৰ মাজত এক আপোন ভাব গঢ়ি উঠিছিল! ভাৰতৰ প্ৰত্যেকখন ৰাজ্যৰ পৰা ২০/৩০ জনকৈ মুঠতে ৩৪০ গৰাকী কেডেটে এই শিবিৰত যোগদান কৰিছিল। এই শিবিৰত আমি ১২ দিন কটাইছিলো আৰু এই কেইদিনত আমাক Rifle shooting, Map Reading, signal, First Aid আদিৰ নানান প্ৰশিক্ষণ দিয়া হৈছিল। এই প্ৰশিক্ষণৰ সময়তে প্ৰশিক্ষক সকলে কেডেট সমূহৰ প্ৰতি লক্ষ্য ৰাখিছিল। শ্ৰেষ্ঠা কেডেট হবলৈ প্ৰশিক্ষক সকলক মই কিমানদূৰ সন্তুষ্ট কৰিব পাৰিছিলো নাজানো, কিন্তু এটা কথা ভালকৈ বুজি পাইছিলো যে মোক শ্ৰেষ্ঠা কেডেটৰ যি সন্মান দিয়া হৈছিল সেই সন্মান কেৱল Parade আৰু Command and Controlৰ ওপৰত ভিত্তি কৰিয়েই দিয়া হোৱা নাছিল। এই কথা

Camp Commandent জনে মোক কৈছিল। শিবিৰত যোগদান দিয়াৰ দিনাৰ পৰাই লক্ষ্য কৰিছিলো যে প্ৰশিক্ষক সকলে প্ৰতিগৰাকী কেডেটৰ আচাৰ ব্যৱহাৰ, নিয়মানুৱৰ্ত্তিতা, Culture ইত্যাদিৰ ওপৰত বিশেষ চকু ৰাখিছিল। মোৰ বিশ্বাস, প্ৰশিক্ষক সকলে এইকেইটা বিষয়ত গুৰুত্ব দিহে মোক 'শ্ৰেষ্ঠা কেডেট' হিচাবে পৰিগণিত কৰিলে।

N. C. C.ৰ প্ৰশিক্ষণ শিবিৰ সমূহে আইনৰ প্ৰতি সন্মান, সময়ানুৱৰ্ত্তিতা, বিশ্বাস, স্বাতন্ত্ৰ্য আদিৰ প্ৰকৃত শিক্ষা পোৱাত সহায় কৰে। শ্ৰেষ্ঠা N.C.C.ৰ কেডেট হবলৈ হলে এটা সুস্থ পৰিবেশ, উৎসাহ, নিয়মানুৱৰ্ত্তিতা আৰু আত্মত্যাগৰ বিশেষ প্ৰয়োজন। ত্যাগ কৰিব পৰা মনোবল আৰু সাহস থাকিলে যে শ্ৰেষ্ঠা কেডেট হব পাৰে মোৰ ভোৱালীৰ শিবিৰৰ অভিজ্ঞতাই তাৰ প্ৰমাণ কৰিব।

# EDITORIAL BOARD

## DIGBOI COLLEGE MAGAZINE

## 1975-76



Sitting (L—R) : Prof. T. C. Hazarika (Staff member) ; Principal P . K. Bhuyan, Patron; Prof. M. K. Bordoloi, Chairman; Vice Principal (Mrs.) S. L. Gogoi, (Staff-member); and Prof. J. C. Sarma (Staff member).

Standing (L—R) : Dikshit Bhattacharyya, (Student member), Mamoni Gohain (Student member) and Sivadas Talukdar (Editor).

# *Our College Executive Body 1975-76*



Sitting from (L-R) : Prof. R. Hussain, Union-in-charge ; Vice Principal S. L. Gogoi Vice-President ; Principal P. K. Bhuyan (President D.C.S.U.) ; Prof. G. Ahmed ( I/c Boys' Common Room).

Standing from (L-R) : Sarvasri Arun Kr- Bora (A.G.S.) ; Benoy Gohain (Secy. Boys' Com. Room) ; Bijon Das (A-G-S) ; Prasanna Gogoi (Secy. Debating & Symp.) ; Ajit Bora (Secy. Major Games) ; Anil Datta (Secy. Cultural).

Members absent in the above picture : Prof. (Mrs.) L. P. Gogoi, Prof. U. Konwar, Prof S. Kar, Prof D. Deb, Prof T. Hazarika, Prof N. Gogoi, Prof: S. S. Roychuodhury, Prof T. Sanyal, Prof. J Sharma, Prof. M. K. Bordoloi, Sarvasri Indra Giri, Mahendra Barua, Lila Bora, Ratan Mukherjee, Naren Hazarika, Sarat Hazarika, Chandradhar Borthakur, Sivadas Talukdar, Ruju Datta, Prasanta Chakravorty, Deepali Khound ; Balin Datta, Uzzal Bhattacharyya, Nikhil Borkakati, Manik Mahanta.

## FAME OF THE COLLEGE



**Sri Tridiv Sharma (Left) and Sri Pradip Kr. Gogoi (Right) secured 2nd and 8th position respectively in the last P.D. Sc. Final Examination'76.**



**Sri Dipendra Kr. Dey (Left) topped the list among the distinguished graduates in B.Sc. Examination '76.**

**Sri Chitre Giri (Right) secured first class 4th position in Eco. honours in the last B.A. Exam '76.**

## REJOICE IN VICTORY :



**Miss Sufia Akhtar Begum (Left), Best Lady Athlete of the year. Sri Bikash Paul Choudhury (Right) Best Athlete of the year.**



**Sri Prasanta Sarkar (left) Best Actor of the year. Sri Bhupendar Singh, Aurora, (Right) who won the 'Triple Crown Title' in Badminton and winner of Table Tennis Singles of the year.**



OUR FOUR HEROES (Standing), who won the Inter College Badminton Championship under D.U., in this session 1975-76.

Sitting: (L—R): Sri T. Moran, Prof-in-charge of the team, Principal P. K. Bhuyan. Standing (L—R): Ratan Mukherjee, Utpal Konwar, Bhupendra Singh Arora, Ranjan Konwar.



DON'T BE SURPRISED! Miss Geetanjali Barua, 'Lata' of our College lifted also the trophy of 'Best Actress' in this session 1975-76.

# DIGBOI COLLEGE MAGAZINE

## 1975-76

### SECOND ISSUE

**Annual Publication of the Digboi College Students' Union 1975-76**

**EDITOR : SIVADAS TALUKDAR**

**ENGLISH SECTION**

# *In This Issue*


: 1 : Dr. Sarvepalli Radhakrishnan : His Message to Mankind.
: 4 : A flower speaks.
: 5 : Blood :: Blood :: Blood ::::
: 7 : A string of violet beads.
: 9 : Wild-Life preservation
: 13 : Atmospheric pollution.
: 18 : Retrospect

: 19 : The uplift of the Backward community
: 21 : India as a welfare state: A brief review.
: 25 : The poet.
: 26 : A scientific Billet Doux.
: 28 : Should we alter our constitution?
: 31 : Shahjahan's Lament.
: 32 : Scientific way to solve problems of civilzation.
: 35 : Report of the Biological Excursion to Kaziranga.

: 40 : **Guest Section.**

: 48 : **Secretaries Reports.**

: 57 : **Editorial.**

# DR. SARVEPALLI RADHAKRISHNAN : HIS MESSAGE TO MANKIND

**Mrs. S. L. Gogoi,**
Vice-Principal,

अमृतं चैव मृत्युश्च द्वयम् देहे प्रतिष्ठितम्
मृत्युरापद्यते मोहात् सत्येनापद्यते अमृतम्

महाभारत

Immortality and death are both lodged in the nature of human beings. By the pursuit of moha or delusion man reaches death ; by the pursuit of truth man attains immortality. With the death of Dr. Sarvepalli Radhakrishnan India has lost a person of towering intellect and a moral author and the world an emient universalist. His mortal body had perished. But by realising the life's fullest possibilities and attaining the perfection of personality Dr. Radhakrishnan, the worshipper of truth, beauty and goodness attains immortality.

Dr. Radhakrishnan was a world-renowned scholar, thinker and orator. He was an outstanding philosopher, rightly described as a philosopher-king who interpreted our ancient philosophy to the western world and drew universal acclaim. In the field of philosophy he enjoyed world1wide fame. His contribution to human thought will continue to inspire generations to come. His philosophic bent of mind became evident even as a student when he wrote his thesis for M.A. on "The ethics of the Vedanta and its metaphysical pre-suppositions". By the eminence of his intellect and matchless eloquence he personified India's wisdom. Dr. Radhakhishnan contributed significantly in the formulation of a synthetic system of philosophy which brings out a reconciliation between ethics and metaphysics without resorting to authority and blind faith. He was striving untiringly to explain that India's message was a positive one—not flight from life but action, action unattached to its fruits. Moksa, nirvana, eternal life are not an escape from life. It is the realisation of life' s fullest possibilities and the perfection of personality.

We may quote here the famous verse of the Bhagavad Gita—

कर्म्मण्येवाधिकारस्ते
मा फलेसु कदाचन
मा कर्म्मफलहेतुर्भूर्
मा ते सङ्गोहस्त्वकर्म्मणि

It is a matter of pride and inspiration to the teaching community that this person of towering personality and moral fervour was a teacher; teaching was his primary mission. After a brilliant academic career he taught at a number of Indian and western universities. He was the vice-chacellor of Benaras Hindu University. As a teacher he

